# ৰাইজৰ বাতৰি

১৬ অক্টোবৰ ২০২০



## এক লাখ খিলঞ্জীয়াক ভূমিপট্টা প্ৰদান

অসম চৰকাৰ

# মিডিয়া ফেল'শ্বিপঃ ২০২০-২১

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমে 'মিডিয়া ফেল'শ্বিপ ঃ২০২০-২১'ৰ বাবে আৱেদন আহ্বান কৰিছে



সৰ্বানন্দ সোণোৱাল
মুখ্যমন্ত্ৰী, অসম

### কোনে আৱেদন কৰিব পাৰিব

কমেও পাঁচ বছৰৰ অভিজ্ঞতা থকা ফ্ৰীলেঞ্চাৰ তথা ছপা, বৈদ্যুতিন আৰু সংবাদ প্ৰতিষ্ঠানত কৰ্মৰত অসমৰ সাংবাদিক।

### কেনেকৈ আৱেদন কৰিব

সম্পূৰ্ণকৈ পূৰণ কৰা পাঁচখন আৱেদন প্ৰ-পত্ৰ (আৰ্হি-১ আৰু আৰ্হি-২) ৰ লগতে অন্যান্য প্ৰাসঙ্গিক তথ্য-পাতি তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসম, লাষ্ট গেট, দিশপুৰ, গুৱাহাটী- ৭৮১০০৬ ৰ ঠিকনাত জমা দিব।



নিৰ্দেশনাৱলী আৰু আৱেদন প্ৰ-পত্ৰৰ আৰ্হি https://bit.ly/3ieRb1r আৰু https://bit.ly/2S6bWl9ৰ পৰা ডাউনলোড কৰিব পাৰিব।

আৱেদন জমা দিয়াৰ অন্তিম তাৰিখ **২৭ অক্টোবৰ, ২০২০**

যোগাযোগ কৰিবলৈ - diprmediafellowship@gmail.com

# ৰাইজৰ বাতৰি

একাদশ বছৰ সপ্তম সংখ্যা ১৬-৩১ অক্টোবৰ, ২০২০

পযেকীয়া বাৰ্তালোচনী

গৃহ নং ঃ ১, দ্বিতীয় মহলা,
দ্বাৰকা পথ, মহাপুৰুষ হৰিদেৱ পথ,
হাতীগাঁও, গুৱাহাটী ঃ ৭৮১০৩৮

## এই সংখ্যাত


| | |
|---|---|
| ৰাজ্য চৰকাৰে আৰু ১ লাখ খিলঞ্জীয়া পৰিয়ালক দিব মাটিৰ পট্টা | ৩ |
| কেন্দ্ৰীয় চৰকাৰৰ প্ৰতিখন আঁচনি অগ্ৰাধিকাৰ ভিত্তিত ৰূপায়ণৰ নিৰ্দেশ | ৬ |
| প্ৰতিমাহৰ ১০ তাৰিখে জি এম চি এইচত জটিল ৰোগত আক্ৰান্ত শিশুৰ স্ক্ৰীনিং | ৮ |
| দুৰ্নীতিক প্ৰশ্ৰয় দিয়া বিষয়া-কৰ্মচাৰী-ৰাজনীতিবিদ কোনেও সাৰি যাব নোৱাৰে | ১৪ |
| খিলঞ্জীয়া সুৰক্ষিত হ'লেহে অসম সুৰক্ষিত হ'ব | ১৮ |
| বি টি আৰৰ সাম্প্ৰতিক পৰিস্থিতি সন্দৰ্ভত সৰ্বদলীয় বৈঠক | ২৮ |
| আইন-শৃংখলাজনিত পৰিস্থিতি মোকাবিলা কৰাৰ দিশত আচৰণবিধি... | ৩৫ |
| খেলুৱৈসকল হ'ল তেজস্বী ব্যক্তিত্বৰ প্ৰতীক | ৩৯ |
| ঐতিহাসিক কৃষি আইনে বৈপ্লৱিক পৰিৱৰ্তন সম্ভৱ কৰি তুলিব | ৪৬ |
| বিশ্বজয়ৰ শক্তি আমাৰ ছাত্ৰ-ছাত্ৰীসকলৰ ব্যক্তিত্বত আছে | ৫৩ |
| দুৰ্গতিনাশিনী দেৱী দুৰ্গাৰ নৱৰূপ ঃ বনশ্ৰী কাকতি | ৫৭ |
| ভৱিষ্যৎবাণী ঃ আশাপূৰ্ণা দেৱী | ৬৩ |
| অহৈতুকী প্ৰীতি ঃ মণিৰূপা মিশ্ৰ | ৬৬ |
| আত্মনিৰ্ভৰ ঃ পুলিন ডেকা | ৬৯ |
| কাব্য কানন | ৭৩ |
| সুগমা ঃ বীজেন্দ্ৰ গগৈ | ৭৫ |
| নিয়োগ বাতৰি | ৭৯ |


অসম চৰকাৰৰ তথ্য আৰু জনসংযোগ সঞ্চালকালয়, দিছপুৰ, গুৱাহাটী ৭৮১০০৬ ৰ দ্বাৰা প্ৰকাশিত আৰু চৰকাৰী ছপাশাল, গুৱাহাটী ২১ ত মুদ্ৰিত।

উপদেষ্টা ঃ হৃষীকেশ গোস্বামী সম্পাদক ঃ ভূপেন্দ্ৰ নাথ ভট্টাচাৰ্য

Published by Directorate of Information & Public Relations, Govt. of Assam, Dispur, Guwahati 781006 and Printed at Assam Govt. Press Guwahati-781021.

**Adviser : Hrishikesh Goswami** **Editor : Bhupendra Nath Bhattacharyya**

Phone : 0361-2264334, Email : raijarbatori@gmail.com, raijarbatori123@gmail.com

## সম্পাদকীয়



# শৰতৰ আৱাহন

শৰৎ মানেই এক মুকলিমূৰীয়া পৰিৱেশ। গ্ৰীষ্মৰ উৎকট দহন বা বাৰিষাৰ বোকাপানী-বৰষুণৰ পৰিৱেশ আঁতৰি শৰততে নাতিশীতোষ্ণ আমেজ অনুভৱ কৰিব পৰা যায়, বতৰ হৈ পৰে ফৰকাল। বাৰিষাৰ ক'লীয়া ডাৱৰ আঁতৰি শৰতত আকাশখন নীলিম হয় আৰু তাতে শুকুলা ডাৱৰে উমলি-জামলি পৰিৱেশটো আৰু অধিক নান্দনিক কৰি তোলে। বাৰিষাৰ বৰষুণে ধূলি-মাকতি পৰিষ্কাৰ কৰা গছপাতবোৰ যেন অধিক সেউজীয়া হৈ উঠে। নদীৰ পাৰত কঁহুৱাবোৰে শুকুলা চোঁৱৰ বুলাই শৰতক আদৰণি জনায়। নৈ-বিলত চৰি ফুৰা শৰালি জাকে উৰুলি দিয়ে। বাৰিষাৰ উদ্দাম নৈখন এই শৰততে শীৰ্ণকায় হৈ পৰে। বুঢ়ালুইতেও বিশাল বালিৰ চাদৰ এখন লৈ শুই থাকে আমন-জিমনকৈ। উজনি দেশলৈ যোৱা কোনো নাৱৰীয়াই লুইতৰ বালিত ভাত ৰান্ধি খায়। শৰতৰ আকাশত উমলি থকা শুকুলা মেঘৰ হাততে কোনোবা যক্ষই তাৰ বিৰহী প্ৰিয়ালৈ বাতৰি পঠিয়ায়। আমাৰ গীতিকবিয়ে শাৰদীয় খিৰিকীমুখত ৰৈ বুকুৰে বিচৰাজনলৈ বাট চায়। শাৰদী সন্ধিয়া চোতালত বহি জোনাকী মেল পাতে নাতি-নাতিনীসকলে আইতাৰ সৈতে। পৰীৰ সাধু শুনি শুনি পৰীৰ দেশলৈ উৰা মাৰে কণ কণ শিশুহঁতৰ মন। এই শাৰদী বতৰত সকলোৰে মনত বিমল পুলক জাগে। পদূলিত দুবৰিৰ দলিচাত সৰি থকা শেৱালিৰ গোন্ধত বতাহ আমোলমোল কৰে। পুৱাৰ কাঁচিয়লি ৰ'দ পৰি দুবৰিত ওলমি থকা নিয়ৰ কণিকাবোৰ মুকুতাৰ দৰে জিলমিলায়। এনে এটি মনোমোহা পৰিৱেশতে আহে দুৰ্গাপূজা। দুৰ্গাপূজা মানে এক অকৃত্ৰিম আনন্দ-উছাহ। শৰতত দুৰ্গাদেৱীৰ অকাল বোধন কৰা হয় পৃথিৱীৰ পৰা দুৰ্গতি নাশ কৰিবলৈ। এইবাৰো আহিছে পূজাৰ বতৰ। এইবাৰ ৰাইজৰ দুৰ্গতি আৰু এখোপ চৰা। সমগ্ৰ বিশ্বতে ত্ৰাসৰ সৃষ্টি কৰা কৰ'না অতিমাৰীৰ প্ৰভাৱৰ পৰা মুক্ত হ'ব পৰা নাই আমাৰ দেশ তথা ৰাজ্যখনো। সেইবাবে পূজাৰ উছাহ এইবাৰ যেন স্তিমিত। সকলোৱেই কামনা কৰিছে এই দুৰ্যোগৰ পৰা উদ্ধাৰ কৰক দুৰ্গতিনাশিনী মা দুৰ্গাই। পিছে পূজাৰ আধ্যাত্মিকতাৰ ঊৰ্দ্ধত আটায়ে স্বাস্থ্যবিধি অনুসৰি সাৱধানতা অৱলম্বন কৰাটো নিতান্তই বাঞ্চনীয়। বিশেষকৈ মাস্ক পিন্ধি, ৰীতি-নীতি পালন কৰি আৰু সামাজিক দূৰত্ব বজাই ৰাখি সকলোৱে পূজাৰ আনন্দ উপভোগ কৰাটো সময়ৰ আহ্বান। তথ্যমতে সম্প্ৰতি ৰাজ্যখনত কৰ'না সংক্ৰমণৰ হাৰ কমিবলৈ ধৰিছে। এই প্ৰৱণতা অব্যাহত ৰাখিবলৈ সাৱধানতা আৰু সচেতনতাই মূলমন্ত্ৰ। সেইবাবে আমি ইতিমধ্যে বিহুকে ধৰি কেইবাটাও উৎসৱ অতি সংযমেৰে পালন কৰাৰ দৰে এইবাৰৰ দুৰ্গাপূজাও নীতি-নিয়মৰ মাজেৰে পালন কৰা উচিত। শৰতৰ শান্ত-সমাহিত পৰিৱেশত শৃংখলাবদ্ধভাৱে পূজাকে ধৰি অন্যান্য উৎসৱ-পাৰ্বণসমূহো পালন কৰাটোতহে আচলতে শৰতৰ সুষমা উপভোগৰ তাৎপৰ্য নিহিত হৈ আছে। পশ্যেম শৰদঃ শতম্। জীৱেম শৰদঃ শতম্। ❑❑

*"এইবাৰ ৰাইজৰ দুৰ্গতি আৰু এখোপ চৰা। সমগ্ৰ বিশ্বতে ত্ৰাসৰ সৃষ্টি কৰা কৰ'না অতিমাৰীৰ প্ৰভাৱৰ পৰা মুক্ত হ'ব পৰা নাই আমাৰ দেশ তথা ৰাজ্যখনো। সেইবাবে পূজাৰ উছাহ এইবাৰ যেন স্তিমিত। সকলোৱেই কামনা কৰিছে এই দুৰ্যোগৰ পৰা উদ্ধাৰ কৰক দুৰ্গতিনাশিনী মা দুৰ্গাই। পিছে পূজাৰ আধ্যাত্মিকতাৰ ঊৰ্দ্ধত আটায়ে স্বাস্থ্যবিধি অনুসৰি সাৱধানতা অৱলম্বন কৰাটো নিতান্তই বাঞ্চনীয়। বিশেষকৈ মাস্ক পিন্ধি, ৰীতি-নীতি পালন কৰি আৰু সামাজিক দূৰত্ব বজাই ৰাখি সকলোৱে পূজাৰ আনন্দ উপভোগ কৰাটো সময়ৰ আহ্বান।"*

## শাৰদীয় দুৰ্গোৎসৱৰ প্ৰাক্‌ক্ষণত ৰাজ্যৰ আইন-শৃংখলা তথা ক'ভিড পৰিস্থিতিৰ পৰ্যালোচনা মুখ্যমন্ত্ৰীৰ




# ডিচেম্বৰৰ ভিতৰত ৰাজ্য চৰকাৰে আৰু এক লাখ খিলঞ্জীয়া পৰিয়ালক প্ৰদান কৰিব মাটিৰ পট্টা

মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে যোৱা ১৩ অক্টোবৰত ভিডিঅ' কনফাৰেন্সযোগে ৰাজ্যখনৰ সকলো জিলাৰ উপায়ুক্ত তথা আৰক্ষী অধীক্ষকসকলৰ সৈতে মত বিনিময় কৰি আগন্তুক শাৰদীয় দুৰ্গোৎসৱৰ প্ৰাক্‌কালত ৰাজ্যখনৰ আইন-শৃংখলাজনিত পৰিস্থিতি, ক'ভিড-১৯সৃষ্ট পৰিস্থিতি আৰু আধাৰ পঞ্জীয়নৰ কাম-কাজৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰে। জনতা ভৱনস্থিত মুখ্যমন্ত্ৰীৰ সভাকক্ষত ভিডিঅ' কনফাৰেন্সযোগে হোৱা এই পৰ্যালোচনাৰ সময়ত মুখ্যমন্ত্ৰীয়ে কয় যে কেন্দ্ৰীয় চৰকাৰৰ আঁচনিসমূহৰ দ্বাৰা উপকৃত হোৱাৰ বাবে হিতাধিকাৰীসকলৰ আধাৰ পঞ্জীয়ন হোৱাটো বাধ্যতামূলক। ৰাজ্যখনৰ বহুসংখ্যক জিলাত আধাৰ কাৰ্ডৰ পঞ্জীয়নৰ গতি অতি লেহেমীয়া হোৱাৰ দিশটোলৈ আঙুলিয়াই মুখ্যমন্ত্ৰীয়ে সকলো জিলা উপায়ুক্তক আধাৰ পঞ্জীয়নৰ কাম-কাজ দ্ৰুততৰ কৰি তুলিবলৈ নিৰ্দেশ দিয়ে। আধাৰ পঞ্জীয়নৰ কামত নিয়োজিত দুৰ্বল প্ৰদৰ্শনকাৰী তথা লেহেমীয়া কাম-কাজ কৰা প্ৰতিষ্ঠানসমূহক আঁতৰাই তাৰ ঠাইত যোগ্যতাসম্পন্ন অধিকসংখ্যক ব্যক্তিগত প্ৰতিষ্ঠানক নিয়োজিত কৰিবলৈ তেওঁ জিলা উপায়ুক্তসকলক নিৰ্দেশ দিয়ে যাতে এই বছৰৰ শেষলৈ আধাৰ পঞ্জীয়নৰ দিশত ১০০ শতাংশ সফলতা লাভ কৰিব পৰা যায়। মুখ্যমন্ত্ৰীয়ে লগতে এই কামত অধিক থলুৱা যুৱক-যুৱতীক নিয়োজিত কৰাৰো পোষকতা কৰে। চৰকাৰী আঁচনিসমূহৰ দ্বাৰা লক্ষ্য নিৰ্ধাৰিত হিতাধিকাৰীসকলৰ আঁচনিৰ ধনপ্ৰাপ্তিৰ দিশত কোনো মধ্যভোগীয়ে যাতে হস্তক্ষেপ কৰিব নোৱাৰে, সেই দিশটোৰ প্ৰতি লক্ষ্য ৰাখিয়েই আধাৰ পঞ্জীয়নৰ কামত বিশেষ অগ্ৰাধিকাৰ প্ৰদান কৰিবলৈ তেওঁ জিলা উপায়ুক্তসকলক নিৰ্দেশ দিয়ে। ৰাজ্যখনৰ ১ লাখৰো অধিক ভূমিহীন খিলঞ্জীয়া পৰিয়ালক মাটিৰ পট্টা তথা আবণ্টন পত্ৰ প্ৰদানৰ দিশত জিলা প্ৰশাসনসমূহে লোৱা সক্ৰিয় ভূমিকাৰ শলাগ লৈ অহা ডিচেম্বৰৰ

ভিতৰত ৰাজ্য চৰকাৰে আৰু ১ লাখ থলুৱা ভূমিহীন খিলঞ্জীয়া পৰিয়ালক মাটিৰ পট্টা প্ৰদানৰ যি লক্ষ্য লৈছে সেই লক্ষ্য পূৰণৰ দিশত জিলা উপায়ুক্তসকলক সক্ৰিয় ভূমিকা পালনৰ বাবেও মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। ভূমিৰ অধিকাৰ অবিহনে খিলঞ্জীয়া লোকৰ অস্তিত্ব সুৰক্ষিত নহয় বুলি উল্লেখ কৰি অসম চৰকাৰে লোৱা এই ঐতিহাসিক পদক্ষেপৰ দ্বিতীয় পৰ্যায়তো জিলা প্ৰশাসনসমূহে অগ্ৰণী ভূমিকা ল'ব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে এই ভূমিপট্টা প্ৰদানৰ বিষয়টোক কেৱল চৰকাৰী দায়িত্ব হিচাপে নলৈ ইয়াক এক নৈতিক দায়িত্ব হিচাপে গ্ৰহণ কৰাৰ বাবেও উপায়ুক্তসকলক নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে লগতে 'অৰুন্ধতী' আঁচনি সম্পৰ্কত তৃণমূল পৰ্যায়ত গাঁৱে-ভূঞে প্ৰচাৰৰ দিশটোৰ ওপৰত গুৰুত্ব আৰোপ কৰে। এই দিশত পঞ্চায়তৰ নিৰ্বাচিত প্ৰতিনিধি তথা মহিলা আত্মসহায়ক গোটসমূহক নিয়োজিত কৰাৰ পদক্ষেপ ল'বলৈও জিলা উপায়ুক্তসকলক নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে লগতে অলপতে আৰম্ভ কৰিবলগীয়া অসম চৰকাৰৰ অভিলাষী আঁচনি 'অৰুণোদয়' সম্পৰ্কতো উপযুক্ত প্ৰচাৰৰ পদক্ষেপ ল'বলৈ জিলা উপায়ুক্তসকলক নিৰ্দেশ দিয়ে যাতে কোনো যোগ্য মহিলা হিতাধিকাৰীয়েই এই আঁচনিৰ আওতাৰ পৰা বাদ পৰি নাযায়। ক'ভিড-১৯ৰ এই জটিল সময়ত পালিত হ'বলগীয়া আগন্তুক শাৰদীয় দুৰ্গোৎসৱৰ প্ৰতি লক্ষ্য ৰাখি স্বাস্থ্য বিভাগে ইতিমধ্যে ধাৰ্য কৰি দিয়া ক'ভিড প্ৰট'কল সম্পূৰ্ণ ৰূপত মানি চলি শাৰদীয় দুৰ্গোৎসৱ উদ্‌যাপন নিশ্চিত কৰিবলৈ জিলা উপায়ুক্তসকলক মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে যাতে উৎসৱৰ এই বতৰত ক'ভিড সংক্ৰমণ কোনো কাৰণতে বৃদ্ধি নহয়। এই প্ৰসংগত মুখ্যমন্ত্ৰীয়ে পূজা সমিতিকে ধৰি সৰ্বসাধাৰণ ৰাইজৰ মাজত উপযুক্ত সজাগতা সৃষ্টিৰ পদক্ষেপ ল'বলৈ জিলা উপায়ুক্তসকলৰ লগতে আৰক্ষী অধীক্ষকসকলক নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে শাৰদীয় দুৰ্গোৎসৱৰ আগতে যাতে চাহ বাগিচাৰ শ্ৰমিকসকলে বাগিচা কৰ্তৃপক্ষই নিৰ্ধাৰণ কৰা হাৰত বোনাছ লাভ কৰিব পাৰে সেয়া নিশ্চিত কৰাৰ পদক্ষেপ ল'বলৈ জিলা উপায়ুক্তসকলক নিৰ্দেশ দিয়ে। এই প্ৰসংগত চাহ বাগিচা কৰ্তৃপক্ষৰ সৈতে আলোচনাত মিলিত হৈ প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিবলৈ মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। শাৰদীয় উৎসৱৰ সময়ছোৱাত ৰাজ্যখনৰ আইন-শৃংখলা পৰিস্থিতি যাতে অটুট থাকে তথা এই সময়ত যাতে দুষ্কৃতিকাৰীৰ দ্বাৰা কোনোধৰণৰ কুটাঘাতমূলক কাৰ্যকলাপ সংঘটিত নহয়, সেইটো নিশ্চিত কৰাৰ পদক্ষেপ ল'বলৈও জিলা উপায়ুক্ত আৰু আৰক্ষী অধীক্ষকসকলক মুখ্যমন্ত্ৰীয়ে এই বৈঠকত নিৰ্দেশ দিয়ে। উৎসৱৰ বতৰত আৰক্ষী বাহিনীয়ে আইন-শৃংখলাজনিত পৰিস্থিতিৰ সৈতে ব্যস্ত থকাৰ সুৰুঙা লৈ যাতে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানকে ধৰি অন্যান্য অভয়াৰণ্যসমূহত চোৰাং চিকাৰীৰ কোনোধৰণৰ ঘটনা সংঘটিত নহয় সেই দিশতো চোকা দৃষ্টি ৰাখিবলৈ মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। ভিডিঅ' কনফাৰেন্সযোগে মুখ্যমন্ত্ৰীয়ে কৰা এই পৰ্যালোচনাৰ সময়ত মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামী, মুখ্যমন্ত্ৰীৰ আইন উপদেষ্টা শান্তনু ভৰালী, মুখ্য সচিব কুমাৰ সঞ্জয় কৃষ্ণ, আৰক্ষী সঞ্চালকপ্ৰধান ভাস্কৰজ্যোতি মহন্ত, গৃহ আৰু ৰাজনৈতিক বিভাগৰ দায়িত্বত থকা অতিৰিক্ত মুখ্য সচিব জিষ্ণু বৰুৱা, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সঞ্জয় লোহিয়া, সাধাৰণ প্ৰশাসন ইত্যাদি বিভাগৰ আয়ুক্ত সচিব এম এছ মনিৱন্ননকে ধৰি অন্যান্য শীৰ্ষ বিষয়াসকল উপস্থিত থাকে। ❑❑



# বগীবিল দলঙেৰে প্ৰথমবাৰলৈ বিশেষ ৰাজধানী এক্সপ্ৰেছৰ চলাচল



ফাইল ফটো

# ৰাজধানী এক্সপ্ৰেছৰ চলাচলে ৰে'ল যোগাযোগ ব্যৱস্থাক এক নতুন মাত্ৰা প্ৰদান কৰিব

## প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ৰে'লমন্ত্ৰী পীয়ূষ গোৱেলক ধন্যবাদ জ্ঞাপন মুখ্যমন্ত্ৰীৰ

ঐতিহাসিক অসম চুক্তিৰ আধাৰত নিৰ্মিত বগীবিল দলঙেৰে প্ৰথমবাৰলৈ বিশেষ ৰাজধানী এক্সপ্ৰেছৰ চলাচলে অসম তথা উত্তৰ-পূৰ্বাঞ্চল সংযোগী দেশৰ ৰে'ল যোগাযোগ ব্যৱস্থাক এক মাত্ৰা প্ৰদান কৰিব। যোৱা ১২ অক্টোবৰত এই সম্পৰ্কীয় এখন সভাত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে ইয়াৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু কেন্দ্ৰীয় ৰে'ল মন্ত্ৰী পীয়ূষ গোৱেলক ধন্যবাদ জনাই কয় যে স্বৰাজোত্তৰ সাতটা দশক ধৰি অৱহেলিত হৈ থকা ব্ৰহ্মপুত্ৰৰ উত্তৰপাৰৰ ৰে'ল যোগাযোগৰ ক্ষেত্ৰত এই পদক্ষেপে এটা নতুন মাত্ৰা সংযোজন কৰাৰ লগতে অঞ্চলটোৰ আৰ্থ-সামাজিক ৰূপান্তৰৰ ক্ষেত্ৰত প্ৰত্যক্ষ প্ৰভাৱ পেলাব। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে বিশেষ ৰাজধানী এক্সপ্ৰেছৰ চলাচলে অসমৰ ওচৰ-চুবুৰীয়া ৰাজ্য অৰুণাচলৰ যোগাযোগ তথা অৰ্থনৈতিক ক্ষেত্ৰখনতো অৰিহণা যোগাবলৈ সক্ষম হ'ব। মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০১৪ চনত শাসনভাৰ লোৱাৰ পিছৰে পৰা অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ যোগাযোগ ব্যৱস্থাৰ উন্নয়ন সাধনৰ ওপৰত গুৰুত্ব আৰোপ কৰি আহিছে। প্ৰধানমন্ত্ৰীৰ দূৰদৰ্শী পদক্ষেপৰ বাবেই বহু আধৰুৱা প্ৰকল্প দ্ৰুতগতিত সম্পূৰ্ণ হৈ উঠিছে। দ্বৈত ৰে'লপথৰ সম্প্ৰসাৰণকে ধৰি ৰে'লপথৰ বৈদ্যুতিকৰণেৰে অঞ্চলটোৰ ৰে'ল খণ্ডৰ বিকাশ সাধনৰ ওপৰত ৰে'ল মন্ত্ৰালয়ে দৃঢ় পদক্ষেপ গ্ৰহণ কৰাৰ ফলত যোৱা ৬ বছৰৰ ভিতৰত অঞ্চলটোত ৰে'ল যোগাযোগ ব্যৱস্থাই নতুন মাত্ৰা লাভ কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে 'ট্ৰেন্সফৰ্মেচন থ্ৰ' ট্ৰেন্সপ'ৰ্টেচন' নীতিৰে অঞ্চলটোৰ যোগাযোগ ব্যৱস্থাৰ দ্ৰুত পৰিৱৰ্তন সাধন কৰিবলৈ সক্ষম হৈছে। তেওঁ কয় যে অকল পথ যোগাযোগেই নহয়, আকাশী আৰু জলপথৰ উন্নয়ন সাধন কৰাৰ বাবেও কেন্দ্ৰীয় চৰকাৰে গুৰুত্ব আৰোপ কৰি ইতিমধ্যে বহুসংখ্যক পদক্ষেপ গ্ৰহণ কৰিছে। শেহতীয়াভাৱে দেশৰ ৰাজধানী আৰু উত্তৰ-পূৰ্বাঞ্চলৰ মাজৰ ৰে'ল সংযোগীকৰণক শক্তিশালী ৰূপ দিয়াৰ বাবে লোৱা পদক্ষেপে ৰাজ্যখনৰ যোগাযোগৰ ক্ষেত্ৰখনত দ্ৰুত পৰিৱৰ্তন সাধন কৰাৰ লগতে অৰ্থনৈতিক উন্নয়নৰ ক্ষেত্ৰতো ইতিবাচক প্ৰভাৱ পেলাব বুলি মুখ্যমন্ত্ৰীয়ে কয়। উল্লেখ্য যে সপ্তাহত দুদিনকৈ চলিবলগীয়া উত্তৰ অসম সংযোগী এই অত্যাধুনিক ৰে'ল সেৱাই যাত্ৰীসকলক যথেষ্ট পৰিমাণে উপকৃত কৰিব। ❑❑




# কেন্দ্ৰীয় চৰকাৰৰ প্ৰতিখন আঁচনি অগ্ৰাধিকাৰ ভিত্তিত ৰূপায়ণ কৰিবলৈ মুখ্যমন্ত্ৰীৰ নিৰ্দেশ

কেন্দ্ৰীয় চৰকাৰে ৰাজ্যসমূহৰ বাবে হাতত লোৱা প্ৰতিখন আঁচনি অসমত অগ্ৰাধিকাৰ ভিত্তিত ৰূপায়ণৰ দিশত ব্যৱস্থা গ্ৰহণ কৰিবলৈ  মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে নিৰ্দেশ প্ৰদান কৰে। যোৱা ১২ অক্টোবৰত ডিব্ৰুগড় জিলাৰ উপায়ুক্তৰ কাৰ্যালয়ত অনুষ্ঠিত এক বৈঠকত ডিব্ৰুগড় আৰু তিনিচুকীয়া জিলাত ৰূপায়িত হৈ থকা কেন্দ্ৰীয় চৰকাৰৰ  আঁচনিসমূহ আৰু ৰাজ্য চৰকাৰৰ ধ্বজাবাহী আঁচনিসমূহৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰি দুয়োখন জিলাৰ উপায়ুক্ত আৰু আঁচনি ৰূপায়ণৰ দায়িত্বত থকা চৰকাৰী বিভাগসমূহক এই নিৰ্দেশ প্ৰদান কৰে মুখ্যমন্ত্ৰীয়ে। তেওঁ  বৈঠকত কেন্দ্ৰীয় চৰকাৰৰ প্ৰতিখন আঁচনিৰ সফল ৰূপায়ণৰ বাবে এক নিৰ্দিষ্ট ৰোডমেপ প্ৰস্তুত কৰি সেইমতে আগবাঢ়ি যাবলৈও চৰকাৰী বিভাগসমূহক নিৰ্দেশ প্ৰদান কৰে। এই বৈঠকত মুখ্যমন্ত্ৰীয়ে প্ৰধানমন্ত্ৰী আৱাস যোজনা (গ্ৰামীণ) ৰ অধীনত দুয়োখন জিলাত চলি থকা কামৰ খতিয়ান লয় আৰু এই আঁচনিৰ সুবিধা লাভৰ পৰা বঞ্চিত হোৱা লোকসকলক অতিৰিক্ত তালিকা দাখিলৰ জৰিয়তে সোনকালে সামৰি ল'বলৈ নিৰ্দেশ দিয়ে। এই দিশত প্ৰয়োজনীয় আধাৰ পঞ্জীয়ন প্ৰক্ৰিয়া ক্ষিপ্ৰগতিত আগবঢ়াই নিয়াৰ দিশত চৰকাৰে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিব বুলিও মুখ্যমন্ত্ৰী সোণোৱালে বৈঠকত উল্লেখ কৰে। সভাত মুখ্যমন্ত্ৰী সোণোৱালে সমাজ কল্যাণ বিভাগৰ পৰিপূৰক পুষ্টি কাৰ্যসূচী, প্ৰধানমন্ত্ৰী মাতৃ বন্দনা যোজনাৰ  লগতে পোষণ মাহৰ উদ্‌যাপনৰ জৰিয়তে কেন্দ্ৰীয় চৰকাৰে সৰ্বাধিক গুৰুত্ব আৰোপ কৰা গৰ্ভৱতী মাতৃ আৰু নৱজাতকৰ সবল স্বাস্থ্যৰ দিশটোত যাতে অলপো ত্ৰুটী নৈ নাযায়, তাৰ ওপৰত সদায় চোকা দৃষ্টি ৰাখিবলৈ তথা পৰিপূৰক পুষ্টি কাৰ্যসূচীৰ জৰিয়তে যাতে মাতৃ আৰু শিশুক প্ৰদান কৰা খাদ্যৰ গুণগত মান আৰু পৰিমাণত  কোনো ধৰণৰ খেলিমেলি নহয়, তাৰ ওপৰত গুৰুত্ব  আৰোপ কৰিবলৈ সমাজ কল্যাণ বিভাগক নিৰ্দেশ দিয়ে। একেদৰে তেওঁ দিব্যাংগসকলৰ বাবে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে ৰূপায়ণ কৰা আঁচনিৰ পৰা যাতে যোগ্য হিতাধিকাৰীসকল বঞ্চিত নহয়, তাৰ ওপৰতো গুৰুত্ব আৰোপ কৰিবলৈ বিভাগটোক নিৰ্দেশ দিয়ে। দিব্যাংগসকলে চৰকাৰী আঁচনিৰ সুবিধা লাভত সহায় হোৱাকৈ তেওঁলোকৰ যাৱতীয় স্বাস্থ্য পৰীক্ষাৰ জৰিয়তে স্বাস্থ্য বিভাগৰ দ্বাৰা প্ৰমাণিত কৰাৰ বাবে এক অভিযান আৰম্ভ কৰিবলৈও বৈঠকত তেওঁ নিৰ্দেশ প্ৰদান কৰে। বৈঠকত মুখ্যমন্ত্ৰীয়ে প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনা, চতুৰ্দশ আৰু পঞ্চদশ বিত্তীয় আয়োগৰ পুঁজিৰে গাঁও পঞ্চায়ত পৰ্যায়ত চলি থকা কামৰো পৰ্যালোচনা কৰে । মুখ্যমন্ত্ৰী সোণোৱালে দুয়োখন জিলাৰ উপায়ুক্তক

চতুৰ্দশ আৰু পঞ্চদশ বিত্তীয় আয়োগৰ পুঁজিৰে গাঁও পঞ্চায়ত পৰ্যায়ত হাতত লোৱা আঁচনিসমূহৰ মাহিলী পৰ্যালোচনা,গাঁওসভাত অনুমোদিত প্ৰতিখন আঁচনিৰ প্ৰাসংগিকতা পৰীক্ষা কৰা আৰু আঁচনিৰ বিপৰীতে অনুমোদিত ধনৰ সদ্ব্যৱহাৰ হৈছেনে নাই , তাৰ ওপৰত চোকা নজৰ ৰাখিবলৈও নিৰ্দেশ প্ৰদান কৰে। পৰ্যালোচনা বৈঠকত তেওঁ অসম শক্তি বিতৰণ কোম্পানী লিমিটেড, জনস্বাস্থ্য কাৰিকৰী, কৃষি আদি বিভাগৰ অধীনত চলি থকা আঁচনিৰ অগ্ৰগতিৰো বুজ লয়।




বৈঠকত মুখ্যমন্ত্ৰী সোণোৱালে প্ৰতিজন চৰকাৰী বিষয়াক তেওঁলোকৰ দ্বাৰা ৰূপায়িত আঁচনিসমূহৰ দ্বাৰা ৰাইজ প্ৰকৃততে লাভৱান্বিত হৈছেনে নাই , সেই সন্দৰ্ভত ৰাইজৰ মতামত গ্ৰহণ কৰিবলৈ আৰু প্ৰত্যেকজন চৰকাৰী বিষয়া-কৰ্মচাৰীক সততা আৰু নিষ্ঠাৰে কাম কৰি যাবলৈ আহ্বান জনায়। বৈঠকত মুখ্যমন্ত্ৰীয়ে সকলো বিষয়া- কৰ্মচাৰীসকলক দুৰ্নীতিত লিপ্ত হোৱাৰ পৰা বিৰত থাকিবলৈও আহ্বান জনায়। বৈঠকত কেন্দ্ৰীয় খাদ্য সংসাধন দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী ৰামেশ্বৰ তেলী, ৰাজ্য চৰকাৰৰ চাহ জনজাতি কল্যাণ বিভাগৰ (স্বতন্ত্ৰ) মন্ত্ৰী সঞ্জয় কিষাণ, বিধায়কসকল ক্ৰমে প্ৰশান্ত ফুকন, ঋতুপৰ্ণ বৰুৱা, বিনোদ হাজৰিকা, তেৰছ গোৱালা, নৰেন সোণোৱাল, চক্ৰধৰ গগৈ, ডিব্ৰুগড় জিলাৰ ভাৰপ্ৰাপ্ত উপায়ুক্ত পাৰ্থ প্ৰতিম বৈৰাগী, আৰক্ষী অধীক্ষক প্ৰতীক থুবে, তিনিচুকীয়া জিলাৰ উপায়ুক্ত দিগন্ত শইকীয়া, আৰক্ষী অধীক্ষক শিলাদিত্য চেতিয়া আৰু দুয়োখন জিলাৰ বিভিন্ন বিভাগৰ মুৰব্বী বিষয়াসকলৰ উপস্থিত থাকে। ❐❐

# ডিব্ৰুগড়ত সদৌ অসম মৌজাদাৰ সন্মিলনৰ বিষয়ববীয়াই সাক্ষাৎ কৰিলে মুখ্যমন্ত্ৰী সোণোৱালক

সদৌ অসম মৌজাদাৰ সন্মিলনৰ বিষয়ববীয়াসকলে যোৱা ১২ অক্টোবৰত ডিব্ৰুগড়ত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালক সাক্ষাৎ কৰি তেওঁলোকৰ বিভিন্ন অভাৱ-অভিযোগ সন্দৰ্ভত আলোচনা কৰে। ডিব্ৰুগড় জিলাৰ উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত সদৌ অসম মৌজাদাৰ সন্মিলনৰ বিষয়ববীয়াৰে হোৱা আলোচনাত সন্মিলনৰ বিষয়ববীয়াসকলে ৰাজহ বৃদ্ধিৰ বাবে ৰাজ্যখনত ভূমিৰ পুনৰ জৰীপ কৰা, ভূমিৰ পুনঃ শ্ৰেণী পৰিৱৰ্তন আৰু ৰাজহ নিৰ্ধাৰণৰ প্ৰয়োজনীয়তা সন্দৰ্ভত মুখ্যমন্ত্ৰীক অৱগত কৰে। আলোচনা কালত মৌজাদাৰৰ কাৰ্যালয়ৰ আন্তঃগাঁথনি আধুনিকীকৰণৰ প্ৰয়োজনীয়তা, প্ৰতিমাহে চৰকাৰৰ পৰা প্ৰদান কৰা ৰাজসাহায্যৰ পৰিমাণ বৃদ্ধি, মৌজাদাৰসকলক চিকিৎসাজনিত সুবিধা প্ৰদান আদি বিষয়ো তেওঁলোকে উত্থাপন কৰে। আলোচনা কালত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আগন্তুক দুমাহৰ ভিতৰত তেওঁলোকৰ সমস্যাৰাজি সমাধানৰ বাবে ব্যৱস্থা গ্ৰহণৰ আশ্বাস প্ৰদান কৰে। ইফালে উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত আন এক বৈঠকত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে তিনিচুকীয়া জিলাৰ উপায়ুক্ত দিগন্ত শইকীয়া, আৰক্ষী অধীক্ষক শিলাদিত্য চেতিয়া, আৰু বন বিভাগৰ বিষয়ববীয়াৰ লগতে টি এম পি কেৰ প্ৰতিনিধিৰ সৈতে লাইকা-দধীয়াবাসীৰ পুনৰ সংস্থাপন সন্দৰ্ভত এক আলোচনাত মিলিত হয়। বৈঠকত কেন্দ্ৰীয় খাদ্য সংসাধন দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী ৰামেশ্বৰ তেলী, ৰাজ্য চৰকাৰৰ চাহ জনজাতি কল্যাণ বিভাগৰ (স্বতন্ত্ৰ) মন্ত্ৰী সঞ্জয় কিষাণ, বিধায়কসকলক্ৰমে প্ৰশান্ত ফুকন, ঋতুপৰ্ণ বৰুৱা, তেৰছ গোৱালা, বিনোদ হাজৰিকা, চক্ৰধৰ গগৈ উপস্থিত থাকে। ❐❐

# স্নেহস্পৰ্শ ঃ প্ৰতি মাহৰ ১০ তাৰিখে জি এম চি এইচত জটিল ৰোগত আক্ৰান্ত শিশুৰ স্ক্ৰীনিং




জটিল ৰোগত আক্ৰান্ত হোৱা শিশুসকলক বিনামূলীয়াকৈ চিকিৎসা প্ৰদানৰ বাবে ৰাজ্যৰ স্বাস্থ্য বিভাগে গ্ৰহণ কৰিছে স্নেহস্পৰ্শ নামৰ এখন বিশেষ আঁচনি। এই আঁচনিৰ জৰিয়তে ১২ বছৰ বয়সলৈকে হৃদযন্ত্ৰত ছিদ্ৰ থকা শিশুৰ অপাৰেচন, বনমেৰ'-কিড্‌নী-লিভাৰ ট্ৰেন্সপ্লাণ্ট সম্পূৰ্ণ বিনামূলীয়া কৰা হৈছে। এই আঁচনিখনে ধনী-দুখীয়া নিৰ্বিশেষে সকলো ৰোগীকে সামৰি ল'ব। ইয়াৰ বাবে যোৱা ১০ অক্টোবৰত জি এম চি এইচত বিনামূলীয়া চিকিৎসা শিবিৰ আৰু পৰৱৰ্তী সম্পূৰ্ণ চিকিৎসা সহায়ৰ বাবে স্বাস্থ্য বিভাগে এটা কাৰ্যসূচী গ্ৰহণ কৰে। এই কাৰ্যসূচীত অংশগ্ৰহণ কৰি স্বাস্থ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে এতিয়াৰে পৰা প্ৰতিমাহৰ ১০ তাৰিখে জি এম চি এইচত এনে জটিল ৰোগত আক্ৰান্ত শিশুসকলৰ চিকিৎসাৰ বাবে স্ক্ৰীনিং অনুষ্ঠিত হ'ব। স্ক্ৰীনিঙৰ পাছত সেইসকল শিশুক দেশৰ বিভিন্ন প্ৰান্তলৈ উন্নত চিকিৎসাৰ বাবে প্ৰেৰণ কৰি যাক যেনেধৰণৰ চিকিৎসাৰ প্ৰয়োজন হয় সেইমতে চৰকাৰে বিনামূলীয়াকৈ চিকিৎসা সেৱা আগবঢ়াব। ইয়াৰ বাবে তেনে ৰোগত আক্ৰান্ত হৈ থকা শিশুসকলক জি এম চি এইচলৈ আনি এই আঁচনিৰ সুবিধাসমূহ গ্ৰহণ কৰিবলৈ অভিভাৱকসকলৰ প্ৰতি আহ্বান জনায় মন্ত্ৰী ড° শৰ্মাই। অনুষ্ঠানত দিয়া ভাষণত তেওঁ কয় যে স্নেহস্পৰ্শ আঁচনিৰ দ্বাৰা এতিয়ালৈকে ৫৩৯ গৰাকী হিতাধিকাৰী উপকৃত হৈছে। সেইদৰে ২০১৩ চনৰ পৰা অসম আৰোগ্য নিধিৰ অধীনত এতিয়ালৈকে ৩,৬৬৯ গৰাকী হিতাধিকাৰী উপকৃত হোৱাৰ কথা উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে হৃদযন্ত্ৰত ছিদ্ৰ থকা সেই শিশুসকলক অপাৰেচন কৰি ইতিমধ্যে সুস্থ কৰি তোলা হৈছে। এই অপাৰেচনৰ বাবে একোটা শিশুৰ বিপৰীতে ২ লাখৰ পৰা ১৫ লাখ টকা পৰ্যন্ত ব্যয় হৈছে। অসমৰ বাহিৰে দেশৰ কোনো ৰাজ্যতেই এনে আঁচনি নাই বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে আৰু কয় যে এতিয়ালৈকে ৫০টি শিশুৰ বনমেৰ' আৰু ৫ টি শিশুৰ লিভাৰ ট্ৰেন্সপ্লাণ্ট সম্পূৰ্ণ হৈছে। আনহাতে, এই অনুষ্ঠানতে জীৱনৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰা ৰোগ তথা প্ৰকৃতি আৰু মানৱসৃষ্ট দুৰ্যোগৰ ফলত হোৱা আঘাতৰ চিকিৎসাৰ বাবে বছৰত ৫ লাখ টকাতকৈ কম আয়ৰ পৰিয়ালৰ বাবে অসম আৰোগ্য নিধিৰ অধীনত ১৮০গৰাকী হিতাধিকাৰীক সৰ্বাধিক ৩ লাখ টকালৈকে আৰ্থিক অনুদান প্ৰদান কৰা হয়। এতিয়ালৈকে এই আঁচনিৰ অধীনত ৩,৫৬২গৰাকী ব্যক্তিলৈ আৰ্থিক সাহায্য আগবঢ়োৱা হৈছে। ইয়াৰ বাবে চৰকাৰে ২৫.৪৫ কোটি টকা ব্যয় কৰিছে। বিগত ছটা মাহ ৰাজ্যখনে ক'ভিড ১৯ ৰ সৈতে যুঁজ কৰি অহাত স্বাস্থ্য বিভাগৰ অন্যান্য আঁচনিসমূহ আগবঢ়াই নিব পৰা হোৱা নাছিল যদিও শেহতীয়াকৈ ৰাজ্যৰ স্বাস্থ্য বিভাগে ক'ভিডৰ লগত যুঁজিবলৈ যাৱতীয় অভিজ্ঞতা অৰ্জন কৰাৰ পাছত এতিয়া আন আঁচনিসমূহ ৰূপায়ণৰ কাম আৰম্ভ কৰিছে। যোৱা ৬ টা মাহত ৰাজ্যৰ স্বাস্থ্য বিভাগে প্ৰায় ২ লাখ লোকক বিনামূলীয়াকৈ ক'ভিডৰ চিকিৎসা আগবঢ়াইছে। এই সময়ছোৱাত ৩.৫ লাখ লোকক বিনামূলীয়াকৈ কোৱাৰেণ্টিন কেন্দ্ৰত ৰখা হৈছে। জটিলভাৱে ক'ভিডত আক্ৰান্তসকলক বিনামূলীয়াকৈ এডভান্স ট্ৰিটমেণ্ট আগবঢ়োৱা হৈছে। তেনেদৰে ৪০ লাখ লোকৰ বিনামূলীয়াকৈ ক'ভিড টেষ্ট কৰা হৈছে। একোটা ক'ভিড টেষ্টত ব্যয় ১০০০ টকাকৈ ধৰিলেও ইয়াৰ বাবে ৪০০ কোটি টকা খৰচ হৈছে। আনহাতে সেইদিনাই স্বাস্থ্যমন্ত্ৰীগৰাকীয়ে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হস্পিতালত স্থাপন কৰা ২০ মেট্ৰিকটনৰ অক্সিজেন প্লাণ্ট দুটা উদ্বোধন কৰে। ❐❐

# ডিব্ৰুগড়ত এ এম চি এইচ সংযোগী পথৰ শুভ উদ্বোধন কৰিলে মুখ্যমন্ত্ৰীয়ে



ডিব্ৰুগড়ত নগৰৰ আন্তঃগাঁথনি উন্নয়ন পুঁজিৰ ৪.৪২ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মিত অসম চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয় সংযোগী পথৰ যোৱা ১২ অক্টোবৰত শুভ উদ্বোধন কৰে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে। উল্লেখ্য যে ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথ সংযোগী এই নতুনকৈ উন্নীত আৰু বহল কৰা ১.৬২৬ কিঃমিঃ দৈৰ্ঘ্যৰ অসম চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয় সংযোগী পথৰ শুভ উদ্বোধন কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে ১৮০ বছৰীয়া ঐতিহ্যপূৰ্ণ ডিব্ৰুগড় নগৰৰ পথ যোগাযোগ ব্যৱস্থা উন্নীকৰণৰ দিশত ই অন্যতম সংযোজন বুলি মন্তব্য কৰে। মুখ্যমন্ত্ৰী সোণোৱালে এ এম চি এইচ সংযোগী পথছোৱাৰ উদ্বোধনে দূৰ-দূৰণিৰ পৰা অসম চিকিৎসা মহাবিদ্যালয়লৈ অহা ৰোগীসকলক বহুখিনি সকাহ প্ৰদান কৰিব বুলি কয় । এই উপলক্ষে আয়োজিত সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সবল নেতৃত্বত ২০১৬ চনৰ পৰাই ৰাজ্য চৰকাৰে ৰাজ্যখনত পথ যোগাযোগ ব্যৱস্থাৰ উন্নয়নৰ অবিৰত ধাৰা অব্যাহত ৰাখিছে। যাতায়াত আৰু যোগাযোগ ব্যৱস্থা সবল কৰাৰ দিশত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে লোৱা গুৰুত্বপূৰ্ণ ভূমিকাৰ বাবেই প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনাৰ অধীনত ৰাজ্যখনত ১৫ হাজাৰ কিঃমিঃ দৈৰ্ঘ্যৰ পথৰ নিৰ্মাণ কাৰ্য সম্ভৱ হৈছে। তদুপৰি, ৰাজ্য চৰকাৰে ১০০০খন কাঠৰ দলং পকী কৰাৰ দিশতো উল্লেখযোগ্য পদক্ষেপ গ্ৰহণ কৰিছে। একেদৰে পূৰ্বৰ চৰকাৰসমূহে কেতিয়াও উপলব্ধি নকৰা ৰাজ্যখনৰ চাহ বাগানৰ লাইনসমূহ উন্নীত কৰাৰ দিশতো এই চৰকাৰে পদক্ষেপ গ্ৰহণ কৰি এতিয়ালৈকে ৰাজ্যখনৰ ৮০০ খন চাহ বাগানৰ পথ পেভাৰ্চ ব্লক পথলৈ উন্নীত কৰিছে। পথ যোগাযোগ ব্যৱস্থাৰ উন্নয়নেই অৰ্থনৈতিক বুনিয়াদ শক্তিশালী কৰাৰ দিশত অন্যতম অৰিহণা যোগায় বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী সোণোৱালে এই দিশত প্ৰধানমন্ত্ৰী মোদী নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰে সদায়ে গুৰুত্ব আৰোপ কৰি আহিছে বুলি কয়। তেওঁৰ কাৰ্যকালতে ৰাজ্যখনত ব্ৰহ্মপুত্ৰৰ ওপৰত ৩ খনকৈ নতুন দলং মুকলি কৰা হৈছে আৰু ব্ৰহ্মপুত্ৰৰ ওপৰত আন ৫খন দলঙৰ কাম হাতত লোৱা হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰী সোণোৱালে পূৰ্বৰ চৰকাৰৰ কাৰ্যকালত সম্ভৱ নোহোৱা পথ যোগাযোগ ব্যৱস্থাৰ এই উন্নয়ন প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অসমবাসীৰ প্ৰতি থকা আন্তৰিকতাৰ বাবেহে সম্ভৱ হৈছে বুলিও কয়। স্থানীয় বিধায়ক প্ৰশান্ত ফুকনে সভাত বক্তব্য আগবঢ়াই এই পথছোৱাৰ উদ্বোধনে তিনিচুকীয়া দিশৰ পৰা এ এম চি এইচলৈ অহা ৰোগীসকলৰ বাবে এক ডাঙৰ সকাহ হ'ব বুলি উল্লেখ কৰে। ইয়ে গ্ৰেহেম বজাৰৰ পৰা এ এম চি এইচ পৰ্যন্ত পথছোৱাত হোৱা যান-জঁট ৩৫ শতাংশ হ্ৰাস কৰিব বুলি তেওঁ কয়। বিধায়ক প্ৰশান্ত ফুকনে অতি সোনকালে এই পথছোৱাৰ ফেন্সিং, নলা, সৌৰশক্তিচালিত লাইটৰ ব্যৱস্থাৰ বাবেও কাম আৰম্ভ কৰা হ'ব বুলি ভাষণ প্ৰসংগত উল্লেখ কৰে। কেন্দ্ৰীয় খাদ্য সংসাধন দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী ৰামেশ্বৰ তেলীয়ে বক্তব্য আগবঢ়োৱা এই অনুষ্ঠানত বিধায়ক তেৰছ গোৱালা , ঋতুপৰ্ণ বৰুৱা, চক্ৰধৰ গগৈ, জিলা পৰিষদৰ সভানেত্ৰী ডেইজী ৰাণী ফুকন শ্যাম আৰু এই পথছোৱাৰ নিৰ্মাণত বহুখিনি সহযোগিতা আগবঢ়োৱা জালান চাহ বাগানৰ স্বত্বাধিকাৰী মনোজ জালানো উপস্থিত থাকে। উল্লেখ্য যে ডিব্ৰুগড় লোক নিৰ্মাণ বিভাগ, লাহোৱাল, মৰাণ আৰু টিংখং ক্ষেত্ৰীয় পথ সংমণ্ডলৰ তত্ত্বাৱধানত নিৰ্মিত এই পথছোৱাই গ্ৰেহেম বজাৰ (৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথ)ৰ পৰা এ এম চি এইচৰ দূৰত্ব পূৰ্বতকৈ ৩.৫০ কিঃমিঃ হ্ৰাস কৰিব। ❑❑

## মালিগাঁৱত অসমৰ দীৰ্ঘতম উৰণীয়া সেতুৰ আধাৰশিলা স্থাপন মুখ্যমন্ত্ৰীৰ



# আন্তঃগাঁথনিৰ দ্ৰুত উন্নয়নে গুৱাহাটীক দক্ষিণ-পূব এছিয়াৰ দুৱাৰদলিত পৰিণত কৰিব

মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে যোৱা ১১ অক্টোবৰত মালিগাঁৱৰ পৰা কামাখ্যা গেট অভিমুখী তথা মালিগাঁও আৰু পাণ্ডু সংযোগী এখন চাৰিলেনযুক্ত উৰণীয়া সেতুৰ আধাৰশিলা স্থাপন কৰে। প্ৰস্তাৱিত এই উৰণীয়া সেতুখন মালিগাঁৱৰ পৰা আৰম্ভ হৈ এ টি ৰোডৰ কামাখ্যা মন্দিৰ গেটত সমাপ্ত হ'ব। সেতুখনৰ এটা বাহু পাণ্ডুঘাট সংযোগী পথৰ দিশেও সম্প্ৰসাৰণ কৰা হ'ব। ৰাজ্য চৰকাৰৰ ২০২০-২১ বৰ্ষৰ 'স্ব-অগ্ৰাধিকাৰ পুঁজি'ৰ অধীনত লোক নিৰ্মাণ (পথ) বিভাগে নিৰ্মাণ কৰিবলগীয়া এই সেতুৰ মুঠ প্ৰকল্প ব্যয় হৈছে ৪২০.৭৫ কোটি টকা। প্ৰায় ৩ কিঃমিঃ দৈৰ্ঘ্যৰ এই সেতুখন নিৰ্মাণ হৈ উঠিলে ই ৰাজ্যৰ ভিতৰতে দীৰ্ঘতম উৰণীয়া সেতু হিচাপে পৰিগণিত হ'ব। উৰণীয়া সেতুখনৰ কাম অহা দুবছৰৰ ভিতৰত সম্পূৰ্ণ কৰি তোলাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে কয় যে গুৱাহাটী মহানগৰীক সমগ্ৰ দক্ষিণ-পূব এছিয়াৰে মুল দুৱাৰদলি হিচাপে গঢ়ি তোলাটো হৈছে ৰাজ্য চৰকাৰৰ অন্যতম লক্ষ্য আৰু সেয়েহে মহানগৰীখনৰ আন্তঃগাঁথনিৰ দ্ৰুত উন্নয়নৰ দিশত ৰাজ্য চৰকাৰে অন্যতম অগ্ৰাধিকাৰ প্ৰদান কৰিছে। সময়ৰ লগে লগে গুৱাহাটীৰ জনসংখ্যা বাঢ়ি আহিছে আৰু সেয়েহে মহানগৰীখনক চাৰিওদিশে সম্প্ৰসাৰণৰ প্ৰয়োজনীয়তা আহি পৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্যিক ৰাজধানী অঞ্চল পৰিকল্পনাৰ অধীনত ৰাজ্য চৰকাৰে এই দিশত ইতিমধ্যে বাস্তৱসন্মত আঁচনি গ্ৰহণ কৰিছে। কেন্দ্ৰীয় চৰকাৰে হাতত লোৱা স্মাৰ্ট চিটি প্ৰকল্পৰ প্ৰথম পৰ্যায়তে গুৱাহাটী মহানগৰীক অন্তৰ্ভুক্ত কৰা হৈছে। এই কথাই গুৱাহাটীৰ লগতে অসমক দেশৰ বিকাশৰ 'নতুন ইঞ্জিন' হিচাপে গঢ়ি তোলাৰ দিশত থকা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সদিচ্ছাৰ কথাই প্ৰতিফলিত কৰে বুলিও মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। মুখ্যমন্ত্ৰী সোণোৱালে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ 'ট্ৰেন্সফৰ্মেচন থ্ৰ' ট্ৰেন্সপৰ্টেচন' নীতি অনুকৰণ কৰি অসম চৰকাৰেও ৰাজ্যখনৰ গ্ৰামাঞ্চলকে ধৰি সকলো অঞ্চলৰে পথ যোগাযোগ ব্যৱস্থা সুগম আৰু সুচলতৰ কৰি তোলাৰ বাবে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। পূৰ্বৰ চৰকাৰসমূহৰ দিনত আন্তঃগাঁথনিমূলক কাম-কাজৰ লেহেমীয়া অগ্ৰগতিৰ বিপৰীতে বৰ্তমান চৰকাৰৰ কাৰ্যকালত 'প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনা'ৰ অধীনত ১৫ হাজাৰ কিঃমিঃৰো অধিক দৈৰ্ঘ্যৰ পথ নিৰ্মাণ কৰা হৈছে। কেন্দ্ৰীয় আৰু ৰাজ্য দুয়োখন চৰকাৰৰে আন্তৰিকতাৰ ফলত আজি কৃষি, বাণিজ্য, ৰপ্তানি ব্যৱসায়, ক্ৰীড়া, বিজ্ঞান-প্ৰযুক্তি আদি প্ৰতিটো দিশতে ৰাজ্যখনে উন্নয়নৰ ক্ষিপ্ৰ গতি লাভ কৰিবলৈ সক্ষম হৈছে বুলি মন্তব্য কৰি এই প্ৰসংগত




ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মাণ হ'বলগীয়া চাৰিখন নতুন দলঙৰ কথাও মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে পূৰ্বৰ কংগ্ৰেছ চৰকাৰৰ শাসন কালত ৰাজ্যৰ জনসাধাৰণে ন্যূনতম সা-সুবিধাখিনিৰ বাবেও সংগ্ৰাম কৰিবলগীয়া হৈছিল। কিন্তু বৰ্তমানৰ চৰকাৰে ৰাইজক উন্নয়নৰ বাবে আন্দোলন কৰাৰ পৰিৱেশ নিদিয়াকৈয়ে আন্তঃগাঁথনিমূলক কাম-কাজসমূহ যুদ্ধকালে ক্ষিপ্ৰতাৰে সম্পূৰ্ণ কৰি তোলাত অগ্ৰাধিকাৰ প্ৰদান কৰিছে। ৰাজ্যখনত চলি থকা উন্নয়নমূলক প্ৰকল্পসমূহৰ কাম-কাজ সুচাৰুৰূপে আৰু সময়মতে সম্পূৰ্ণ কৰি তোলাৰ স্বাৰ্থত জনসাধাৰণক শান্তি, একতা আৰু সম্প্ৰীতি বৰ্তাই ৰাখিবলৈ আহ্বান জনাই মুখ্যমন্ত্ৰীয়ে কয় যে এনে কৰিলেহে অসমে দেশৰ ৫ খন শ্ৰেষ্ঠ ৰাজ্যৰ এখন হিচাপে পৰিগণিত হ'বলৈ সক্ষম হ'ব। এই উৰণীয়া সেতুখনৰ নিৰ্মাণ কাৰ্য চলি থকাৰ সময়ছোৱাত মালিগাঁও অঞ্চলৰ ৰাইজে যাতায়াতৰ ক্ষেত্ৰত কিছু অসুবিধাৰ সন্মুখীন হ'ব লাগিব পাৰে বুলি উল্লেখ কৰি এইক্ষেত্ৰত ৰাইজক ধৈৰ্য্যৰে সহযোগিতা আগবঢ়াবলৈ মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়। অনুষ্ঠানত ভাষণ প্ৰদান কৰি লোকনিৰ্মাণ বিভাগৰ মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে এই নতুন উৰণীয়া সেতুখনৰ নিৰ্মাণে সদাব্যস্ত মালিগাঁও অঞ্চলৰ যান-জঁটৰ সমস্যা বহুখিনি দূৰ কৰি ৰাইজক সকাহ প্ৰদান কৰিব। গণেশগুৰিত নিৰ্মীয়মাণ উৰণীয়া সেতুখন আৰু কেইটামান দিনৰ পিছতেই ৰাইজৰ বাবে মুকলি কৰিব পৰাকৈ সাজু হৈ উঠাৰ লগতে ছুপাৰ মাৰ্কেট অঞ্চলত নিৰ্মাণকাৰ্য চলি থকা সেতুখনৰ কামো দ্ৰুতগতিৰে আগবাঢ়িছে বুলি তেওঁ উল্লেখ কৰে। মহানগৰীখনৰ বিভিন্ন ঠাইত ৯ খনকৈ ফুট অভাৰব্ৰীজৰ নিৰ্মাণ কাৰ্য চলি থকাৰ লগতে গুৱাহাটী ক্লাবৰ পৰা বামুণীমৈদাম সংযোগী আন এখন উৰণীয়া সেতুৰ নিৰ্মাণৰ বাবেও সম্ভাৱনীয়তাৰ অধ্যয়ন চলাই থকা হৈছে বুলি তেওঁ জানিবলৈ দিয়ে। বৰ্তমানৰ চৰকাৰৰ কাৰ্যকালতে শৰাইঘাটত ব্ৰহ্মপুত্ৰৰ ওপৰত দ্বিতীয়খন দলঙৰ লগতে বগীবিল, ধলা শদিয়া আদি দলং মুকলি কৰিব পৰাটো চৰকাৰখনৰ অন্যতম সফলতা বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে গুৱাহাটী মহানগৰীৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে বহু সংখ্যক আঁচনি হাতত লোৱা হৈছে আৰু এইসমূহ সম্পূৰ্ণ হৈ উঠিলে মহানগৰীখন প্ৰকৃতাৰ্থতেই দক্ষিণ-পূব এছিয়াৰ দুৱাৰদলি হিচাপে পৰিগণিত হ'ব। এই অনুষ্ঠানত সাংসদ বিশ্বজিৎ দৈমাৰী, লোক নিৰ্মাণ বিভাগৰ আয়ুক্ত তথা বিশেষ সচিব ৰাজেশ কেম্প্ৰাইৰ লগতে আন বহু সংখ্যক গণ্য-মান্য ব্যক্তি উপস্থিত থাকে। ❑❑



# ‘স্বনিৰ্ভৰ নাৰী ঃ আত্মনিৰ্ভৰ অসম’ অভিলাষী আঁচনিৰ শুভ উদ্বোধন কৰিলে মুখ্যমন্ত্ৰীয়ে




# অতীজৰে পৰা যুগে যুগে নাৰী শক্তিয়ে সমাজ সংস্কাৰ সাধনত উল্লেখযোগ্য ভূমিকা পালন কৰি আহিছে

মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে যোৱা ৮ অক্টোবৰত চন্দ্ৰপুৰ উচ্চ মাধ্যমিক খেলপথাৰত আয়োজিত এক অনুষ্ঠানত গ্ৰামাঞ্চলৰ আৰ্থিকভাৱে দুৰ্বল মহিলাসকলক সবলীকৰণৰ লক্ষ্যৰে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ উদ্যোগত তথা আন কেইবাটাও বিভাগৰ সহযোগত ৰূপায়ণ কৰিবলগীয়া ‘স্বনিৰ্ভৰ নাৰী ঃ আত্মনিৰ্ভৰ অসম’ শীৰ্ষক আঁচনিখন আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে। মহাত্মা গান্ধী এনৰেগাৰ অধীনত গ্ৰামাঞ্চলৰ দুখীয়া মহিলাসকলৰ উত্তৰণৰ লক্ষ্যৰে এলানি ব্যক্তিগত আৰু সামূহিক কৰ্মসূচীৰে এই আঁচনিখন ৰূপায়ণৰ দিশত মুখ্য সহযোগী হিচাপে অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান, কৃষি, উদ্যান শস্য, মীন, পৰিৱেশ আৰু বন, হস্ততাঁত আৰু বস্ত্ৰশিল্প, ৰেচম, পশুপালন আৰু জলসিঞ্চন বিভাগে সহযোগী বিভাগে হিচাপে কাম কৰিব। ব্যক্তিগত আঁচনিৰ ভিতৰত প্ৰথম পৰ্যায়ত ৫ টা কৰ্ম আঁচনি ২১৯ টা উন্নয়ন খণ্ডত আৰু ২০টা কৰ্ম আঁচনি নিৰ্দিষ্ট উন্নয়ন খণ্ডত ৰূপায়ণ কৰা হ’ব। প্ৰথম পৰ্যায়ত আত্মসহায়ক গোটৰ ৪ লাখ পৰিয়াললৈ উৎপাদনশীল সমল প্ৰদানৰ জৰিয়তে অবিৰত তথা বহনক্ষম জীৱিকাৰ সুযোগ প্ৰদানেৰে ব্যক্তিগত আৰু গোটভিত্তিক আঁচনি প্ৰদানৰ ব্যৱস্থা কৰা হ’ব। এই বিশেষ আঁচনিখন ৰূপায়ণৰ জৰিয়তে ৩ লাখ ৭২ হাজাৰ ৭৯৬ টা বহনক্ষম ব্যক্তিগত সম্পদ আৰু ৮২২টা সামূহিক সম্পদ সৃষ্টিৰ লক্ষ্য লোৱা হৈছে। এই প্ৰকল্পৰ কাম তদাৰক কৰাৰ বাবে গাঁও পঞ্চায়তৰ পৰা ৰাজ্যিক পৰ্যায়লৈকে তদাৰকী কমিটী গঠনৰ পদক্ষেপ লোৱা হৈছে। আঁচনিখন উদ্বোধন কৰি প্ৰদান কৰা ভাষণত মুখ্যমন্ত্ৰী সোণোৱালে মাতৃক আদিগুৰু বুলি অভিহিত কৰি অতীজৰে পৰা যুগে যুগে নাৰী শক্তিয়ে সমাজ সংস্কাৰ সাধনত উল্লেখযোগ্য ভূমিকা পালন কৰি আহিছে বুলি কয়। সতী জয়মতী, সতী সাধনী, স্বাধীনতা সংগ্ৰামৰ মহান ছহিদ কনকলতা বৰুৱা, মাংৰী ওৰাং, ইন্দিৰা মিৰি আদিৰ দৰে নাৰীয়ে সততা, ত্যাগ, নিষ্ঠা আৰু ত্যাগৰ দৃষ্টান্তমূলক উদাহৰণ দাঙি ধৰি নাৰী শক্তিৰ পৰিচয় উজ্জ্বল ৰূপত দাঙি ধৰিবলৈ সক্ষম হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মহিলা সমাজক অত্যন্ত কৰ্মোদ্যোগী বুলি উল্লেখ কৰি এই আঁচনিখন ৰূপায়ণৰ দিশত মহিলাসকলক ১০০ শতাংশ উৎসৰ্গিত মানসিকতাৰে কাম কৰাৰ বাবে মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়। আঁচনিখনৰ ৰূপায়ণৰ দিশত পঞ্চায়তৰ নিৰ্বাচিত প্ৰতিনিধিসকলে বৃহৎ ভূমিকা পালন কৰিব লাগিব বুলি উল্লেখ কৰি পঞ্চায়তৰ প্ৰতিগৰাকী প্ৰতিনিধিকে এই ক্ষেত্ৰত সততা, নিষ্ঠা আৰু দায়বদ্ধতাৰে মহিলাসকলক সকলো দিশতে সহায়ৰ হাত আগবঢ়োৱাৰ বাবে মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়। আঁচনিখন ৰূপায়ণৰ দিশত কিবা গাফিলতি, অন্যায় তথা দুৰ্নীতি কৰিলে তেনে পঞ্চায়তে শাস্তিৰ সন্মুখীন হ’ব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে লগতে এই আঁচনিখন ৰূপায়ণৰ দিশত শ্ৰেষ্ঠত্ব প্ৰদৰ্শন কৰা পঞ্চায়তক ৰাজহুৱাভাৱে সম্বৰ্ধনা জনোৱাৰ উপৰি শ্ৰেষ্ঠত্বৰ দিশত প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থান লাভ কৰা পঞ্চায়তলৈ ক্ৰমে ৩ লাখ, ২ লাখ আৰু ১ লাখ টকাৰ আৰ্থিক পুৰস্কাৰ প্ৰদান কৰা হ'ব বুলিও কয়। নাৰী সবলীকৰণৰ দিশত এই আঁচনিখন এক মহৎ আঁচনি



বুলি উল্লেখ কৰি সংশ্লিষ্ট সকলোকে আঁচনিখন দায়বদ্ধতাৰে ৰূপায়ণৰ পদক্ষেপ ল'বলৈ মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে আঁচনিখন ৰূপায়ণৰ দিশত জড়িত সকলো বিভাগকে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ লগত সন্মিলিতভাৱে এই দিশত কাম কৰাৰ বাবেও আহ্বান জনায়। পঞ্চায়তৰ নিৰ্বাচিত প্ৰতিনিধিসকলৰ ওপৰত আস্থা আৰু বিশ্বাস আছে বুলি উল্লেখ কৰি নিৰ্বাচিত প্ৰতিনিধিসকলে আঁচনিখনৰ সফল ৰূপ প্ৰদানত বিশেষ ভূমিকা লৈ আঁচনিখনক এক সফল আঁচনি হিচাপে গঢ় দিব পাৰিব বুলিও মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে কয় যে ২০১৬ চনত বিজেপি নেতৃত্বাধীন বৰ্তমানৰ চৰকাৰখনে শাসনভাৰ লোৱাৰ প্ৰথম দিনটোৰ পৰাই অসমৰ বৰাক-ব্ৰহ্মপুত্ৰ উপত্যকাৰ আটাইকেইখন জিলাৰ সম-উন্নয়নৰ বাবে বহুসংখ্যক আঁচনি গ্ৰহণ কৰিছে। ৰাজ্যখনৰ খিলঞ্জীয়া জনসাধাৰণৰ মাটি-ভেটিৰ ওপৰত অধিকাৰ সাব্যস্তকৰণৰ বাবে দৃষ্টান্তমূলকভাৱে যোৱা ৫ অক্টোবৰত প্ৰায় ১ লাখৰো অধিক ভূমিহীন খিলঞ্জীয়া পৰিয়াললৈ চৰকাৰে মাটিৰ পট্টা আগবঢ়োৱাৰ উপৰি প্ৰায় ১ লাখ ৩০ হাজাৰ ক্ষুদ্ৰ চাহ খেতিয়কলৈও মাটিৰ পট্টা প্ৰদানৰ পদক্ষেপ গ্ৰহণ কৰিছে বুলিও তেওঁ কয়। মাটি-ভেটিৰ ওপৰত অধিকাৰ নাথাকিলে কৃষ্টি-সংস্কৃতি ৰক্ষা নহ'ব বুলি উল্লেখ কৰি অসমক বিদেশীৰ অনুপ্ৰৱেশৰ পৰা মুক্ত কৰিবলৈ চৰকাৰখনে কেন্দ্ৰীয় চৰকাৰৰ সহযোগত নদী আৰু স্থল সীমান্ত ছীল কৰি এইক্ষেত্ৰত সফলতা লাভ কৰিছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। ঠিক তেনেদৰে কাজিৰঙাকে ধৰি সত্ৰ, নামঘৰ, মঠ-মন্দিৰৰ ভূমি সন্দেহযুক্ত বেদখলকাৰীৰ কবলৰ পৰা মুক্ত কৰাৰ দিশত চৰকাৰখনে শক্তিশালী পদক্ষেপ লৈছে বুলিও তেওঁ কয়। উঠি অহা প্ৰজন্মক এক মূল্যবোধৰ আধাৰত জীৱন ধাৰণৰ বাবে উদ্বুদ্ধ কৰিবলৈ চৰকাৰখনে আৰম্ভণিৰে পৰা দুৰ্নীতিৰ বিৰুদ্ধে শক্তিশালী পদক্ষেপ লৈ আহিছে বুলি উল্লেখ কৰি বিষয়া-ৰাজনীতিবিদ যিয়েই নহওক কিয় দুৰ্নীতিৰ বিৰুদ্ধে উল্লেখযোগ্য পদক্ষেপ লোৱা হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। বৰ্তমানৰ চৰকাৰখনে পূৰ্বৰ চৰকাৰৰ কালিমা পৰিষ্কাৰ কৰি ভৱিষ্যতৰ প্ৰজন্মক এক সুৰক্ষিত ভৱিষ্যতৰ গৰাকী কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। উঠি অহা প্ৰজন্মই যাতে যোগ্যতাৰ ভিত্তিত চাকৰিকে ধৰি অন্যান্য সা-সুবিধা লাভ কৰিব পাৰে তাৰ বাবে প্ৰশাসনিক ব্যৱস্থাটোক স্বচ্ছ আৰু নিকা কৰাৰ উদ্দেশ্যে চৰকাৰখনে আৰম্ভণিৰে পৰা পদক্ষেপ লৈ আহিছে বুলি উল্লেখ কৰি অসমৰ সেউজ প্ৰকৃতি আৰু জীৱ বৈচিত্ৰ্য ৰক্ষাৰ দিশতো চৰকাৰখনে নিষ্ঠাসহকাৰে কাম কৰি আহিছে বুলি তেওঁ উল্লেখ কৰে। ইয়াৰ অংশ হিচাপে ১০ কোটি বৃক্ষ ৰোপণৰ লক্ষ্য লৈ এতিয়ালৈকে ৮ কোটি বৃক্ষ ৰোপণ কৰাৰ দিশত চৰকাৰখনে সফল হৈছে বুলিও তেওঁ কয়। অসমখনক সন্ত্ৰাসমুক্ত কৰাৰ বাবে চৰকাৰখনে চলোৱা প্ৰচেষ্টাৰ ফলতেই কেইবাটাও সন্ত্ৰাসবাদী গোটে অস্ত্ৰ সম্বৰণ কৰি মূলসুঁতিলৈ ঘূৰি আহিছে বুলি মুখ্যমন্ত্ৰীয়ে কোৱাৰ লগতে ৰাজ্যখনত বৰ্তমান শান্তি-সম্প্ৰীতিৰ এক অনুকূল পৰিৱেশ সৃষ্টি কৰাৰ দিশত চৰকাৰখনে সফল হৈছে বুলি কয়। অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে 'স্বনিৰ্ভৰ নাৰী ঃ আত্মনিৰ্ভৰ অসম' আঁচনিখন ৰূপায়ণৰ বাবে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ দ্বাৰা ইংৰাজী আৰু অসমীয়া ভাষাত প্ৰস্তুত কৰা মানসম্পন্ন পৰিচালন পদ্ধতি পুস্তিকাখন অন্যান্য অভ্যাগতৰ সৈতে আনুষ্ঠানিকভাৱে উন্মোচন কৰে। পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ প্ৰধান সচিব ডাঃ জে বি এক্কাই আদৰণী ভাষণ আৰু পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ আয়ুক্ত হেমেন দাসে সভাৰ উদ্দেশ্য ব্যাখ্যা কৰা এই অনুষ্ঠানত মীন, পৰিৱেশ আৰু বন ইত্যাদি বিভাগৰ মন্ত্ৰী পৰিমল শুক্লবৈদ্য, হস্ততাঁত বস্ত্ৰ আৰু ৰেচম বিভাগৰ মন্ত্ৰী ৰঞ্জিত দত্ত, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী নব কুমাৰ দলে, জলসিঞ্চন বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী ভবেশ কলিতা, গুৱাহাটী লোকসভা সমষ্টিৰ সাংসদ কুইন ওজা, দিছপুৰ বিধানসভা সমষ্টিৰ বিধায়ক অতুল বৰায়ো বৰ্তমানৰ ৰাজ্য চৰকাৰখনে গ্ৰামাঞ্চলৰ উত্তৰণ তথা মহিলা সবলীকৰণৰ দিশত লোৱা বিভিন্ন আঁচনিৰ অৱলোকনেৰে বক্তব্য আগবঢ়ায়। অনুষ্ঠানত কৃষিমন্ত্ৰী অতুল বৰাই আঁচনিখনৰ উদ্বোধন উপলক্ষে প্ৰেৰণ কৰা এক লিখিত শুভেচ্ছা বাৰ্তাও পাঠ কৰা হয়। ❑❑




# দুৰ্নীতিক প্ৰশ্ৰয় দিয়া বিষয়া-কৰ্মচাৰী তথা ৰাজনীতিবিদ কোনেও সাৰি যাব নোৱাৰে

'ৰাজ্য চৰকাৰে আগন্তুক দিনত ৰাজ্যখনৰ বনাঞ্চলৰ পৰিসৰ ২ হাজাৰ বৰ্গ কিলোমিটাৰ বৃদ্ধিৰ বাবে পদক্ষেপ লোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। ৰাজ্য চৰকাৰে বন্যপ্ৰাণীৰ স্বাস্থ্য আৰু গৱেষণাৰ বাবে ইনষ্টিটিউট অব ৱাইল্ড লাইফ হেলথ্ এণ্ড ৰিছাৰ্চ নামৰ এক ৰাষ্ট্ৰীয় পৰ্যায়ৰ প্ৰতিষ্ঠান গঢ়ি তুলিব। ডিব্ৰুগড় জিলাৰ দ্বিনজানত এই প্ৰতিষ্ঠানটো গঢ়ি তোলা হ'ব। আনহাতে কাজিৰঙা আৰু মানস ৰাষ্ট্ৰীয় উদ্যানৰ দৰে প্ৰতিখন সংৰক্ষিত বনাঞ্চলত থকা কেম্পত সৌৰশক্তিচালিত চাকি আৰু স্মাৰ্ট ফোন প্ৰদান কৰিব ৰাজ্য চৰকাৰে।' যোৱা ৭ অক্টোবৰত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীশ্ৰী শংকৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত ৰাজ্য চৰকাৰৰ পৰিৱেশ আৰু বন বিভাগৰ দ্বাৰা আয়োজিত ৬৬ তম্ বন্যপ্ৰাণী সপ্তাহৰ সামৰণী অনুষ্ঠানত মুখ্য অতিথি হিচাপে ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এইদৰে কয়। মুখ্যমন্ত্ৰী সোণোৱালে কয় যে বৰাইল বনাঞ্চলত এটা বন সংমণ্ডল স্থাপন কৰাৰ বাবে ৰাজ্য চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিছে। দিহিং-পাটকাইক জয়পুৰৰ লগত সংযোগ কৰি ৰাষ্ট্ৰীয় উদ্যান এখন গঢ়ি তোলাৰ বাবে যাৱতীয় পদক্ষেপ গ্ৰহণ কৰা হৈছে বুলিও তেওঁ কয়। তেওঁ লগতে কয় যে জোনাইৰ পবাস্থিত বৰ্ষাৰণ্যক বন্যপ্ৰাণী অভয়াৰণ্য হিচাপে গঢ়ি তোলাৰ বাবে ৰাজ্য চৰকাৰে সিদ্ধান্ত লৈছে। ৰাজ্যখনৰ প্ৰাকৃতিক সম্পদ আৰু বন্যপ্ৰাণীৰ সংৰক্ষণৰ বাবে ৰাজ্য চৰকাৰে আৰম্ভণিৰে পৰা দৃঢ়তাৰে পদক্ষেপ গ্ৰহণ কৰি আহিছে। বনাঞ্চলৰ সৌন্দৰ্য বৃদ্ধিত পশু-পক্ষীৰ অৱদান আছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে পশু-পক্ষী অবিহনে মানৱ সমাজ জীয়াই থাকিব নোৱাৰে। সেইবাবে বন্যপ্ৰাণী সংৰক্ষণৰ ক্ষেত্ৰত আমি সকলোৱে দায়বদ্ধতাৰে আগুৱাই যাব লাগিব। আমাৰ জৈৱ্য-বৈচিত্ৰ্যই পৰ্যটকক আকৰ্ষিত কৰি আহিছে বুলিও তেওঁ কয়। বনাঞ্চল, বন্যপ্ৰাণীৰ সংৰক্ষণৰ ক্ষেত্ৰত ৰাইজ তথা ছাত্ৰ-ছাত্ৰীৰ মাজত সজাগতা বৃদ্ধি পাইছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্যখনৰ প্ৰাকৃতিক সৌন্দৰ্য অটুট ৰখাৰ বাবে সকলোৱে দায়বদ্ধতাৰে আগুৱাই আহিব লাগিব। পূৰ্বৰ চৰকাৰে গঁড় হত্যাৰ ক্ষেত্ৰত আন্তৰিকতা নেদেখুৱালে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে কাজিৰঙাত প্ৰতিমাহে গঁড় হত্যা হৈছিল। বহু নিৰীহ প্ৰাণীৰ মৃত্যু হ'ল। চোৰাং চিকাৰীয়ে কাজিৰঙাক মুকলি পথাৰ হিচাপে গণ্য কৰিছিল। বৰ্তমানৰ

ৰাজ্য চৰকাৰে কঠোৰ পদক্ষেপ গ্ৰহণ কৰাৰ ফলত কাজিৰঙাত চোৰাং চিকাৰীৰ প্ৰৱেশ নিষিদ্ধ হ'ল। ১০খন ফাষ্ট ট্ৰেক কৰ্টৰ জৰিয়তে ২৪০ টা চোৰাং চিকাৰীক দৃষ্টান্তমূলক শাস্তি প্ৰদান কৰা হৈছে। সমাজখনলৈ এনে এক বাৰ্তা গৈছে যে অপকৰ্মত লিপ্ত কাকো চৰকাৰে ৰেহাই নিদিয়ে। বন্যপ্ৰাণীক নিৰাপত্তা প্ৰদান কৰিব পৰা পৰিৱেশ এটা গঢ় লৈ উঠাৰ বাবেই আজি পৰ্যটকৰ সংখ্যা বৃদ্ধি পাইছে। পূৰ্বতে এশিঙীয়া গঁড়ৰ হত্যাৰ জৰিয়তে আমাৰ স্বাভিমানক হত্যা কৰাৰ ষড়যন্ত্ৰ চলিছিল। বৰ্তমানৰ চৰকাৰৰ কাৰ্যকালত জিলা প্ৰশাসন, বন বিভাগ আৰু জনসাধাৰণৰ সহযোগত অসাধু চক্ৰক উৎখাত কৰাটো সম্ভৱ হ'ল বুলি মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্য চৰকাৰে আৰম্ভণিৰে পৰা দুৰ্নীতিৰ বিৰুদ্ধে শক্তিশালী পদক্ষেপ গ্ৰহণ কৰি আহিছে। ৰাজ্য চৰকাৰ দুৰ্নীতিৰ বিৰুদ্ধে যুঁজ দিবলৈ সংকল্পবদ্ধ আৰু দৃঢ় প্ৰতিজ্ঞ। দুনীৰ্তিক প্ৰশ্ৰয় দিয়া বিষয়া-কৰ্মচাৰী, ৰাজনীতিবিদ সাৰি যাব নোৱাৰে। দুৰ্নীতিৰ বিৰুদ্ধে অভিযান চলি থাকিব। এইক্ষেত্ৰত কোনো ধৰণৰ আপোচ কৰা নহ'ব। দুৰ্নীতিয়ে সমাজখন অপৰিষ্কাৰ কৰে। সেইবাবে দুৰ্নীতিৰ সৈতে জড়িত থকা লোকে ৰেহাই নাপাব। দুৰ্নীতিৰ বিৰুদ্ধে ৰাজ্য চৰকাৰে উল্লেখযোগ্য সফলতা লাভ কৰিছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। অনুষ্ঠানত ভাষণ প্ৰদান কৰি বন আৰু পৰিৱেশ মন্ত্ৰী পৰিমল শুক্লবৈদ্যই কয় যে ৰাজ্য চৰকাৰে ১০ কোটি গছপুলি ৰোপণৰ সিদ্ধান্ত লৈ ৮ কোটি গছপুলি ৰোপণৰ কাম ইতিমধ্যে সম্পূৰ্ণ কৰিছে। মন্ত্ৰীগৰাকীয়ে কয় যে আমাৰ আধ্যাত্মিক আৰু সাংস্কৃতিক জীৱনৰ লগত প্ৰকৃতিৰ সম্পৰ্ক আছে। বন্যপ্ৰাণী সংৰক্ষণৰ প্ৰতি আমি সকলোৱে দায়বদ্ধ হ'ব লাগিব বুলিও তেওঁ কয়। চাহ জনজাতি কল্যাণ বিভাগৰ মন্ত্ৰী সঞ্জয় কিষাণে কয় যে বৰ্তমানৰ ৰাজ্য চৰকাৰে বন্যপ্ৰাণী সংৰক্ষণৰ ক্ষেত্ৰত দৃঢ়তাৰে পদক্ষেপ গ্ৰহণ কৰি আহিছে। মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামীয়ে কয় যে জীৱ-জন্তু আমাৰ আধ্যাত্মিক আৰু সমাজ জীৱনত অংগাংগীভাৱে জড়িত। সৰগসদৃশ সেউজীয়া পৰিৱেশৰ মাজত জীৱ-জন্তুৱে বসবাস কৰে। তেওঁ কয় যে জীৱ-জন্তুক বচাই ৰাখিলেহে মানৱ সমাজৰ সৰ্বাত্মক মংগল হ'ব। এই অনুষ্ঠানত পৰিৱেশ আৰু বন বিভাগৰ প্ৰধান সচিব অবিনাশ যোশী, প্ৰধান মুখ্য বনসংৰক্ষক তথা ৰাজ্যৰ বন বাহিনীৰ প্ৰধান এ এম সিং, প্ৰধান মুখ্য বন্যপ্ৰাণী সংৰক্ষক ( বন্যপ্ৰাণী) অমিত সাহাই ভাষণ দিয়ে। মুখ্যমন্ত্ৰীয়ে বিশিষ্ট পৰিৱেশবিদ পৰিমল চন্দ্ৰ ভট্টাচাৰ্যক এই অনুষ্ঠানতে জীৱনজোৰা সাধনা বঁটা প্ৰদান কৰাৰ লগতে বন্যপ্ৰাণী সংৰক্ষণত উল্লেখযোগ্য ভূমিকা লোৱা ব্যক্তি, সংগঠনক বঁটা প্ৰদান কৰাৰ উপৰি বিদ্যালয় পৰ্যায়ত অনুষ্ঠিত প্ৰতিযোগিতাৰ প্ৰতিযোগীসকলকো পুৰস্কাৰ প্ৰদান কৰে। মুখ্যমন্ত্ৰীয়ে হাড়গিলা সংৰক্ষণত উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰি অহা ড° পূৰ্ণিমা দেৱী বৰ্মনকো সম্বৰ্ধনা জনায়। এই অনুষ্ঠানত বিধায়ক আঙুৰলতা ডেকা, অতিৰিক্ত প্ৰধান মুখ্য বন সংৰক্ষক এন কে যাদৱ প্ৰমুখ্যে বিশিষ্ট পৰিৱেশবিদ, পৰিৱেশ আৰু বন বিভাগৰ উচ্চপদস্থ বিষয়াৰ লগতে অন্যান্য গণ্য-মান্য ব্যক্তিসকল উপস্থিত আছিল। ❑❑



# মুখ্যমন্ত্ৰীৰ অধ্যক্ষতাত মন্ত্ৰী পৰিষদৰ বৈঠকত বহুকেইটা গুৰুত্বপূৰ্ণ সিদ্ধান্ত



যোৱা ৭ অক্টোবৰত গুৱাহাটীৰ খানাপাৰাস্থিত অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত অনুষ্ঠিত হৈ যোৱা অসম চৰকাৰৰ মন্ত্ৰী পৰিষদৰ বৈঠকত বহুসংখ্যক গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰে। মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ অধ্যক্ষতাত এই বৈঠকৰ পিছত সংসদীয় পৰিক্ৰমা মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰে যে ডিচেম্বৰ মাহত অনুষ্ঠিত কৰা হ'ব বি টি চি নিৰ্বাচন। কৰ'না মহামাৰীৰ পৰিপ্ৰেক্ষিতত ৪ এপ্ৰিলতে অনুষ্ঠিত হ'বলগীয়া বি টি চি নিৰ্বাচন পিছুৱাই ৰাজ্যপালৰ শাসন দিয়া হৈছিল আৰু ৬ অক্টোবৰত সৰ্বদলীয় বৈঠকৰ অন্তত বি টি চি নিৰ্বাচন কৰ'নাৰ ভয়াৱহতা কিছু শাম কটাৰ পিছত অনুষ্ঠিত কৰাৰ সিদ্ধান্ত লৈছে। সৰ্বদলীয় বৈঠকৰ সিদ্ধান্ত আৰু স্বাস্থ্য বিভাগৰ লগত আলোচনা কৰি ডিচেম্বৰ মাহত বি টি চি নিৰ্বাচন অনুষ্ঠিত কৰিব বুলি মন্ত্ৰী পৰিষদৰ বৈঠকত সিদ্ধান্ত গ্ৰহণ কৰা হয়। এই সিদ্ধান্তৰ লগতে ষষ্ঠ অনুসূচীভুক্ত এলেকাৰ বাহিৰত বড়ো জনবসতিপ্ৰধান অঞ্চলসমূহক সামৰি বড়ো-কছাৰী কল্যাণ স্বায়ত্তশাসিত পৰিষদ গঠনৰ অধ্যাদেশত কেবিনেটে অনুমোদন জনায়। লগতে বি টি আৰ অঞ্চলৰ অন্তৰ্গত সকলো নামফলকত বড়ো আৰু ইংৰাজী ভাষাৰ লগতে অসমীয়া ভাষা লিপিবদ্ধ কৰিবলৈ বাধ্যতামূলক অধিসূচনা জাৰি কৰা হ'ব। লগতে বড়ো ভাষাক সহযোগী চৰকাৰী ভাষা হিচাপেও অধ্যাদেশৰ জৰিয়তে স্বীকৃতি দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। মন্ত্ৰী পৰিষদৰ আন কিছু গুৰুত্বপূৰ্ণ সিদ্ধান্তৰ কথা ঘোষণা কৰি মন্ত্ৰী পাটোৱাৰীয়ে জনায় যে এতিয়াৰে পৰা ৰাজ্য চৰকাৰৰ কোনো বিভাগৰ নিযুক্তিৰ পৰীক্ষা কোনো ব্যক্তিগত প্ৰতিষ্ঠানক অনুষ্ঠিত কৰাৰ দায়িত্ব অৰ্পণ কৰিব নোৱাৰিব। তাৰ বিপৰীতে ৰাজ্যখনত থকা কোনোবা বিশ্ববিদ্যালয় অথবা সংশ্লিষ্ট বিভাগে নিজাববীয়াকৈ এই পৰীক্ষা অনুষ্ঠিত কৰিব লাগিব। বিভাগে অনুষ্ঠিত কৰা পৰীক্ষাত বেমেজালিৰ সৃষ্টি হ'লে বিভাগীয় মুৰব্বীজন তাৰ বাবে জগৰীয়া হ'ব। আনহাতে, মন্ত্ৰী পৰিষদৰ বৈঠকে ৪,৫৩৬ গৰাকী অনিয়মীয়া শিক্ষকৰ পদ নিয়মীয়াকৰণৰ লগতে চাহ বাগিচা কৰ্তৃপক্ষৰ দ্বাৰা পৰিচালিত ৪২৮ খন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ বাবে ডে বৰ্ডিং আৰু বিনামূলীয়া ইউনিফৰ্ম যোগান ধৰাৰ সিদ্ধান্ত লয়। ৰাজ্যখনৰ উন্নয়ন পৰিষদৰ সদস্য সংখ্যা ন্যূনতম ২৫ৰ পৰা সৰ্বোচ্চ ৪৫লৈ বৃদ্ধিত মন্ত্ৰী পৰিষদে অনুমোদন জনায়। মাজুলীত বন বিভাগৰ দুটা নতুন ৰেঞ্জ আৰু

চাৰিটা বীট অফিচ স্থাপনৰ সিদ্ধান্ত গ্ৰহণ কৰে। ২০২০ চনৰ এপ্ৰিল মাহৰ পৰা কাৰ্যকৰী হোৱাকৈ গাঁওবুঢ়াসকলৰ পাৰিতোষিক ৬০৫০ টকাৰ পৰা ৯০০০ টকালৈ বৃদ্ধিত মন্ত্ৰী পৰিষদে অনুমোদন জনায়। অসম লোকসেৱা আয়োগৰ দ্বাৰা আয়োজিত সংযুক্ত অসামৰিক সেৱাৰ পৰীক্ষাত অসমীয়া-বাংলা অথবা বড়ো ভাষাৰ মাধ্যমত শিক্ষাগ্ৰহণ নকৰা বৰাক উপত্যকাৰ ছাত্ৰ-ছাত্ৰীসকলক বাধ্যতামূলক পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ পৰা ৰেহাই দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰে। মন্ত্ৰী পৰিষদৰ সিদ্ধান্ত মৰ্মে ৰাজ্য চৰকাৰৰ মহাধিবক্তাই লাভ কৰিব কেবিনেট মৰ্যাদা। কনকলতা মহিলা সবলীকৰণ যোজনাৰ অধীনত যোগ্য মহিলা আত্মসহায়ক গোটসমূহলৈ ৫০,০০০ টকাৰ মূলধনী ৰাজসাহায্য প্ৰদানৰ বাবেও সিদ্ধান্ত গ্ৰহণ কৰে। আমিনগাঁৱত ৰাষ্ট্ৰীয় মীন উন্নয়ন পৰিষদৰ আঞ্চলিক কেন্দ্ৰ স্থাপনৰ বাবে ৩০ বিঘা চৰকাৰী ভূমি আবণ্টনত অনুমোদন জনায়। অইল ইণ্ডিয়া লিমিটেডক আবণ্টন দিয়া নামৰূপৰ এখন তৈলক্ষেত্ৰক তেল নিষ্কাশন আৰু উৎপাদনৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান আছাম হাইড্ৰ'কাৰ্বন এণ্ড এনাৰ্জী কোম্পানীক প্ৰায় ৩০ কোটি টকা ব্যয়েৰে ১০ শতাংশ ইকুইটীত অংশ লোৱাৰ বাবে মন্ত্ৰী পৰিষদে অনুমোদন জনায়। তদুপৰি অসম লোকসেৱা আয়োগত মহিলা সদস্যৰ সংখ্যাৰ সীমাবদ্ধতা (পূৰ্বতে এটা) দূৰীকৰণৰ বাবে আয়োগৰ নিয়মাৱলী সংশোধনতো অনুমোদন জনায়। অৰ্থাৎ পূৰ্বৰ নিয়মাৱলীত মহিলা সদস্যৰ সংখ্যা 'এগৰাকী' শব্দটো উঠাই দি 'মুকলি' কৰি দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰে। ❐❐

# চাৰিখন বিশ্ববিদ্যালয়ক নিযুক্তি পৰীক্ষাৰ দায়িত্ব



অসম আৰক্ষীৰ উপ-পৰিদৰ্শক বাছনিৰ প্ৰশ্নকাকত ফাদিল হোৱাৰ বেমেজালিৰ বাবে ৰাজ্যজুৰি তীব্ৰ প্ৰতিক্ৰিয়া চলি থকাৰ সময়তে ৰাজ্য চৰকাৰে এক গুৰুত্বপূৰ্ণ আৰু সুদূৰপ্ৰসাৰী সিদ্ধান্ত গ্ৰহণ কৰিছে। এতিয়াৰে পৰা ৰাজ্য চৰকাৰৰ সকলো বিভাগৰ পৰীক্ষা অনুষ্ঠিত কৰাৰ দায়িত্ব কোনো ব্যক্তিগত প্ৰতিষ্ঠানক দিয়া নহ'ব। তাৰ বিপৰীতে সংশ্লিষ্ট বিভাগ আৰু ৰাজ্যখনৰ বিশ্ববিদ্যালয়সমূহৰ মাজত নিযুক্তি পৰীক্ষাৰ দায়িত্ব প্ৰদান কৰা হ'ব। ৰাজ্য চৰকাৰে পাঁচখনকৈ অগ্ৰণী বিশ্ববিদ্যালয়ৰ উপাচাৰ্যৰ সৈতে আলোচনাত মিলিত হৈ এই গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰে। বৰ্তমানো অসম চৰকাৰৰ পৰীক্ষা অনুষ্ঠিত কৰিবলগীয়া বিভাগসমূহৰ দায়িত্বও চাৰিখনকৈ বিশ্ববিদ্যালয়ক প্ৰদান কৰা হ'ব। সেই অনুসৰি আৰক্ষী, হোমগাৰ্ড, কাৰাগাৰ, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, শ্ৰম বিভাগৰ নিযুক্তি পৰীক্ষা অনুষ্ঠিত কৰাৰ দায়িত্ব দিয়া হৈছে ডিব্ৰুগড় বিশ্ববিদ্যালয়ক। আনহাতে, উদ্যোগ আৰু বাণিজ্য, দক্ষতা বিকাশ, পৰিবহণ, আবকাৰী আৰু বন বিভাগৰ নিযুক্তি পৰীক্ষা অনুষ্ঠিত কৰাৰ দায়িত্ব দিয়া হৈছে গুৱাহাটী বিশ্ববিদ্যালয়ক। অসম বিশ্ববিদ্যালয়ক দিয়া হৈছে সমাজ কল্যাণ আৰু ভূমি সংৰক্ষণ বিভাগৰ নিযুক্তি পৰীক্ষাৰ দায়িত্ব। একেদৰে জলসিঞ্চন বিভাগৰ বাছনি পৰীক্ষা অনুষ্ঠিত কৰিব তেজপুৰ বিশ্ববিদ্যালয়ে। ❐❐

# মাজুলীত খিলঞ্জীয়া ভূমিহীন পৰিয়ালক মাটিৰ পট্টা আৰু ভূমি আবণ্টনপত্ৰ বিতৰণ



**অসমৰ কেইবাখনো জিলাৰ প্ৰায় ১ লাখৰো ওপৰ খিলঞ্জীয়া ভূমিহীন পৰিয়াললৈ মাটিৰ পট্টা তথা ভূমি আবণ্টনপত্ৰ প্ৰদান**

# খিলঞ্জীয়া সুৰক্ষিত হ'লেহে অসম সুৰক্ষিত হ'ব ঃ মুখ্যমন্ত্ৰী সোণোৱাল

ৰাজ্যখনৰ খিলঞ্জীয়া ভূমিহীন পৰিয়ালৰ ভূমিৰ ওপৰত থকা অধিকাৰ সাব্যস্তকৰণৰ দিশত উল্লেখযোগ্য ভূমিকা পালনেৰে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে যোৱা ৫ অক্টোবৰত ৰাজ্য চৰকাৰৰ ৰাজহ আৰু দুৰ্যোগ্য ব্যৱস্থাপনা বিভাগৰ উদ্যোগত তথা মাজুলী জিলা প্ৰশাসনৰ সহযোগত দৰিয়াপাৰস্থিত মাজুলী মহাবিদ্যালয় খেলপথাৰত আয়োজিত কেন্দ্ৰীয় অনুষ্ঠানত মাজুলী জিলাৰ খিলঞ্জীয়া ৩ হাজাৰৰো ওপৰৰ ভূমিহীন পৰিয়াললৈ মাটিৰ পট্টা আৰু আবণ্টনপত্ৰ আনুষ্ঠানিকভাৱে প্ৰদান কৰে। উল্লেখ্য যে ৰাজ্য চৰকাৰে দ্বিতীয় পৰ্যায়ত এই কাৰ্যসূচী বিভিন্ন জিলাত ৰূপায়ণ কৰিছে। ইয়াৰ ফলত সমগ্ৰ ৰাজ্যখনৰ ১ লাখতকৈও অধিক খিলঞ্জীয়া ভূমিহীন পৰিয়ালে মাটিৰ ওপৰত নিজৰ অধিকাৰ লাভ কৰাৰ পথ প্ৰশস্ত হ'ল। এই উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে বৰ্তমানৰ ৰাজ্য চৰকাৰে অসম চুক্তিৰ সকলো দফা ৰূপায়ণৰ দিশত অবিৰতভাৱে তথা নিষ্ঠাসহকাৰে পদক্ষেপ লৈ আছে আৰু ভৱিষ্যতেও লৈ যাব। মুখ্যমন্ত্ৰীয়ে কয় যে খিলঞ্জীয়া সুৰক্ষিত হ'লেহে অসম সুৰক্ষিত হ'ব। অসম চৰকাৰে অসমৰ থলুৱা তথা খিলঞ্জীয়া পৰিয়ালৰ জাতি-মাটি-ভেটি সুৰক্ষিতকৰণৰ বাবে যি প্ৰতিশ্ৰুতি দিছিল সেয়া নতুন ভূমি নীতি হাতত লৈ অসমৰ ১ লাখৰো অধিক ভূমিহীন পৰিয়াললৈ মাটিৰ পট্টা প্ৰদানৰ পদক্ষেপেই আজি পূৰণ কৰিলে বুলি মুখ্যমন্ত্ৰীয়ে কয়।



এই পদক্ষেপে অসম আন্দোলনৰ দাবী পূৰণ কৰাৰ লগতে থলুৱা খিলঞ্জীয়া পৰিয়ালৰ জাতি-মাটি-ভেটি সুৰক্ষিতকৰণৰ দিশত বৃহৎ ভূমিকা পালন কৰিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মাটিৰ ওপৰত অধিকাৰ নাথাকিলে এটা জাতিৰ ভৱিষ্যৎ সুৰক্ষিত নহয় বুলি উল্লেখ কৰি ২০১৬ চনত বৰ্তমানৰ ৰাজ্য চৰকাৰখনে শাসনভাৰ লোৱাৰ পিছতেই ৰাজ্য চৰকাৰখনে থলুৱা খিলঞ্জীয়া ভূমিহীন পৰিয়ালক মাটিৰ পট্টা প্ৰদানেৰে তেওঁলোকৰ অধিকাৰ সাব্যস্তকৰণৰ বাবে সিদ্ধান্ত লৈছিল বুলিও মুখ্যমন্ত্ৰীয়ে কয়। অসমৰ কেইবাখনো জিলাৰ প্ৰায় ১ লাখৰো ওপৰ খিলঞ্জীয়া ভূমিহীন পৰিয়াললৈ মাটিৰ পট্টা তথা ভূমি আবণ্টনপত্ৰ প্ৰদানেৰে তেওঁলোকৰ ভূমিৰ ওপৰত থকা অধিকাৰ সুৰক্ষিত কৰাৰ দিশত ৰাজ্য চৰকাৰখনে দায়বদ্ধতাৰে পদক্ষেপ লৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে বৰ্তমানৰ ৰাজ্য চৰকাৰে অসম চুক্তিৰ সকলো দফাৰ ফলপ্ৰসূ ৰূপায়ণৰ দিশত অবিৰতভাৱে পদক্ষেপ লৈ যাব বুলিও কয়। এন আৰ চিৰ প্ৰসংগ উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্য চৰকাৰে শাসনভাৰ লোৱাৰ প্ৰথম দিনটোতে মুখ্যমন্ত্ৰী হিচাপে তেওঁ এন আৰ চি কাৰ্যালয়লৈ গৈ এই প্ৰক্ৰিয়াৰ বিষয়ে সবিশেষ বুজ লৈছিল আৰু উচ্চতম ন্যায়ালয়ে যিহেতু প্ৰত্যক্ষভাৱে এন আৰ চি প্ৰক্ৰিয়া নিৰীক্ষণ কৰিছিল ৰাজ্য চৰকাৰৰ তৰফৰ পৰা প্ৰয়োজনীয় মানৱ সম্পদ তথা সহায়-সহযোগিতা আগবঢ়োৱা হৈছিল। এখন ত্ৰুটীহীন এন আৰ চি প্ৰস্তুত কৰাৰ দিশত ৰাজ্য চৰকাৰ দায়বদ্ধ বুলিও মুখ্যমন্ত্ৰীয়ে কয়। তদুপৰি, জনসাধাৰণৰ সক্ৰিয় সহযোগত বৰ্তমানৰ ৰাজ্য চৰকাৰে অসম তথা অসমীয়াৰ স্বাৰ্থ সুৰক্ষিতকৰণৰ দিশত কোনো ত্ৰুটী কৰা নাই বৰঞ্চ নিষ্ঠাসহকাৰে আত্মনিয়োগ কৰিছে বুলিও তেওঁ কয়। বিগত দিনবিলাকত এন আৰ চিৰ দিশত ৰাজ্য চৰকাৰে কেনেধৰণে নিষ্ঠাসহকাৰে সহায়-সহযোগিতা আগবঢ়াইছে সেই সকলো দিশ জনসাধাৰণৰ অৱগত বুলিও মুখ্যমন্ত্ৰীয়ে কয়। ঠিক তেনেদৰে অসম চুক্তিৰ ৬ নং দফা ফলপ্ৰসূভাৱে ৰূপায়ণৰ দিশতো চৰকাৰে দায়বদ্ধতাৰে পদক্ষেপ লৈছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। শাসনভাৰ হাতত লৈয়ে তেওঁ নিজে ভাৰত-বাংলাদেশ সীমান্তৰ কাঁইটীয়া তাঁৰৰ বেৰ নিৰ্মাণৰ অগ্ৰগতিৰ চৰজমিন পৰিদৰ্শন কৰিছিল বুলি উল্লেখ কৰি কেন্দ্ৰীয় চৰকাৰৰ সহযোগত এই সীমান্ত ছীল কৰাৰ বাবে ফলপ্ৰসূ ব্যৱস্থা লোৱা হৈছে বুলি তেওঁ কয়। বীৰ ছহিদসকলৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপনৰ উদ্দেশ্যে বৰ্তমানৰ ৰাজ্য চৰকাৰখনে এককালীন ৫ লাখ টকাকৈ আগবঢ়াইছে বুলি উল্লেখ কৰি গুলীবিদ্ধ আৰু আঘাতপ্ৰাপ্তসকলক ২ লাখ টকাকৈ এককালীন সাহায্য চৰকাৰখনে আগবঢ়াইছে বুলিও তেওঁ কয়। ঠিক তেনেদৰে, অসমৰ কৃষ্টি-সংস্কৃতিৰ পৰিচয় বহন কৰা সত্ৰসমূহৰ ভূমি বেদখলমুক্ত কৰাৰ বাবেও বৰ্তমানৰ চৰকাৰখনে আন্তৰিকতাৰে পদক্ষেপ লৈ আছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। ৰাজ্যখনৰ খিলঞ্জীয়া জনসাধাৰণৰ সামাজিক-সাংস্কৃতিক ঐতিহ্য সুৰক্ষিতকৰণৰ বাবে ৰাজ্য চৰকাৰে অসম সাহিত্য সভাকে ধৰি ৩৩খন সাহিত্য সভালৈ কৰ্পাচ ফাণ্ড গঠনৰ বাবে পুঁজি আগবঢ়োৱাৰ উপৰি সত্ৰ তথা নামঘৰসমূহলৈ বিত্তীয় সাহায্য আগবঢ়াইছে বুলি তেওঁ কয়। উল্লেখ্য যে এই বিতৰণকে ধৰি মাজুলীত বৰ্তমানৰ চৰকাৰখনে সৰ্বমুঠ ৮৪৮৯ টা খিলঞ্জীয়া ভূমিহীন পৰিয়াললৈ মাটিৰ পট্টা আৰু আবণ্টনপত্ৰ প্ৰদান কৰিছে। তদুপৰি আগন্তুক দুটা মাহত মাজুলীত আৰু ৫ হাজাৰ খিলঞ্জীয়া ভূমিহীন পৰিয়ালক মাটিৰ পট্টা তথা ভূমি আবণ্টনপত্ৰ প্ৰদান কৰা হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। এই অনুষ্ঠানত উত্তৰ কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ জনাৰ্দন দেৱগোস্বামী, দেউৰী স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া মাধৱ দেউৰী, দুলীয়াজান-নুমলীগড় পাইপলাইন লিমিটেডৰ অধ্যক্ষ ৰূপম গোস্বামী, মাজুলী জিলাৰ উপায়ুক্ত বিক্ৰম কৈৰীয়েও বক্তব্য প্ৰদান কৰে। ❐❐



## ৰাজ্যৰ ভিন্ন প্ৰান্তত খিলঞ্জীয়া ভূমিহীনক পট্টা বিতৰণ

# জাতি, মাটি, ভেটি ৰক্ষাৰ প্ৰতিশ্ৰুতি পূৰণৰ দৃঢ় পদক্ষেপ ৰাজ্য চৰকাৰৰ



ৰাজ্যৰ সৰ্বানন্দ সোণোৱাল নেতৃত্বাধীন চৰকাৰখনে অসমৰ খিলঞ্জীয়া ভূমিহীন পৰিয়ালক ভূমিৰ ওপৰত থকা অধিকাৰ প্ৰদানৰ লক্ষ্যৰে ৫ অক্টোবৰত ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত বিভিন্ন মন্ত্ৰী-বিধায়কে জিলা প্ৰশাসনৰ সহযোগত খিলঞ্জীয়া ভূমিহীন পৰিয়ালক মাটিৰ পট্টা প্ৰদান কৰে। মাজুলীত মুখ্যমন্ত্ৰী সোণোৱালে ভূমিপট্টা প্ৰদান কৰাৰ লগতে যোৰহাটত পীতাম্বৰ দেৱগোস্বামী প্ৰেক্ষাগৃহত ৰাজ্যৰ বিত্ত-স্বাস্থ্য-শিক্ষা, লোকনিৰ্মাণ বিভাগৰ মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৫,০১৪জন লোকক ভূমিৰ পট্টা প্ৰদান কৰে। অনুষ্ঠানত ভাষণ দি মন্ত্ৰীগৰাকীয়ে কয়, দুৰ্যোগৰ সময়তো ৰাজনীতিৰ ঊৰ্ধ্বত গৈ জাতিটোক একত্ৰিত কৰাৰ প্ৰচেষ্টাত ব্ৰতী হৈছে চৰকাৰ। অসমৰ খিলঞ্জীয়া ভূমিহীন পৰিয়ালৰ প্ৰতি ৰাজ্য চৰকাৰখন প্ৰতিশ্ৰুতিবদ্ধ আৰু এই শুভকৰ্ম আগতে হ'বলগীয়া আছিল যদিও ক'ভিডকেন্দ্ৰিক পৰিৱেশৰ কাৰণে কিছুদিন পলমকৈ হ'ল। যোৰহাট জিলাৰ টিয়ক, তিতাবৰ, মৰিয়নি আৰু যোৰহাট ৰাজহ চক্ৰৰ ভূমিহীন লোকক পট্টা প্ৰদান অনুষ্ঠানটোত মৰিয়নিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মী, যোৰহাটৰ উপায়ুক্ত ৰশ্মি অপৰাঞ্জি কৰাটি, ঠেঙাল কছাৰী স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী কুমুদ কছাৰীকে ধৰি বিভিন্ন বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। ভাষণত বিত্তমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে যে দুৰ্যোগ আৰু মহামাৰীৰ লগত সংঘাতৰ সন্মুখীন হ'লেও অসমৰ চৰকাৰখনে ৰাজ্যখনৰ বাবে উন্নয়নমুখী প্ৰকল্প গ্ৰহণ কৰি আহিছে আৰু সাংস্কৃতিক-অৰ্থনৈতিকভাৱে ৰাজ্যখনক সবলৰূপে প্ৰতিষ্ঠা কৰাত এই চৰকাৰখনে সফল ব্যৱস্থা গ্ৰহণ কৰি আছে আৰু কৰিব। সেইদৰে একেদিনাই বৰপেটা জিলা পুথিভঁৰালত ভূমিহীন খিলঞ্জীয়া লোকক ভূমি পট্টা প্ৰদান অনুষ্ঠানত অংশগ্ৰহণ কৰি বিধায়ক তথা বিজেপিৰ ৰাজ্যিক সভাপতি ৰঞ্জিত কুমাৰ দাসে কয় যে যি জাতিৰ মাটি নাথাকে সেই জাতি ইতিহাসৰ পাতত বিলুপ্ত হয়। অসমৰ খিলঞ্জীয়া লোকক ভূমি পট্টা প্ৰদানৰ প্ৰতিশ্ৰুতি আমাৰ দলৰ চৰকাৰে দিছিল আৰু সেই প্ৰতিশ্ৰুতি মৰ্মে মাৰ্চ মাহত ৪৫,১৪১খন পট্টা দিয়াৰ পিছত আজিৰ দিনটোতে একেলগে ৫৫,৬৬১ গৰাকী খিলঞ্জীয়া ভূমিপুত্ৰক পট্টা প্ৰদান কৰি এই সংখ্যা ১ লাখৰো অধিক কৰা হ'ল যাৰ বাবে অসমৰ মানুহে গম পালে যে এই চৰকাৰখন





প্ৰকৃততে খিলঞ্জীয়াৰ অধিকাৰ সাব্যস্ত কৰিব পৰা এখন চৰকাৰ। বৰপেটা জিলাৰ ২৮৩ টা পৰিয়ালক পট্টা প্ৰদান কৰা অনুষ্ঠানত অসম বিত্ত নিগমৰ উপাধ্যক্ষ অনিল দাস, শক্তি উৎপাদন প্ৰতিষ্ঠানৰ অন্যতম সঞ্চালক শংকৰ চন্দ্ৰ দাস আদিৰ লগতে জিলাখনৰ প্ৰশাসনীয় বিষয়াসকল উপস্থিত থাকে। একেদৰে নলবাৰী নাট্য মন্দিৰত অনুষ্ঠিত এখন সভাত জিলাখনৰ ১৩০০ গৰাকী ভূমিহীন খিলঞ্জীয়া লোকক ভূমিপট্টা প্ৰদান কৰে পৰিবহণ আৰু উদ্যোগ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে। অনুষ্ঠানত নলবাৰী সমষ্টিৰ বিধায়ক অশোক শৰ্মা, বৰক্ষেত্ৰী সমষ্টিৰ বিধায়ক নাৰায়ণ ডেকা, অসম পৰ্যটন নিগমৰ অধ্যক্ষ জয়ন্ত মল্ল বৰুৱা আদিকে ধৰি জিলাখনৰ প্ৰশাসনিক বিষয়া-কৰ্মচাৰী উপস্থিত থাকে। আনহাতে, হোজাইত জিলাখনৰ ১,৭০৭ গৰাকী ভূমিহীন ব্যক্তিক মাটিৰ পট্টা বিতৰণ কাৰ্যসূচীত অংশগ্ৰহণ কৰে আইন আৰু গুৱাহাটী উন্নয়ন দপ্তৰৰ মন্ত্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্যই। সভাত হোজাইৰ উপায়ুক্ত ডাঃ চাদনেক সিং আদিকে



কৰি জিলাখনৰ প্ৰশাসনীয় আৰু দলীয় নেতৃত্ব উপস্থিত থাকে। শোণিতপুৰৰ ১,৮৫৭ গৰাকী হিতাধিকাৰীক তেজপুৰ জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত আয়োজিত অনুষ্ঠানত ভূমিপট্টা প্ৰদান কৰা হয়। অনুষ্ঠানত তেজপুৰৰ সাংসদ পল্লৱ লোচন দাস, বৰচলাৰ বিধায়ক গণেশ লিম্বু, এমট্ৰ'নৰ উপাধ্যক্ষ ঋতুবৰণ শৰ্মা, শোণিতপুৰৰ



জিলা উপায়ুক্ত মানবেন্দ্ৰ প্ৰতাপ সিং আদিকে ধৰি ভালেমান ব্যক্তি উপস্থিত থাকে। নগাঁও জিলা প্ৰশাসনে খগেন মহন্ত প্ৰেক্ষাগৃহত আয়োজন কৰা ভূমিপট্টা প্ৰদান অনুষ্ঠানত ১,১৬৭গৰাকী ভূমিহীন খিলঞ্জীয়াক পট্টা প্ৰদান কৰা হয়। অনুষ্ঠানত জলসম্পদ মন্ত্ৰী কেশৱ মহন্ত, নগাঁও সমষ্টিৰ বিধায়ক ৰূপক শৰ্মা, ৰহা সমষ্টিৰ বিধায়ক ডিম্বেশ্বৰ দাস, উপায়ুক্ত কে পদ্মনাভন আদিকে ধৰি প্ৰশাসনীয় বিষয়াসকল উপস্থিত থাকে। মঙলদৈ জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত আয়োজিত অনুষ্ঠানত দৰং জিলাৰ মুঠ ২,৩১৯ গৰাকী হিতাধিকাৰীৰ মাজত ভূমিপট্টা বিতৰণৰ শুভাৰম্ভ কৰে জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী ৰিহণ দৈমাৰী আৰু ৰাজ্যসভাৰ সাংসদ ভুৱনেশ্বৰ কলিতাই। অনুষ্ঠানত ছিপাঝাৰ আৰু মঙলদৈ সমষ্টিৰ বিধায়ক ক্ৰমে বিনন্দ কুমাৰ শইকীয়া, গুৰুজ্যোতি দাস, উপায়ুক্ত দিলীপ কুমাৰ বৰাৰ লগতে জিলা প্ৰশাসনৰ আন বিষয়ববীয়াসকল উপস্থিত থাকে। ৰঙিয়াৰ ভগদত্ত-বীৰদত্ত ভৱনত আয়োজিত ভূমিপট্টা প্ৰদান অনুষ্ঠানত জলসিঞ্চন মন্ত্ৰী ভবেশ কলিতাই কামৰূপ জিলাৰ ছটা সমষ্টিৰ ১,৪৭৪ গৰাকী ভূমিহীন খিলঞ্জীয়া লোকক মাটিৰ পট্টা প্ৰদানৰ শুভাৰম্ভ কৰে। উক্ত অনুষ্ঠানত হাজোৰ বিধায়িকা সুমন হৰিপ্ৰিয়া, কামৰূপ জিলাৰ উপায়ুক্ত কৈলাস কাৰ্তিক আদিৰ লগতে জিলা আৰু মহকুমা প্ৰশাসনৰ বিভিন্ন বিষয়া উপস্থিত থাকে। জাগীৰোড ক্ৰীড়া সন্থাৰ খেলপথাৰত মৰিগাঁও জিলাৰ মায়ং-মৰিগাঁও আৰু লাহৰীঘাট ৰাজহ চক্ৰৰ মুঠ ১,৬২৮ জন খিলঞ্জীয়া লোকক









ভূমিপট্টা প্ৰদানৰ শুভাৰম্ভ কৰে ৰাজ্যিক স্বাস্থ্যমন্ত্ৰী পীযূষ হাজৰিকাই। এই কাৰ্যসূচীত মৰিগাঁৱৰ বিধায়ক ৰমাকান্ত দেউৰী, উপায়ুক্ত লীনা দাস, আৰক্ষী অধীক্ষক নন্দসিং বৰকলাৰ লগতে জিলাখনৰ প্ৰশাসনীয় বিষয়াসকল উপস্থিত থাকে।

লখিমপুৰত ভূমিপট্টা আৰু আবণ্টনপত্ৰ বিতৰণ কাৰ্যসূচীৰ



শুভাৰম্ভ কৰে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী নব কুমাৰ দলেই। লখিমপুৰৰ ৭টা ৰাজহ চক্ৰৰ শতাধিক লোকক আনুষ্ঠানিকভাৱে পট্টা আৰু আবণ্টনপত্ৰ বিতৰণ কৰা হয়। চৰকাৰৰ এই আঁচনিৰ অধীনত লখিমপুৰৰ ৬২৫৯গৰাকী ব্যক্তিক ম্যাদীপট্টা আৰু ২৩০৬গৰাকীক ভূমি আবণ্টনপত্ৰ প্ৰদানৰ ব্যৱস্থা কৰা হৈছে। অনুষ্ঠানত লখিমপুৰৰ বিধায়ক উৎপল দত্ত, বিহপুৰীয়াৰ বিধায়ক দেৱানন্দ হাজৰিকায়ো অংশগ্ৰহণ কৰে। কামৰূপ মহানগৰ জিলাৰ সোণাপুৰতো দিছপুৰ সমষ্টিৰ বিধায়ক অতুল বৰাই সমষ্টিটোৰ ৫০গৰাকী ভূমিহীন হিতাধিকাৰীক আনুষ্ঠানিকভাৱে ভূমিপট্টা আবণ্টনপত্ৰ বিতৰণ কৰে। সোণাপুৰ ৰাজহ চক্ৰত সম্প্ৰতি ৭৪২ খন ম্যাদীপট্টা আৰু ২৭০খন আবণ্টনপত্ৰ প্ৰদানৰ পদক্ষেপ লোৱা হৈছে। আনহাতে গোৱালপাৰাত চহৰখনৰ নটসূৰ্য ফণী শৰ্মা ভৱনত আয়োজিত অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি পৰ্যটন, জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীসমূহৰ কল্যাণ বিভাগৰ মন্ত্ৰী চন্দন ব্ৰহ্মই হিতাধিকাৰীলৈ ভূমিপট্টা আৰু আবণ্টনপত্ৰ বিতৰণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। দুধনৈ সমষ্টিৰ বিধায়ক দীপক কুমাৰ ৰাভা আৰু গোৱালপাৰা চহৰ উন্নয়ন প্ৰাধিকাৰীৰ অধ্যক্ষ দীপক কুমাৰ নাথৰ উপস্থিতিত অনুষ্ঠিত সভাখনত উপায়ুক্ত বৰ্ণালী ডেকাই আদৰণী ভাষণ দিয়ে। সেইদিনা গোৱালপাৰা জিলাৰ চাৰিটা ৰাজহ চক্ৰৰ ৬২০গৰাকী লোকক পট্টা প্ৰদান কৰাৰ লগতে ৩৮০টা ভূমিহীন পৰিয়ালক ভূমিৰ আবণ্টনপত্ৰ বিতৰণ কৰা হয়। তিনিচুকীয়াত আয়োজিত অনুষ্ঠানত চাহ জনজাতি কল্যাণ বিভাগৰ ৰাজ্যিক মন্ত্ৰী সঞ্জয় কিষাণে ভূমিপট্টা বিতৰণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। অনুষ্ঠানত শদিয়া সমষ্টিৰ বিধায়ক বলীন চেতিয়া, ডুমডুমাৰ বিধায়ক দুৰ্গা ভূমিজ, ডিগবৈৰ বিধায়ক সুৰেন ফুকন আৰু চাবুৱাৰ বিধায়ক বিনোদ হাজৰিকাও উপস্থিত থাকে। জিলাখনত ২৭৫১গৰাকী লোকক পট্টা আৰু আবণ্টনপত্ৰ বিতৰণৰ লক্ষ্য লোৱা হৈছে। গোলাঘাটত জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত আয়োজিত অনুষ্ঠানত কৃষি আৰু পশুপালন









মন্ত্ৰী অতুল বৰাই ভূমিপট্টা বিতৰণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। জিলাখনৰ ১৩৫১ লোকক ভূমিপট্টা আৰু ৬৬৯ লোকক আবণ্টনপত্ৰ বিতৰণ কৰা হয়। ডিব্ৰুগড়ত ইণ্ডিয়া ক্লাব প্ৰেক্ষাগৃহত আয়োজিত অনুষ্ঠানত ২৬৯২গৰাকী ভূমিহীন খিলঞ্জীয়া লোকক ভূমিপট্টা আৰু আবণ্টনপত্ৰ প্ৰদান কৰা হয়। কেন্দ্ৰীয় খাদ্য সংসাধন উদ্যোগ দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী ৰামেশ্বৰ তেলী অনুষ্ঠানত মুখ্য অতিথিৰূপে উপস্থিত থাকি আনুষ্ঠানিকভাৱে সাতগৰাকী লোকলৈ ভূমিপট্টা আৰু ১৪গৰাকী লোকলৈ আবণ্টনপত্ৰ আগবঢ়ায়। মুঠ ২৬৯২ হিতাধিকাৰীৰ ভিতৰত ১০২ জনলৈ ভূমিপট্টা আৰু ২৫৯০জনলৈ আবণ্টনপত্ৰ আগবঢ়োৱা হৈছে। অনুষ্ঠানত ডিব্ৰুগড়, লাহোৱাল, দুলীয়াজান, নাহৰকটীয়া, মৰাণ সমষ্টিৰ বিধায়কসকল ক্ৰমে প্ৰশান্ত ফুকন, ঋতুপৰ্ণ বৰুৱা, তেৰজ গোৱালা, নৰেন সোণোৱাল, চক্ৰধৰ গগৈকে ধৰি বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে। শিৱসাগৰত আয়োজিত এক অনুষ্ঠানত অসমৰ ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী যোগেন মহনে মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি ভূমিপট্টা বিতৰণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। সেই দিনা শিৱসাগৰ জিলাৰ ৯৮১গৰাকী খিলঞ্জীয়া ভূমিহীন লোকক প্ৰাৰম্ভিকভাৱে ভূমিপট্টা আৰু আবণ্টনপত্ৰ প্ৰদান কৰা হয়। জিলাখনৰ ১১৯০গৰাকীক ভূমি আবণ্টনপত্ৰ আৰু ১৫৬৯গৰাকীক ভূমিপট্টা বৰ্তমানলৈকে বিতৰণ কৰা হৈছে। এই অনুষ্ঠানত আমগুৰি আৰু থাওৰা বিধানসভা সমষ্টিৰ বিধায়ক ক্ৰমে প্ৰদীপ হাজৰিকা আৰু কুশল দুৱৰী বিশিষ্ট











অতিথি হিচাপে উপস্থিত থাকে। ধুবুৰী জিলাত সমাজ কল্যাণ মন্ত্ৰী প্ৰমীলা ৰাণী ব্ৰহ্মই খিলঞ্জীয়াক ভূমি পট্টা বিতৰণ আৰু আবণ্টন পত্ৰ বিতৰণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। চাপৰত অনুষ্ঠিত এক অনুষ্ঠানত সমাজ কল্যাণ মন্ত্ৰী ব্ৰহ্মই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। এই অনুষ্ঠানত স্থানীয় বিধায়কেও অংশগ্ৰহণ কৰে। আনহাতে শিলচৰত ভূমিপট্টা বিতৰণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে পৰিবেশ, বন, আবকাৰী আৰু মীন মন্ত্ৰী পৰিমল শুক্লবৈদ্যই। কাছাৰ জিলাৰ ৩৬৩১ গৰাকী ভূমিহীন লোকক পট্টা আৰু আবণ্টন পত্ৰ বিতৰণ কৰা হয়। এই অনুষ্ঠানত বিধায়কসকল দিলীপ কুমাৰ পাল, মিহিৰ কান্তি সোম, কিশোৰ নাথ আৰু অমৰচান্দ জৈন উপস্থিত থাকে। হাইলাকান্দিত আয়োজিত এটা অনুষ্ঠানত শিলচৰৰ সাংসদ ডাঃ ৰাজদীপ ৰয়ে ভূমিপট্টা বিতৰণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। অনুষ্ঠানটোত ৬০৩গৰাকী ভূমিহীন লোকক পট্টা বিতৰণ কৰা হয়। কৰিমগঞ্জ জিলাত ভূমি পট্টা বিতৰণ কাৰ্যসূচীৰ অনুষ্ঠানত অংশগ্ৰহণ কৰে কৰিমগঞ্জৰ সাংসদ কৃপানাথ মাল্লা আৰু স্থানীয় বিধায়ক।



সেইদিনা জিলাখনৰ মুঠ ১০০২ গৰাকী লোকক ভূমি পট্টা আৰু আবণ্টন পত্ৰ বিতৰণ কৰা হয়। কাৰ্বি আংলং জিলাত পট্টাহীন পৰিয়ালক ভূমিপট্টা প্ৰদানৰ অংশ হিচাপে জিলাখনৰ ফুলনি ৰাজহ চক্ৰৰ অন্তৰ্গত গাঁও ক্ৰমে জহয় তেৰাং, মহৰি ৰংপি আৰু বেঞ্জামিন তাৰ গাঁৱৰ পট্টা নথকা লোকসকলক ভূমি পট্টা বিতৰণ কৰা হয়। এই পট্টা বিতৰণী অনুষ্ঠান কাৰ্বি আংলং জিলা স্বায়ত্তশাসিত পৰিষদৰ সদস্য তথা কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদ ভূমি বন্দবস্তী উপদেষ্টা বোৰ্ডৰ অধ্যক্ষ দৰছিং ৰংহাঙে পট্টা বিতৰণ কৰে। আনহাতে বিশ্বনাথ জিলাৰ অন্তৰ্গত বিশ্বনাথ চাৰিআলিৰ বিশ্বনাথ কৃষি মহাবিদ্যালয় প্ৰেক্ষাগৃহত আয়োজিত অনুষ্ঠানত জিলাখনৰ ২০৪৩ গৰাকী খিলঞ্জীয়া ভূমিহীন লোকলৈ ভূমি পট্টা আৰু আবণ্টন বিতৰণ কৰা হয়। ৰাজ্যৰ ৰেচম মন্ত্ৰী ৰঞ্জিত দত্তই এই অনুষ্ঠানৰ শুভাৰম্ভ কৰে। অনুষ্ঠানত গহপুৰৰ বিধায়ক উৎপল বৰা, বিশ্বনাথৰ বিধায়ক প্ৰমোদ বৰঠাকুৰ, অসম ৰাজ্যিক পণ্যাগাৰ নিগমৰ অধ্যক্ষ দিগন্ত ঘাটোৱাৰকে ধৰি বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে। এনেদৰে যোৱা ৫ অক্টোবৰত সমগ্ৰ ৰাজ্যখনত খিলঞ্জীয়া ভূমিহীন লোকক ভূমিপট্টা আৰু আবণ্টন পত্ৰ বিতৰণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। ❏❏







**বৰপেটা জিলাত ৫ আঁচনিৰ শুভাৰম্ভ স্বাস্থ্যমন্ত্ৰী ড° শৰ্মাৰ**

# বৰপেটা মেডিকেল কলেজত মাতৃ-শিশুৰ সুকীয়া চিকিৎসালয়

যোৱা ৭ অক্টোবৰত ৰাজ্যৰ বিত্ত, স্বাস্থ্য, শিক্ষা আৰু লোক নিৰ্মাণ বিভাগৰ মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বৰপেটা জিলাত ৯১ কোটি টকা ব্যয় সাপেক্ষে কেইবাখনো উন্নয়নমূলক আঁচনিৰ শুভাৰম্ভ কৰে। এই অনুষ্ঠানত সৰভোগ সমষ্টিৰ বিধায়ক তথা বিজেপিৰ ৰাজ্যিক সভাপতি ৰঞ্জিত দাস, বৰপেটাৰ বিধায়ক গুণীন্দ্ৰ নাথ দাস আৰু চেঙাৰ বিধায়ক শুকুৰ আলী আহমেদ উপস্থিত থাকে। বৰপেটা চিকিৎসা মহাবিদ্যালয় হাস্পতালত ১০০খন বিচনাযুক্ত মাতৃ আৰু শিশু চিকিৎসালয়, অসম চৰকাৰৰ স্ব-অধিকাৰ আঁচনি ছিগনেচাৰ প্ৰকল্পৰ অধীনত বৰপেটা আৰু চেঙা সমষ্টিৰ দুটা পথ, চেঙাত আদৰ্শ কন্যা মহাবিদ্যালয় আৰু কেন্দ্ৰীয় চৰকাৰৰ ৰাষ্ট্ৰীয় উচ্চতৰ শিক্ষা অভিযান আঁচনিৰ অধীনত বাঘবৰত নতুন আদৰ্শ স্নাতক মহাবিদ্যালয়ৰ নিৰ্মাণ কাৰ্যৰ শুভাৰম্ভ কৰে। বৰপেটা জিলা পুঁথিভঁৰাল প্ৰেক্ষাগৃহত আয়োজিত অনুষ্ঠানত মন্ত্ৰীগৰাকীয়ে ৩৩.৬৭ কোটি টকাৰে চেঙাত আদৰ্শ কন্যা মহাবিদ্যালয়ৰ নিৰ্মাণ কাৰ্য, বৰপেটা চিকিৎসা মহাবিদ্যালয় হাস্পতালত ২৫.৬১ কোটি টকা ব্যয় সাপেক্ষে ১০০খন বিচনাযুক্ত মাতৃ আৰু শিশুৰ সুকীয়া চিকিৎসালয়, ১১.৪৫ কোটি টকা ব্যয়েৰে বাঘবৰত ৰাষ্ট্ৰীয় মাধ্যমিক উচ্চ শিক্ষা মিছনৰ অধীনত আদৰ্শ মহাবিদ্যালয়, ১০ কোটি ব্যয়েৰে ছিগনেচাৰ প্ৰকল্পৰ অধীনত বৰপেটা বিধানসভা সমষ্টিৰ নখন্দা মথাউৰি পথ নিৰ্মাণ আৰু ১০ কোটি টকা ব্যয়েৰে চেঙা-বহৰি পথ নিৰ্মাণৰ শুভাৰম্ভ কৰে। অনুষ্ঠানত মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে যে এইদিনটো এই জিলাখনৰ বাবে উল্লেখনীয় দিন। এখন জিলাত দুখনকৈ চৰকাৰী মহাবিদ্যালয় প্ৰথমবাৰৰ কাৰণে প্ৰতিষ্ঠা কৰা হ'ব। এয়া আধাৰশিলাৰ অনুষ্ঠান নহয়, নিৰ্মাণৰ শুভাৰম্ভণিহে। বৰ্তমানৰ চৰকাৰখন সংখ্যালঘু সম্প্ৰদায়ৰ প্ৰতি সমানে দায়বদ্ধ আৰু সম্প্ৰদায়টোৰ উন্নয়নৰ বাবে সকলো সম্ভৱপৰ পদক্ষেপ গ্ৰহণ কৰিছে। আমাৰ চৰকাৰৰ দিনত সকলো সমষ্টিৰে সমবিকাশৰ লক্ষ্য স্থিৰ কৰা হৈছে। সেয়েহে চৰকাৰৰ বিৰোধী দলৰ বিধায়ক থকা সত্ত্বেও জিলাখনৰ চাৰিটা সমষ্টিতে আমাৰ চৰকাৰে উন্নয়নৰ পথ মসৃণ কৰি আহিছে। অনুষ্ঠানত ভাষণ প্ৰদান কৰি চেঙা সমষ্টিৰ বিধায়ক শুকুৰ আলী আহমেদে মন্ত্ৰীগৰাকীক প্ৰশংসা কৰাৰ লগতে এনেদৰে পাঁচখনকৈ আঁচনি একেদিনাই শুভাৰম্ভ কৰাৰ পূৰ্বতে নজিৰ নাছিল বুলি উল্লেখ কৰে। সভাত অংশগ্ৰহণ কৰি চৰকাৰৰ উন্নয়নমূলক কামৰ প্ৰশংসা কৰে বাঘবৰ সমষ্টিৰ বিধায়ক শ্বেৰমান আলী আহমেদেও। অনুষ্ঠানত সৰভোগ সমষ্টিৰ বিধায়ক ৰঞ্জিত কুমাৰ দাস আৰু বৰপেটা সমষ্টিৰ বিধায়ক গুণীন্দ্ৰ নাথ দাসেও ভাষণ প্ৰদান কৰে। লোক নিৰ্মাণ বিভাগৰ আয়ুক্ত সচিব ৰাজেশ কেম্প্ৰায়ে আদৰণী ভাষণ দিয়া অনুষ্ঠানটোত বৰপেটা জিলাৰ উপায়ুক্ত মুনীন্দ্ৰ শৰ্মাই শলাগৰ শৰাই আগবঢ়ায়। অনুষ্ঠানত বৰপেটা চিকিৎসা মহাবিদ্যালয়ৰ অধ্যাপক ডাঃ ধ্ৰুৱজ্যোতি বৰা, বৰনগৰ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক শংকৰ চন্দ্ৰ দাস, অসম ঔদ্যোগিক উন্নয়ন নিগমৰ উপাধ্যক্ষ জিতু তালুকদাৰ আৰু অসম বিত্তীয় নিগমৰ উপাধ্যক্ষ অনিল দাসো উপস্থিত থাকে। ❐❐

# 'কিষাণ ৰথ' এপে কৃষকসকলক উৎপাদিত সামগ্ৰীৰ বিপণনৰ বাবে এখন নতুন ৰথ প্ৰদান কৰিব




মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে যোৱা ৬ অক্টোবৰত অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত আয়োজিত এক বিশেষ অনুষ্ঠানত 'কিষাণ ৰথ (ফ্ৰুটছ এণ্ড ভেজিটেবলছ)' নামৰ এক ম'বাইল এপ্লিকেচন আনুষ্ঠানিকভাৱে মুকলি কৰে। গ্ৰাহক আৰু বিক্ৰেতাৰ মাজৰ সংযোগৰ সু-সমন্বিতকৰণৰ যোগেদি কৃষিজাত সামগ্ৰীৰ বিপণনৰ ক্ষেত্ৰত এই এপ্‌টোৱে বিশেষভাৱে সহায় কৰিব। ৰাষ্ট্ৰীয় তথ্য-বিজ্ঞান কেন্দ্ৰই এই এপ্‌টো প্ৰস্তুত কৰি উলিওৱাৰ লগতে ইয়াৰ কাৰিকৰী দিশসমূহো চোৰা-চিতা কৰিব। অসম কৃষি-ব্যৱসায় আৰু গ্ৰাম্য ৰূপান্তৰকৰণ প্ৰকল্প (এপাৰ্ট)ই এই এপ্লিকেচন ক্ষেত্ৰ পৰ্যায়ত ৰূপায়ণ কৰিব আৰু ইয়াৰ জৰিয়তে কৃষকসকল তথা সংশ্লিষ্ট খণ্ডৰ ব্যক্তিসকলক প্ৰশিক্ষণ প্ৰদানৰ ব্যৱস্থা কৰিব। এই এপ্‌টো অসমীয়া, হিন্দী আৰু ইংৰাজী এই তিনিটা ভাষাতে উপলব্ধ। অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে কিষাণ ৰথ এপ্‌ৰ জৰিয়তে ৰাজ্যৰ কৃষকসকলে নিজৰ উৎপাদিত সামগ্ৰীৰ বিপণনৰ বাবে এখন নতুন ৰথ লাভ কৰিলে। এই ৰথৰ জৰিয়তে কৃষকসকলে বাৰীৰ উৎপাদিত সামগ্ৰী বিভিন্ন প্ৰান্তলৈ লৈ যোৱাৰ লগতে বজাৰৰ সীমাবদ্ধতা চেৰাই তেনে সামগ্ৰীৰ উপযুক্ত মূল্য লাভ কৰিবলৈ সক্ষম হ'ব। এই এপে কৃষকসকলৰ বাবে মুকলি বজাৰ সৃষ্টি কৰাৰ লগতে কৃষকসকলে আশা কৰা মূল্যৰ বিনিময়ত কৃষি সামগ্ৰী বিক্ৰী কৰিব পাৰিব। নিজকে কৃষকৰ সন্তান বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী সোণোৱালে শৈশৱৰ সময়ছোৱাত তেওঁ ঘৰৰ কাষৰ দিনজান চাহ বাগানৰ বজাৰত লাই শাক, খুটৰা শাককে ধৰি বিভিন্ন কৃষিজাত সামগ্ৰী বিক্ৰী কৰিবলৈ যোৱাৰ স্মৃতি ৰোমন্থন কৰি কয় যে সেই সময়ত কৃষকৰ বাবে বজাৰখন সীমিত আছিল। নিৰ্দিষ্ট সময়ৰ ভিতৰত বজাৰলৈ নিয়া সামগ্ৰী বিক্ৰী নহ'লে অতি কম দৰত গ্ৰাহকক বিক্ৰী কৰিবলগীয়া হৈছিল। কিন্তু আজি তথ্য-প্ৰযুক্তিৰ যুগত পৰিস্থিতি সলনি হৈছে আৰু এতিয়া কিষাণ ৰথৰ দৰে এপে কৃষকৰ বাবে বজাৰৰ পৰিসৰ বৃদ্ধি কৰিছে।

**'কিষাণ ৰথ (ফ্ৰুটছ এণ্ড ভেজিটেবলছ)' ম'বাইল এপ্লিকেচন আনুষ্ঠানিকভাৱে মুকলি মুখ্যমন্ত্ৰীৰ**



মুখ্যমন্ত্ৰীয়ে কয় যে সমগ্ৰ দেশতে বজাৰ সৃষ্টিৰ জৰিয়তে অসমৰ কৃষকসকলে যাতে নিজৰ উৎপাদিত সামগ্ৰীৰ উপযুক্ত মূল্য আদায় কৰিব পাৰে, এই দিশত সম্প্ৰতি মুকলি কৰা এই এপ্‌টোৱে এক নতুন উদ্যমৰ সৃষ্টি কৰিব। আজিৰ প্ৰতিযোগিতামূলক বজাৰখনত কৃষকসকলৰ শক্তিশালী উপস্থিতি সাব্যস্তকৰণৰ লগতে ৰাজ্যৰ কৃষি ব্যৱসায়ৰ প্ৰসাৰৰ দিশত এই এপ্‌টোৱে সহায় কৰাৰ লগতে বিশেষকৈ ফলমূল আৰু শাক-পাচলি উৎপাদকসকলৰ বাবে নতুন সম্ভাৱনাৰ দুৱাৰ মুকলি কৰিব। দেশৰ শাসনলৈ অহাৰ পাছৰে পৰা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশৰ কৃষকসকলৰ উপাৰ্জন দুগুণলৈ বৃদ্ধিৰ জৰিয়তে তেওঁলোকক এক মৰ্যাদাসম্পন্ন জীৱন উপহাৰ দিয়াৰ বাবে নিৰলসভাৱে কাম কৰি আহিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে পি এম কিষাণ সন্মান নিধি, কৃষি সিঁচাই যোজনা, ফচল বীমা যোজনা, কিষাণ ক্ৰেডিট কাৰ্ড আদিৰ দৰে কেন্দ্ৰীয় চৰকাৰৰ আঁচনিসমূহে দেশৰ কৃষিৰ পৰিকাঠামো শক্তিশালী কৰি তোলাৰ লগতে কৃষিক এক সন্মানজনক বৃত্তিত পৰিণত কৰিছে। কৃষকৰ উৎপাদন দুগুণলৈ বৃদ্ধিৰ লক্ষ্যৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গ্ৰহণ কৰা পদক্ষেপসমূহে ৰাজ্য চৰকাৰসমূহকো কৃষিখণ্ডত বিশেষ গুৰুত্ব আৰোপ কৰিবলৈ উৎসাহিত কৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে এই আদৰ্শৰে অনুপ্ৰাণিত হৈ অসম চৰকাৰেও ৰাজ্যৰ কৃষকসকলৰ সৰ্বাংগীণ কল্যাণৰ বাবে মুখ্যমন্ত্ৰীৰ সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনা আৰু কৃষি সা-সঁজুলি যোজনাৰ দৰে অভিলাষী আঁচনি ৰূপায়ণ কৰিছে। তেওঁ লগতে কয় যে প্ৰধানমন্ত্ৰীৰ 'আত্মনিৰ্ভৰ ভাৰত'ৰ লক্ষ্য বাস্তাৱায়িত কৰাৰ উদ্দেশ্যে ৰাজ্য চৰকাৰেও কৃষিখণ্ডৰ ওপৰত পৰ্যাপ্ত অগ্ৰাধিকাৰ প্ৰদান কৰিছে। কৃষিখণ্ডৰ শক্তি সম্ভাৱনা আৱিষ্কাৰ কৰাৰ বাবে মাটিৰ সৈতে সম্বন্ধ সুদৃঢ় কৰিব লাগিব বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে দেশৰ ভৱিষ্যৎ নিৰ্মাণ কৰিবলৈ হ'লে কৃষিখণ্ডত আত্মনিয়োগ কৰিব লাগিব। তেওঁ লগতে ৰাজ্যৰ অৰ্থনীতি শক্তিশালী কৰি তোলাৰ বাবে কৃষিকৰ্মত আত্মনিয়োগ কৰাৰ বাবে যুৱ প্ৰজন্মক আহ্বান জনায়। অনুষ্ঠানত ভাষণ প্ৰদান কৰি ৰাজ্যৰ কৃষি, উদ্যান শস্য আৰু খাদ্য সংসাধন বিভাগৰ মন্ত্ৰী অতুল বৰাই কয় যে ক'ভিড-১৯ৰ প্ৰাদুৰ্ভাৱৰ ফলত হোৱা দেশজোৰা লকডাউনে কৃষকসকলক যথেষ্ট কষ্টৰ মুখলৈ ঠেলি দিয়াৰ লগতে প্ৰচুৰ লোকচানৰো সন্মুখীন কৰালে। অৱশ্যে লকডাউনৰ প্ৰথম ৭০ দিনৰ ভিতৰতে অসমৰ কৃষকে ৰাজ্যৰ লগতে অন্যান্য প্ৰদেশলৈ শাক-পাচলি বিক্ৰী কৰি ৩৫৭ কোটি টকা উপাৰ্জন কৰিবলৈ সক্ষম হয়। এই সময়ছোৱাত ৫ হাজাৰৰো অধিক কৃষকে নিজৰ উৎপাদিত ফচল প্ৰত্যক্ষভাৱে বজাৰত বিক্ৰী কৰিবলৈ আগবাঢ়ি অহাৰ ফলত ৰাজ্যত এখন নতুন বজাৰো গঢ় লৈ উঠে বুলি তেওঁ উল্লেখ কৰে। কৃষিমন্ত্ৰীগৰাকীয়ে লগতে কয় যে কিষাণ ৰথ এপে মধ্যভোগী ব্যৱস্থাৰ বিলোপ সাধন কৰি কৃষকসকলৰ নতুন বজাৰৰ সুযোগ প্ৰদান কৰিব আৰু কৃষকৰ ক্ৰয়-বিক্ৰয়ৰ শক্তি বৃদ্ধি কৰিব। কেন্দ্ৰীয় চৰকাৰৰ আঁচনিসমূহ ৰূপায়ণ কৰাৰ লগতে ৰাজ্য চৰকাৰে কৃষি খণ্ডৰ বাবে বহু অভিলাষী আঁচনি গ্ৰহণ কৰিছে বুলিও মন্ত্ৰীগৰাকীয়ে কয়। তেওঁ লগতে কয় যে এই পদক্ষেপসমূহে অনাগত দিনত কৃষি খণ্ডৰ দ্ৰুত পৰিৱৰ্তন সাধন কৰিব। উল্লেখ্য যে কিষাণ ৰথ (ফলমূল আৰু শাক-পাচলি) মোবাইল এপ্ অসম কৃষি বাণিজ্য আৰু গ্ৰাম্য ৰূপান্তৰকৰণ প্ৰকল্পৰ( এপাৰ্ট) জৰিয়তে উপলব্ধ কৰা হৈছে। ইতিমধ্যে ১০,০০০ জনতকৈ অধিক কৃষক, ১০০০ জনতকৈ অধিক ব্যৱসায়ী, ৫০তকৈ অধিক কৃষক উৎপাদক সংস্থা আৰু ৪০০জনতকৈ অধিক পৰিবহণকাৰী এই এপ্‌ত পঞ্জীভুক্ত হৈছে। এই এপ্‌টো ভাৰত চৰকাৰে ইতিমধ্যে মুকলি কৰিছে আৰু ৰাজ্যৰ প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি ৰাষ্ট্ৰীয় তথ্য-বিজ্ঞান কেন্দ্ৰ, অসমে এপ্‌টোৰ সংশোধিত ৰূপ প্ৰস্তুত কৰিছে। সকলো আঁচনিৰে যাতে সুবিধাসমূহ কৃষকে ল'ব পাৰে আৰু ৰাজ্যৰ বাহিৰত ৰাষ্ট্ৰীয় পৰ্যায়ৰ বজাৰ দখল কৰিব পাৰে তাৰ প্ৰতি লক্ষ্য ৰাখি এই এপ্ প্ৰস্তুত কৰা হৈছে। এপাৰ্টৰ প্ৰকল্প সঞ্চালক বিনোদ শেষাণে এই এপটোৰ উদ্দেশ্যৰ লগতে এপটোৰ ব্যৱহাৰ কিদৰে কৰিব পৰা যাব সেই সন্দৰ্ভত ব্যাখ্যা আগবঢ়ায়। এই অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামী, মুখ্যমন্ত্ৰীৰ আইন উপদেষ্টা শান্তনু ভৰালী, কৃষি বিভাগৰ প্ৰধান সচিব ৰাজেশ প্ৰসাদ, কৃষি বিভাগৰ আয়ুক্ত-সচিব আকাশদীপ, ৰাষ্ট্ৰীয় তথ্য-বিজ্ঞান কেন্দ্ৰৰ উপ-সঞ্চালক সুচিত্ৰা প্যাৰেলাল, কৃষি বিভাগৰ বিষয়া-কৰ্মচাৰী, কৃষক, কৃষি ব্যৱসায়ী আৰু অন্যান্যসকল উপস্থিত আছিল। ❐❐

# বড়োলেণ্ড টেৰিটৰিয়েল ৰিজনৰ সাম্প্ৰতিক পৰিস্থিতি সন্দৰ্ভত সৰ্বদলীয় বৈঠক



বড়োলেণ্ড টেৰিটৰিয়েল ৰিজনৰ সাম্প্ৰতিক পৰিস্থিতি সন্দৰ্ভত আলোচনা কৰাৰ বাবে যোৱা ৬ অক্টোবৰত অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ অধ্যক্ষতাত এখন সৰ্বদলীয় বৈঠক অনুষ্ঠিত হয়। মুখ্য সচিব কুমাৰ সঞ্জয় কৃষ্ণই আদৰণী ভাষণেৰে আৰম্ভ কৰা উক্ত বৈঠকৰ আৰম্ভণিতে স্বাস্থ্য বিভাগৰ প্ৰধান সচিব সমীৰ কুমাৰ সিনহাই ৰাজ্যখনৰ শেহতীয়া ক'ভিড পৰিস্থিতিৰ অৱলোকনেৰে এক প্ৰেজেণ্টেচন আগবঢ়ায়। ইয়াৰ পিছতে স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই নিজৰ বক্তব্যত ৰাজ্যখনৰ শেহতীয়া ক'ভিড পৰিস্থিতি অৱলোকন কৰাৰ লগতে আগন্তুক দুৰ্গাপূজা তথা দীপান্বিতাৰ দৰে উৎসৱৰ বতৰত সম্ভাব্য ক'ভিড সংক্ৰমণ বৃদ্ধিৰ প্ৰতি লক্ষ্য ৰাখি বিটিচিৰ নিৰ্বাচন আগন্তুক ডিচেম্বৰ মাহত অনুষ্ঠিত কৰাৰ পোষকতা কৰি এই বিষয়ে ইতিমধ্যে মুখ্যমন্ত্ৰীৰ ওচৰত প্ৰস্তাৱ উত্থাপন কৰিছে বুলি কোৱাৰ লগতে মুখ্যমন্ত্ৰীৰ নিৰ্দেশক্ৰমে এই বিষয়ত সকলো দলৰে মতামত গ্ৰহণ কৰাৰ বাবে এই সৰ্বদলীয় বৈঠকখন ৰাজ্য চৰকাৰে অনুষ্ঠিত কৰিছে বুলিও কয়। তেওঁ লগতে কয় যে মুখ্যমন্ত্ৰীয়ে এই সম্পৰ্কত সকলো ৰাজনৈতিক দলৰ স্থিতি ব্যক্ত কৰাৰ বাবে এই বৈঠকখন অনুষ্ঠিত কৰিছে। ইয়াৰ পিছতে কোকৰাঝাৰ লোকসভা সমষ্টিৰ সাংসদ নৱ কুমাৰ শৰণীয়া, ইউ পি পি এলক প্ৰতিনিধিত্ব কৰা প্ৰমোদ বড়ো, বিপিএফ দলৰ ৰবিৰাম নাৰ্জাৰী, এ আই ইউ ডি এফৰ আমিনুল ইছলাম, ভাৰতীয় জাতীয় কংগ্ৰেছৰ দুৰ্গাদাস বড়ো, চি পি আই (এম)ৰ দেৱেন ভট্টাচাৰ্য, ভাৰতীয় গণ পৰিষদৰ সুকান্ত মজুমদাৰ, ভোটাৰ্ছ পাৰ্টী ইন্টাৰনেচনেলৰ ললিত পেগু, অসম গণ পৰিষদৰ কেশৱ মহন্ত, ভাৰতীয় জনতা পাৰ্টীৰ জয়ন্ত কুমাৰ দাসে ক'ভিড পৰিস্থিতিৰ এই জটিল সন্ধিক্ষণত বিটিচিৰ নিৰ্বাচন অনুষ্ঠিত কৰা সম্পৰ্কত নিজ নিজ দলৰ দৃষ্টিভংগী উত্থাপন কৰে। বৈঠকত অধ্যক্ষতা কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে কয় যে বিটিআৰত আজি যি পৰিস্থিতি উদ্ভৱ হৈছে সেই কথা বিস্তৃতভাৱে আলোচনা কৰাৰ বাবে এই বৈঠকখন অনুষ্ঠিত কৰা হৈছে। এই বৈঠকত উপস্থিত থাকি প্ৰত্যেকটো দলে বিটিচিৰ নিৰ্বাচন সম্পৰ্কত নিজৰ নিজৰ মত দাঙি ধৰাৰ বাবে মুখ্যমন্ত্ৰীয়ে সকলো ৰাজনৈতিক দলৰ প্ৰতিনিধিক আন্তৰিকভাৱে ধন্যবাদ জ্ঞাপন কৰাৰ লগতে সকলো দলে সন্মিলিতভাৱে গণতান্ত্ৰিক প্ৰক্ৰিয়া অব্যাহত ৰখাৰ দিশত কাম কৰিব লাগিব বুলিও কয়। এই ক্ষেত্ৰত চৰকাৰ আৰু বিৰোধী দল সকলোৱে 'টীম অসম'ৰ ধাৰণাৰে কাম কৰিব লাগিব বুলিও কয়। এই বৈঠকত উপস্থিত থকা ৰাজনৈতিক দলসমূহে উত্থাপন কৰা মতামতসমূহ লিপিবদ্ধ কৰা হৈছে বুলি উল্লেখ কৰি কেবিনেট বৈঠকতো এই সম্পৰ্কত বিস্তৃতভাৱে আলোচনা কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে কয়। এই সমগ্ৰ প্ৰক্ৰিয়াত বিটিআৰৰ জনসাধাৰণে যাতে কোনোধৰণৰ ক্ষতিগ্ৰস্ত নোহোৱাকৈ গণতান্ত্ৰিক প্ৰক্ৰিয়াটোক আগবঢ়াই নিব পৰা যায় সেই দৃষ্টিকোণ আগত ৰাখিয়েই ৰাজ্য চৰকাৰে সঠিক সিদ্ধান্ত ল'ব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। স্বাস্থ্যবিধি অটুট ৰাখি গণতান্ত্ৰিক প্ৰক্ৰিয়াক আগবঢ়াই নিয়াৰ দিশত ৰাজ্য চৰকাৰে পদক্ষেপ ল'ব বুলি উল্লেখ কৰি আগন্তুক দিনত শাসক-বিৰোধীৰ মিলিত প্ৰচেষ্টাৰে এনেদৰে জনসাধাৰণক সেৱা কৰাৰ বাবে ৰাজ্য চৰকাৰে ইতিবাচক পদক্ষেপ লৈ যাব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। গণতান্ত্ৰিক ব্যৱস্থা ৰক্ষা আৰু স্বাস্থ্য সুৰক্ষাৰ সন্তুলনেৰে বিটিআৰৰ নিৰ্বাচন সম্পৰ্কত আগন্তুক দিনত সিদ্ধান্ত লোৱা হ'ব বুলিও তেওঁ কয়। এই সৰ্বদলীয় বৈঠকত উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, কৃষিমন্ত্ৰী অতুল বৰা, ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণী কল্যাণ বিভাগৰ মন্ত্ৰী চন্দন ব্ৰহ্ম, জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী ৰিহণ দৈমাৰী, জলসিঞ্চন বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী ভবেশ কলিতা, মুখ্য সচিব কুমাৰ সঞ্জয় কৃষ্ণ, গৃহ আৰু ৰাজনৈতিক বিভাগৰ দায়িত্ব থকা অতিৰিক্ত মুখ্য সচিব জিষ্ণু বৰুৱাকে ধৰি বিভিন্ন ৰাজনৈতিক দলৰ সভাপতি, সম্পাদক তথা অন্যান্য বিষয়ববীয়াসকলে অংশগ্ৰহণ কৰে। ❑❑

# বৰ্তমানৰ চৰকাৰখনে দুৰ্নীতিৰ বিৰুদ্ধে প্ৰথমৰে পৰাই শূন্য সহনশীল নীতি গ্ৰহণ কৰি আহিছে




## কংগ্ৰেছ দুৰ্নীতিৰ সদাগৰ, নিজৰ ১৫ বছৰীয়া শাসন কালত কংগ্ৰেছে ৰাজ্যত দুৰ্নীতিৰ দোকান খুলি লৈছিল ঃ মুখ্যমন্ত্ৰী

'বৰ্তমানৰ চৰকাৰখন শাসনলৈ অহাৰ পাছতেই বিগত চাৰে চাৰিটা বছৰে চৰকাৰৰ বিভিন্ন বিভাগত প্ৰায় ৮০,০০০ যুৱক-যুৱতীক সম্পূৰ্ণ মেধা আৰু যোগ্যতাৰ ভিত্তিত নিয়মীয়া তথা ঠিকাভিত্তিত নিযুক্তি প্ৰদান কৰা হৈছে। এই নিযুক্তিসমূহৰ ক্ষেত্ৰত কেতিয়াও কোনেও চৰকাৰৰ বিৰুদ্ধে অনিয়মৰ আঙুলি উঠাবলৈ সুযোগ পোৱা নাই। শেহতীয়াকৈ অসম আৰক্ষীৰ উপ-পৰিদৰ্শক নিযুক্তিৰ ক্ষেত্ৰত কোনো দুষ্ট চক্ৰই চৰকাৰখনৰ নিকা ভাবমূৰ্তিত চেকা লগাবলৈ অপচেষ্টা কৰিছিল। কিন্তু এই কথা দৃষ্টিগোচৰ হোৱাৰ পাছতেই অতি তৎপৰতাৰে এই পৰীক্ষা বাতিল কৰা হ'ল।'— যোৱা ৫ অক্টোবৰত মাজুলীৰ দৰিয়াপাৰস্থিত মাজুলী মহাবিদ্যালয় খেলপথাৰত আয়োজিত ভূমিহীন খিলঞ্জীয়া হিতাধিকাৰীলৈ ভূমিপট্টা আৰু আবণ্টনপত্ৰ বিতৰণী অনুষ্ঠানৰ পাছতেই সাংবাদিকৰে হোৱা কথা-বতৰাত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এই মন্তব্য কৰে। তেওঁ কয় যে এই অপকৰ্মত জড়িত কোনো এজন লোককেই চৰকাৰে সাৰি যাবলৈ নিদিয়ে। অসম আৰক্ষীয়ে সম্পূৰ্ণ সততা আৰু দক্ষতাৰে এই গোচৰৰ তদন্ত কৰি আছে বুলি জানিবলৈ দি এইক্ষেত্ৰত সন্দেহৰ আঙুলি উঠা আপোন-পৰ কাকো ৰেহাই দিয়া নহ'ব বুলি তেওঁ স্পষ্ট কৰি দিয়ে। কংগ্ৰেছৰ ১৫ বছৰীয়া অপশাসনত সংঘটিত পৰ্বতসম দুৰ্নীতিৰ বাবে দলটোক কঠোৰ ভাষাৰে সমালোচনা কৰি মুখ্যমন্ত্ৰীয়ে কংগ্ৰেছক 'দুৰ্নীতিৰ সদাগৰ' বুলি আখ্যা দিয়ে। কংগ্ৰেছে দুৰ্নীতিৰ প্ৰতিবাদ কৰা আৰু বাঘে নিৰামিষভোজী হ'বলৈ চেষ্টা কৰা একেই কথা বুলি মন্তব্য কৰি তেওঁ কয় যে নিজৰ শাসনকালত কংগ্ৰেছে ৰাজ্যত দুৰ্নীতিৰ দোকান খুলি লৈছিল। প্ৰায় প্ৰতিটো বিভাগতে নিযুক্তি, ঠিকা-ঠুকলিৰ নামত দলটোৰ নেতা-পালিনেতাই অবাধ কেলেংকাৰিৰ বেহা চলাইছিল। দুৰ্নীতিক তেওঁলোকে চৰকাৰী প্ৰশাসন যন্ত্ৰৰ এক অভিন্ন অংগ কৰি পেলাইছিল। ২০১৬ চনত বৰ্তমানৰ চৰকাৰখন শাসনলৈ অহাৰ পাছৰ পৰা কংগ্ৰেছে লেতেৰা কৰি যোৱা প্ৰশাসন যন্ত্ৰটো চাফা কৰি তোলাৰ কামতেই যথেষ্ট

সময় ব্যয় কৰিব লগা হৈছে বুলি উল্লেখ কৰি তেওঁ কয় যে নিজে ডিঙিলৈকে বোকাত ডুবি থাকি আনৰ পোছাকত বোকাৰ দাগ দেখি হঁহাৰ দৰেই এই দলটোৱে দুৰ্নীতিৰ বিৰুদ্ধে মাত মতাৰ অধিকাৰ কেতিয়াবাই হেৰুৱাই পেলাইছে। মুখ্যমন্ত্ৰীয়ে কয় যে লোকসেৱা আয়োগৰ কেলেংকাৰি, আনটাইড ফাণ্ডৰ খেলিমেলি, ভূমি অধিগ্ৰহণ কেলেংকাৰি, আবকাৰী বিভাগৰ বণ্ডেড ৱেৰহাউছ কেলেংকাৰি, কৃষি বিভাগৰ সাৰ আৰু বীজ কেলেংকাৰি আদিকে ধৰি কংগ্ৰেছৰ ১৫ বছৰীয়া অপশাসনত সংঘটিত দুৰ্নীতিৰ তালিকাখন খুচৰিবলৈ গ'লে ই অসমৰ ইতিহাসত সৰ্বকালৰ সৰ্ববৃহৎ তালিকাত পৰিণত হ'ব। দুৰ্নীতি সংঘটিত কৰাৰ ক্ষেত্ৰত কংগ্ৰেছ দলটো ইমানেই অসংবেদনশীল আৰু অমানৱীয় আছিল যে তেওঁলোকে আনকি শিশুৰ মুখৰ পুষ্টিকৰ আহাৰো চান কাঢ়ি খাবলৈ কুণ্ঠাবোধ কৰা নাছিল। সমাজ কল্যাণ বিভাগৰ এই কুখ্যাত শিশুখাদ্য কেলেংকাৰিৰ দৰেই ভুৱা ৰেচন কাৰ্ড প্ৰস্তুত কৰি দুখীয়া ৰাইজৰ বাবে অহা চাউল, আটা আদি সুলভ মূল্যৰ খাদ্য সামগ্ৰীও কংগ্ৰেছে আত্মসাৎ কৰিছিল। ইন্দিৰা আৱাস যোজনাৰ নামত দৰিদ্ৰ সীমাৰেখাৰ তলৰ পৰিয়ালৰ বাবে অহা ঘৰকেইটা আবণ্টনৰ নামতো এই দলটোৱে দুৰ্নীতিৰ পোহাৰ মেলিছিল বুলি তেওঁ উল্লেখ কৰে। বৰ্তমানৰ ৰাজ্য চৰকাৰখনে দুৰ্নীতিৰ বিৰুদ্ধে প্ৰথমৰে পৰাই শূন্য সহনশীল নীতি গ্ৰহণ কৰি আহিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে 'নিদিওঁ আৰু নলওঁ' নীতিক আজি ৰাজ্যৰ প্ৰতিটো চৰকাৰী কাৰ্যালয়ৰ অন্যতম মূল নীতিত পৰিণত কৰা হৈছে। দুৰ্নীতিত জড়িত ভাৰতীয় অসামৰিক সেৱাৰ সচিব পৰ্যায়ৰ বিষয়াকে ধৰি মুখ্য অভিযন্তা, উপায়ুক্ত, ডি এফ অ', অতিৰিক্ত উপায়ুক্ত, সঞ্চালক, চক্ৰ বিষয়াৰ দৰে লোককো ৰঙাঘৰলৈ পঠোৱাৰ ক্ষেত্ৰত বৰ্তমানৰ চৰকাৰখনে কুণ্ঠাবোধ কৰা নাই। অসম লোকসেৱা আয়োগৰ সংস্কাৰ সাধন কৰি চৰকাৰখনে প্ৰকৃত মেধাসম্পন্ন যুৱক-যুৱতীৰ মুখত হাঁহি বিৰিঙোৱাৰ লগতে তেওঁলোকক ৰাজ্যৰ প্ৰশাসন ব্যৱস্থাৰ অংগ হোৱাৰ সুযোগ প্ৰদান কৰা হৈছে বুলি তেওঁ মন্তব্য কৰে। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে নিজৰ গাত লাগি থকা কেলেংকাৰিৰ নজহা-নপমা দাগবোৰ ঢাকিবলৈ কংগ্ৰেছে বৰ্তমানৰ চৰকাৰখনৰ প্ৰতিটো কাম-কাজকে অনৰ্থক সমালোচনা কৰি অহাটো নিয়ম কৰি লৈছে। এনে কূট-কৌশলেৰে কোনেও ৰাজ্য চৰকাৰখনক পথভ্ৰষ্ট কৰিব নোৱাৰে বুলি মন্তব্য কৰি তেওঁ কয় যে এই চৰকাৰ কংগ্ৰেছৰ ওচৰত নহয়, অসমৰ বৰাক-ব্ৰহ্মপুত্ৰ-পাহাৰ-ভৈয়ামৰ ৩ কোটি ৪০ লাখ জনতাৰ ওচৰতহে দায়বদ্ধ। জনতাৰ মতামত আৰু দিহা-পৰামৰ্শক চৰকাৰখনে সদায়েই ইতিবাচক দৃষ্টিভংগীৰে গ্ৰহণ কৰি আহিছে। অনাগত দিনতো অসমবাসীক সম্পূৰ্ণ স্বচ্ছ আৰু নিকা প্ৰশাসন প্ৰদানৰ স্বাৰ্থত ৰাজ্য চৰকাৰে সম্পূৰ্ণ দায়বদ্ধতাৰে কাম কৰি যাব বুলি মুখ্যমন্ত্ৰীয়ে কয়। ❑❑

# অসম পৰ্যটন উন্নয়ন নিগমে মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ আগবঢ়ালে ১.৬০ কোটি টকা



যোৱা ৩০ ছেপ্টেম্বৰত অসম পৰ্যটন উন্নয়ন নিগমে মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ ১.৬০ কোটি টকাৰ বৰঙনি আগবঢ়ায়। অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত পৰ্যটন মন্ত্ৰী চন্দন ব্ৰহ্ম আৰু অসম পৰ্যটন উন্নয়ন নিগম লিমিটেডৰ অধ্যক্ষ জয়ন্ত মল্ল বৰুৱাই এই চেক মুখ্যমন্ত্ৰীৰ হাতত আনুষ্ঠানিকভাৱে অৰ্পণ কৰে। মুখ্যমন্ত্ৰীয়ে চেক গ্ৰহণ কৰি দুৰ্গতজনৰ সহায়ৰ বাবে আৰ্থিক সাহায্য আগবঢ়োৱাৰ বাবে অসম পৰ্যটন উন্নয়ন নিগম লিমিটেডক ধন্যবাদ জ্ঞাপন কৰে।

# মুখ্যমন্ত্ৰীয়ে মাজুলীত উদ্বোধন কৰিলে ৩৩/১১ কেভি বিদ্যুৎ উপকেন্দ্ৰ




মাজুলীৰ অবিৰত বিদ্যুৎ সেৱা প্ৰদানৰ দিশত এক শক্তিশালী পদক্ষেপৰ অংশ হিচাপে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে অসম শক্তি বিতৰণ কোম্পানী লিমিটেডৰ দ্বাৰা 'দীনদয়াল উপাধ্যায়ৰ গ্ৰামজ্যোতি যোজনা'ৰ অধীনত বনগাঁৱত নিৰ্মিত ৩৩/১১ কিলো ভল্ট শক্তিসম্পন্ন বিদ্যুৎ উপকেন্দ্ৰৰ আনুষ্ঠানিকভাৱে শুভ উদ্বোধন কৰে। এই উপকেন্দ্ৰটোৱে মাজুলীৰ বিদ্যুৎ প্ৰবহনৰ সমস্যা সমাধানৰ লগতে প্ৰায় ৭ হাজাৰ উপভোক্তাক উপকৃত কৰিব। বিদ্যুতৰ ঘৰুৱা চাহিদা পূৰণৰ উপৰি ক্ষুদ্ৰ উদ্যোগ, কাৰখানাৰ বাবেও এই উপকেন্দ্ৰটোৱে অবিৰত বিদ্যুৎ যোগানৰ চাহিদা পূৰণ কৰিব। উল্লেখ্য যে ৬.৭৭ কোটি টকা ব্যয় সাপেক্ষে এই উপকেন্দ্ৰটো নিৰ্মাণ কৰা হৈছে। যোৱা ৫ অক্টোবৰত এই উপলক্ষে অনুষ্ঠিত সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে মাজুলীৰ উন্নয়নৰ বাবে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা পদক্ষেপক আৰু এখোজ আগবৈ নিয়াৰ ক্ষেত্ৰত এই উপকেন্দ্ৰটোৱে সহায় কৰিব। মুখ্যমন্ত্ৰীয়ে কয় যে শক্তি বিভাগে মাজুলীৰ বিদ্যুৎ সেৱা অধিক উন্নত কৰাৰ লক্ষ্যৰে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। মাজুলীৰ প্ৰতিটো পৰিয়াল যাতে বিজুলীবাতিৰ পোহৰেৰে আলোকিত হয়, সেই লক্ষ্যত উপনীত হোৱাৰ দিশত এই প্ৰকল্পটোৱে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰিব। তেওঁ লগতে কয় যে শক্তিখণ্ডত যিমান কাম হৈছে সেই সকলোৱে জনগণক স্পৰ্শ কৰিছে আৰু আগন্তুক দিনতো বাকী থকা সকলো সুবিধা ৰাইজে শীঘ্ৰে লাভ কৰিব। মাজুলী আধ্যাত্মিক আৰু সাংস্কৃতিকভাৱে শক্তিশালী বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ৩৩/১১ কেভি উপকেন্দ্ৰটোৱে জিলাখনৰ বিদ্যুৎ যোগানৰ ক্ষেত্ৰত থকা প্ৰতিবন্ধকতা আঁতৰাই প্ৰয়োজনীয় বিদ্যুৎ যোগান ব্যৱস্থাটো সুচল কৰি তুলিব। তেওঁ লগতে কয় যে মাজুলী প্ৰাকৃতিক সম্পদত অতিশয় চহকী। বৰ্তমানৰ ৰাজ্য চৰকাৰে মাজুলীক এখন শীৰ্ষ পৰ্যায়ৰ জিলা হিচাপে গঢ়ি তোলাৰ বাবে বিস্তৃত পৰিকল্পনা প্ৰস্তুত কৰিছে। তেওঁ কয় যে ৰাজ্য চৰকাৰে মাজুলীত এটা সৌৰশক্তি প্ৰকল্প স্থাপন কৰিব। আত্মনিৰ্ভৰ অসম নিৰ্মাণৰ ক্ষেত্ৰত মাজুলীয়ে যাতে উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিব পাৰে তাৰ বাবে ৰাজ্য চৰকাৰে মাজুলীৰ উন্নয়নৰ বাবে বিভিন্ন পদক্ষেপ হাতত লৈছে। এইক্ষেত্ৰত মুখ্যমন্ত্ৰীয়ে মাজুলীবাসীৰ সহযোগিতা কামনা কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আত্মনিৰ্ভৰ ভাৰতবৰ্ষ গঢ়াৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাই ৰাজ্য চৰকাৰেও আত্মনিৰ্ভৰ অসম গঢ়াৰ লক্ষ্যৰে ইতিমধ্যে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। কৃষি আৰু ইয়াৰ আনুষংগিক খণ্ডসমূহত মাজুলীয়ে উল্লেখযোগ্য বৰঙণি যোগাই ৰাজ্যখনক আত্মনিৰ্ভৰ ৰাজ্য হিচাপে গঢ়ি তোলাৰ ক্ষেত্ৰত বৰঙণি আগবঢ়াব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। এই অনুষ্ঠানত এ পি জি চি এল, এ পি ডি চি এল, এ ই জি চি এলৰ অধ্যক্ষ বিনোদ কুমাৰ পিপাৰচেনীয়া, এ পি ডি চি এলৰ পৰিচালন সঞ্চালক ৰাকেশ আগৰৱালা, এ পি জি চি এলৰ পৰিচালন সঞ্চালক কল্যাণী বৰুৱায়ো ভাষণ প্ৰদান কৰে। ❐❐

# গোলাঘাটত ছহিদ কমলা মিৰি অসামৰিক চিকিৎসালয়ৰ নতুন ভৱন উদ্বোধন স্বাস্থ্যমন্ত্ৰীৰ




বোকাখাতত ১২,০৫,৬১,৯০০ টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰি উলিওৱা ছহিদ কমলা মিৰি মহকুমা অসামৰিক চিকিৎসালয়খনৰ দ্বাৰ যোৱা ৩ অক্টোবৰত মুকলি কৰে ৰাজ্যৰ স্বাস্থ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। গায়ন-বায়ন, মাংগলিক উৰুলি ধ্বনিৰে নৱনিৰ্মিত চিকিৎসালয়খনৰ দ্বাৰ উদ্‌ঘাটনৰ পিছত বোকাখাত নাট্য মন্দিৰত অনুষ্ঠিত উদ্বোধনী সভাত তেওঁ ২০১৮ চনত এই চিকিৎসালয়খনৰ আধাৰশিলা নিজে স্থাপন কৰাৰ কথা উল্লেখ কৰি কয়— আই চি ইউ, চাইল্ড কেয়াৰ, বাৰ্নিং চিকিৎসা আদিৰ পৰ্যাপ্ত সুবিধাৰে উদ্‌ঘাটন কৰা চিকিৎসালয়খনৰ সৈতে অচিৰেই ১৩ কোটি টকা ব্যয়েৰে এটা ট্ৰ'মা চেণ্টাৰৰ কাম আৰম্ভ হ'ব। বোকাখাতক পৰ্যটন নগৰীলৈ উন্নীত কৰাকে ধৰি একাংশ আঁচনি গ্ৰহণ কৰা হ'ব। বোকাখাতক লৈ 'আমাৰ সপোন আছে' বুলি উল্লেখ কৰি তেওঁ আৰু কয়ঃ আমি সংকল্পক সিদ্ধিলৈ ৰূপান্তৰ কৰিম। অহা ৫ বছৰৰ ভিতৰত গোলাঘাট মেডিকেল কলেজ আৰু সতী সাধনী বিশ্ববিদ্যালয়ৰ কাম আৰম্ভ কৰাৰ কথাও উল্লেখ কৰে মন্ত্ৰীগৰাকীয়ে। ৰাজ্যখনৰ ক'ভিড পৰিস্থিতিৰ কথা উল্লেখ কৰি তেওঁ কয় যে ক'ভিড ১৯ ৰ পৰা আৰোগ্য হ'লেও হাওঁফাওঁত ছিদ্ৰ ৰৈ যাব পাৰে। তেওঁ লগতে কয় যে এই সময়ছোৱাত অসম চৰকাৰে লোৱা তৎপৰতা দেখি কেৱল দেশেই নহয় বহিঃদেশৰো চকু থৰ হৈ গৈছে। এই সময়ছোৱাত তাৎক্ষণিকভাৱে চিকিৎসালয় মুকলি, চিকিৎসক-নাৰ্ছ নিযুক্তিৰে চৰকাৰে কৰা কাম আন ৰাজ্যই কৰিব পৰা নাই। ক'ভিড পৰিস্থিতিত দেশৰ অন্যান্য ৰাজ্যই চৰকাৰী কৰ্মচাৰীৰ ৫০ শতাংশ দৰমহা কৰ্তন কৰাৰ সময়ত অসম চৰকাৰৰ প্ৰতিগৰাকী কৰ্মচাৰীয়ে মাহৰ পহিলা তাৰিখতে সম্পূৰ্ণ দৰমহা পাইছে। ক'ভিড পৰিস্থিতিত বহিঃৰাজ্যত বিপন্ন ৪ লাখ যুৱক-যুৱতীক অৰ্থ সাহায্য দিয়াৰ লগতে ৰাজ্যখনৰ ৭ লাখ ছাত্ৰ-ছাত্ৰীক মহাবিদ্যালয়-বিশ্ববিদ্যালয়ত বিনামূলীয়া নামভৰ্তিৰ ব্যৱস্থা কৰা হৈছে। এই পৰিস্থিতিত ক'ভিড নিয়ন্ত্ৰণত অসম দেশৰ ভিতৰত শীৰ্ষত থকাৰ লগতে প্ৰতি বছৰে ৫০০০ কিলোমিটাৰ পথ নিৰ্মাণ কৰিও দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। বোকাখাতৰ বিধায়ক তথা অগপৰ সভাপতি জ্যেষ্ঠ মন্ত্ৰী অতুল বৰা সন্দৰ্ভত তেওঁ কয়, 'তেওঁৰ দক্ষতা শলাগিবলগীয়া। বোকাখাতৰ উন্নয়নৰ সপোন বুকুত লৈ ফুৰা এইগৰাকী জনপ্ৰতিনিধিক আপোনালোকৰ মৰমৰ প্ৰয়োজন'। কৃষি মন্ত্ৰী অতুল বৰাই বৰ্তমানৰ পাঁচটা বছৰত বোকাখাতত হোৱা সৰ্বাধিক উন্নয়নৰ ক্ষেত্ৰত অসম চৰকাৰ, বিশেষকৈ মন্ত্ৰী ড° শৰ্মাৰ আন্তৰিকতাক ধন্যবাদ জনায়। সভাত ৰাজ্যিক মন্ত্ৰী পীযূষ হাজৰিকা, সাংসদ পল্লৱলোচন দাস, কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ চি ই এম তুলিৰাম ৰংহাং আদিয়ে বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰে। আদৰণী ভাষণ প্ৰদান কৰে গোলাঘাট জিলাৰ উপায়ুক্ত বিভাষ মোদীয়ে। ▢▢

# মাজুলীক কাৰ্বনমুক্ত জিলা হিচাপে গঢ়াৰ লক্ষ্যৰে বৃক্ষৰোপণ কাৰ্যসূচীৰ শুভাৰম্ভ



মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে যোৱা ৪ অক্টোবৰত মাজুলীৰ কমলাবাৰী ঘাটত কাৰ্বন নিউট্ৰেলিটী প্ৰকল্পৰ অধীনত এক ব্যাপক বৃক্ষৰোপণ কাৰ্যসূচীত অংশ লয়। উল্লেখ্য যে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ সক্ৰিয় পদক্ষেপত মাজুলীক কাৰ্বনমুক্ত জিলা হিচাপে গঢ়ি তোলাৰ লক্ষ্য বাস্তৱায়িত কৰাৰ দিশত এই পদক্ষেপে বৃহৎ অৰিহণা যোগাব। মাজুলীক কাৰ্বনমুক্ত জিলা হিচাপে গঢ়ি তোলাৰ বাবে গ্ৰহণ কৰা এই প্ৰকল্প দেশৰ ভিতৰতে এনেধৰণৰ প্ৰথম প্ৰকল্প। এই প্ৰকল্পৰ অধীনত বানৰ সময়তো জীয়াই থাকিব




## কমলাবাৰী ঘাটৰ খহনীয়া প্ৰতিৰোধী পদক্ষেপৰ চৰজমিন বুজ ল'লে মুখ্যমন্ত্ৰীয়ে

পৰা ১১০০ ফলফুল আৰু ঔষধি গছপুলি ৰোপণৰ ব্যৱস্থা লোৱা হৈছে। এই উদ্দেশ্যে আয়োজিত অনুষ্ঠানত বক্তব্য প্ৰদান কৰি মুখ্যমন্ত্ৰী সোণোৱালে এই প্ৰকল্পটো সৰ্বতোপ্ৰকাৰে সফল কৰাৰ বাবে সহায়-সহযোগিতা আগবঢ়োৱাৰ বাবে মাজুলীবাসীক ধন্যবাদ জ্ঞাপন কৰে। মাজুলীক কাৰ্বনমুক্ত জিলা হিচাপে গঢ়ি তোলাৰ লক্ষ্য বাস্তৱায়িত কৰাৰ দিশত এই প্ৰকল্পই বৃহৎ ভূমিকা ল'ব বুলিও তেওঁ কয়। এই প্ৰসংগত মুখ্যমন্ত্ৰীয়ে কয় যে মাজুলীক ভাৰতবৰ্ষৰ ভিতৰতে সৰ্বপ্ৰথম কাৰ্বনমুক্ত জিলা হিচাপে গঢ়ি তোলাৰ বাবে মাজুলীবাসীৰ সহযোগত চৰকাৰে এই পদক্ষেপ লৈছে যাতে ভৱিষ্যতেও মাজুলীৰ বিশুদ্ধ জলবায়ু, বিনন্দীয়া প্ৰাকৃতিক পৰিৱেশ অটুট থাকে। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে মাজুলীবাসীয়ে সকলো সময়তে ইয়াৰ জলবায়ুৰ বিশুদ্ধতা, নৈসৰ্গিক প্ৰাকৃতিক পৰিৱেশ আৰু জৈৱ বৈচিত্ৰ্য অটুট ৰখাৰ দিশত অগ্ৰণী ভূমিকা লৈ যাব লাগিব।



মুখ্যমন্ত্ৰী সোণোৱালে লগতে কমলাবাৰী ঘাটৰ খহনীয়াগ্ৰস্ত এলেকাও পৰিদৰ্শন কৰি জিলা প্ৰশাসনে এই খহনীয়া প্ৰতিৰোধৰ বাবে গ্ৰহণ কৰা কাম-কাজৰো চৰজমিন বুজ লয়। এই খহনীয়া-প্ৰতিৰোধী ব্যৱস্থাৰ চৰজমিন বুজ লোৱাৰ উদ্দেশ্যে মুখ্যমন্ত্ৰীয়ে সেইদিনা ব্ৰহ্মপুত্ৰৰ পাৰৰ এক বৃহৎ এলেকা খোজকাঢ়ি পৰিদৰ্শন কৰে। তদুপৰি মুখ্যমন্ত্ৰী সোণোৱালে সেইদিনা অসম ক্ৰিকেট সন্থাৰ অধীনত মাজুলীত নিৰ্মাণ কৰি থকা ক্ৰিকেট ষ্টেডিয়াম নিৰ্মাণৰ কাম-কাজৰ অগ্ৰগতিৰো বুজ লয়। অসম ক্ৰিকেট সন্থাৰ সভাপতি ৰমেন দত্তও মুখ্যমন্ত্ৰীৰ সৈতে সেই সময়ত উপস্থিত থাকে। এই ক্ৰিকেট ষ্টেডিয়ামখনৰ নিৰ্মাণ কাৰ্য সম্পূৰ্ণ হৈ উঠিলে মাজুলীৰ উদীয়মান ক্ৰিকেটাৰসকলে অনুশীলনৰ বাবে এক অত্যাধুনিক আন্তঃগাঁথনি লাভ কৰিব বুলি আশা কৰা হৈছে। ইয়াৰ উপৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে সেইদিনা মাজুলীৰ মহিলা আত্মসহায়ক গোটৰ দ্বাৰা উৎপাদিত সামগ্ৰীৰ এক বিপণন তথা প্ৰদৰ্শনীথলীও পৰিদৰ্শন কৰে। এই প্ৰদৰ্শনী আৰু বিপণনৰ পদক্ষেপ ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ অধীনত কৰা হৈছে। বিপণন ক্ষেত্ৰ পৰিদৰ্শন কৰি ইয়াত পৰিৱেশন কৰা সামগ্ৰীসমূহৰ মুখ্যমন্ত্ৰীয়ে ভূয়সী প্ৰশংসা কৰাৰ লগতে মহিলাসকলে প্ৰদৰ্শন কৰা শিল্পশৈলীৰো শলাগ লয়। মহিলাসকলৰ দক্ষতা প্ৰদৰ্শনৰ বাবে লোৱা ব্যৱস্থাৰ বাবে মুখ্যমন্ত্ৰীয়ে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগক ধন্যবাদ জ্ঞাপন কৰে। আত্মনিৰ্ভৰ অসম গঢ়ি তোলাৰ ক্ষেত্ৰত মহিলাসকলৰ এই সৃষ্টিশীল উদ্যোগে গুৰুত্বপূৰ্ণ ভূমিকা ল'ব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। এই পৰিদৰ্শনৰ সময়ত মাজুলী জিলাৰ উপায়ুক্ত বিক্ৰম কৈৰী, আৰক্ষী অধীক্ষক অপৰ্ণা নটৰাজন, জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া নাৰায়ণ নাথ, বিভিন্ন বিভাগৰ মুৰব্বী বিষয়াসকলৰ লগতে অন্যান্য বিষয়ববীয়াসকল উপস্থিত থাকে। ❑❑



# ইউনিফাইড কমাণ্ডৰ ষ্ট্ৰেটেজী গ্ৰুপৰ বৈঠকত অধ্যক্ষতা মুখ্যমন্ত্ৰীৰ




# আইন-শৃংখলাজনিত পৰিস্থিতি মোকাবিলা কৰাৰ দিশত আচৰণবিধি বজাই ৰাখিব লাগিব


মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে যোৱা ৩ অক্টোবৰত অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত অনুষ্ঠিত ইউনিফাইড কমাণ্ড ষ্ট্ৰাকচাৰৰ ষ্ট্ৰেটেজী গ্ৰুপৰ উদ্বোধনী বৈঠকত অধ্যক্ষতা কৰে। বৈঠকত মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্যখনৰ শান্তিপূৰ্ণ পৰিৱেশ বজাই ৰখাৰ ক্ষেত্ৰত ভাৰতীয় সেনা বাহিনী আৰু অৰ্ধসামৰিক বাহিনীসমূহে ৰাজ্য চৰকাৰৰ সংশ্লিষ্ট সংস্থাসমূহৰ সৈতে ইউনিফাইড কমাণ্ড ব্যৱস্থাৰ অধীনত সক্ৰিয় সহযোগেৰে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। ভৱিষ্যতেও সমাজৰ পৰা হিংসা সম্পূৰ্ণৰূপে নিৰ্মূলৰ বাবে সন্ত্ৰাসবাদৰ সৈতে মোকাবিলা কৰাৰ দিশত থকা ব্যাপক অভিজ্ঞতা উপযুক্ত ৰূপত কামত খটুৱাই কমাণ্ডে এই দিশত ফলপ্ৰসূ আৰু জনমুখী ব্যৱস্থা এটা গঢ়ি তোলাৰ ওপৰত গুৰুত্ব আৰোপ কৰিব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীয়ে লগতে সন্ত্ৰাসবাদৰ বিপৰীতে চলোৱা অভিযানৰ সময়ত কোনো নিৰীহ লোক যাতে হাৰাশাস্তিৰ সন্মুখীন হ'বলগীয়া নহয়, সেই কথাটোৰ ওপৰত গুৰুত্ব আৰোপ কৰি সামৰিক বাহিনী, অৰ্ধসামৰিক বাহিনী আৰু আৰক্ষীয়ে এইক্ষেত্ৰত নিজৰ আচৰণবিধি বজাই ৰখাৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। বৃহৎসংখ্যক সন্ত্ৰাবাদীয়ে অস্ত্ৰ সম্বৰণ কৰি মূলসুঁতিলৈ উভতি অহাৰ দিশত ইউনিফাইড কমাণ্ডে লাভ কৰা সফলতাৰ বাবে মুখ্যমন্ত্ৰীয়ে অভিনন্দন জ্ঞাপন কৰি কয় যে ইয়াৰ ফলত আইন বলৱৎকাৰী সংস্থাসমূহৰ দায়বদ্ধতা অধিক বৃদ্ধি পাইছে। এই বিপথগামী যুৱক-যুৱতীসকলক সমাজৰ মূলসুঁতিৰ সৈতে চামিলকৰণৰ দিশত আইন বলৱৎকাৰী সংস্থাসমূহে নিজৰ ভূমিকা পালন কৰিব লাগিব। এই পথভ্ৰষ্ট যুৱক-যুৱতীসকলে সংঘটিত কৰা লঘু অপৰাধৰ ক্ষেত্ৰত অনুকম্পামূলক দৃষ্টিভংগীৰে চাই তেওঁলোকক হিংসাৰ পথ পৰিহাৰ কৰি ৰাষ্ট্ৰ নিৰ্মাণৰ প্ৰক্ৰিয়াত অৰ্থৱহ অৰিহণা যোগোৱাৰ দিশত আইন বলৱৎকাৰী সংস্থাসমূহে অগ্ৰণী ভূমিকা পালন কৰিব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। ৰাষ্ট্ৰ তথা ইয়াৰ জনসাধাৰণক সুৰক্ষিত কৰাৰ দিশত সেনাবাহিনীয়ে প্ৰদান কৰি থকা অনবদ্য সেৱাৰ শলাগ লৈ মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ গতিশীল তথা বলিষ্ঠ নেতৃত্বত ভাৰতে সামৰিক শক্তি বৃদ্ধি কৰাৰ লগতে সকলো দিশতে শক্তিশালী হৈছে আৰু সামৰিক বাহিনীসমূহেও দেশৰ শত্ৰুৰ দ্বাৰা ৰচনা কৰা সকলো কূটকৌশল মষিমূৰ কৰাৰ দিশত প্ৰয়োজনীয় সহায়-সহযোগিতা আগবঢ়াই আহিছে। এই অঞ্চলটোত সন্ত্ৰাসবাদৰ লগতে ড্ৰাগছৰ প্ৰত্যাহ্বান আছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে এই সকলো প্ৰত্যাহ্বানৰ মোকাবিলা কৰাৰ দিশত ইউনিফাইড কমাণ্ডে সফলতা লাভ কৰিব বুলি আশা প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উত্তৰ-পূৰ্বাঞ্চলক অষ্টলক্ষ্মী হিচাপে গঢ়ি তোলাৰ সপোন দিঠকত পৰিণত কৰাৰ দিশত অঞ্চলটোত শান্তিপূৰ্ণ পৰিৱেশ বজাই ৰখাটো অত্যন্ত জৰুৰী বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে সেনা বাহিনীক ৰাজ্যখনৰ যুৱকসকলক সামৰিক বাহিনীসমূহত যোগদান কৰি দেশলৈ সেৱা আগবঢ়োৱাৰ দিশত উৎসাহিত কৰাৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। □□

## গান্ধী মণ্ডপত আয়োজিত গান্ধী জয়ন্তী অনুষ্ঠানত মুখ্যমন্ত্ৰী



# উঠি অহা প্ৰজন্মৰ মাজত গান্ধীজীৰ আদৰ্শৰ বিষয়ে এক শক্তিশালী চেতনা জগাই তুলিব লাগিব

জাতিৰ পিতা মহাত্মা গান্ধীৰ ১৫১তম্ জয়ন্তী উপলক্ষে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে যোৱা ২ অক্টোবৰত গুৱাহাটীৰ শৰণীয়া পাহাৰত থকা গান্ধী মণ্ডপত জাতি পিতাগৰাকীৰ প্ৰতিমূৰ্তিত পুষ্পাঞ্জলি অৰ্পণেৰে শ্ৰদ্ধা নিবেদন কৰে। এই উপলক্ষে কামৰূপ মহানগৰ জিলা প্ৰশাসনৰ উদ্যোগত গান্ধী মণ্ডপত আয়োজিত এখন সৰ্বধৰ্ম প্ৰাৰ্থনা সভাতো মুখ্যমন্ত্ৰীয়ে অংশগ্ৰহণ কৰে। ইয়াৰ পিছতে গান্ধী মণ্ডপত উপস্থিত থকা সংবাদিকসকলক উদ্দেশ্যি প্ৰদান কৰা বক্তব্যত মুখ্যমন্ত্ৰী সোণোৱালে কয় যে গান্ধী জয়ন্তী উপলক্ষে বিশ্বৰ সমগ্ৰ মানৱ সমাজে আজি বাপুজীৰ প্ৰতি গভীৰ শ্ৰদ্ধা নিবেদন কৰিছে। বাপুজীয়ে আমাক সকলোকে অহিংস নীতিৰে সমাজ নিৰ্মাণৰ কামত আগৰণুৱাৰ ভূমিকা পালন কৰাৰ বাবে পথ প্ৰদৰ্শন কৰি থৈ গৈছে। সততা আৰু নিষ্ঠাৰে জীৱন গঢ়াৰ বাবে বাপুজীয়ে আদৰ্শ প্ৰতিষ্ঠা কৰি থৈ গৈছে। বাপুজীৰ পৰিষ্কাৰ-পৰিচ্ছন্নতাই ঈশ্বৰপৰায়ণতা আদৰ্শৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জনসাধাৰণক এই নীতিৰ প্ৰতি উদ্বুদ্ধ কৰিবলৈ সক্ষম হৈছে। বাপুজীৰ আদৰ্শৰে স্বচ্ছ ভাৰত নিৰ্মাণৰ যাত্ৰাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশৰ সৰ্বস্তৰৰ জনতাক উদ্বুদ্ধ কৰিবলৈ সক্ষম হৈছে আৰু ভাৰতৰ জনসাধাৰণেও এই কাৰ্যসূচীক আন্তৰিকতাৰে আঁকোৱালি লৈ ইয়াক সফলৰূপ প্ৰদান কৰিছে। গান্ধীজীৰ আদৰ্শৰে অসমৰ বৰাক-ব্ৰহ্মপুত্ৰ উপত্যকাত বসবাস কৰা সকলো শ্ৰেণীৰ জনসাধাৰণক শান্তি-সম্প্ৰীতি অটুট ৰাখি এখন শক্তিশালী সমাজ গঢ়াৰ বাবে মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়। উঠি অহা প্ৰজন্মৰ মাজত গান্ধীজীৰ আদৰ্শৰ বিষয়ে এক শক্তিশালী চেতনা জগাই তুলিব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত গান্ধীজীৰ আদৰ্শৰে বিশ্বৰ বুকুত ভাৰতবৰ্ষক বিশ্বগুৰু হিচাপে প্ৰতিষ্ঠা কৰাৰ যাত্ৰাত ভাৰতবৰ্ষৰ জনসাধাৰণে দৃঢ়তাৰে অগ্ৰসৰ হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে সকলোৰে মিলা-প্ৰীতিৰে নিষ্ঠা আৰু সততাৰে কাম কৰিলে এই লক্ষ্যত উপনীত হ'ব পাৰিব বুলিও কয়। এই অনুষ্ঠানত গুৱাহাটী উন্নয়ন বিভাগৰ মন্ত্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য, গুৱাহাটী লোকসভা সমষ্টিৰ সাংসদ কুইন ওজা, কামৰূপ মহানগৰ জিলাৰ উপায়ুক্ত বিশ্বজিৎ পেগুকে ধৰি বহু সংখ্যক গণ্য-মান্য ব্যক্তি উপস্থিত থাকে। ❏❏



# অসম খাদী আৰু গ্ৰামোদ্যোগ ব'ৰ্ডৰ দ্বাৰা আয়োজিত গান্ধী জয়ন্তী অনুষ্ঠানত মুখ্যমন্ত্ৰী




# হিংসাই সমাজক দুৰ্বল কৰাৰ বিপৰীতে অহিংসাই সবল কৰে



মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে যোৱা ২ অক্টোবৰত অসম খাদী আৰু গ্ৰামোদ্যোগ ব'ৰ্ডৰ দ্বাৰা ব'ৰ্ডৰ চানমাৰিস্থিত মুখ্য কাৰ্যালয়ত আয়োজিত গান্ধী জয়ন্তী উদ্‌যাপন অনুষ্ঠানত অংশগ্ৰহণ কৰি জাতিৰ পিতালৈ গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। গান্ধী জয়ন্তী উপলক্ষে মুখ্যমন্ত্ৰীয়ে অসম খাদী আৰু গ্ৰামোদ্যোগ ব'ৰ্ডৰ মুখ্য কাৰ্যালয়ৰ সন্মুখত থকা গান্ধীজীৰ প্ৰতিমূৰ্তিত মাল্যাৰ্পণ কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। এই উপলক্ষে আয়োজিত মুকলি সভাত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে গান্ধীজীয়ে অহিংসা নীতিৰে সমগ্ৰ মানৱ সমাজক উদ্বুদ্ধ কৰি যি আদৰ্শ প্ৰতিষ্ঠা কৰি গ'ল সেই আদৰ্শৰে আমি সকলোৱে বাট বুলিব লাগিব। জাতিৰ পিতাগৰাকীয়ে অহিংস নীতিৰে শক্তিশালী ইংৰাজৰ বিৰুদ্ধে দেশক নেতৃত্ব প্ৰদান কৰি ভাৰতবৰ্ষক স্বাধীন কৰিলে তথা ভাৰতবৰ্ষৰ স্বাভিমান ৰক্ষা কৰি ৰাষ্ট্ৰৰ শক্তি প্ৰদৰ্শন কৰাৰ যাত্ৰাৰ সূচনা কৰিলে। সেয়েহে বাপুজীৰ আদৰ্শৰে অসমৰ বুকুতো একতাৰ ভাৱনা জগাই তুলি কঠোৰ পৰিশ্ৰমেৰে আত্মনিৰ্ভৰশীল অসম গঢ়াৰ বাবে সকলোৱে এই পৱিত্ৰ ক্ষণত সংকল্পবদ্ধ হ'ব লাগিব বুলিও




মুখ্যমন্ত্ৰীয়ে কয়। গান্ধীজীৰ স্বৰাজৰ আদৰ্শৰে ভাৰতবৰ্ষক সকলো দিশতে আত্মনিৰ্ভৰশীল কৰাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জনোৱা আহ্বানৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে এই যাত্ৰাত সকলোকে চামিল হোৱাৰ বাবেও আহ্বান জনায়। খাদীবস্ত্ৰ কেৱল এখন সাধাৰণ বস্ত্ৰ নহয় বুলি উল্লেখ কৰি ইয়াৰ জৰিয়তে ভাৰতীয় জনগণৰ শক্তি আৰু সামৰ্থ্য শক্তিশালীভাৱে প্ৰতিফলিত হয় বুলিও মুখ্যমন্ত্ৰীয়ে কয়। ক'ভিড-১৯ সৃষ্ট লকডাউনৰ সময়ত যেতিয়া আমদানি-ৰপ্তানি বন্ধ হৈছিল সেই সময়ত নিজে নিজৰ শক্তিৰ দ্বাৰা কেনেদৰে পৰিচালিত হৈ আগুৱাই যাব লাগে সেই কথা ভাৰতবৰ্ষৰ জনসাধাৰণে ভালদৰে উপলব্ধি কৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভোকেল ফৰ লোকেলৰ বাবে জনোৱা আহ্বানৰ প্ৰতি সঁহাৰি জনাই স্থানীয়ভাৱে উৎপাদিত সামগ্ৰীৰে বিশ্বৰ বুকুত শক্তিশালীভাৱে অৱতীৰ্ণ হোৱাৰ বাবে সকলোৱে মিলিত প্ৰয়াস চলাব লাগিব বুলিও কয়। মুখ্যমন্ত্ৰীয়ে অসম খাদী আৰু গ্ৰামোদ্যোগ ব'ৰ্ডে বিগত বছৰত উৎপাদনৰ ক্ষেত্ৰত লাভ কৰা সফলতাৰ বাবে ইয়াৰ বিষয়ববীয়াসকলক ধন্যবাদ জ্ঞাপন কৰে। অসমক সকলো দিশৰে পৰা এখন চহকী ৰাজ্য বুলি উল্লেখ কৰি কঠোৰ পৰিশ্ৰম, সাধনা আৰু প্ৰবল ইচ্ছাশক্তিৰে ৰাজ্যখনক সকলোৱে মিলি আগুৱাই নিব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। হিংসাই সমাজক দুৰ্বল কৰাৰ বিপৰীতে অহিংসাই সবল কৰে বুলি উল্লেখ কৰি আজি বিশ্বৰ সমগ্ৰ মানৱ সমাজে গান্ধীজীৰ অহিংস নীতিক আঁকোৱালি লৈ এখন শান্তিপূৰ্ণ মানৱ সমাজ গঢ়াৰ যাত্ৰাত আগবাঢ়িছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। সেয়েহে বাপুজীৰ পৱিত্ৰ জয়ন্তীৰ দিনটোক আন্তঃৰাষ্ট্ৰীয় অহিংসা দিৱস হিচাপে ৰাষ্ট্ৰসংঘই পালনৰ ব্যৱস্থা কৰিছে বুলিও তেওঁ কয়। য'তেই পৰিষ্কাৰ তাতেই সংস্কাৰ বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে বাপুজীৰ আদৰ্শৰে ভাৰতবৰ্ষক বিশ্বগুৰু হিচাপে প্ৰতিষ্ঠা কৰাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জনোৱা আহ্বানৰ প্ৰতি দেশৰ জনগণে সঁহাৰি প্ৰদান কৰিছে বুলিও কয়। মুখ্যমন্ত্ৰীয়ে কৰ্ম সংস্কৃতিৰ দ্বাৰা উৎপাদন বৃদ্ধি কৰি ৰাজ্যখনক এখন শক্তিশালী ৰাজ্য হিচাপে পৰিগণিত কৰাৰ বাবে এই পৱিত্ৰ ক্ষণতে সকলোকে সংকল্পবদ্ধ হ'বলৈ আহ্বান জনায়। অনুষ্ঠানত ভাষণ প্ৰদান কৰি অসম খাদী আৰু গ্ৰামোদ্যোগ ব'ৰ্ডৰ অধ্যক্ষ ডাঃ কমলা কলিতাই মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে একেৰাহে চাৰিবাৰকৈ খাদী আৰু গ্ৰামোদ্যোগৰ দ্বাৰা আয়োজিত গান্ধী জয়ন্তী অনুষ্ঠানত অংশগ্ৰহণ কৰি অসম খাদী আৰু গ্ৰামোদ্যোগ প্ৰতিষ্ঠানৰ বিষয়া আৰু কৰ্মচাৰীসকলক এই দিশত উৎসাহিত কৰাৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। অধ্যক্ষগৰাকীয়ে বিগত সময়ছোৱাত অসম খাদী আৰু গ্ৰামোদ্যোগ ব'ৰ্ডক স্বাৱলম্বী কৰাৰ দিশত লোৱা পদক্ষেপৰ বিষয়ে উল্লেখ কৰি ২০২২ অথবা ২০২৩ চনৰ ভিতৰত অসম খাদী আৰু গ্ৰামোদ্যোগ ব'ৰ্ড সকলো দিশতে স্বাৱলম্বী হ'ব পাৰিব বুলিও কয়। অধ্যক্ষগৰাকীয়ে ব'ৰ্ডৰ বিষয়া-কৰ্মচাৰীসকলক নতুন প্ৰতিশ্ৰুতি আৰু উদ্যমেৰে খাদী ব'ৰ্ডৰ জয় যাত্ৰাৰ সূচনা কৰাৰ বাবেও আহ্বান জনায়। খাদী আৰু গ্ৰামোদ্যোগ ব'ৰ্ডৰ মুখ্য কাৰ্যবাহী বিষয়া জয়ন্ত কুমাৰ গোস্বামীয়ে আদৰণী ভাষণ প্ৰদান কৰা এই অনুষ্ঠানত হস্ততাঁত, বস্ত্ৰ আৰু ৰেচম বিভাগৰ আয়ুক্ত সচিব গৌৰৱ বোথ্ৰায়ো বক্তব্য প্ৰদান কৰে। অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামী, খাদী আৰু ভিলেজ ইণ্ডাষ্ট্ৰীজ কমিচনৰ সঞ্চালককে ধৰি বহুসংখ্যক গণ্য-মান্য ব্যক্তি উপস্থিত থাকে। ❑❑

# প্ৰাইজমানি এথ্‌লেটিকছ প্ৰতিযোগিতাৰ শুভ উদ্বোধন কৰিলে মুখ্যমন্ত্ৰীয়ে




# খেলুৱৈসকল হ'ল তেজস্বী ব্যক্তিত্বৰ প্ৰতীক

মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে যোৱা ২ অক্টোবৰত গুৱাহাটীৰ জজ খেলপথাৰত অসম এথ্‌লেটিকছ সন্থা, অসম অলিম্পিক সন্থা, ক্ৰীড়া সঞ্চালকালয় আৰু অসম ক্ৰীড়া প্ৰাধিকৰণৰ দ্বাৰা যুটীয়াভাৱে আয়োজিত আমন্ত্ৰণীমূলক প্ৰাইজমানি এথ্‌লেটিকছ প্ৰতিযোগিতাৰ আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। উল্লেখ্য যে ক'ভিড-১৯সৃষ্ট এই জটিল সময়ত ক'ভিড প্ৰট'কল সম্পূৰ্ণৰূপে মানি চলি ভাৰতবৰ্ষৰ ভিতৰত অনুষ্ঠিত কৰা এইখনেই হ'ল এনেধৰণৰ প্ৰথম ক্ৰীড়া প্ৰতিযোগিতা। উল্লেখ্য যে এই প্ৰাইজমানি এথ্‌লেটিকছ প্ৰতিযোগিতাত ৰাজ্যখনৰ ৩১ খন জিলাৰ ১৩২ গৰাকী এথ্‌লীটে ৫ টা ইভেণ্টৰ বাবে প্ৰতিযোগিতাত অৱতীৰ্ণ হয়। প্ৰতিযোগিতাখনৰ ৫ টা ইভেণ্টৰ প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থান লাভ কৰা এথ্‌লীটসকললৈ ক্ৰমে ১০ হাজাৰ, ৬ হাজাৰ আৰু ৪ হাজাৰ টকাৰ প্ৰাইজমানি আগবঢ়োৱা হয়।

প্ৰতিযোগিতাখন উদ্বোধনৰ পূৰ্বে মুখ্যমন্ত্ৰীয়ে গান্ধী জয়ন্তীৰ এই পৱিত্ৰ ক্ষণত জাতিৰ পিতাগৰাকীৰ প্ৰতিচ্ছবিত পুষ্পাঞ্জলি অৰ্পণেৰে গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। প্ৰতিযোগিতখন উদ্বোধন কৰি প্ৰদান কৰা ভাষণত মুখ্যমন্ত্ৰীয়ে কয় যে খেলুৱৈসকল হ'ল তেজস্বী ব্যক্তিত্বৰ প্ৰতীক। ক'ভিড-১৯সৃষ্ট এই জটিল পৰিস্থিতিত স্বাস্থ্য বিভাগৰ দ্বাৰা ধাৰ্য কৰা সকলো নীতি-নিয়ম পালনেৰে প্ৰতিযোগিতাখনত ভাগ ল'বলৈ অহা খেলুৱৈসকলে সমগ্ৰ ভাৰতবৰ্ষৰ ক্ৰীড়া জগত তথা খেলুৱৈসকলক উৎসাহিত আৰু অনুপ্ৰাণিত কৰিব বুলি কয়। ইমানদিনে স্তব্ধ হৈ থকা ক্ৰীড়াৰ বাতাবৰণ এই প্ৰতিযোগিতাখনে উজ্জীৱিত কৰিব বুলিও মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে। এই প্ৰতিযোগিতাখনে স্বাস্থ্যবিধি মানি চলি কেনেদৰে খেল অনুষ্ঠিত কৰিব লাগে তাৰ এক বলিষ্ঠ উদাহৰণ দাঙি ধৰিব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে সাংবাদিকসকলক এই প্ৰতিযোগিতখনৰ বিষয়ে ভালদৰে প্ৰচাৰৰ ব্যৱস্থা কৰিবলৈ আহ্বান জনায় যাতে গাঁৱে-ভূঞে ইয়াৰ এক সবল বাৰ্তা প্ৰেৰণ কৰিব পৰা যায়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে 'খেলো ইণ্ডিয়া', 'ফিট ইণ্ডিয়া' ইত্যাদি পদক্ষেপেৰে উঠি অহা প্ৰজন্মৰ লগতে সমগ্ৰ দেশবাসীকে ক্ৰীড়াৰ জৰিয়তে স্বাস্থ্য ৰক্ষাৰ দিশত এক শক্তিশালী চেতনা প্ৰদান কৰিবলৈ সক্ষম হৈছে বুলি উল্লেখ কৰি ক্ৰীড়াৰ যোগেদি নিজৰ ভৱিষ্যৎ গঢ়ি দেশ-বিদেশৰ পৰা সন্মান বুটলি অনাৰ প্ৰয়াস চলাবলৈও নৱ প্ৰজন্মৰ ক্ৰীড়াবিদসকলক মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়। ৰাজ্যখনৰ




ক্ৰীড়াক্ষেত্ৰখনক উজ্জীৱিত কৰাৰ বাবে বৰ্তমানৰ ৰাজ্য চৰকাৰখনে ৰাজ্যিক ক্ৰীড়া নীতি গ্ৰহণ কৰি খেলুৱৈসকলক বিভিন্ন আন্তঃৰাষ্ট্ৰীয় প্ৰতিযোগিতাত পদক লাভ কৰিলে বিভিন্ন প্ৰকাৰে পুৰস্কৃত কৰাৰ বাবে লোৱা পদক্ষেপৰ ফলত ৰাজ্যখনত ক্ৰীড়াৰ এক অনুকূল বাতাবৰণ সৃষ্টি হৈছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। তদুপৰি মুখ্যমন্ত্ৰী সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনাৰ অধীনত অসমৰ বিভিন্ন স্থানত ২০ ৰ পৰা ২৫ লাখ টকা ব্যয়েৰে ৫০০খন খেলপথাৰৰ আধুনিকীকৰণৰ কামেও বিশেষ অগ্ৰগতি লাভ কৰিছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। বৰ্তমানৰ ৰাজ্য চৰকাৰখনে বহুসংখ্যক ক্ৰীড়া আন্তঃগাঁথনি সৃষ্টি কৰাৰ পদক্ষেপ লোৱাৰ উপৰি মুখ্যমন্ত্ৰীৰ আন্তঃ চাহ বাগিচা কাপ ফুটবল প্ৰতিযোগিতাৰ দৰে শক্তিশালী পদক্ষেপ লৈছে বুলি তেওঁ কয়। ক্ৰীড়াৰ উত্তৰণৰ দিশত বৰ্তমানৰ ৰাজ্য চৰকাৰে লোৱা পদক্ষেপৰ ফলত নৱ প্ৰজন্মই ক্ৰীড়াৰ প্ৰতি যথেষ্ট আকৃষ্ট হৈছে বুলিও তেওঁ কয়। সমগ্ৰ ভাৰতবৰ্ষতে এই প্ৰতিযোগিতাখনে এক দৃষ্টান্তমূলক উদাহৰণ দাঙি ধৰিব বুলি উল্লেখ কৰি এই দিনটোক অসমৰ ক্ৰীড়াংগনৰ বাবে এক উল্লেখযোগ্য দিন বুলিও মুখ্যমন্ত্ৰীয়ে কয়। ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ আয়ুক্ত সচিব ড° এম অংগমুথুৱে আদৰণী ভাষণ প্ৰদান কৰা এই উদ্বোধনী অনুষ্ঠানত গুৱাহাটী উন্নয়ন বিভাগৰ মন্ত্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য, অসম অলিম্পিক সন্থাৰ সাধাৰণ সম্পাদক তথা ৰাজ্যিক পৰ্যায়ৰ ছাত্ৰ আৰু যুৱকল্যাণ উপদেষ্টা সমিতিৰ সদস্য-সচিব লক্ষ্য কোঁৱৰেও বক্তব্য প্ৰদান কৰে। অনুষ্ঠানত ৰাজ্যসভাৰ সাংসদ ভুৱনেশ্বৰ কলিতা, গুৱাহাটী লোকসভা সমষ্টিৰ সাংসদ কুইন ওজা, বিধায়ক ঋতুপৰ্ণ বৰুৱা, স্পৰ্ট্ছ অথ'ৰিটী অব আছামৰ সঞ্চালকপ্ৰধান ওমকাৰমল কেদিয়া, ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ সঞ্চালক ধৰ্মকান্ত মিলি, প্ৰাক্তন প্ৰসিদ্ধ ফুটবল খেলুৱৈ গিলবাৰ্টচন চাংমা, প্ৰাক্তন আন্তঃৰাষ্ট্ৰীয় এথলীট তৈবুন নেছা, আন্তঃৰাষ্ট্ৰীয় এথলীট তুংলাই নাৰ্জাৰীকে ধৰি বহুসংখ্যক প্ৰসিদ্ধ ক্ৰীড়াবিদ, ক্ৰীড়া সংগঠক, ক্ৰীড়া সংস্থাৰ কৰ্মকৰ্তাই অংশগ্ৰহণ কৰে। ❑❑






# বীৰাংগনা কনকলতাৰ নামেৰে উপকূলৰক্ষী বাহিনীৰ জাহাজ

ভাৰতীয় উপকূলৰক্ষী বাহিনী চমুকৈ আই চি জিত সংযোজন ঘটিল দেশৰ স্বাধীনতাৰ হকে আত্মবলিদান দিয়া অসমৰ বীৰাংগনা কনকলতা বৰুৱাৰ নাম। বীৰাংগনাগৰাকীৰ নামত দেশৰ উপকূলৰক্ষী বাহিনীয়ে উৎসৰ্গা কৰিলে এখন বিশেষ জাহাজ। প্ৰতিৰক্ষা মন্ত্ৰালয়ৰ অতিৰিক্ত সচিব যোগেশ নন্দনে দিল্লীৰ পৰা ভিডিঅ' কনফাৰেন্সৰ যোগেদি এই জাহাজখন দেশৰ সেৱাত উৎসৰ্গা কৰে। সম্পূৰ্ণ থলুৱা প্ৰযুক্তিৰে এই জাহাজখন নিৰ্মাণ কৰি উলিয়ায় কলকাতাৰ গাৰ্ডেন ৰীচ শ্বীপ বিল্ডাৰ্ছ এণ্ড ইঞ্জিনীয়াৰ্ছ নামৰ প্ৰতিষ্ঠানটোৱে। উপকূলৰ সুৰক্ষা, সীমান্ত নিৰীক্ষণ, সাগৰীয় উদ্ধাৰ অভিযান, অনুপ্ৰৱেশ ৰোধ আদিৰ দৰে উপকূলৰক্ষী বাহিনীৰ গুৰুত্বপূৰ্ণ কামত ব্যৱহাৰ কৰা হ'ব এই জাহাজখন। উপকূলৰক্ষী বাহিনীৰ প্ৰয়োজন অনুসৰি নিৰ্মাণ কৰা মজলীয়া আকাৰৰ এই জাহাজখনৰ দৈৰ্ঘ্য ৫০ মিটাৰ আৰু প্ৰস্থ ৭.৫ মিটাৰ। তিনিটা মূল ইঞ্জিনেৰে পৰিচালিত হোৱা এই জাহাজখনৰ সৰ্বাধিক গতিবেগ ৩৪ নট। নিৰ্মাণকাৰী সংস্থাটোৰ পৰিচালন সঞ্চালক বিপিন কুমাৰ ছাক্সেনাই টুইটাৰযোগে সদৰী কৰা মতে, কনকলতা বৰুৱাৰ নামেৰে নামাংকৃত জাহাজখন সম্পূৰ্ণ থলুৱাভাৱে ডিজাইন আৰু নিৰ্মাণ কৰা হৈছে। তেওঁ লগতে কয় যে জাহাজখনে আই চি জিৰ ক্ষমতাক অধিক শক্তিশালী কৰিব। ই দেশৰ সামুদ্ৰিক সাগৰীয় পথৰ নিৰাপত্তাক আত্মনিৰ্ভৰতা আনি দিব। ❏❏





# এতিয়াৰে পৰা ৰাজ্য চৰকাৰৰ কৰ্মচাৰীসকলে অৱসৰ গ্ৰহণৰ লগে লগে পেঞ্চন লাভৰ সুবিধা লাভ কৰিব



# ‘কৃতজ্ঞতা’ শীৰ্ষক অনলাইন পেঞ্চন দাখিল আৰু ট্ৰেকিং পোৰ্টেল উন্মোচন মুখ্যমন্ত্ৰীৰ

মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে যোৱা ১ অক্টোবৰত অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত ৰাজ্য চৰকাৰৰ পেঞ্চন আৰু ৰাজহুৱা অভিযোগ বিভাগৰ দ্বাৰা আয়োজিত এক অনুষ্ঠানত ৰাজ্য চৰকাৰৰ পেঞ্চনাৰসকলৰ সহায়ক হোৱাকৈ ‘কৃতজ্ঞতা’ শীৰ্ষক অনলাইন পেঞ্চন দাখিল আৰু ট্ৰেকিং পোৰ্টেলৰ আনুষ্ঠানিকভাৱে শুভ উন্মোচন কৰে। উল্লেখ্য যে অনলাইন পেঞ্চন দাখিল আৰু ট্ৰেকিং পোৰ্টেল ‘কৃতজ্ঞতা’ হ’ল দেশৰ ৰাজ্যসমূহৰ ভিতৰত এই ব্যৱস্থাৰ প্ৰথম পোৰ্টেল। এই পোৰ্টেলৰ জৰিয়তে ৰাজ্য চৰকাৰৰ কৰ্মচাৰীসকলে এতিয়াৰে পৰা অৱসৰ গ্ৰহণৰ লগে লগে পেঞ্চন লাভৰ সুবিধা লাভ কৰিব। এই পোৰ্টেলত পেঞ্চনৰ নথি-পত্ৰ অনলাইনযোগে জমা দিয়াৰ ব্যৱস্থাৰ লগতে এই প্ৰক্ৰিয়াৰ শেহতীয়া স্থিতিৰ সম্পূৰ্ণ তথ্য পেঞ্চনাৰগৰাকীয়ে লাভ কৰি থাকিবলৈ সক্ষম হ’ব। ভাৰত চৰকাৰৰ ‘ভৱিষ্য’ শীৰ্ষক পোৰ্টেলৰ দৰে ৰাজ্যখনৰ পেঞ্চনাৰসকলেও অনলাইনৰ জৰিয়তে এই প্ৰক্ৰিয়া সুচাৰুৰূপে লাভ কৰিবলৈ সক্ষম হ’ব। প্ৰথম পৰ্যায়ত এই ব্যৱস্থা পাইলট প্ৰকল্প হিচাপে কামৰূপ মহানগৰ জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শকৰ অধীনৰ শিক্ষক আৰু কৰ্মচাৰীসকলৰ বাবে শুভাৰম্ভ কৰা হৈছে যদিও পৰ্যায়ক্ৰমে এই ব্যৱস্থাৰে ৰাজ্যখনৰ সকলো অৱসৰ গ্ৰহণ কৰিবলগীয়া কৰ্মচাৰীকে সামৰি লোৱাৰ পদক্ষেপ লোৱা হ’ব। অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে পেঞ্চন লাভৰ নতুন ব্যৱস্থাৰ দ্বাৰা অৱসৰ লাভ কৰা বিষয়া-কৰ্মচাৰীসকল উপকৃত হ’ব পাৰিব। অৱসৰৰ পিছত পেঞ্চনৰ বাবে সংগ্ৰাম কৰিবলগীয়া হোৱাটো বেদনাদায়ক। সমগ্ৰ কৰ্মজীৱন জনসাধাৰণৰ সেৱাত ব্ৰতী এইসকল কৰ্মচাৰীৰ প্ৰতি আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপনৰ বাবে ‘কৃতজ্ঞতা’ পোৰ্টেল আৰম্ভ কৰা হৈছে। কৃতজ্ঞতা নামটোৰ লগত শ্ৰদ্ধা, ভক্তি জড়িত হৈ আছে। কাৰণ কৰ্মচাৰীসকলে কৰ্মজীৱনত জনসাধাৰণক নিষ্ঠা, সততা আৰু আন্তৰিকতাৰে সেৱা আগবঢ়ায়। ৰাজ্য চৰকাৰে এই বিষয়টোৰ ওপৰত গুৰুত্ব আৰোপ কৰি অৱসৰৰ পিছতেই যাতে পেঞ্চন লাভ কৰাটো সু-নিশ্চিত কৰিব পৰা যায় তাৰ বাবে নতুন পোৰ্টেলটোৰ প্ৰাৰম্ভণ কৰিছে। মুখ্যমন্ত্ৰীয়ে

কয় যে সামাজিক দায়বদ্ধতাৰে ভাল মানুহ গঢ়াৰ যাত্ৰাত শিক্ষক-শিক্ষয়িত্ৰীসকলে যথেষ্ট ত্যাগ আৰু সেৱাৰ মানসিকতাৰে নতুন প্ৰজন্মক দিশ নিৰ্দেশনা দি সমাজ জীৱনলৈ আগবঢ়োৱা সেৱাক সমাজে শ্ৰদ্ধাৰে মনত ৰাখিব লাগে। নিষ্ঠাৰে সেৱা আগবঢ়োৱা সকলৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰিলে আন্তৰিকতা গঢ় লয় আৰু ভাল কামৰ প্ৰতি জনসাধাৰণৰ আস্থা বৃদ্ধি হয় বুলিও তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে কয় যে সমাজখনত এজনৰ প্ৰতি আন এজনৰ কৃতজ্ঞতা থাকিব লাগে। তেতিয়াহ'লে



প্ৰমূল্যবোধৰ ভেটি শক্তিশালী হয়। মহান মনীষীসকলে ভাল কৰ্মৰ জৰিয়তে ভৱিষ্যৎ প্ৰজন্মৰ বাবে আদৰ্শ গঢ়ি থৈ গৈছে। তেওঁ কয় যে জীৱনক সৰ্বাংগসুন্দৰকৈ গঢ়ি তুলিব লাগে। ভাল কামক মানুহে অনুসৰণ কৰে। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে জ্যেষ্ঠ আৰু কনিষ্ঠৰ মাজত আন্তৰিক সম্পৰ্ক স্থাপনৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। পেঞ্চন আৰু ৰাজহুৱা অভিযোগ বিভাগৰ দায়িত্বত থকা অতিৰিক্ত মুখ্য সচিব ভি এছ ভাস্কৰে আদৰণী ভাষণ দিয়া এই অনুষ্ঠানত পেঞ্চন আৰু ৰাজহুৱা অভিযোগ বিভাগৰ মন্ত্ৰী ফণীভূষণ চৌধুৰীয়েও ভাষণ প্ৰদান কৰে। ৰাষ্ট্ৰীয় তথ্য বিজ্ঞান কেন্দ্ৰৰ উপ সঞ্চালক সুচিত্ৰা প্যাৰেলালে কৃতজ্ঞতা পোৰ্টেল সম্পৰ্কত এক প্ৰেজেণ্টেচন আগবঢ়ায়। মুখ্যমন্ত্ৰীয়ে 'কৃতজ্ঞতা' পোৰ্টেল আনুষ্ঠানিকভাৱে উদ্বোধন কৰাৰ লগতে সদ্য অৱসৰপ্ৰাপ্ত শিক্ষক-কৰ্মচাৰীক পি পি অ' বিতৰণ কৰে। অনুষ্ঠানত বিধায়ক তেৰচ গোৱালা প্ৰমুখ্যে এন আই চিৰ বিষয়াসকল, পেঞ্চনাৰসকল উপস্থিত থাকে। ❐❐

# আমি সকলোৱে মিলি দুৰ্নীতিৰ বিৰুদ্ধে যুঁজ দিব লাগিব ঃ মুখ্যমন্ত্ৰী সোণোৱাল

## আৰক্ষীৰ উপ-পৰিদৰ্শকৰ পৰীক্ষাৰ প্ৰশ্নকাকত ফাদিল কৰা ঘটনাৰ তদন্ত সম্পৰ্কত

মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে কয় যে অসম আৰক্ষীৰ উপ-পৰিদৰ্শকৰ পৰীক্ষাৰ প্ৰশ্নকাকত ফাদিলৰ লগত জড়িত কোনো ব্যক্তিয়েই সাৰি যাব নোৱাৰে। আৰক্ষীয়ে যি তদন্ত চলাই আছে তাত কোনেও সন্দেহ কৰিব নালাগে। নিৰপেক্ষভাৱে আৰক্ষীক তদন্ত কৰিবলৈ দিয়া উচিত। মুখ্যমন্ত্ৰীয়ে কয় যে আমি সকলোৱে মিলি একেলগে দুৰ্নীতিৰ বিৰুদ্ধে যুঁজ দিব লাগিব। তেওঁ লগতে কয় যে ২০১৬ চনৰ পৰাই আৰক্ষীয়ে দুৰ্নীতিৰ বিৰুদ্ধে নিৰন্তৰ পদক্ষেপ গ্ৰহণ কৰি আহিছে। এপিএছচিকে ধৰি বিভিন্ন দুৰ্নীতিৰ ক্ষেত্ৰত আৰক্ষীয়ে সফলতা অৰ্জন কৰিছে। মুখ্যমন্ত্ৰীয়ে দুৰ্নীতিবিৰোধী এই অভিযানত বিৰোধী পক্ষকে ধৰি সকলোকে সহযোগিতা আগবঢ়াবলৈ আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে কয় যে আৰক্ষীক সঠিক দিশত তদন্ত কৰিবলৈ দিয়া উচিত। সমালোচনাৰ পৰিৱৰ্তে সহযোগিতা আগবঢ়াব লাগিব। সন্দেহ কৰিলেই সত্য আৱিষ্কাৰ নহয় বুলি উল্লেখ কৰি আৰক্ষীক নিষ্ঠাৰে কাম কৰিবলৈ দিলেহে সফলতা অৰ্জন কৰিব পৰা যাব। আৰক্ষীয়ে সমগ্ৰ ঘটনাটো তদন্তৰ বাবে দিনে-নিশাই কাম কৰি আছে। প্ৰশ্নকাকত ফাদিলৰ লগত জড়িত কোনো ব্যক্তিয়ে সাৰি যাব নোৱাৰে। আৰক্ষীয়ে এই তদন্ত দ্ৰুতগতিত অব্যাহত ৰাখিছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। ❐❐

# চতিয়াত বিভিন্ন উন্নয়নমূলক প্ৰকল্পৰ আধাৰশিলা স্থাপন বিত্তমন্ত্ৰী ড° শৰ্মাৰ




- *চতিয়া ষ্টেডিয়ামৰ বাবে ১০ কোটি টকা*
- *চতিয়া নাট্য ভৱনৰ উন্নয়নৰ বাবে ১ কোটি টকা আবণ্টন দিয়াৰ কথা ঘোষণা*
- *তেজপুৰ আইন মহাবিদ্যালয়ৰ আধাৰশিলা স্থাপন*
- *৫৩ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ হ'ব লগা দুটাকৈ পথৰো আধাৰশিলা স্থাপন*
- *কন্যকা অত্যাধুনিক শৰীৰ চৰ্চা কেন্দ্ৰ মুকলি*



চতিয়া নাগৰিক সমাজ আৰু চতিয়া জ্যেষ্ঠ নাগৰিক সভা তথা চতিয়া সমষ্টিৰ বিধায়ক পদ্ম হাজৰিকাৰ আমন্ত্ৰণক্ৰমে যোৱা ১ অক্টোবৰত চতিয়া সমষ্টিত উপস্থিত হৈ বিত্ত, শিক্ষা, স্বাস্থ্য, লোক নিৰ্মাণ মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সমষ্টিটোৰ কেইবা ঠাইতো ৰাইজৰ লগত মিলিত হৈ অভাৱ-অভিযোগৰ বুজ লোৱাৰ লগতে কেইবাখনো উন্নয়নমূলক আঁচনিৰ আধাৰশিলা স্থাপন কৰে। চতিয়াৰ দল-সংগঠনৰ পৰা মন্ত্ৰীজনক সম্বৰ্ধনা জনোৱাৰ পিছত আদৰণী ভাষণ প্ৰদান কৰে চতিয়া সমষ্টিৰ বিধায়ক পদ্ম হাজৰিকাই। আদৰণী ভাষণত বিধায়কগৰাকীয়ে ভাৰতৰ স্বাধীনতা আন্দোলনত চতিয়াৰ গৌৰৱময় ইতিহাসক সৰ্বভাৰতীয় প্ৰেক্ষাপটত স্থান দিয়াৰ লগতে চতিয়াবাসীৰ দীৰ্ঘদিনীয়া দাবী ৩০খন বিছনাযুক্ত চিকিৎসালয় চতিয়াত স্থাপন কৰাৰ বাবে মন্ত্ৰীগৰাকীক কৃতজ্ঞতা জনায়।




অনুষ্ঠানত ভাষণ দি মন্ত্ৰী ড° শৰ্মাই চতিয়া ষ্টেডিয়ামৰ বাবে ১০ কোটি টকা, চতিয়া নাট্য ভৱনৰ উন্নয়নৰ বাবে ১ কোটি টকা আবণ্টন দিয়াৰ কথা ঘোষণা কৰে। মন্ত্ৰীগৰাকীয়ে লগতে চতিয়াত বিশ্বনাথ জিলাৰ আই এছ আৰু প্ৰাথমিক শিক্ষাৰ কাৰ্যালয় স্থাপন কৰা হ'ব বুলি ঘোষণা কৰাৰ লগতে জিলা পৰ্যায়ৰ আন কাৰ্যালয় স্থাপন কৰাৰো আশ্বাস দিয়ে। চতিয়াৰ ঐতিহাসিক নৰ্মাল স্কুলত এখন উচ্চ পৰ্যায়ৰ শিক্ষানুষ্ঠান খোলাৰো পৰিকল্পনা কৰাৰ কথা তেওঁ ব্যক্ত কৰে। মন্ত্ৰীগৰাকীয়ে লগতে চতিয়া-তেৰাৰীপাল সংযোগী পথ নিৰ্মাণ কৰাৰ কথাও ভাষণত উল্লেখ কৰে। একেদিনাই মন্ত্ৰীগৰাকীয়ে জামুগুৰিহাটৰ চকীঘাটত দুমাহ পূৰ্বে সন্দেহযুক্ত নাগৰিকৰ আক্ৰমণত আৰক্ষী আৰু ৰাজহ চক্ৰ বিষয়াসহ ১৫ জনকৈ খিলঞ্জীয়া লোক আহত হোৱা স্থানত উপস্থিত হয়। ইয়াৰ পিছতে তেওঁ তেজপুৰ আইন মহাবিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰে। প্ৰায় ১৪ কোটি টকা সাপেক্ষে নিৰ্মাণ হ'বলগীয়া এই আইন মহাবিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰি দিয়া ভাষণত মহাবিদ্যালয়খন ১৮মাহৰ ভিতৰতেই সম্পূৰ্ণ হৈ উঠিব বুলি মন্ত্ৰীগৰাকীয়ে ঘোষণা কৰে। সন্দেহজনক নাগৰিকৰ কৱলৰ পৰা শোণিতপুৰ জিলা প্ৰশাসনে মুক্ত কৰা চৰকাৰী ভূমিত ৫০ টাকৈ আত্মসহায়ক গোটকো কৃষি কাৰ্য কৰিবলৈ ১০ বিঘাকৈ মাটি আবণ্টন দিয়ে। দিনজোৰা কাৰ্যসূচীৰে চতিয়া সমষ্টিলৈ যোৱা মন্ত্ৰীগৰাকীয়ে ৫৩ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ হ'ব লগা দুটাকৈ পথৰো আধাৰশিলা স্থাপন কৰে। প্ৰায় ২০ কিঃমিঃ দৈৰ্ঘ্যৰ ৰঙাচকুৱা-বালিজুৰি সংযোগী পথ আৰু ৮ কিঃমিঃ দৈৰ্ঘ্যৰ ৰঙাচকুৱা-খেৰবাৰী সংযোগী পথৰ আধাৰশিলা স্থাপন কৰাৰ পিছতেই মন্ত্ৰীগৰাকীয়ে বালিজুৰিত উপস্থিত হৈ কন্যকা অত্যাধুনিক শৰীৰ চৰ্চাৰ এটা কেন্দ্ৰ মুকলি কৰি এখন ৰাজহুৱা সভাতো ভাষণ দিয়ে। এই কাৰ্যসূচীসমূহত মন্ত্ৰীগৰাকীক সংগ দিয়ে চতিয়াৰ বিধায়ক পদ্ম হাজৰিকা, সাংসদ পল্লৱ লোচন দাস, বিশ্বনাথৰ বিধায়ক প্ৰমোদ বৰঠাকুৰে। ❑❑



## ‘কৃষি সংস্কাৰ আইন’ শীৰ্ষক আলোচনা-চক্ৰত অংশগ্ৰহণ মুখ্যমন্ত্ৰীৰ




# ঐতিহাসিক কৃষি আইনকেইখনে কৃষিখণ্ডত বৈপ্লৱিক পৰিৱৰ্তন সম্ভৱ কৰি তুলিব ঃ মুখ্যমন্ত্ৰী



মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে যোৱা ১ অক্টোবৰত কেন্দ্ৰীয় যুৱ কল্যাণ আৰু ক্ৰীড়া দপ্তৰৰ ৰাজ্যিক স্বতন্ত্ৰ মন্ত্ৰী কিৰেণ ৰিজিজু আৰু কেন্দ্ৰীয় খাদ্য সংসাধন দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী ৰামেশ্বৰ তেলীৰ উপস্থিতিত অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত ‘কৃষি সংস্কাৰ আইন ঃ মোদী চৰকাৰৰ ঐতিহাসিক পদক্ষেপ’ শীৰ্ষক এক আলোচনা-চক্ৰত অংশগ্ৰহণ কৰে। দেশৰ কৃষকসকলৰ সবলীকৰণৰ লগতে কৃষিখণ্ডৰ দ্ৰুত বিকাশৰ বাবে কেন্দ্ৰীয় চৰকাৰে প্ৰণয়ন কৰা শেহতীয়া আইন তিনিখনক ঐতিহাসিক বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰী সোণোৱালে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক এই পদক্ষেপৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। নিজকে কৃষকৰ সন্তান বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে এই যুগান্তকাৰী পদক্ষেপে দেশৰ কৃষিখণ্ডলৈ বৈপ্লৱিক পৰিৱৰ্তন কঢ়িয়াই আনিব তথা কৃষকসকলৰ অৰ্থনৈতিক উত্তৰণৰ দিশত মাইলৰ খুঁটি হিচাপে চিহ্নিত হৈ ৰ’ব। মুখ্যমন্ত্ৰীয়ে কয় যে এই আইনকেইখনে দশক দশকজুৰি চলি থকা ‘মাণ্ডি’ ব্যৱস্থা আৰু মধ্যভোগীৰ দপদপনি নোহোৱা কৰি কৃষকসকলে উৎপাদিত সামগ্ৰীৰ বিপৰীতে উচিত মূল্য লাভ কৰাৰ বাট প্ৰশস্ত কৰিছে। এই আইনকেইখনে কৃষি সামগ্ৰী বিপণনৰ ক্ষেত্ৰত থকা পূৰ্বৰ বাধা-নিষেধসমূহ নোহোৱা কৰি কৃষকৰ বাবে সমগ্ৰ ৰাষ্ট্ৰৰ বজাৰ মুকলি কৰিলে বুলি মুখ্যমন্ত্ৰীয়ে কয়। উল্লেখ্য যে বিগত ৬ বছৰে প্ৰধানমন্ত্ৰী

নৰেন্দ্ৰ মোদীৰ নেতৃত্বত গ্ৰহণ কৰা বহু যুগান্তকাৰী পদক্ষেপৰ অংশ হিচাপে শেহতীয়াকৈ কৃষিখণ্ডত 'কৃষকৰ দ্বাৰা উৎপাদিত সামগ্ৰীৰ বাণিজ্য (পৃষ্ঠপোষকতা আৰু সুচলতৰকৰণ) আইন, কৃষকৰ (সবলীকৰণ আৰু সুৰক্ষা) ৰ বাবে মূল্য নিশ্চিতিকৰণ আৰু কৃষিপাম চুক্তি আইন তথা অত্যাৱশ্যকীয় সামগ্ৰী (সংশোধনী) আইন কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰীয়ে কয় যে কৃষিখণ্ডৰ এই যুগান্তকাৰী আইনকেইখনে প্ৰধানমন্ত্ৰীৰ 'সবকা সাথ, সবকা বিকাশ, সবকা বিশ্বাস' নীতিক বিশেষ গতি প্ৰদান কৰাৰ লগতে 'এক ৰাষ্ট্ৰ, এক বজাৰ' ব্যৱস্থাক বাস্তৱায়িত কৰাৰ পথ মুকলি কৰিলে। মুখ্যমন্ত্ৰীয়ে কয় যে ২০১৪ চনত দেশৰ শাসনভাৰ গ্ৰহণ কৰাৰ সময়ৰে পৰা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰধানমন্ত্ৰী কৃষি সিঞ্চাই যোজনা, ফচল বীমা যোজনা, কৃষক সন্মান নিধি, পি এম কিষাণ আদিৰ দৰে আঁচনি গ্ৰহণ কৰি কৃষিখণ্ডৰ উত্তৰণৰ দিশত বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰিছে।



মুখ্যমন্ত্ৰী সোণোৱালে কয় যে কেন্দ্ৰীয় চৰকাৰৰ সমান্তৰালভাৱে অসম চৰকাৰেও ৰাজ্যৰ কৃষিখণ্ডৰ বিকাশৰ বাবে সুদূৰপ্ৰসাৰী পদক্ষেপ গ্ৰহণ কৰিছে। ৰাজ্যৰ ২৬ হাজাৰ গাঁৱৰ প্ৰতিখনতে এখনকৈ ট্ৰেক্টৰ যোগানৰ লক্ষ্যৰে অসম চৰকাৰে ইতিমধ্যে ১৪ হাজাৰ গাঁৱত ট্ৰেক্টৰ যোগান ধৰিছে। তদুপৰি, দেশৰ বিভিন্ন ৰাজ্যৰ লগতে আন্তঃৰাষ্ট্ৰীয় বজাৰ দখলৰ বাবে কাৰ্গো বিমান সেৱাৰ মাধ্যমেদি অসমৰ কৃষিজাত সামগ্ৰী ৰপ্তানিৰ পদক্ষেপ অসম চৰকাৰে লৈছে বুলি মুখ্যমন্ত্ৰী সোণোৱালে কয়। কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ যৌথ সহযোগিতাৰ বাবে আজি ৰাজ্যৰ যুৱ প্ৰজন্মই কৃষিক এক মৰ্যাদাসম্পন্ন বৃত্তি হিচাপে গ্ৰহণ কৰিছে। এই মন্তব্য কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে মৎস খণ্ডকে ধৰি দুগ্ধপালন, গাহৰি পালন আদি দিশত ৰাজ্যৰ যুৱ প্ৰজন্মই প্ৰচুৰ সম্ভাৱনা প্ৰত্যক্ষ কৰিছে।

আলোচনা-চক্ৰত বক্তব্য প্ৰদান কৰি কেন্দ্ৰীয় ক্ৰীড়া আৰু যুৱ কল্যাণ দপ্তৰৰ ৰাজ্যিক স্বতন্ত্ৰ মন্ত্ৰী কিৰেণ ৰিজিজুৱে কয় যে কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা ঐতিহাসিক কৃষি বিধেয়ককেইখনে দেশৰ কৃষকসকলক নতুন স্বাধীনতা প্ৰদান কৰাৰ লগতে দেশৰ বিভিন্ন প্ৰান্তত নিজৰ উৎপাদিক সামগ্ৰী বিক্ৰীৰ সুযোগ প্ৰদান কৰিছে। তেওঁ কয় যে কৃষকসকলক উৎপাদিত সামগ্ৰী বিক্ৰীৰ ক্ষেত্ৰত পূৰ্বৰ সকলো বাধা-নিষেধ নাইকিয়া কৰি এই আইনকেইখনৰ অধীনত পূৰ্ণ স্বাধীনতা প্ৰদান কৰা হৈছে। কৃষি কৰ্মত কৃষকৰ সহায়ক হোৱাকৈ তথা কৃষিখণ্ডৰ সবলীকৰণৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰে সকলোপ্ৰকাৰৰ সহায়-সহযোগিতা আগবঢ়াব বুলিও কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়। অসম চৰকাৰৰ কৃষিমন্ত্ৰী অতুল বৰা, লোকসভাৰ সাংসদ প্ৰদান বৰুৱা, বিধায়ক তেৰচ গোৱালা, মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামীৰ লগতে বহুকেইগৰাকী কৃষি বিজ্ঞানী আৰু প্ৰগতিশীল কৃষক এই আলোচনা-চক্ৰত উপস্থিত থাকে। ❑❑



## অসম আৰক্ষী দিৱসৰ অনুষ্ঠানত মুখ্যমন্ত্ৰী সোণোৱাল



# অসম আৰক্ষীৰ বিষয়া-কৰ্মচাৰীসকলৰ বাবে কেইবাখনো কল্যাণকামী আঁচনি ঘোষণা

মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে যোৱা ১ অক্টোবৰত মহানগৰীৰ কাহিলিপাৰাস্থিত চতুৰ্থ অসম আৰক্ষী বাহিনীৰ চৌহদত আয়োজিত অসম আৰক্ষী দিৱস উদ্‌যাপন অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি দুৰ্যোগৰ সময়ত বিশেষকৈ ক'ভিড-১৯ সৃষ্ট জটিল পৰিস্থিতিৰ সময়ত অসম আৰক্ষীয়ে লোৱা ভূমিকাৰ শলাগ লোৱাৰ উপৰি আৰক্ষী বাহিনীৰ এই কৰ্তব্যনিষ্ঠা, নিৰ্ভীকতা, উৎসৰ্গিত মনোভাৱক উৎসাহিত কৰাৰ বাবে 'চীফ মিনিষ্টাৰ্ছ স্পেচিয়েল ছাৰ্ভিচেছ মেডেল ফৰ আউটষ্টেণ্ডিং ছাৰ্ভিচেছ ইন এ ক্ৰাইছিচ ছিটুৱেচন' আৰু 'ষ্টেট ডিজাষ্টাৰ্চ ৰেচপন্স মেডেল' নামেৰে দুটা বঁটা প্ৰদানৰ বিষয়ে আনুষ্ঠানিকভাৱে ঘোষণা কৰে। মুখ্যমন্ত্ৰীয়ে লগতে অসম আৰক্ষীৰ বিষয়া-কৰ্মচাৰীসকলৰ বাবে বাৰ্ষিক স্বাস্থ্য পৰীক্ষাৰ এক কাৰ্যসূচীও ঘোষণা কৰে। তদুপৰি, জনসাধাৰণে জৰুৰীকালীন সময়ত আৰক্ষীৰ সৈতে তাৎক্ষণিকভাৱে যোগাযোগ কৰাৰ সুবিধা হোৱাকৈ আৰক্ষীৰ এটা পদৰ বিপৰীতে এটা স্থায়ী মোবাইল নম্বৰ প্ৰদানৰ কাৰ্যসূচীও আনুষ্ঠানিকভাৱে মুখ্যমন্ত্ৰীয়ে এই অনুষ্ঠানতে উন্মোচন কৰে। উল্লেখ্য যে এই মোবাইল নম্বৰসম্বলিত 'ৱান পোষ্ট ৱান নম্বৰ' শীৰ্ষক এখন আৰক্ষীৰ টেলিফোন ডাইৰেক্টৰীও মুখ্যমন্ত্ৰীয়ে উন্মোচন কৰে। তদুপৰি, অসম আৰক্ষীৰ ৱেবছাইটত এই নম্বৰসমূহ উপলব্ধ কৰাৰ উপৰি ছপা, বৈদ্যুতিন আৰু সামাজিক মাধ্যমসমূহতো ব্যাপক প্ৰচাৰৰ পদক্ষেপ লোৱা হ'ব। ইয়াৰ উপৰি, এই অনুষ্ঠানতে শিশুৰ সহায়ক হোৱাকৈ অসম আৰক্ষীৰ শিশুমিত্ৰ সমল কেন্দ্ৰ প্ৰতিষ্ঠাৰ কথাও মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰে। এই অনুষ্ঠানতে মুখ্যমন্ত্ৰীয়ে চাইবাৰ অপৰাধ ৰোধ কৰাৰ দিশত মাহজোৰা অসম আৰক্ষী চাইবাৰ সুৰক্ষা মাহ পালনৰ কাৰ্যসূচীও শুভাৰম্ভ কৰে। এই অনুষ্ঠানতে মুখ্যমন্ত্ৰীয়ে ক'ভিড-১৯ ৰ এই সময়ছোৱাত আৰক্ষীয়ে জনসাধাৰণৰ বন্ধু হিচাপে অৱতীৰ্ণ হোৱাৰ বিভিন্ন দিশ আলোকপাতেৰে প্ৰস্তুত কৰা 'দ্য নিউ ডাইমেচন ইন পুলিচিং ঃ দ্য কেচ অব আছাম পুলিচ এজ ফ্ৰণ্টলাইন এণ্টি ক'ভিড ৱৰ্কাৰ্চ' শীৰ্ষক এক প্ৰতিবেদনো আনুষ্ঠানিকভাৱে উন্মোচন কৰে। এই অনুষ্ঠানতে মুখ্যমন্ত্ৰীয়ে অসম আৰক্ষীৰ কনিষ্টবল বা তাতকৈ তলৰ পদবীৰ কৰ্মচাৰীৰ পৰা আৰম্ভ কৰি আৰক্ষী পৰিদৰ্শক পৰ্যন্ত বিষয়াসকলৰ মাহিলী ৰেচন ভাত্তা পূৰ্বৰ ১২০০ টকাৰ পৰা ২০০০ টকালৈ বৃদ্ধি কৰাৰ বাবে চৰকাৰে ইতিমধ্যে নিৰ্দেশনা জাৰি কৰাৰ বিষয়েও ঘোষণা কৰে। অনুষ্ঠানৰ আৰম্ভণিতে মুখ্যমন্ত্ৰীয়ে অসম আৰক্ষী বাহিনীৰ



ছহিদসকলৰ প্ৰতি আন্তৰিক শ্ৰদ্ধা নিবেদন কৰে। অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে অসম আৰক্ষীয়ে ৰাইজৰ বৃহত্তৰ স্বাৰ্থৰ হকে আত্মনিয়োগ কৰি আহিছে। ৰাইজৰ সেৱাৰ বাবে ত্যাগ আৰু কষ্টৰ দৃষ্টান্তমূলক উদাহৰণ দাঙি ধৰিছে। সেইবাবে জনসাধাৰণৰ আস্থা আৰু বিশ্বাস দিনক দিনে বৃদ্ধি পাই আহিছে। শান্তি-শৃংখলা অক্ষুণ্ণ ৰখাৰ লগতে জনসাধাৰণৰ জীৱন আৰু সা-সম্পত্তি সুৰক্ষাৰ বাবে দৃঢ়তাৰে কৰ্মপথাৰত মনোনিৱেশ কৰি আহিছে। ক'ভিড-১৯সৃষ্ট সংকটৰ সময়ত আগৰণুৱাৰ ভূমিকা লৈ সেৱাৰ উজ্জ্বল নিৰ্দশন দাঙি ধৰিছে। দিনে-নিশাই ক'ভিড-১৯ ৰ বিৰুদ্ধে যুঁজ দি জনসাধাৰণক সাহস প্ৰদান কৰিছে। অসম আৰক্ষীৰ প্ৰায় ৫ হাজাৰ গৰাকী বিষয়া-কৰ্মচাৰী কৰ'নাত আক্ৰান্ত হোৱাৰ লগতে ২১ গৰাকী মৃত্যুমুখত পৰিবলগীয়া হৈছে। তথাপি আৰক্ষী বাহিনীৰ লোকে জনসাধাৰণলৈ নিৰৱচ্ছিন্ন সেৱা আগবঢ়াই আছে। এয়া অসম আৰক্ষীৰ নিৰ্ভীকতা আৰু সেৱাৰ এক উজ্জ্বল পৰিচয় বুলি মুখ্যমন্ত্ৰীয়ে কয়। আৰক্ষীৰ সন্মুখত বৃহৎ প্ৰত্যাহ্বান আছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে সন্ত্ৰাসবাদীৰ বিৰুদ্ধেও নিৰ্ভীকতাৰে যুঁজ দিছে। ভাৰতৰ সাৰ্বভৌমত্ব আৰু অখণ্ডতা ৰক্ষাৰ বাবে আৰক্ষীয়ে কাম কৰি আহিছে। দুৰ্নীতি, ড্ৰাগছ, সমাজবিৰোধী শক্তি, নাৰী আৰু শিশুৰ বিপৰীতে অপৰাধ সংঘটিত কৰা অপৰাধীকে ধৰি দুষ্কাৰ্যত জড়িত থকাসকলৰ বিৰুদ্ধে কঠোৰ পদক্ষেপ গ্ৰহণ কৰি মূল্যবোধৰ আধাৰত সমাজখন জীয়াই ৰাখিবলৈ প্ৰয়াস কৰিছে। মুখ্যমন্ত্ৰীয়ে কয় যে অসম আৰক্ষীয়ে বিভিন্ন ক্ষেত্ৰত উল্লেখযোগ্য সফলতা লাভ কৰিছে। এই প্ৰসংগত কাশ্মীৰৰ পৰা চাইবাৰ ক্ৰাইমৰ অপৰাধীক কৰায়ত্ত কৰা, মণিপুৰৰ পৰা গঁড় হত্যাকাৰীক গ্ৰেপ্তাৰ কৰা আদি বহু উল্লেখযোগ্য সফলতা কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। আৰক্ষী বাহিনীৰ লোক জনসাধাৰণৰ স্বাৰ্থৰ বাবে কাম কৰাৰ বাবে সংকল্পবদ্ধ, প্ৰতিজ্ঞাবদ্ধ। নাৰীৰ বিৰুদ্ধে হোৱা অপৰাধ ৰোধ কৰাৰ ক্ষেত্ৰতো আৰক্ষীয়ে সফলতা অৰ্জন কৰিছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। আৰক্ষী বাহিনীৰ লোকসকলে পোছাকযোৰৰ প্ৰতি শ্ৰদ্ধা ৰাখি সততা, নিষ্ঠা আৰু আন্তৰিকতাৰে কাম কৰিব লাগিব। আৰক্ষীয়ে বিপদৰ বন্ধু হিচাপে পৰিচয় দাঙি ধৰিব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। আৰক্ষী সঞ্চালকপ্ৰধান ভাস্কৰজ্যোতি মহন্তই আদৰণী ভাষণ প্ৰদান কৰা এই অনুষ্ঠানত মুখ্য সচিব কুমাৰ সঞ্জয় কৃষ্ণ, অতিৰিক্ত মুখ্য সচিব (গৃহ) জিষ্ণু বৰুৱা, গৃহ বিভাগৰ আয়ুক্ত সচিব জি ডি ত্ৰিপাঠি আৰু অন্যান্য শীৰ্ষ আৰক্ষী বিষয়াসকল উপস্থিত থাকে। অনুষ্ঠানৰ পূৰ্বে মুখ্যমন্ত্ৰীয়ে আৰক্ষী দিৱস উপলক্ষে আৰক্ষী বাহিনীৰ মাৰ্চপাষ্টৰ অভিবাদনো গ্ৰহণ কৰে। ▢▢



# আৰক্ষীৰ উপ-পৰিদৰ্শকৰ পৰীক্ষাৰ প্ৰশ্নকাকত ফাদিল কৰা ঘটনাৰ তদন্ত

# মেধাসম্পন্ন ছাত্ৰ-ছাত্ৰীয়ে ন্যায় পাবই ঃ মুখ্যমন্ত্ৰী




মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে কয় যে অসম আৰক্ষীৰ উপ-পৰিদৰ্শক পৰীক্ষাৰ প্ৰশ্নকাকত ফাদিল হোৱা ঘটনাৰ তদন্ত চলি আছে। এই তদন্ত নিৰপেক্ষ আৰু নিষ্ঠাৰে চলাই যোৱাৰ বাবে আৰক্ষীক নিৰ্দেশ দিয়া হৈছে। ইয়াত কোনোধৰণৰ আপোচ নহ'ব। যোৱা ৩০ ছেপ্টেম্বৰত কলাক্ষেত্ৰত শ্ৰীমন্ত শংকৰদেৱ আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাগৃহত আনন্দৰাম বৰুৱা বঁটা প্ৰদানৰ পিছতে সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাৰ সময়ত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এইদৰে কয়। মুখ্যমন্ত্ৰীয়ে কয় যে নিৰপেক্ষ তদন্তত কোনো আপোচ নহ'ব। এয়া হৈছে বৰ্তমানৰ চৰকাৰৰ নীতি। আৰক্ষীক কিছু সময় দিব লাগিব। এতিয়ালৈকে আৰক্ষীয়ে যথেষ্ট সফলতা লাভ কৰিছে। আমাৰ দৃঢ়বিশ্বাস প্ৰশ্নকাকত ফাদিলৰ লগত যিসকল জড়িত, অভিযুক্ত তেওঁলোকক নিশ্চিতভাৱে আৰক্ষীয়ে বিচাৰি উলিয়াব। ছাত্ৰ-ছাত্ৰীসকলে যাতে প্ৰাপ্য অধিকাৰৰ পৰা বঞ্চিত নহয়, এই কথাত ৰাজ্য চৰকাৰে বিশেষভাৱে নজৰ দিছে। সেইবাবে নতুন নিযুক্তি ব'ৰ্ড পুনৰ গঠন কৰা হৈছে। নতুন নিযুক্তি ব'ৰ্ডক নিৰ্দেশ দিয়াহৈছে যাতে আগন্তুক দিনত কোনো মেধাসম্পন্ন ছাত্ৰ-ছাত্ৰী প্ৰাপ্য অধিকাৰৰ পৰা বঞ্চিত নহয়। জনসাধাৰণ আৰু সাংবাদিকসকলক জাগ্ৰত প্ৰহৰীৰ ভূমিকা ল'বলৈ আহ্বান জনাই মুখ্যমন্ত্ৰীয়ে কয় যে উঠি অহা প্ৰজন্মই যাতে স্বচ্ছ আৰু নিকাভাৱে চাকৰি লাভ কৰিব পাৰে, সেয়া চৰকাৰৰ প্ৰধান লক্ষ্য। মুখ্যমন্ত্ৰীয়ে কয় যে সংবাদ মাধ্যমে এই সন্দৰ্ভত বিভিন্ন সংবাদ পৰিৱেশন কৰি আহিছে। তদন্ত সম্পূৰ্ণ হ'লে প্ৰতিটো কথাৰ উমান পোৱা যাব। ইয়াত লুকাই ৰাখিবলগীয়া কোনো কথা থাকিব নোৱাৰে। এই তদন্ত কোনো ৰাজহুৱা অভিযোগৰ ভিত্তিত কৰা হোৱা নাই। অন্যান্য ক্ষেত্ৰত ৰাজহুৱা অভিযোগ আহে আৰু তাৰ পিছত সংবাদ মাধ্যমত বাতৰি প্ৰকাশ পায়। তেতিয়াহে চৰকাৰে পদক্ষেপ গ্ৰহণ কৰে। এইবাৰ প্ৰশ্নকাকত ফাদিল হোৱাৰ ১৫ মিনিটৰ ভিতৰতে পৰীক্ষা বাতিল কৰা হৈছে। এই কথাখিনি অসমৰ ৰাইজক সংবাদ মাধ্যমে জনাওক বুলি আহ্বান জনাই মুখ্যমন্ত্ৰীয়ে কয় যে ১৯৫২ চনৰ পৰা বহু চৰকাৰ আহিছে, প্ৰশ্নকাকত ফাদিল হোৱাৰো বহু উদাহৰণ আছে। কিন্তু বৰ্তমানৰ ৰাজ্য চৰকাৰে স্বচ্ছ আৰু নিকাভাৱে পৰীক্ষা অনুষ্ঠিত কৰাৰ বাবে তৎপৰতাৰে পদক্ষেপ লৈছে। আগন্তুক যি পৰীক্ষা অনুষ্ঠিত হ'ব সেয়া যাতে স্বচ্ছ আৰু নিকাভাৱে অনুষ্ঠিত হয়, তাৰ বাবে মুখ্যমন্ত্ৰীয়ে জনসাধাৰণৰ সহযোগিতা বিচৰাৰ উপৰি এইক্ষেত্ৰত তীক্ষ্ণ নজৰ ৰখাৰ বাবেও আহ্বান জনায়। এইক্ষেত্ৰত চৰকাৰে দায়বদ্ধতাৰে, দায়িত্বসহকাৰে অগ্ৰসৰ হৈছে আৰু এই কাম চৰকাৰে সততা আৰু নিষ্ঠাৰে সম্পূৰ্ণ কৰিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। ❑❑

# ‘আত্মনিৰ্ভৰ অসম’ গঢ়ি তোলাৰ দিশত অসমৰ প্ৰাকৃতিক সমলে গুৰুত্বপূৰ্ণ ভূমিকা ল’ব পাৰে




‘ৰাজ্যৰ চুকে-কোণে থকা প্ৰাকৃতিক সমলসমূহে ‘আত্মনিৰ্ভৰ অসম’ গঢ়ি তোলাৰ দিশত বিশেষ ভূমিকা ল’ব পৰাৰ প্ৰচুৰ সম্ভাৱনীয়তা বহন কৰিছে। প্ৰাকৃতিক পৰিৱেশ বিনষ্ট নকৰাকৈ এই সম্পদৰাজিৰ যথোপযুক্ত ব্যৱহাৰেৰে আমি অসমৰ অৰ্থনীতি আগুৱাই নিয়াৰ দিশত মনোনিৱেশ কৰিব লাগিব।’ যোৱা ৩০ ছেপ্টেম্বৰত অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত প্ৰধানমন্ত্ৰী বন ধন যোজনা, অসমৰ অধীনত ‘ট্ৰাইচেম’ শীৰ্ষক এটা ব্ৰেণ্ড উদ্বোধন কৰি প্ৰদান কৰা ভাষণত মুখ্যমন্ত্ৰী সোণোৱালে এইদৰে কয়। এই উপলক্ষে মুখ্যমন্ত্ৰীয়ে ৰাজ্যখনৰ বন ধন বিকাশ কেন্দ্ৰসমূহে উৎপাদন কৰা কিছু সংখ্যক নতুন সামগ্ৰী আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। উল্লেখ্য যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশৰ জনজাতিসকলক অৰ্থনৈতিকভাৱে স্বাৱলম্বী কৰাৰ উদ্দেশ্যে তথা তেওঁলোকৰ উদ্যমিতাৰ উৎকৰ্ষ সাধনৰ বাবে ২০১৮ বৰ্ষৰ ১৪ এপ্ৰিলত ‘বন ধন যোজনা’ আনুষ্ঠানিকভাৱে উদ্বোধন কৰিছিল। এই আঁচনিৰ জৰিয়তে বনজ সম্পদৰ পৰা উৎপাদিত সামগ্ৰী বিভিন্ন বন ধন বিকাশ কেন্দ্ৰৰ জৰিয়তে বিকশাই তুলি সেইসমূহক ব্ৰেণ্ডিং প্ৰদানেৰে বিপণনৰ লক্ষ্য লোৱা হৈছে। বৰ্তমানে ৰাজ্যৰ ভৈয়াম জনজাতি কল্যাণ আৰু অন্যান্য পিছপৰা শ্ৰেণী কল্যাণ বিভাগৰ অধীনত ৰাজ্যখনত ৫০ টা বন ধন বিকাশ কেন্দ্ৰই ইয়াৰ কাম-কাজ চলাই আছে। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশৰ প্ৰধানমন্ত্ৰীৰ আসনত অধিষ্ঠিত হোৱাৰে পৰা দেশখনক অৰ্থনৈতিকভাৱে স্বাৱলম্বী কৰাৰ দিশত দায়বদ্ধতাৰে বহুসংখ্যক পদক্ষেপ লৈছে। প্ৰধানমন্ত্ৰীৰ দ্বাৰা আৰম্ভ কৰা বন ধন যোজনাই সমাজৰ দুখীয়া আৰু অৰ্থনৈতিকভাৱে দুৰ্বল লোকসকলক বিত্তীয় অন্তৰ্ভুক্তিকৰণেৰে মৰ্যাদাসহকাৰে জীৱন নিৰ্বাহৰ পথ প্ৰশস্ত কৰিছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। এই আঁচনিৰ জৰিয়তে উপাৰ্জনৰ ক্ষেত্ৰত জনজাতীয় লোকসকলে নতুন পথৰ সন্ধান লাভ কৰিছে বুলিও তেওঁ কয়। আঁচনিখনৰ অধীনত হিতাধিকাৰীসকলৰ বাবে খোলা বেংকৰ একাউণ্টৰ জৰিয়তে হিতাধিকাৰীসকললৈ চৰকাৰী আঁচনিৰ বিত্তীয় সাহায্য প্ৰত্যক্ষভাৱে হস্তান্তৰৰ পদক্ষেপ লোৱা হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। এই পদক্ষেপে সমাজৰ দুৰ্বল শ্ৰেণীৰ লোকসকলৰ সামাজিক সুৰক্ষা প্ৰদানত বিশেষ ভূমিকা লৈ আছে বুলিও তেওঁ



## ‘ট্ৰাইচেম’ ব্ৰেণ্ডৰ শুভ উদ্বোধন কৰিলে মুখ্যমন্ত্ৰীয়ে

কয়। বন ধন বিকাশ কেন্দ্ৰসমূহে প্ৰস্তুত কৰা সামগ্ৰীসমূহৰ মান সংযোজনৰ ওপৰত গুৰুত্ব আৰোপ কৰি মুখ্যমন্ত্ৰীয়ে সংশ্লিষ্ট সকলোকে ৰাজ্যখনত উপলব্ধ বনজ সম্পদৰ উপযুক্ত ব্যৱহাৰেৰে এই দিশত অৰ্থনৈতিকভাৱে লাভৱান্বিত হোৱাৰ বাবেও আহ্বান জনায়। উৎপাদন, ক্ৰয় আৰু বিপণনৰ এক সু-সংঘবদ্ধ ব্যৱস্থা গঢ়ি তুলি বন ধন বিকাশ কেন্দ্ৰসমূহৰ উৎপাদিত সামগ্ৰীয়ে যাতে উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্য তথা দেশৰ বিভিন্ন প্ৰান্তৰ বজাৰ দখল কৰিব পাৰে তাৰ ওপৰত গুৰুত্ব আৰোপ কৰিবলৈ মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে উপভোক্তাৰ চাহিদা আৰু উৎপাদিত সামগ্ৰীৰ মান সংযোজনেৰে বজাৰত ইয়াৰ চাহিদা বৃদ্ধি কৰাৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। ৰাজ্যখনৰ প্ৰকৃতিত অপৰ্যাপ্ত সমল আছে বুলি উল্লেখ কৰি এই প্ৰকৃতিৰ পৰাই আমি আমাৰ অৰ্থনৈতিক বুনিয়াদ শক্তিশালী কৰিব লাগিব বুলিও তেওঁ কয়। গছ থাকিলেহে মানুহ থাকিব বুলি উল্লেখ কৰি প্ৰকৃতিৰ সমলসমূহৰ যথোচিত ব্যৱহাৰ কৰাৰ ওপৰতো মুখ্যমন্ত্ৰীয়ে গুৰুত্ব আৰোপ কৰে যাতে আমাৰ পাৰিপাৰ্শ্বিক অৱস্থা সন্তুলিত হৈ থাকে। মুখ্যমন্ত্ৰীয়ে ৰাজ্যখনৰ সকলো শ্ৰেণীৰ জনসাধাৰণক ইয়াৰ বাবে ব্যাপক বৃক্ষ ৰোপণৰ কাৰ্যসূচী গ্ৰহণ কৰাৰ বাবেও আহ্বান জনায়। অৰ্থনৈতিক কাম-কাজৰ লগতে আমাৰ চিৰবিনন্দীয়া প্ৰকৃতি যাতে অক্ষত ৰূপত থাকে তাৰ প্ৰতি গুৰুত্ব আৰোপ কৰাৰ বাবে মুখ্যমন্ত্ৰীয়ে জনসাধাৰণক আহ্বান জনায়। এই অনুষ্ঠানতে মুখ্যমন্ত্ৰী বন ধন বিকাশ কেন্দ্ৰৰ কেইবাগৰাকীও সদস্যৰ সৈতে মত বিনিময় কৰে। অনুষ্ঠানত বক্তব্য প্ৰদান কৰি ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণী কল্যাণ বিভাগৰ মন্ত্ৰী চন্দন ব্ৰহ্মাই ট্ৰাইচেমে ৰাজ্যখনৰ প্ৰাকৃতিক সম্পদৰ সম্ভাৱনীয়তাসমূহ বাস্তৱায়িত কৰাৰ দিশত বিশেষ ভূমিকা ল’ব বুলি কয়। মন্ত্ৰীগৰাকীয়ে গুৱাহাটীস্থিত ভাৰতীয় উদ্যমিতা প্ৰতিষ্ঠানে বন ধন বিকাশ কেন্দ্ৰৰ সদস্যসকলক উপযুক্ত প্ৰশিক্ষণ প্ৰদানৰ বাবে লোৱা পদক্ষেপৰো শলাগ লোৱাৰ উপৰি ৰাজ্য চৰকাৰে এই দিশত সকলো ধৰণৰ সহায়-সহযোগিতা আগবঢ়াই যাব বুলি আশ্বাস প্ৰদান কৰে। মন্ত্ৰীগৰাকীয়ে লগতে ৰাজ্যখনৰ জনজাতীয় লোকসকলৰ মাজত উদ্যমিতাৰ বিকাশ সাধনৰ দিশটোৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। অনুষ্ঠানত ভাৰতীয় উদ্যমিতা প্ৰতিষ্ঠানৰ সঞ্চালকে ট্ৰাইচেমৰ আৰম্ভণিৰ পৰা বৰ্তমান পৰ্যায়লৈ উত্তৰণৰ যাত্ৰা তথা বন ধন বিকাশ কেন্দ্ৰসমূহ শক্তিশালী কৰাৰ বাবে লোৱা পদক্ষেপৰ আলোকপাতেৰে বক্তব্য প্ৰদান কৰে। ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণী কল্যাণ বিভাগৰ আয়ুক্ত সচিব ড° এম অংগমুথুৱে আদৰণী ভাষণ প্ৰদান কৰা এই অনুষ্ঠানত জলসিঞ্চন বিভাগৰ (স্বতন্ত্ৰ) ৰাজ্যিক মন্ত্ৰী ভৱেশ কলিতা, অসম পৰ্যটন উন্নয়ন নিগমৰ অধ্যক্ষ জয়ন্ত মল্ল বৰুৱাকে ধৰি বন ধন বিকাশ কেন্দ্ৰৰ বিভিন্ন সদস্যসকল উপস্থিত থাকে। অনুষ্ঠানত ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণী কল্যাণ বিভাগৰ সঞ্চালক মৃগেশ নাৰায়ণ বৰুৱাই শলাগৰ শৰাই আগবঢ়ায়। ❑❑



# বিশ্ব জয়ৰ শক্তি আমাৰ ছাত্ৰ-ছাত্ৰীসকলৰ ব্যক্তিত্বত আছে ঃ মুখ্যমন্ত্ৰী সোণোৱাল




## হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ কৃতী ছাত্ৰ-ছাত্ৰীক আনন্দৰাম বৰুৱা বঁটা প্ৰদান

মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে যোৱা ৩০ ছেপ্টেম্বৰত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীমন্ত শংকৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত ৰাজ্য চৰকাৰৰ মাধ্যমিক শিক্ষা বিভাগৰ দ্বাৰা আয়োজিত এক অনুষ্ঠানত ২০২০ বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত ৭৫ শতাংশ বা ততোধিক নম্বৰসহ সুখ্যাতিৰে উত্তীৰ্ণ মেধাৱী ছাত্ৰ-ছাত্ৰীসকলক ২০২০ বৰ্ষৰ আনন্দৰাম বৰুৱা বঁটা প্ৰদান কৰে। এই বঁটাপ্ৰাপক সৰ্বমুঠ ১৬,৯৪৪ গৰাকী মেধাৱী ছাত্ৰ-ছাত্ৰীলৈ লেপটপ ক্ৰয়ৰ বাবে তেওঁলোকৰ বেংক একাউণ্টলৈ ২০ হাজাৰ টকাকৈ প্ৰত্যক্ষ হস্তান্তৰৰ জৰিয়তে আগবঢ়োৱা হৈছে। এই অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে বুটাম টিপি ছাত্ৰ-ছাত্ৰীৰ একাউণ্টলৈ এই ধনৰাশি হস্তান্তৰ কৰাৰ লগতে পাঁচগৰাকী ছাত্ৰ-ছাত্ৰীক এই ধনৰাশিৰ চেক আৰু প্ৰমাণপত্ৰ প্ৰদান কৰে। ইয়াৰ বাবে ৰাজ্য চৰকাৰে সৰ্বমুঠ ৩৪ কোটি টকা মোকলাই দিছে। অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি প্ৰদান কৰা ভাষণত মুখ্যমন্ত্ৰী সোণোৱালে কয় যে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ পৱিত্ৰ স্মৃতিৰে নিৰ্মিত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ দৰে পৱিত্ৰ স্থানত অসমৰ এগৰাকী সুযোগ্য সন্তান তথা মহান মনীষী আনন্দৰাম বৰুৱাৰ নামত প্ৰদান কৰা এই বঁটা লাভ কৰা ছাত্ৰ-ছাত্ৰীসকলে ভৱিষ্যতে ৰাজ্যখনৰ মহাপুৰুষ তথা মহান মনীষীসকলৰ মূল্যবোধৰ আদৰ্শৰে নিজকে শক্তিশালী ৰূপত গঢ় দি পৰিয়াল, সমাজ, ৰাজ্য তথা দেশৰ নাম উজলোৱাৰ বাবে নিষ্ঠাসহকাৰে নিজৰ কৰ্মক্ষেত্ৰত ব্ৰতী হ'ব লাগিব। এইসকল কৃতী ছাত্ৰ-ছাত্ৰীয়ে আমাৰ মাতৃভূমিক বিশ্বৰ বুকুত শক্তিশালী ৰূপত প্ৰতিষ্ঠিত কৰাৰ বাবে নিজৰ মেধা আৰু ইচ্ছাশক্তি প্ৰয়োগেৰে উজলি উঠিব লাগিব বুলিও তেওঁ কয়। ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ 'বিশ্ব বিজয়ী




ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ 'এক্ট ইষ্ট পলিচী' ৰূপায়ণৰ ফলত আছিয়ান আৰু বি বি এন দেশসমূহৰ ৮০ কোটি জনসাধাৰণৰ সৈতে ব্যৱসায়-বাণিজ্য, সাংস্কৃতিক আদান-প্ৰদানৰ যি বাট মুকলি হৈছে সকলো ক্ষেত্ৰতে পাৰ্গতালি দেখুৱাই আমি যোগ্যতাৰ ভিত্তিত মানসম্পন্ন সামগ্ৰী আৰু মানসম্পন্ন মানৱ সম্পদ সৃষ্টি কৰি নিজৰ শ্ৰেষ্ঠত্ব প্ৰদৰ্শন কৰাৰ মানসিকতা আহৰণ কৰিব লাগিব বুলিও কয়। উন্নত মানৱ সম্পদৰ চাহিদা দিনক দিনে বাঢ়ি আছে বুলি উল্লেখ কৰি ছাত্ৰ-ছাত্ৰীসকলক গুৰু ভক্তিৰে সততা আৰু নিষ্ঠাৰে নিজৰ কৰ্মত ব্ৰতী হৈ ভৱিষ্যতে সফলতা লাভ কৰাৰ পথ প্ৰশস্ত কৰাৰ বাবেও মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়। ইয়াৰ বাবে আনন্দৰাম বৰুৱাৰ দৰে প্ৰবাদপুৰুষসকলৰ আদৰ্শৰে আমি সমাজখনক বৌদ্ধিক, আধ্যাত্মিক দিশেৰে শক্তিশালী কৰি আগুৱাই নিব লাগিব বুলিও তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে ছাত্ৰ-ছাত্ৰীসকলক যি কামেই নকৰক কিয় সদায় সততা, নিষ্ঠা আৰু মানৱীয় প্ৰমূল্যবোধ অটুট ৰাখি কৰাৰ বাবেও আহ্বান জনায়। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে শিক্ষামন্ত্ৰী হিচাপে দায়িত্ব লৈয়ে ড° হিমন্ত বিশ্ব শৰ্মাই শিক্ষা বিভাগত কেতবোৰ আমূল পৰিৱৰ্তনৰ সূচনা কৰাৰ বাবে মন্ত্ৰীগৰাকীৰ শলাগ লয়। জ্ঞানেই শক্তি বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে একাগ্ৰতা, শৃংখলাবদ্ধ জীৱন যাপনেৰে অধ্যয়ন কৰি দশম শ্ৰেণীৰ ফলাফলত কৃতিত্ব অৰ্জন কৰা ছাত্ৰ-ছাত্ৰীসকলে এই ধাৰাবাহিকতা অক্ষুণ্ণ ৰখাৰ ক্ষেত্ৰত লক্ষ্য স্থিৰ কৰিব লাগিব। ছাত্ৰ-ছাত্ৰীসকলৰ এই সফলতাক লৈ ৰাইজ আজি গৌৰৱান্বিত। সমাজখনৰ বৃহৎসংখ্যক লোকে

ন জোৱান'ৰ উদ্ধৃতি দি মুখ্যমন্ত্ৰীয়ে কয় যে বিশ্ব জয়ৰ শক্তি আমাৰ ছাত্ৰ-ছাত্ৰীসকলৰ ব্যক্তিত্বত আছে। অসমীয়া জাতিক বিশ্বৰ সন্মুখত প্ৰতিষ্ঠা কৰা মহান পণ্ডিত আনন্দৰাম বৰুৱাই দেখুৱাই থৈ যোৱা আদৰ্শৰে আমাৰ ছাত্ৰ-ছাত্ৰীসকলে আগুৱাই যাব লাগিব বুলিও তেওঁ কয়। মন কৰিলে চন কৰিব পাৰি বুলি উল্লেখ কৰি তেওঁলোকে ভৱিষ্যতে বিশ্বৰ য'তেই কৰ্মক্ষেত্ৰত অৱতীৰ্ণ নহওক কিয় অসমৰ এক শক্তিশালী পৰিচয় দাঙি ধৰিব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।



আশাৰে বাট চাই আছে যে এই ছাত্ৰ-ছাত্ৰীসকলে বিশ্বৰ বুকুত অসমক প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হ'ব। অসমৰ বুকুত থকা সম্পদ আৰু সম্ভাৱনাক উৎকৰ্ষিত মনোভাৱ আৰু গৱেষণালব্ধ কাৰ্যৰে আৱিষ্কাৰ কৰিব লাগিব। সেই উদ্দেশ্যে ৰাজ্য চৰকাৰে ২০১৬ চনতে 'ডিচক'ভাৰ আছাম' নামৰ এক কাৰ্যসূচী গ্ৰহণ কৰিছে। ছাত্ৰ-ছাত্ৰীসকলেও অসমৰ বুকুত থকা সম্পদ আৰু সম্ভাৱনীয়তাক আৱিষ্কাৰ কৰি ৰাজ্যখনক আগুৱাই নিয়াৰ পথ প্ৰশস্ত কৰিব লাগিব বুলি তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে কয় যে অসমৰ ছাত্ৰ-ছাত্ৰীসকলে যাতে অসমতে উচ্চ শিক্ষা গ্ৰহণ কৰিব পাৰে তাৰ বাবে ৰাজ্য চৰকাৰে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। ৮ খন চিকিৎসা মহাবিদ্যালয়, ৯ খন অভিযান্ত্ৰিক মহাবিদ্যালয়, ৩২ খন পলিটেক্‌নিক, শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়, মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়, শ্ৰীশ্ৰীভট্টদেৱ বিশ্ববিদ্যালয়, শ্ৰীশ্ৰীমাধৱদেৱ বিশ্ববিদ্যালয়, ৰবীন্দ্ৰনাথ ঠাকুৰ বিশ্ববিদ্যালয়, সতী সাধনী বিশ্ববিদ্যালয়কে ধৰি বিভিন্ন উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান নিৰ্মাণৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে পদক্ষেপ লৈছে যাতে ৰাজ্যখনৰ ছাত্ৰ-ছাত্ৰীসকল উপকৃত হ'ব পাৰে। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে সমাজৰ আৰ্থিকভাৱে দুৰ্বল শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলে যাতে অধ্যয়ন কৰিব পাৰে তাৰ বাবে লোৱা পদক্ষেপ আৰু সামগ্ৰিকভাৱে শিক্ষাৰ বিকাশৰ বাবে লোৱা বিভিন্ন আঁচনিৰ কথাও উল্লেখ কৰে। অনুষ্ঠানত বক্তব্য প্ৰদান কৰি শিক্ষা, বিত্ত ইত্যাদি বিভাগৰ মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই নৱ প্ৰজন্মক ডিজিটেল মাধ্যমেৰে চিনাকি কৰাই দিয়াৰ উদ্দেশ্যে ২০০৫ চনত আৰম্ভ কৰা আনন্দৰাম বৰুৱা বঁটা প্ৰদান আঁচনিৰ অধীনত এতিয়ালৈকে সৰ্বমুঠ ৩ লাখ ৭৩ হাজাৰ ৮৫৫ গৰাকী ছাত্ৰ-ছাত্ৰী উপকৃত হোৱাৰ উপৰি ২০২০ চনৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল ঘোষণাৰ পিছতেই ক্ষিপ্ৰভাৱে এই বঁটা কৃতী ছাত্ৰ-ছাত্ৰীসকলৰ হাতত তুলি দিব পাৰি বৰ আনন্দিত হৈছে বুলিও কয়। আনন্দৰাম বৰুৱা বঁটা প্ৰদান আঁচনিখন শিক্ষা



বিভাগ তথা সমগ্ৰ ৰাজ্যৰ বাবে এক ধ্বজাবাহী আঁচনি হিচাপে পৰিগণিত হৈছে বুলিও মন্ত্ৰীগৰাকীয়ে কয়। ভাষণ প্ৰসংগত মন্ত্ৰীগৰাকীয়ে ২০১৬ চনত বৰ্তমানৰ ৰাজ্য চৰকাৰখনে শাসনভাৰ লোৱাৰ পিছৰে পৰা ৰাজ্যখনৰ শৈক্ষিক দিশত তথা শিক্ষাক সৰ্বজনৰ ওচৰলৈ লৈ যোৱাৰ বাবে গ্ৰহণ কৰা কেতবোৰ আঁচনিৰ ফলত ৰাষ্ট্ৰীয় সমীক্ষাত সাক্ষৰতাৰ হাৰত অসমে দেশৰ পঞ্চম স্থানলৈ উন্নীত হোৱাৰ সক্ষমতা আৰু সকলোৰে পদূলিলৈ শিক্ষা ব্যৱস্থাক আগবঢ়াই নিয়াৰ ক্ষেত্ৰত দ্বিতীয় স্থানত উপনীত হোৱাৰ অৰ্হতা অৰ্জন কৰিছে বুলিও মন্ত্ৰীগৰাকীয়ে কয়। মন্ত্ৰীগৰাকীয়ে চৰকাৰে লোৱা এনেবোৰ পদক্ষেপৰ ফলত শৈক্ষিক খণ্ডই এক নতুন স্পন্দন লাভ কৰাৰ উপৰি সৰ্বভাৰতীয় পৰীক্ষাসমূহতো অসমৰ ছাত্ৰ-ছাত্ৰীয়ে শেহতীয়াকৈ ভাল ফলাফল দেখুৱাবলৈ সক্ষম হৈছে বুলিও কয়। ৰাজ্যৰ মুঠ ঘৰুৱা উৎপাদনৰ ৬ শতাংশ শিক্ষা আৰু স্বাস্থ্য এই দুয়োটা শিতানত ব্যয় কৰাৰ দিশত অসম এক অগ্ৰণী ৰাজ্য হিচাপে স্বীকৃত হৈছে বুলি তেওঁ কয়। মন্ত্ৰীগৰাকীয়ে পিতৃ-মাতৃ তথা ভগৱানৰ আশীৰ্বাদেৰে ছাত্ৰ-ছাত্ৰীসকলক নিজৰ নিজৰ সংকল্পক সিদ্ধিলৈ ৰূপান্তৰ কৰাৰ দিশত নিষ্ঠসহকাৰে ব্ৰতী হোৱাৰ বাবে আহ্বান জনায়। ছাত্ৰ-ছাত্ৰীসকলক হেজাৰজনৰ চকুত দীপ্ত সূৰ্যশিখা হৈ থাকি সমাজখনক আলোকৰ বাটেৰে আগুৱাই নিয়াৰ বাবেও মন্ত্ৰীগৰাকীয়ে আহ্বান জনায়। শিক্ষা বিভাগৰ প্ৰধান সচিব বি কল্যাণ চক্ৰৱৰ্তীয়ে আদৰণী ভাষণ প্ৰদান কৰা উক্ত অনুষ্ঠানত মুখ্য সচিব কুমাৰ সঞ্জয় কৃষ্ণয়ো ভাষণ প্ৰদান কৰে। অনুষ্ঠানত বটদ্ৰৱা সমষ্টিৰ বিধায়িকা আঙুৰলতা ডেকা, ৰাজ্য চৰকাৰৰ শিক্ষা বিভাগৰ উপদেষ্টা ড° মিহিৰকান্তি চৌধুৰী, ছেবাৰ অধ্যক্ষ ৰমেশ চান্দ জৈন, অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ অধ্যক্ষ ড° দয়ানন্দ বৰগোহাঁই, মাধ্যমিক শিক্ষা সঞ্চালক ফণীন্দ্ৰ জিদুং, প্ৰাথমিক শিক্ষা সঞ্চালিকা বিজয়া চৌধুৰী, আমণ্ট্ৰনৰ পৰিচালন সঞ্চালক এম কে যাদৱ প্ৰমুখ্যে গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে। ◻◻





# চাৰি বছৰত আবকাৰী বিভাগৰ ৰাজহ সংগ্ৰহ ৮০০০কোটি টকা

ৰাজ্যৰ আবকাৰী বিভাগৰ কাম-কাজসমূহ অনলাইন কৰাৰ লগে লগে পূৰ্বৰ কমিছনৰাজ ব্যৱস্থাটো একপ্ৰকাৰ বন্ধ হৈ পৰে। ফলত বিভাগটোৱে ৰাজ্যৰ কোষাগাৰলৈ আগবঢ়োৱা অৱদান পূৰ্বৰ কংগ্ৰেছ চৰকাৰৰ তুলনাত পাঁচগুণ পৰ্যন্ত বৃদ্ধি পায়। কংগ্ৰেছ চৰকাৰৰ কাৰ্যকালত আবকাৰী বিভাগৰ পৰা ৰাজ্যৰ কোষাগাৰে বছৰি গড় হিচাপত ৩০০ কোটি টকাকৈ লাভ কৰিছিল। কিন্তু বৰ্তমান চৰকাৰৰ দিনত যোৱা চাৰিটা বছৰত আবকাৰী বিভাগে ৰাজ্যৰ কোষাগাৰলৈ অৱদান আগবঢ়াইছে ৮০০০ কোটি টকা। অৰ্থাৎ বছৰি গড় হিচাপত ২০০০ কোটি টকা। মন্ত্ৰী পৰিমল শুক্লবৈদ্যৰ হাতত থকা আবকাৰী বিভাগটোৰ এয়া উল্লেখযোগ্য সফলতা। মন্ত্ৰী শুক্লবৈদ্যই বিভাগটোৰ দায়িত্ব গ্ৰহণ কৰাৰ ছমাহ নৌহওঁতেই অসমত কাৰ্যকৰী হৈ থকা ১৯১০ চনৰে আওপুৰণি আবকাৰী আইনখনৰ সংশোধন ঘটায়। আইন সংশোধনীৰ জৰিয়তে নতুন ৰাইন শ্বপ প্ৰদান কৰা দূৰৰে কথা বাৰসমূহৰ ক্ষেত্ৰতো পূৰ্বতকৈ কঠোৰ স্থিতি গ্ৰহণ কৰা হয়। আইন সংশোধনৰ ফলত সমগ্ৰ বিভাগটোলৈ লক্ষণীয় পৰিৱৰ্তন আহি পৰে। বিভাগটোৰ প্ৰতি জনসাধাৰণৰ পূৰ্বৰ ধৰণাও সলনি হয়।

নতুন সংশোধিত আইন অনুসৰি ‘বাৰ কাম ৰেষ্টুৰেণ্ট’সমূহত চি চি টিভি কেমেৰা সংলগ্ন কৰাটো বাধ্যতামূলক কৰা হয়। লগতে দেশীয় সুৰাৰ ক্ষেত্ৰত থকা পূৰ্বৰ মহলদাৰী ব্যৱস্থাৰো বিলুপ্তি ঘটায়। ইয়াৰ উপৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ঘোষণা কৰা ডিজিটেল প্ৰশাসনৰ অংশ হিচাপে সমগ্ৰ বিভাগটোক ২২ লাখ টকা ব্যয় কৰি অনলাইন কৰি তোলা হয়। আবকাৰী আইনৰ সংশোধনীৰ জৰিয়তে বিলাতী সুৰাৰ লগতে দেশীয় সুৰাৰ বিক্ৰী ব্যৱস্থাটোৰো একাধিক নীতি-নিয়মৰ সাল-সলনি ঘটোৱা হয়। ফলত থলুৱা লোকসকল যথেষ্ট লাভৱান্বিত হোৱা পৰিলক্ষিত হয়। পূৰ্বতে খুচুৰা অনুজ্ঞাপত্ৰৰ নবীকৰণৰ মাচুল আছিল ৩ লাখ টকা। কিন্তু আইন সংশোধনৰ পাছত সেয়া ১ লাখ টকালৈ হ্ৰাস কৰা হয়। মাচুল হ্ৰাস পোৱাত ব্যৱসায়টোত বহিৰাগত ব্যৱসায়ীৰ দপদপনিও কমিবলৈ ধৰে। একেদৰে দেশীয় সুৰাৰ ব্যৱসায়টোও থলুৱা লোকৰ দখললৈ আহে। আনহাতে, কাৰ্যভাৰ গ্ৰহণ কৰিয়েই প্ৰথম তিনিমাহতে মহলদাৰী ব্যৱস্থাৰ বিলোপ সাধন কৰি মন্ত্ৰী শুক্লবৈদ্যই নতুন আইনৰ জৰিয়তে মাত্ৰ ১০,০০০ টকা মূল্যতে দেশীয় সুৰাৰ খুচুৰা বিক্ৰী কৰাৰ বাবে অনুজ্ঞাপত্ৰ প্ৰদানৰ ব্যৱস্থা কৰে। দেশীয় সুৰা প্ৰস্তুত আৰু প্ৰচলনৰ ব্যৱস্থাও বিলাতী সুৰাৰ সমপৰ্যায়ৰ কৰি তোলাত গুৰুত্ব আৰোপ কৰা হয়। একাধিক সংশোধন আৰু পৰিৱৰ্তনৰ ফলত ৰাজহ সংগ্ৰহৰ পৰিমাণ বৃদ্ধি হ’লেও যোৱা চাৰি বছৰত ৰাজ্যত সুৰাপানৰ হাৰ হ্ৰাস পাইছে। লগতে বিভাগটোৰ কাম-কাজ অনলাইন হৈ পৰাত আগতে সংঘটিত হৈ অহা দুৰ্নীতিও নাইকিয়া হৈছে।

কৰ’নাৰ প্ৰভাৱত হ’ব পৰা আৰ্থিক ক্ষতিৰ প্ৰতি লক্ষ্য ৰাখি লকডাউনৰ সময়ত চৰকাৰৰ ফালৰ পৰা আবকাৰী শুল্ক ২৫ শতাংশ বৃদ্ধি কৰা হয়। ইয়াৰ জৰিয়তে চৰকাৰে বিত্তীয় অৱস্থা টনকিয়াল কৰিবৰ বাবে ১০০০ কোটি টকাৰ ৰাজহ সংগ্ৰহৰ লক্ষ্য নিৰ্ধাৰণ কৰে। তাৎপৰ্যপূৰ্ণভাৱে লকডাউন কিছু শিথিল কৰিবলৈ আৰম্ভ কৰাৰ প্ৰথম পৰ্যায়ত মাত্ৰ পাঁচ দিনতে সুৰা বিক্ৰীৰ জৰিয়তে ১০০ কোটি টকাৰ ৰাজহ সংগ্ৰহ কৰিবলৈ সমৰ্থ হয়। লকডাউনৰ সময়ছোৱাত সুৰা বিক্ৰী বন্ধ হৈ পৰিলেও আবকাৰী বিভাগে এক বিশেষ পদক্ষেপ গ্ৰহণ কৰে। এই পদক্ষেপে কৰ’না যোদ্ধাসকলক সাহস দিয়াৰ লগতে ৰাজ্যত আৰম্ভণি পৰ্যায়ত ভাইৰাছবিধৰ সংক্ৰমণো বহু পৰিমাণে কম কৰি ৰাখে। লকডাউনৰ সময়ত সুৰা প্ৰস্তুতকাৰী ৰাজ্যৰ ডিষ্টিলেৰী আৰু বটলিং প্লাণ্টসমূহক এলক’হলযুক্ত ছেনিটাইজাৰ প্ৰস্তুতৰ নিৰ্দেশ দিয়া হয়। মন কৰিবলগীয়া যে, ৰাজ্যৰ কোষাগাৰলৈ অহা বৰঙনিৰ সৰহসংখ্যকে আহে সুৰাৰ ওপৰত নিৰ্ধাৰিত আবকাৰী শুল্কৰ পৰা। যোৱা ছেপ্টেম্বৰ মাহত প্ৰকাশিত ৰিজাৰ্ভ বেংক অব ইণ্ডিয়াৰ State Finances : A Study of Budget 2019-20 প্ৰতিবেদন মতে এলক’হলৰ ওপৰত থকা কৰৰ জৰিয়তে অধিকাংশ ৰাজ্যৰ নিজস্ব ৰাজহ সংগ্ৰহ ব্যৱস্থাৰ ১০-১৫ শতাংশ স্থান পূৰ্ণ হৈ আহিছে। এইটো স্পষ্ট হৈছে যে সুৰাৰ ওপৰত আৰোপিত কৰেই হৈছে ৰাজ্যসমূহৰ ৰাজহ সংগ্ৰহৰ মূল আধাৰ। লকডাউনৰ সময়ত সুৰাৰ বিপণী বন্ধ হোৱাত স্বাভাৱিকতেই ৰাজহ সংগ্ৰহ ব্যৱস্থা ক্ষতিগ্ৰস্ত হৈছিল। পৰৱৰ্তী কালত যোৱা মে’ মাহত সংগ্ৰহ কৰা ৰাজহৰ কথা উল্লেখ কৰিব পাৰি। লকডাউনৰ অন্তিম পৰ্যায় চলি থকা এই মাহটোত মাত্ৰ ২০ দিনতে বিভাগটোৱে ৰাজ্যৰ ৰাজকোষলৈ ১২৬ কোটি টকাৰ বৰঙনি আগবঢ়াবলৈ সমৰ্থ হয়। যিটো নেকি বিগত বৰ্ষৰ স্বাভাৱিক দিনতো আছিল মাত্ৰ ১২৩ কোটি টকা। ৰাজ্যৰ আবকাৰী বিভাগে সুৰাৰ বিক্ৰী হ্ৰাস পালেও ৰাজহৰ পৰিমাণ কিদৰে বৃদ্ধি কৰিব পাৰি তাৰ উপায়ো যুগুত কৰি উলিয়াইছে। বিভাগটোৱে যোৱা চাৰিটা বছৰত লাভ কৰিছে এক বিশেষ মাত্ৰা। ডিজিটেল ইণ্ডিয়াৰ সপোনক বাস্তৱ ৰূপ দি বিভাগটোক তৎপৰ কৰি তোলা হৈছে। ◻◻ *(যুগুতাইছে শৈলেন্দ্ৰ পাণ্ডেই)*

# দুৰ্গতি নাশিনী দেৱী দুৰ্গাৰ নৱৰূপ

## এক অৱলোকন



*বনশ্ৰী কাকতি*

যা দেৱী সৰ্বভূতেষু শক্তি ৰূপেণ সংস্থিতা।
নমস্তস্যৈ নমস্তস্যৈ নমস্তস্যৈ নমো নমঃ।।

চৌপাশে শেৱালিৰ সুবাস, কুঁৱলীৰ আৱৰণ, শুকুলা মেঘৰ বোকোচাত উঠি নামি আহে আহিন। লগতে চাৰিওফালে সৌন্দৰ্যৰ পোহাৰ মেলি, ৰং-বিৰঙৰ সাজেৰে সজ্জিত হৈ বুকুত প্ৰেমৰ সেউজীয়া বোল সানি স্নিগ্ধ কোমল কঁহুৱা ফুলা বতৰত মেঘৰ ওৰণি তুলি পৃথিৱীলৈ নামি আহে শৰৎ। শৰৎ হেনো পৱিত্ৰতা, সৌন্দৰ্য আৰু আশাৰ প্ৰতীক। এই ভৰযৌৱনা শৰৎ ঋতুত আমি ভক্তিৰ একাঁজলি অঞ্জলি লৈ অপেক্ষা কৰো মা দুৰ্গাৰ আগমনলৈ।

প্ৰকৃতিয়েই শক্তিৰ আধাৰ। সৃষ্টিৰো আধাৰ। প্ৰকৃতিৰেই অন্য এক ৰূপ দুৰ্গা। যুগ-যুগান্তৰ ধৰি অনন্য ঋতু শৰতৰ আগমনত পৰম শক্তিৰ আধাৰস্বৰূপা দেৱী দুৰ্গাৰ পূজা-অৰ্চনা কৰি অহা হৈছে। পূৰ্বতে দেৱী দুৰ্গাৰ পূজা বসন্ত কালতহে অনুষ্ঠিত হৈছিল। দেৱী দুৰ্গাৰ আৰাধনাক কেন্দ্ৰ কৰি অনুষ্ঠিত হয় হিন্দু সম্প্ৰদায়ৰ বৃহত্তৰ ধৰ্মীয় আৰু সামাজিক উৎসৱ দুৰ্গাপূজা বা দুৰ্গোৎসৱ। শাস্ত্ৰ মতে আহিন মাহৰ শুক্ল পক্ষত বা চ'ত মাহৰ শুক্ল পক্ষত দুৰ্গা পূজা পালন কৰা হয়। চ'ত মাহৰ অৰ্থাৎ বসন্তকালৰ দুৰ্গাপূজা বাসন্তী পূজা আৰু আহিন মাহৰ অৰ্থাৎ শৰৎ কালৰ দুৰ্গা পূজা শাৰদীয় দুৰ্গা পূজা নামে জনাজাত। শৰৎ কালত অনুষ্ঠিত হোৱা দেৱীৰ এই পূজাক 'অকালবোধন' বুলি কোৱা হয়। কাৰণ শ্ৰীৰামচন্দ্ৰই ৰাৱণক পৰাস্ত কৰিবলৈ নিৰ্ধাৰিত সময়ৰ পূৰ্বেই দেৱী দুৰ্গাক পূজা-অৰ্চনা কৰিছিল। এই পূজাৰ বাবেই ৰাৱণক বধ কৰাটো সম্ভৱ হৈছিল বুলি হিন্দুসকলে বিশ্বাস কৰে। সেয়েহে শৰৎ কালৰ দুৰ্গা পূজা 'অকালবোধন' ৰূপে প্ৰচলিত। বৰ্তমান বাসন্তী পূজাতকৈ শাৰদীয় দুৰ্গা পূজা ভক্তবৃন্দৰ মাজত অধিক আড়ম্বৰপূৰ্ণ মহোৎসৱ হৈ পৰিছে। লগতে ই সামাজিক মৰ্যাদা পাবলৈ সক্ষম হৈছে।

**পৌৰাণিক আখ্যান ঃ** ব্ৰহ্ম বৈবৰ্ত পুৰাণত উল্লেখ থকা অনুসৰি এই দুৰ্গাপূজাৰ প্ৰৱৰ্তক স্বয়ং শ্ৰীকৃষ্ণ। দুৰ্গা পূজাৰ প্ৰৱৰ্তনৰ একোটা কথিত আখ্যানো এই পুৰাণত পোৱা যায়। কিন্তু এই ইতিহাসৰ কোনো প্ৰমাণিক তথ্য নাই।

**দেৱী ভাগৱত পুৰাণ ঃ** দেৱী ভাগৱত অনুসৰি ব্ৰহ্মাৰ মানস পুত্ৰ মনুৱে পৃথিৱীৰ শাসনভাৰ পাই ক্ষীৰদধি তীৰত দেৱী দুৰ্গাৰ মৃন্ময় মূৰ্তি নিৰ্মাণ কৰি আৰাধনা কৰে। সেই সময়খিনিত তেওঁ আহাৰ আৰু শ্বাস গ্ৰহণ প্ৰক্ৰিয়া ত্যাগ কৰি বহু বছৰ ধৰি ঘোৰ



তপস্যা কৰে। তাতে দেৱী দুৰ্গা প্ৰসন্ন হৈ মনুৰ আগত উপস্থিত হৈ মনুক বৰ দিলে— হে' মহাবাহু, তোমাৰ প্ৰাৰ্থনা সিদ্ধ হওক। মই তোমাৰ সকলো প্ৰাৰ্থনা স্বীকাৰ কৰিছো। বৎস! তোমাৰ ৰাজ্য নিষ্কণ্টক হওক আৰু তুমি পুত্ৰ সন্তান লাভ কৰা। এনেধৰণৰ বহু উপাখ্যান পোৱা যায়।

**মূৰ্তিসমূহ ঃ** দেৱী দুৰ্গাৰ মূৰ্তি সাধাৰণতে দুৰ্গা মাৰ পৰিয়ালৰ লগতে থকা দেখা যায়। মধ্য স্থানত অধিষ্ঠিত দেৱী দুৰ্গাৰ সোঁফালে থাকে দেৱী লক্ষ্মী আৰু গণেশ। আনহাতে বাঁওফালে থাকে দেৱী সৰস্বতী আৰু কাৰ্তিক। দেৱীৰ ওপৰৰ ফালে থাকে মহাদেৱৰ এক মূৰ্তি।

**দুৰ্গা ঃ** দুৰ্গা দেৱী হ'ল শক্তিৰ অধিষ্ঠাত্ৰী। দুৰ্গা নামৰ বুৎপত্তি হ'ল 'দ আখৰে দৈত্য নাশ, 'উ' কাৰে বিঘিনি নাশ, 'ৰেফ' ৰোগনাশক, 'গ' আখৰে পাপনাশক আৰু 'আ' কাৰে শত্ৰুনাশক। অৰ্থাৎ দৈত্য, বিঘ্ন, ৰোগ, পাপ আৰু শত্ৰুৰ ভয়ৰ পৰা যিয়ে ৰক্ষা কৰে সেয়ে দুৰ্গা। শিৱ পুৰাণ-উমাখণ্ড অধ্যায় মতে দুৰ্গ নামৰ এক অসুৰক নিধন কৰাৰ বাবে দেৱীৰ নাম দুৰ্গা হয়। অসুৰ বিনাশিনী দুৰ্গাৰ সহস্ৰাধিক নাম শাস্ত্ৰত আছে আৰু প্ৰত্যেক নামৰে বুৎপত্তিগত অৰ্থ আছে। দেৱীৰ কেইটামান নাম হ'ল— অপৰাজিতা, বিজয়া, উমা, জগত জননী, সময় বিশেষে আৰু কাৰ্য সূত্ৰ ভেদে চন্দ্ৰিকা, উগ্ৰতাৰা, চামুণ্ডা, সনাতনী, নাৰায়ণী, কাত্যায়নী, ঈশ্বৰী, জগদ্ধাত্ৰী, অম্বিকা, ৰুদ্ৰাণী, উমা, কন্যাকুমাৰী, কালৰাত্ৰি, দুৰ্গতিনাশিনী, দশভূজা, আদ্যাশক্তি, বিশ্বৰূপা, মহামায়া, হৈমৱতী, ভৈৰৱী, শৰ্বানী, মঙ্গলা, দুৰ্জয়া, দাক্ষায়ণী, অন্নপূৰ্ণা, বিঘ্নবিনাশিনী, নৃসিংহ, ভৱপ্ৰিয়া, দানৱঘণ্ডী, চন্দ্ৰাৱতী আদি দেৱী দুৰ্গাৰ অজস্ৰ নাম জনসমাজত প্ৰচলিত। বিপদ কালত শক্তি ৰূপিনী দেৱীয়ে বিভিন্ন ৰূপ ধাৰণ কৰি ভক্তক ৰক্ষা কৰে। পিতামহ ব্ৰহ্মা, ভগৱান বিষ্ণু আৰু ভগৱান শংকৰে নিজৰ শক্তিৰে এই সৃষ্টিৰ স্ৰজন, পালন-পোষণ আৰু সংহাৰ কৰে।

**সিংহ ঃ** দেৱী দুৰ্গাৰ বাহন সিংহ।

**মহিষাসুৰ ঃ** মহিষাসুৰ হৈছে এটা অসুৰ, তেওঁ দেৱী প্ৰতিমাৰ ভৰিৰ তলত থাকে। মহিষাসুৰ অসুৰ হ'লেও দুৰ্গোৎসৱৰ সময়ত তেওঁক পূজা কৰাৰ থল আছে। এই অসুৰ মহিষাসুৰক দেৱী দুৰ্গাই বধ কৰিছিল।

**গণেশ ঃ** গণেশ সিদ্ধিৰ দেৱতা, গণেশ পূজা নকৰাকৈ অন্য কোনো পূজা কৰাৰ বিধান নাই। গণেশ সদায় প্ৰথমে পূজনীয়। গণেশ দেৱীৰ সোঁফালে অৱস্থিত।

**লক্ষ্মী ঃ** লক্ষ্মী হৈছে শ্ৰী, সমৃদ্ধি আৰু বিকাশৰ প্ৰতীক।

**সৰস্বতী ঃ** সৰস্বতী জ্ঞানৰ প্ৰতীক। দেৱী দুৰ্গাৰ প্ৰতিমাৰ বাওঁফালে সৰস্বতী প্ৰতিমা অৱস্থিত।

**কাৰ্তিক ঃ** কাৰ্তিক সৌন্দৰ্যৰ প্ৰতীক। তেওঁ দেৱীৰ বাওঁফালে থাকে।

আদি শক্তি, জগত জননী মা দুৰ্গাৰ নিজৰ উপাসকৰ বাবে শীতল, শান্ত, আনন্দ প্ৰকাশিনী, কিন্তু দণ্ড দিয়াৰ সময়ত দেৱীয়ে অতি ৰুদ্ৰ ৰূপো ধাৰণ কৰে। শাস্ত্ৰ অনুযায়ী ভগৱতী দুৰ্গা দেৱীৰ নটা ৰূপ পোৱা যায়। শৈলপুত্ৰী, ব্ৰহ্মচাৰিণী, চন্দ্ৰঘণ্টা কুষ্মাণ্ডা, স্কন্দমাতা, কাত্যায়নী, কালৰাত্ৰি, মহাগৌৰী আৰু সিদ্ধিদাত্ৰী।

আহিন মাহৰ শুক্লা প্ৰতিপদৰ পৰা নৱমী পৰ্যন্ত দেৱী দুৰ্গাৰ আৰাধনা কৰাৰ বিশেষ সময়। এই সময়ছোৱা ভাৰতবৰ্ষত নৱৰাত্ৰি হিচাপেও পালন কৰা হয়। দুৰ্গাপূজাৰ সময়ত এই নৱৰাত্ৰিত দেৱীৰ নটা শক্তি জাগ্ৰত হয়, সেয়েহে বহুতো দুৰ্গাৰ উপাসকে এই সময়ত উপবাসে থাকি নৱৰাত্ৰি পালন কৰে। এই নৱৰাত্ৰিৰ নটা ৰূপ হ'ল এনেধৰণৰ—

**শৈলপুত্ৰী ঃ** মা দুৰ্গাৰ নটা ৰূপৰ ভিতৰত প্ৰথম ৰূপ হ'ল ভগৱতী শৈলপুত্ৰী। পৰ্বতৰাজ হিমালয়ৰ পুত্ৰী হোৱা বাবেই দেৱী শৈলপুত্ৰী হিচাপে জনজাত হৈছিল। গৰুৰ বাহনত বহি থকা ভগৱতী শৈলপুত্ৰীৰ সোঁহাতত ত্ৰিশূল আৰু বাঁও হাত সুন্দৰ পদুম ফুলৰ দ্বাৰা সুশোভিত। দেৱীৰ মূৰ অৰ্ধচন্দ্ৰ আৰু স্বৰ্ণ মুকুটৰ দ্বাৰা সুশোভিত। ন গৰাকী দুৰ্গাৰ মাজত এয়া হ'ল প্ৰথম দুৰ্গা। ইয়াৰ পূৰ্ব জন্মত প্ৰজাপতি দক্ষৰ কন্যাৰূপে জন্মগ্ৰহণ কৰিছিল। তেতিয়া তেওঁৰ নাম আছিল 'সতী'। তেওঁ নিজৰ কঠোৰ তপস্যাৰে ভগৱান শিৱক প্ৰসন্ন কৰি স্বামীৰূপে লাভ কৰিছিল। কিন্তু তেওঁৰ পিতৃ এই বিবাহৰ বিৰোধী আছিল। এবাৰ প্ৰজাপতি দক্ষৰ এখন বৃহৎ যজ্ঞত তেওঁৰ স্বামী প্ৰভু শিৱক নিমন্ত্ৰণ নকৰিলে। কিন্তু দেৱীৰ প্ৰবল আগ্ৰহ দেখি ভগৱান শংকৰে তেওঁক পিতৃ গৃহলৈ যোৱাৰ বাবে অনুমতি দিলে। পিতৃ গৃহলৈ গৈ তেওঁ দেখিলে যে তাত প্ৰতিটো ক্ষেত্ৰত চাৰিওপিনে ভগৱান শংকৰৰ প্ৰতি তিৰস্কাৰৰ ভাবহে প্ৰতিপন্ন হৈছে। নিজ স্বামীৰ প্ৰতি এনে ঘোৰ অপমান সহ্য কৰিব নোৱাৰি নিজকে যোগাগ্নিৰ দ্বাৰা ভস্মীভূত কৰিলে আৰু পিছত সেই সতীয়েই শৈলৰাজ হিমালয়ৰ পুত্ৰী ৰূপে পৰৱৰ্তী জন্ম গ্ৰহণ কৰিলে। 'পাৰ্বতী', 'হৈমৱতী'ও তেওঁৰ নাম। উপনিষদৰ এটি আখ্যান মতে 'হৈমৱতী' স্বৰূপ ধাৰণ কৰি দেৱতাসকলৰ দৰ্পচূৰ্ণ কৰিছিল। 'শৈলপুত্ৰী'ৰ বিবাহো ভগৱান শিৱৰ সৈতে হৈছিল। নগৰাকী দুৰ্গাৰ মাজত প্ৰথম 'শৈলপুত্ৰী' দুৰ্গাৰ মহিমা আৰু শক্তি অনন্ত। ভগৱতী শৈলপুত্ৰী পূজা আহিন মাহৰ শুক্লপক্ষৰ প্ৰতিপদৰ দিনা অৰ্থাৎ নৱৰাত্ৰি পূজনৰ প্ৰথম দিৱসত এই শৈলপুত্ৰীৰ পূজা আৰু উপাসনা কৰা হয়। মনোবাঞ্ছিত সিদ্ধিৰ বাবে এই দেৱীৰ পূজা উক্ত দিনা কৰিলে ভক্তই সকলো প্ৰকাৰৰ মনে বিচৰা কাৰ্যত সিদ্ধি লাভ কৰে।

**ব্ৰহ্মচাৰিণী ঃ** মা দুৰ্গাৰ দ্বিতীয় স্বৰূপটো হ'ল 'ব্ৰহ্মচাৰিণী'। ইয়াত 'ব্ৰহ্ম' শব্দৰ অৰ্থ হ'ল তপস্যা। ব্ৰহ্মচাৰিণী অৰ্থাৎ তপচাৰিণী, তপস্যা কৰা তপস্বিনী। কঠোৰ তপস্যা আৰু ধৈৰ্যৰ অধিকাৰী হোৱাৰ বাবেই দেৱীৰ এই স্বৰূপ ব্ৰহ্মচাৰিণী নামেৰে প্ৰসিদ্ধ হৈছিল। ঋষি-মুনিসকলেও দেৱীৰ এই কঠোৰ তপস্যা দেখি বিস্ময় মানিছিল। এই দেৱীৰ স্বৰূপ হ'ল অতি শান্ত আৰু ভদ্ৰ। দেৱীৰ সোঁ হাতত জপমালা, বাঁওহাতত কমণ্ডলু আৰু মূৰ স্বৰ্ণ মুকুটেৰে সুশোভিত। নৱৰাত্ৰিৰ দ্বিতীয় দিনা দেৱীৰ ব্ৰহ্মচাৰিণী ৰূপৰ উপাসনা কৰা হয়।

মা দুৰ্গাৰ এই ৰূপ ভক্তসকলৰ কাৰ্যসিদ্ধি আৰু খুবেই ফল প্ৰদানকাৰী হিচাপে বিবেচিত। এই দেৱীৰ উপাসনা কৰিলে মানুহৰ ত্যাগ, বৈৰাগ্য আৰু ধৈৰ্য বৃদ্ধি হয়। জীৱনৰ কঠোৰ সংগ্ৰামতো তেওঁৰ মন কৰ্তব্যৰ পৰা বিচ্যুত নহয়।

**চন্দ্ৰঘণ্টা ঃ** মা দুৰ্গাৰ তৃতীয় স্বৰূপ চন্দ্ৰঘণ্টা নামেৰে প্ৰসিদ্ধ। নৱৰাত্ৰিৰ উপাসনাত তৃতীয় দিনা এওঁৰ বিগ্ৰহৰ পূজা-আৰাধনা কৰা হয়। এই স্বৰূপ পৰম শান্তিদায়ক আৰু কল্যাণকাৰী। এই দেৱীৰ মূৰত ঘণ্টাৰ দৰে চন্দ্ৰ সুশোভিত হোৱা বাবেই এই দেৱীক চন্দ্ৰঘণ্টা বুলি কোৱা হয়। এই দেৱীৰ শৰীৰৰ বৰণ সুবৰ্ণৰ দৰে উজ্জ্বল। এই দেৱী দশভূজা। দেৱীৰ সোঁফালৰ হাত চাৰিখনত ধনু, বাণ, পদুম আৰু হাত অভয় মুদ্ৰাৰ দ্বাৰা সুশোভিত। পঞ্চম হাত বুকুত থকা মালাত থাকে। আনহাতে বাঁওহাত কমণ্ডলু, বায়ুমুদ্ৰা, খৰ্গ, গদা আৰু ত্ৰিশূলেৰে সুশোভিত। বাহন হ'ল সিংহ। যুদ্ধৰ বাবে সদায় সাজু হৈ থকা ভাব মুদ্ৰা। ঘণ্টাৰ নিচিনা এওঁৰ প্ৰচণ্ড ধ্বনিত অত্যাচাৰী দানৱ, দৈত্য-ৰাক্ষস সদায় কম্পিত হৈ থাকে। এই দেৱীক আৰাধনা কৰিলে মানুহ সিংহৰ দৰে পৰাক্ৰমী আৰু সদায়েই নিৰ্ভয় হৈ থাকে। এই দেৱীয়ে সদায়েই দুষ্টক দমন আৰু বিনাশ কৰিবলৈ জাগ্ৰত হৈ থাকে।

**কুষ্মাণ্ডা ঃ** মা দুৰ্গাৰ চতুৰ্থ ৰূপ কুষ্মাণ্ডা নামেৰে প্ৰসিদ্ধ। নৱৰাত্ৰিৰ চতুৰ্থ দিনা দেৱী কুষ্মাণ্ডাৰ পূজা কৰা হয়। এই দেৱীয়ে নিজৰ সুন্দৰ হাঁহি, প্ৰেম আৰু মাধুৰ্যৰ প্ৰবাহেৰে ব্ৰহ্মাণ্ড উৎপত্তি কৰা বাবেই এই দেৱী কুষ্মাণ্ডা নামেৰে প্ৰসিদ্ধ। সৃষ্টিৰ অস্তিত্বই যেতিয়া নাছিল, চাৰিওপিনে অন্ধকাৰ, কেৱল অন্ধকাৰহে পৰিব্যাপ্ত হৈ আছিল, তেতিয়া এই দেৱীয়েই নিজৰ 'ঈষৎ' হাঁহিৰে ব্ৰহ্মাণ্ড ৰচনা কৰিছিল। গতিকে এওঁ হ'ল সৃষ্টিৰ আদিস্বৰূপা, আদি শক্তি, আঠখন হাতযুক্ত দেৱী কুষ্মাণ্ডা সূৰ্যৰ সমান দীপ্তিমান আৰু অলৌকিক শক্তিৰ অধিকাৰী। আঠখন হাত থকা বাবে বহুতে আকৌ এই দেৱীক অষ্টবাহুধাৰী বুলিও কয়। এই দেৱীৰ সোঁহাতত কমণ্ডলু, ধনু বান, পদুমেৰে সুশোভিত আৰু বাঁওহাতত অমৃত কলহ, জপমালা, গদা আৰু চক্ৰৰে পূৰ্ণতা লাভ কৰিছে। মূৰ স্বৰ্ণ মুকুট আৰু কাণ স্বৰ্ণ আভূষণযুক্ত। এই দেৱীৰ বাহনো হৈছে সিংহ। সংস্কৃত ভাষাত কুষ্মাণ্ডাৰ অৰ্থ হ'ল কোমোৰা। বলিসমূহৰ ভিতৰত কোমোৰা বলি এওঁৰ আটাইতকৈ প্ৰিয়। এই দেৱীক আৰাধনা কৰিলে, ভক্তৰ সমস্ত ৰোগ, শোক বিনষ্ট হৈ যায় আৰু যশ, বল, আয়ুস বৃদ্ধি পায়।

**স্কন্দমাতা ঃ** মা দুৰ্গাৰ পঞ্চম ৰূপক স্কন্দমাতা বুলি জনা যায়। স্কন্দৰ আন এক নাম হ'ল কুমাৰ কাৰ্তিক। কুমাৰ কাৰ্তিকৰ মাতৃ হোৱাৰ বাবে দেৱী দুৰ্গাৰ এই পঞ্চম স্বৰূপ স্কন্দমাতা নামেৰে জনাজাত। ভগৱতী স্কন্দমাতা চাৰি বাহুযুক্ত। এওঁ সোঁহাতে কাৰ্তিকক কোলাত বহুৱাই লৈছে আৰু আনখন হাতেৰে পদুম ফুল ধৰি আছে। এওঁৰ বাঁওহাত এখনেৰে বৰ মুদ্ৰা আৰু আনখন পদুম ফুলেৰে সুশোভিত মূৰত স্বৰ্ণ মুকুট আৰু কাণত স্বৰ্ণাভূষণেৰে সুশোভিত। এই দেৱীৰ বাহন হ'ল সিংহ। নৱৰাত্ৰিৰ পঞ্চম দিনা মা স্কন্দমাতাৰ পূজা-উপাসনা কৰিলে ভক্তৰ সমস্ত ইচ্ছা পূৰ্ণ হয়।

**কাত্যায়নী ঃ** মা দুৰ্গাৰ ষষ্ঠ স্বৰূপ কাত্যায়নী নামেৰে





প্ৰসিদ্ধ। এই দেৱীৰ শৰীৰৰ ৰং অন্ধকাৰৰ দৰে ক'লা, মূৰৰ চুলিবোৰ খোলা আৰু বিশৃংখল, গলত বিদ্যুতৰ দৰে চিক্‌মিক কৰা মালা, দেৱী তিনি নেত্ৰযুক্ত, তিনিওটা চকু ব্ৰহ্মাণ্ডৰ নিচিনা ঘূৰণীয়া। সেইবোৰৰ পৰা বিদ্যুতৰ নিচিনা ৰশ্মি বিকিৰিত হৈ থাকে। নাকেদি উশাহ-নিশাহত ভয়ংকৰ প্ৰচণ্ড অগ্নি শিখাবোৰ ওলাই থাকে। বাহন হ'ল গৰ্দভ অৰ্থাৎ গাধ। চাৰি বাহুযুক্ত দেৱীৰ সোঁহাত যথাক্ৰমে অভয় আৰু বৰ মুদ্ৰাযুক্ত। আনহাতে বাঁও বাহুৰে লোৰ কটা স্বৰূপ অস্ত্ৰ আৰু তৰোৱালেৰে সুশোভিত। মা 'কালৰাত্ৰি'ৰ স্বৰূপ দেখাত অতি ভয়ংকৰ যদিও তেওঁ সদায় শুভ ফলহে প্ৰদান কৰে। তাৰ কাৰণে তেওঁৰ নাম হ'ল 'শুভংকৰী'। নৱৰাত্ৰিৰ সপ্তম দিনা মা কালৰাত্ৰিৰ পূজা-অৰ্চনা কৰা হয়।

**মহাগৌৰী ঃ** মা দুৰ্গাদেৱীৰ অষ্টম শক্তিৰ নাম হ'ল— মহাগৌৰী, এওঁ সম্পূৰ্ণৰূপে গৌৰ বৰ্ণা। এই গৌৰ বৰণৰ গৌৰতাৰ উপমা শংখ, চন্দ্ৰ আৰু কুন্দ ফুলৰ সৈতে দিয়া হয়। মান্যতা অনুসৰি এওঁ হ'ল আঠ বছৰীয়া। সকলো বস্ত্ৰ আৰু আ-অলংকাৰ শ্বেত বৰ্ণৰ। নিজৰ পৰৱৰ্তী ৰূপত এওঁ ভগৱান শিৱক পতিৰূপে পাবলৈ কঠোৰ তপস্যা কৰিছিল। এনে কঠোৰ তপস্যা কৰা হেতু বৰণ সম্পূৰ্ণৰূপে ক'লা পৰি গ'ল। তেওঁৰ তপস্যাত প্ৰসন্ন আৰু সন্তুষ্ট হৈ যেতিয়া ভগৱান শিৱই শৰীৰ ঘহি ঘহি গংগাৰ পৱিত্ৰ পানীৰে গা ধুৱালে, তেতিয়া তেওঁৰ শৰীৰ বিদ্যুৎ প্ৰভাৰ নিচিনা অতি কান্তিমান গৌৰ হৈ উঠিল। তেতিয়াৰ পৰা এওঁৰ নাম 'মহাগৌৰী' হ'ল। বাহন হ'ল গৰু আৰু এই দেৱী চাৰিভূজা। সোঁফালৰ হাত ত্ৰিশূল আৰু বৰমুদ্ৰাযুক্ত। আনহাতে বাঁওফালৰ হাত ডম্বৰু আৰু অভয় মুদ্ৰাৰে সুশোভিত। নৱৰাত্ৰিৰ অষ্টম দিনা মহাগৌৰী পূজা- উপাসনা সদায়ে ফলদায়ী, সকলো পাপ নাশকাৰী, ভক্তৰ সকলো ধৰণৰ মনোবাঞ্ছা পূৰ্ণ কৰে। তদুপৰি এই দেৱীৰ উপাসনাতেই ভক্তই অলৌকিক সিদ্ধি লাভ কৰে।

**সিদ্ধিদাত্ৰী ঃ** মা দুৰ্গা দেৱীৰ নৱম ৰূপৰ নাম হ'ল— 'সিদ্ধিদাত্ৰী'। এওঁ নিজৰ ভক্তসকলক আঠ প্ৰকাৰৰ সিদ্ধি প্ৰদান কৰিব পাৰে। মাৰ্কেণ্ডেয় পুৰাণৰ মতে অনিমা, মহিমা, গৰিমা, লঘিমা, প্ৰাপ্তি, প্ৰাকাম্য, ঈশিত্ব আৰু ৰশিত্ব সিদ্ধি এই অষ্টবিধ। ব্ৰহ্মা বৈৱৰ্ত পুৰাণৰ শ্ৰীকৃষ্ণ জন্ম খণ্ডত এনে সিদ্ধিৰ সংখ্যা ওঠৰ বুলি কোৱা হৈছে। যেনে— অনিমা, লঘিমা, প্ৰাপ্তি, প্ৰকাম্য, মহিমা, ঈশিত্ব, সৰ্বকামাৱসায়িতা, সৰ্বতত্ত্ব, দূৰ শ্ৰৱণ, পৰাকায়প্ৰৱেশন, বাক সিদ্ধি, কল্পবৃক্ষত্ব, সৃষ্টি, সংহাৰ কৰণ সামৰ্থ্য, অমৰত্ব, সৰ্বনায়কত্ব, ভাৱনা আৰু সিদ্ধি।

ভক্ত আৰু সাধকসকলক আই সিদ্ধিদাত্ৰীয়ে উক্ত সকলো ধৰণৰ সিদ্ধি প্ৰদান কৰিবলৈ সমৰ্থ। দেৱী পুৰাণৰ মতে এওঁৰ কৃপাত ভগৱান শিৱই এইবোৰ সিদ্ধি লাভ কৰিছিল। মা সিদ্ধিদাত্ৰী চাৰি

প্ৰসিদ্ধ। মহৰ্ষি কাত্যায়নৰ ঘৰত পুত্ৰীৰূপে জন্ম হোৱাৰ বাবেই দেৱী 'কাত্যায়নী' নামেৰে প্ৰসিদ্ধ হৈছিল। আনহাতে মহৰ্ষি কাত্যায়নে ভগৱতীৰ উপাসনাত বহু বছৰ ব্যাপী কঠিন তপস্যা কৰিছিল। 'আই ভগৱতীয়ে তেওঁৰ কোলাত পুত্ৰী ৰূপে জন্ম লওক'।— তেওঁৰ মনোকামনা এয়ে আছিল। আই ভগৱতীয়ে তেওঁৰ প্ৰাৰ্থনা স্বীকাৰ কৰিছিল। কিছু কালৰ পিছত পৃথিৱীত দানৱ মহিষাসুৰৰ অত্যাচাৰ বৰকৈ বাঢ়ি যোৱাত ভগৱান বিষ্ণু, ব্ৰহ্মা আৰু মহেশ্বৰ এই তিনিওগৰাকীয়ে নিজ নিজ তেজৰ অংশ প্ৰদান কৰি মহিষাসুৰৰ বিনাস হেতু এগৰাকী দেৱীক উৎপন্ন কৰিলে। মহৰ্ষি কাত্যায়নে সৰ্বপ্ৰথমে এই দেৱীৰ পূজা-অৰ্চনা কৰিছিল। তাৰ বাবে এই দেৱীয়ে 'কাত্যায়নী' আখ্যা পালে বুলিও কোৱা হয়।

শাস্ত্ৰ অনুসৰি জনা যায় যে দেৱীয়ে আহিন মাহৰ কৃষ্ণ চতুৰ্থীৰ দিনা মহৰ্ষি কাত্যায়নৰ ঘৰত জন্মগ্ৰহণ কৰিছিল। আহিনৰ শুক্লা সপ্তমী, অষ্টমী, নৱমীৰ দিনা তেওঁৰ দ্বাৰাই পূজা গ্ৰহণ কৰিছিল আৰু অৱশেষত আহিনৰ শুক্লা দশমীৰ দিনা কাত্যায়নী দেৱীয়ে মহিষাসুৰৰ বধ কৰিছিল। দেৱী কাত্যায়নীৰ ৰূপ চাৰি বাহুযুক্ত। সিংহৰ বাহন, স্বৰ্ণ মুকুট ধাৰিণী দেৱীৰ সোঁফালৰ হাত দুখন অভয় আৰু বৰমুদ্ৰা যুক্ত আৰু বাঁওফালৰ হাতদুখন ক্ৰমে অস্ত্ৰ আৰু পদুম ফুলেৰে সুশোভিত। নৱৰাত্ৰিৰ ষষ্ঠ দিনা দেৱী কাত্যায়নীৰ পূজা-অৰ্চনা, উপাসনা কৰিলে ভক্তই অৰ্থ, ধৰ্ম লাভ কৰাৰ উপৰি সকলো ধৰণৰ দুখ-দুৰ্গতিৰ পৰা পৰিত্ৰাণ পায়।

**কালৰাত্ৰি ঃ** মা দুৰ্গাৰ সপ্তম ৰূপটো কালৰাত্ৰি নামেৰে

বাহুযুক্ত আৰু পদুম ফুলত বহি থাকে। দেৱীৰ সোঁহাত দুখনত যথাক্ৰমে গদা আৰু চক্ৰ, আনহাতে বাঁওহাত পদ্ম আৰু শংখৰে সুশোভিত। দেৱীয়ে ডিঙিত ফুলৰ মালা আৰু স্বৰ্ণ মুকুট ধাৰণ কৰিছে। নৱৰাত্ৰিৰ নৱম দিনা দেৱী সিদ্ধিদাত্ৰীৰ পূজা-অৰ্চনা কৰা হয়। দেৱী সিদ্ধিদাত্ৰীৰ আৰাধনাৰ ফলত যিকোনো দুৰ্লভ বস্তু বা ভক্তৰ সকলো মনোবাঞ্ছা পূৰ্ণ হয়। দেৱী সিদ্ধিদাত্ৰীৰ পূজা দেৱতা, অসুৰ, গন্ধৰ্ব আদি সকলোৱে কৰে আৰু দেৱীয়ে সকলোৰে মনোবাঞ্ছা পূৰ্ণও কৰে।

এইদৰে নৱৰাত্ৰি বা দুৰ্গাপূজাত দেৱী দুৰ্গাৰ নটা ৰূপৰ বিধিপূৰ্বক পূজা-পাঠ কৰা হয়। ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তত নৱৰাত্ৰি বিভিন্ন নিয়মেৰে পালন কৰা হয়। নৱৰাত্ৰিৰ সময়ত দেৱী দুৰ্গাৰ পূজা-অৰ্চনাৰ মাধ্যমেৰে জীৱনৰ দুখ-দুৰ্গতিসমূহ সহজে নাশ কৰিব পাৰি। আমাৰ ভাৰতবৰ্ষত তথা ইয়াৰ বিভিন্ন প্ৰান্তত সাধাৰণতে আহিনৰ শুক্ল পক্ষৰ ষষ্ঠ দিন তথা ষষ্ঠীৰ পৰা আৰম্ভ হৈ দশমী পৰ্যন্ত থাকে, এই দুৰ্গোৎসৱ। এই পাঁচদিন যথাক্ৰমে দুৰ্গা ষষ্ঠী, মহাসপ্তমী, মহাষ্টমী, মহানৱমী আৰু বিজয়া দশমী নামে জনাজাত। এই পক্ষটোক দেৱীপক্ষ নামেৰেও জনা যায়। পূৰ্বৱৰ্তী অমাৱস্যাৰ দিনা এই দেৱী পক্ষৰ সূচনা হয় আৰু ইয়াক মহালয়া বুলিও জনা যায়। পূৰ্ণিমাৰ দিনা লক্ষ্মী পূজা হিচাপে গণ্য কৰা হয়। দেৱীপূজাৰ এই বিশেষ পাঁচটা দিন আৰু মহালয়াৰ কিছু আভাস আগবঢ়োৱা হ'ল।

**মহালয়া ঃ** পূজাৰ কেইদিনমান আগতে এই মহালয়া পাৰ্বণ হয়। পিতৃপক্ষ নাইবা মহালয়া হিন্দুধৰ্ম অনুসৰি, পূৰ্বপুৰুষ তৰ্পণাদিৰ বাবে প্ৰশস্ত এক বিশেষ পক্ষ। এই পক্ষ পিত্ৰুপক্ষ, যোল্লা শ্ৰাদ্ধ, মহালয়া পক্ষ, অপৰপক্ষ আদি নামেৰেও জনা যায়। মহালয়া পক্ষৰ ১৫ টা তিথি হ'ল— প্ৰতিপদৰ পৰা অমাৱস্যালৈ। সৰ্বপিতৃ অমাৱস্যা দিৱসত তিথিৰ নিয়মৰ বাহিৰে সকলো পূৰ্বপুৰুষৰেই শ্ৰাদ্ধ কৰা হয়। নিৰ্দিষ্ট দিনত শ্ৰাদ্ধ কৰিবলৈ পাহৰি গ'লে এই দিনত শ্ৰাদ্ধ কৰিব পৰা যায়। এই দিনত গয়াত শ্ৰাদ্ধ কৰিলে বিশেষভাৱে ফলপ্ৰাপ্তি হয়। উল্লেখযোগ্য যে গয়াত সমগ্ৰ পিতৃপক্ষ জুৰি মেলা চলে। পৰলোকগামী আত্মাই য'তেই অৱস্থান নকৰক, মহালয়াত তেওঁৰ জীৱিত পুত্ৰসকলে পৰলোকগামী আত্মালৈ শান্তি, সন্তুষ্টিৰে শ্ৰাদ্ধ আৰু তৰ্পণেৰে তেওঁলোকক মৰ্ত্যলৈ আহ্বান কৰে। উল্লেখযোগ্য যে এই শ্ৰাদ্ধ কেৱল পূৰ্বৱৰ্তী তিনি পুৰুষৰেই হৈ থাকে। মাতৃৰ কুলত পুৰুষ সদস্য নাথাকিলে সৰ্বপিতৃ অমাৱস্যাত দৌহিত্ৰ মাতামহৰ শ্ৰাদ্ধ কৰিব পাৰি। কোনো কোনো বৰ্ণত পূৰ্বৱৰ্তী এক পুৰুষৰেই শ্ৰাদ্ধ কৰা হয়। এই সময়ছোৱাত যমৰাজে মৃত ব্যক্তিসকলৰ আত্মাক তেওঁলোকৰ সতি-সন্ততিসকলৰ কুশল মংগল জানিবলৈ পৃথিৱীলৈ পঠিয়াই দিয়ে। এই মৃত ব্যক্তিসকলৰ আত্মাই তেওঁলোকৰ সতি-সন্ততিৰ ঘৰৰ বাহিৰত মুখ্য দুৱাৰমুখত আহি উক্ত কেইদিন থাকিবলৈ লয়। সেই বাবে উক্ত কেইদিনত জীৱিত আত্মীয়সকলেও তেওঁলোকৰ সন্মানাৰ্থে ঘৰৰ দুৱাৰমুখৰ বাহিৰত এগছি চাকি জ্বলাই ৰাখিব লাগে যাতে আমাৰ পূৰ্ব পুৰুষৰ আত্মাসকলে ঘৰৰ সকলোৰে কুশল-মংগল জানিব পাৰি সুখীভাৱে পুনৰ স্বৰ্গগামী হয়। এনেধৰণৰ কিছুমান প্ৰচলিত নিয়ম বা কথা শুনিবলৈ পোৱা যায়। মহালয়াৰ দিনা এনেধৰণৰ শ্ৰাদ্ধ তৰ্পণ কৰাটো বিশেষভাৱে উল্লেখযোগ্য। মহালয়াৰ দিনায়ে দুৰ্গা পূজাৰ সূচনা হয়। লোকবিশ্বাস অনুযায়ী এই দিনতে দেৱী দুৰ্গা মৰ্ত্যলোকত আবিৰ্ভাৱ হয়। মহালয়াৰ দিনা অতি পুৱাই চণ্ডীপাঠ কৰাৰ ৰীতি আছে। মহালয়াৰ দিনাৰ পৰাই দুৰ্গা পূজাৰ আৰম্ভ হৈ যায়। চাৰিওফালে নতুন নতুন বস্তু-বাহানি, কাপোৰ-কানিৰে ভৰি পৰে। ঠিক সেইদৰে প্ৰকৃতিয়েও ন সাজেৰে মৰমৰ দুৰ্গা পূজাটিক আদৰণি জনায়। মহালয়াৰ পৰাই এক কথাত পূজাৰ আৰম্ভ হয়।

**ষষ্ঠী নাইবা বেলবৰণ ঃ** মহালয়াৰ পিছৰ ষষ্ঠী তিথিত বোধন আমন্ত্ৰণ আৰু দেৱীৰ অধিবাস হয় বিধি অনুযায়ী। বোধনক বিল্ববোধন বুলি কোৱা হয়। ষষ্ঠীৰ গধূলি বেলা বেলগছৰ গুৰিত শিৱ-দুৰ্গা, গণেশাদি দিকপালগণৰ পূজা কৰা হয়। বিল্ব বৃক্ষক (বেলগছ) শিৱ জ্ঞানে পূজা কৰা হয়। পূজাৰ পিছত হাতযোৰ কৰি দুটা বেলৰ সৈতে বেলগছৰ এটা ডাল ভিক্ষা কৰে। অনুমতি সাপেক্ষে তাকে গ্ৰহণ কৰা হয়। ইয়াৰ পিছত নৱ পত্ৰিকাৰ পূজন হয়। 'নৱ-পত্ৰিকা' অৰ্থাৎ নৱবিধ প্ৰকৃতিময়ী গছ-লতা হ'ল— ৰম্ভা, কন্ধি, হৰিদ্ৰা, জয়ন্তী, বিল্ব, ডৰিমো, অশোকং, মানকচং, চৈৱ, ধান্যঞ্চ, নৱ পত্ৰিকা। (কলগছ, কচু, হালধিৰ গছ, জয়ন্তী ফুলৰ পুলি, যুগ্ম বেল, ডালিম, অশোক ফুল, মানকচু আৰু ধানৰ গোচ এটা)।

ইয়াৰ পিছত সপ্তমী, অষ্টমী আৰু নৱমী পূজাৰ কাৰণে ষষ্ঠীৰ সন্ধ্যা কালত দেৱী আমন্ত্ৰণ কৰি অধিবাস কৰা হয়। ষষ্ঠীত দেৱীৰ জন্ম কল্পনা কৰা হয়। শস্যৰ দ্বাৰা পৰিপূৰ্ণ, স্নিগ্ধ জোনৰ পোহৰত দেৱীয়ে ধৰালৈ আগমন কৰে। সেইদিনা দুৰ্গাদেৱীক শিৱ শক্তিৰূপে আৰাধনা কৰা হয়। প্ৰবাদমতে দেৱী কৈলাসৰ পৰা শিৱ সহিতে মৰ্ত্যলৈ নামি আহি পূজা গ্ৰহণ কৰে। অধিবাসৰ শেষ প্ৰণাম কৰি পুনৰ পূজাৰ দ্ৰব্যৰ দ্বাৰা দেৱীৰ নৱপত্ৰিকা, অস্ত্ৰ-শস্ত্ৰ, দৰ্পণ আদিৰ অধিবাস কৰা হয়।

ষষ্ঠীৰ দিনা দেৱী মুখমণ্ডলৰ পৰা পৰ্দা গুচোৱাৰ পৰাই দুৰ্গাপূজাৰ আৰম্ভণি হয়, ইয়াক উলহ-মালহেৰে পালন কৰা হয়।

**মহাসপ্তমী ঃ** মহাসপ্তমীৰ এই দিনটোক দুৰ্গাপূজাৰ প্ৰথম দিন বুলি ধৰা হয়। নৱৰাত্ৰিৰ সপ্তম দিনটোক অৰ্থাৎ আহিন মাহৰ শুক্ল পক্ষৰ সপ্তমীৰ দিনটোত এই পূজা কৰা হয়। যাক আমি দুৰ্গা পূজাৰ মহাসপ্তমী বুলি কওঁ। এই দিনটোত সূৰ্যৰ প্ৰথমটো কিৰণ উদয় হোৱাৰ সময়তে নৱপত্ৰিকা অনুষ্ঠান তথা নৱপত্ৰিকা পূজন কৰা হয়। নৱপত্ৰিকা হৈছে এবিধ প্ৰকৃতিময়ী গছ-লতা, যিয়ে নৱদুৰ্গাক প্ৰতিনিধিত্ব কৰে। দুৰ্গাৰ এটা ৰূপৰ লগত তুলনা কৰি এই নৱপত্ৰিকা পূজন কৰা হয়। এই অনুষ্ঠানত এজোপা কলগছৰ পুলিক দেৱী দুৰ্গা জ্ঞান কৰি পূজা কৰা হয়। নদীৰ পাৰত স্নান কৰোৱাৰ লগতে হালধীয়া ৰঙা পাৰী দিয়া শাৰী পৰিধান কৰোৱা হয়। এই গছজোপাক 'কলাবৌ' বুলিও কোৱা হয়। ইয়াৰ পিছত অন্যান্য কিছুমান পূজা-পাতল তথা নিয়ম কৰাৰ পাছত, বাদ্য যন্ত্ৰ, ঢোলক আদিৰ সৈতে



এক উল্লাস-আনন্দৰ মাজেৰে পূজা মণ্ডপলৈ তথা পূজাথলীলৈ লৈ অহা হয় আৰু দেৱী দুৰ্গাৰ মূৰ্তিৰ সোঁফালে থকা গণেশৰ মূৰ্তিৰ কাষত এই কলাবৌক প্ৰতিষ্ঠা কৰা হয়।

মহাসপ্তমীৰ দিনা দেৱীৰ পুষ্পাঞ্জলি ভক্তসকলক অৰ্পণ কৰাৰ পাছত ভোগ বিতৰণ কৰা হয় আৰু সন্ধিয়া মহাসপ্তমী পূজাৰ আৰতি কৰা হয়।

এই সপ্তমী পূজাৰ দিনাৰ পৰাই দেৱী দুৰ্গাই পৃথিৱীখনক মহিষাসুৰৰ দৰে অসুৰৰ পৰা ৰক্ষা কৰিবলৈ যুদ্ধ কৰে। পূৰ্বতে হেনো এইদিনৰ পৰায়ে মহিষাসুৰ বধৰ যুদ্ধ আৰম্ভ হৈছিল।

অন্যান্য পূজাৰ মাজেৰে মহাসপ্তমী পূজা পাৰ হয়। তাৰ পাছত মহা অষ্টমীৰ আয়োজন কৰা হয়।

**মহাঅষ্টমী ঃ** মহাষ্টমী পূজা নৱৰাত্ৰিৰ অষ্টমটো দিনত কৰা হয়। এই দিনটোৰ বিশেষত্ব হ'ল— এই দিনটোত ম'হ বলি দিয়া হয়। দেৱীৰ সন্মুখত এই প্ৰথা কৰা হয়। শক্তিপীঠ কামাখ্যাত সপ্তমী, অষ্টমীৰ মাজনিশাও ম'হবলি দিয়া হয়। লগতে বহু ভক্তই পঠা ছাগলী, হাঁহ, পাৰ আদিও বলি দিয়া দেখা যায়। কিন্তু আজিকালি এই প্ৰথাৰ বহুতেই বিৰোধিতা কৰাও পৰিলক্ষিত হয়। ইয়াৰ প্ৰভাৱত বহু ঠাইত এই প্ৰথাৰ পৰা বিৰত থকা দেখা যায়।

মহাষ্টমীৰ দিনা অনুষ্ঠিত হোৱা আন এক আকৰ্ষণীয় পূজা হ'ল 'কুমাৰী পূজা'। এই পূজাত কুমাৰী কন্যাসকলক পূজা কৰাৰ এক বিশেষ বিধান তথা নিয়ম আছে।

মহাষ্টমীৰ দিনাও অন্যান্য পূজাসমূহৰ পাছত পুষ্পাঞ্জলি দিয়া হয় আৰু লগতে ভোগ বিতৰণ কৰা হয়। তাৰ পাছত সন্ধিয়া নৱমী পূজাৰ লগত সংগতি ৰাখি সন্ধি পূজা কৰা হয় আৰু আৰতি কৰা হয়। এনেদৰেই অষ্টমী পূজাৰো সমাপ্তি ঘটে। তাৰ পিছৰ দিনা প্ৰকৃত মুহূৰ্তৰ পৰা নৱমী পূজা আৰম্ভ হয়।

**মহা নৱমী ঃ** এই নৱমী পূজাৰ দিনটোৱেই হৈছে পূজাৰ আটাইতকৈ গুৰুত্বপূৰ্ণ দিন। অষ্টমীৰ সন্ধি পূজাৰ পাছতেই এই নৱমীৰ দিনটো আৰম্ভ হয়। এই দিনটো বহু উলহ-মালহ, আনন্দেৰে পালন কৰা হয়। ঢোলক, ড্ৰাম, তাল আদি বজাই মহা আৰতি কৰা হয়। এই মহা আৰতিৰ দ্বাৰাই এই পূজাৰ নৱমীৰ দিনটোৰ শেষ হয়।

নৱমীৰ দিনাও ভক্তক পুষ্পাঞ্জলি আৰু ভোগ প্ৰসাদ আদি বিতৰণ কৰা হয়। অতি আনন্দ-উল্লাসে এই নৱমীৰ দিনটো উদ্‌যাপন হয়। এক কথাত ক'বলৈ গ'লে নৱমীৰ দিনায়ে দুৰ্গা পূজাৰ অন্ত পৰে।

**দশমী ঃ** দুৰ্গাপূজাৰ একেবাৰে শেষৰ দিনটোক দশমী বোলা হয়। আহিন মাহৰ শুক্ল পক্ষৰ দশমী তিথিত এই দিনটো পালন কৰা হয়। নৱমীৰ পূজাৰ শেষত এই দশমী পূজা তথা অন্যান্য অনুষ্ঠান কৰা হয়। সেই দিনটোত ভক্তসকলে এক দীঘলীয়া পদ যাত্ৰা কৰি নদীৰ পাৰত দেৱী প্ৰতিমা বিসৰ্জন দিয়ে। সেইদিনাই চাৰিদিনীয়া উলহ-মালহৰ অন্ত পৰে।

আনহাতে এই দিনটোৰ অন্য এক বৈশিষ্ট্য হ'ল যে এই দিনটোতেই ৰামে ৰাৱণক বধ কৰিছিল বুলি জনবিশ্বাস আছে। এই দিনটোক অসত্যৰ ওপৰত সত্যৰ জয় হোৱা বুলি ধৰা হয়। যিহেতু এই দিনটোত ৰামৰ বিজয় হৈছিল, সেইবাবে এই বিশেষ দিনটোক তথা এই দশমীক বিজয়া দশমী বুলিও কোৱা হয়। এই দিনটোতে মানুহে নতুন কাম হাতত লোৱা দেখা যায়। প্ৰাচীন কালত ৰজা-মহাৰজাসকলে এই দিনটোতে পূজা-অৰ্চনা কৰি যুদ্ধলৈ বুলি আগবাঢ়িছিল। এই দিনটোত বহু ঠাইত নানা ধৰণৰ মেলা পতা হয়। 'ৰামলীলা' নামৰ এক বিশেষ অনুষ্ঠানো কৰা দেখা যায়। লগতে বহু ঠাইত ৰাৱণৰ বিশাল মূৰ্তি সাজি তাক দাহ কৰা হয়। আনন্দ-উল্লাস আৰু হাঁহি-স্ফূৰ্তিৰ মাজেৰে এই অনুষ্ঠান কৰা হয়। কাম, ক্ৰোধ, লোভ, মোহ, অহংকাৰ, আলস্য, হিংসা আদি পৰিত্যাগ কৰিবৰ বাবে প্ৰেৰণা দিবলৈ এই উৎসৱ পালন কৰা হয়। ঠাই বিশেষে এই 'বিজয়া দশমী' উৎসৱ তথা 'দশেহৰা' বিভিন্ন প্ৰকাৰে পালন কৰা দেখা যায়। প্ৰতিখন ঠাইৰ পূৰ্বৰ পৰা প্ৰচলিত নীতি-নিয়মৰ আধাৰত বেলেগ বেলেগ ধৰণে এই উৎসৱ তথা এই দিনটো উদ্‌যাপন কৰা দেখা যায়।

দুৰ্গাপূজাৰ বিজয়া দশমীৰ সৈতে জড়িত অনুষ্ঠানসমূহৰ ভিতৰত অপৰাজিতা পূজা আৰু দৰপূজাও বিশেষভাৱে উল্লেখযোগ্য। প্ৰথমবিধ ধৰ্মীয় কৃত্য অৰ্থাৎ অপৰাজিতা পূজা বংগদেশ, অসম, মেঘালয়, ত্ৰিপুৰা আদিত বিজয়া দশমীত পালিত হোৱা দেখা যায়। আনহাতে দ্বিতীয় কৃত্য অৰ্থাৎ দৰপূজা কিছু কিছু অঞ্চলতহে দেখা যায়।

এইধৰণৰ ধৰ্মীয় কৃত্যসমূহ সমাপন কৰি শক্তিৰ অধিষ্ঠাত্ৰী দুৰ্গা দেৱীৰ প্ৰতিমা বিসৰ্জন দিয়া হয় আৰু পিছৰ বছৰ মা দেৱী দুৰ্গাক পুনৰবাৰ আদৰিবলৈ আশাৰে অপেক্ষা কৰা হয়। ❑❑

*লেখিকাৰ ফোন ঃ ৯১০১৪৭০৩৫৫*

# ভৱিষ্যৎবাণী

**মূল ঃ আশাপূৰ্ণা দেৱী**
**অনুবাদ ঃ ডঃ গোবিন্দ প্ৰসাদ ভূঞা**

মহিলাসকলৰ বেছি বুধি-সুধি থকাটো আমাৰ দদাশহুৰে মুঠেও ভাল চকুৰে চাব নোৱাৰে। টেঙৰ-ভেঙৰ মহিলা দেখিলে বৰ খং উঠে তেওঁৰ। কয়, 'ছোৱালী দদাশহুৰ'। এইযাৰ কথাত 'দদাশহুৰ' শব্দটোৰ প্ৰতি অবিচাৰ কৰা হৈছে নেকি সেই কথাও টং কৰি নাচায়।

এনে মনোভাৱ লৈ তেওঁ যে মহিলাসকলৰ সাহিত্য চৰ্চাৰ চখক চকুপাৰি দেখিব নোৱাৰে, সেয়া নোকোৱাই ভাল। তেওঁৰ মতে, মহিলাসকলৰ বাবে সাহিত্য চৰ্চাৰ চখ এক 'দুঃসাহসিক দদাশহুৰী'। তেনেকুৱা কাৰোবাৰ সম্পৰ্কে উল্লেখ কৰিবলৈ হ'লে মহিলা শব্দটোত অনাৱশ্যকভাৱে জোৰ দি কয় 'মহিলা কবি', 'মহিলা লেখক'।

মহিলাসকলৰ পক্ষে সাহিত্য সাধনা যে এক অনধিকাৰ চৰ্চা, ইয়াৰ সপক্ষে তেওঁৰ হাতত অলেখ উদাহৰণ। তেওঁ কৈছিল, শাস্ত্ৰই মহিলাসকলক এইবোৰ কৰিবলৈ কোৱা হ'লে ব্যাকৰণ শাস্ত্ৰত 'কবি, সাহিত্যিক, নাট্যকাৰ' এই শব্দবোৰৰ স্ত্ৰীলিংগও থাকিলেহেঁতেন! নাই কিয়? এই কথাৰ আৰু কিবা উত্তৰ দিব পৰা যায়নে? যায়তো। শাস্ত্ৰত দেখোন কেতিয়াও উদাহৰণৰ অভাৱ নহয়। শাস্ত্ৰত পৰস্পৰ বিৰোধী অনেক উদাহৰণ আছে, কিন্তু উত্তৰ দিয়ে কোনে? আমাৰ ল'ৰালি কালত আজিকালিৰ দৰে দদাশহুৰসকলৰ ভুল শুধৰোৱাৰ আইন নাছিল।

অৱশ্যে আমাৰ দদাশহুৰক দোষ দিলেও সমুচিত নহয়। পোনপটীয়া কথাত এনেকুৱা উদাহৰণ নেদেখুৱালেও কি সেই সময়ত, কি আজিকালি, পুৰুষ জাতিয়ে যে তেওঁবিলাকতকৈ মনে মনে মহিলাসকলৰ বেছি বুধি-সুধি থকাটো ভাল নাপায়, সেই কথা অস্বীকাৰ কৰি লাভ নাই। তেওঁবিলাকে মহিলাসকলৰ সাহিত্য চৰ্চাও ভাল নাপায়।

তথাপি আধুনিক যুগৰ মানুহে মনৰ ভাব লুকুওৱাত পাকৈত হৈছে। সেয়ে 'মহিলা লেখক' নুবুলি সুভদ্ৰভাৱে 'লেখিকা' বুলি কোৱা হয়। সেইবুলি কোনোবাই তেওঁবিলাকক গণ্য কৰিব বিচাৰে জানো? নিবিচাৰে। যিসকল নিজে সেই কামৰ কাজী, তেওঁবিলাকেতো সৰস্বতীৰ কমল বনৰ ফালে মহিলাৰ আবিৰ্ভাৱ দেখিলেই ভ্ৰু কোঁচাই মুৰ লৰাই কয়— 'ঠাই নাই ঠাই নাই সৰু এই তৰী, আমাৰেই সোণৰ ধানে নাও আছে ভৰি।'

সেই লেখিকাসকল ঘৰ-ঘৈণী হৈ গ'লে, চুলিৰ বগাবোৰ স্পষ্টকৈ দেখা পালে কিঞ্চিৎ মাত্ৰ ঠাই এৰি দিয়ে।

এইবোৰ থাকক দিয়ক— আজিৰ কথা নহয়, সেইবোৰ আগৰ কালৰ কথা। আমাৰ ঘৰত তেৰশ ওঠৰ চনত বাৰশ আঠসত্তৰৰ বতাহেই বলি আছিল। কোনে বোৱাইছিল, সেয়া হ'লগৈ ঐতিহাসিক তথ্য। মুঠৰ ওপৰত পৰিয়ালৰ সকলোৱেই সেই বতাহৰ বা লাগি চলিবলৈ বাধ্য হৈছিল।



গল্প

ঘৰৰ ক্ষুদ্ৰ পুৰুষসকলেও 'মহিলা দদাশহুৰী' ভাল নাপাইছিল আৰু নিজকে মা, খুৰীটিৰ অভিভাৱক বুলি গণ্য কৰিছিল। বাৰ বছৰ পাৰ হ'লেই ছোৱালীবোৰক অন্তেষপুৰত ৰখা হৈছিল আৰু ক'ৰবালৈ যোৱাৰ প্ৰয়োজন হ'লে ঘোঁৰাগাড়ীত অন্ধকূপৰ ওচৰা-উচৰি ব্যৱস্থা কৰি ৰাজআলি অতিক্ৰম কৰোৱা হৈছিল। এনেকুৱা অজস্ৰ 'হৈছিল' আৰু অসংখ্য 'নহৈছিল'ৰ উদাহৰণ আছে, সেইবোৰ লিখিবলৈ ঠাইৰ অভাৱ। ছোৱালীবোৰে কি কৰিব পায় আৰু কি কৰিব নাপায় তাৰ বহুতো আইন, তাৰ অনুচ্ছেদ-উপচ্ছেদ সকলো আমি মুখস্থ ৰাখিবলগীয়া হৈছিল।

আমি এটা ডাঙৰ কাম কৰিব নোৱাৰিছিলো সেয়া হ'ল পঢ়া-শুনা কৰা। ছোৱালীহঁতে পঢ়া-শুনা শিকিলেই যে পৰপুৰুষলৈ প্ৰেমপত্ৰ লিখিবলৈ আৰম্ভ কৰিব, এই সম্পৰ্কে অভিভাৱকসকলৰ মাজত মতপাৰ্থক্য নাছিল। তথাপি ইমান সতৰ্কতাৰ মাজতো বিলাতীমাটিৰ বেৰৰ ফাঁটত আঁহত গছৰ পুলি গজি উঠাৰ দৰে মই এটা মাৰাত্মক কাম কৰি পেলালো। বাৰ বছৰ বয়সত লিখি পেলালো এটা প্ৰেমৰ কবিতা। লিখিলো, পঢ়ি পঢ়ি মুখস্থ কৰি পেলালো। সেয়া যি হওক, ভিতৰি ভিতৰি যিয়েই নকৰো, মানুহে জনাৰ কোনো উপায় নাছিল, কিন্তু পয়মালখন লগালে বাইদেৱে। মোৰ গোপন কথাৰ আদান-প্ৰদান আছিল একমাত্ৰ বাইদেউৰ সৈতে। বাইদেৱে মোৰ গোপন ভাণ্ডাৰৰ পৰা কবিতাটো আৱিষ্কাৰ কৰি সমাজত ৰাষ্ট্ৰ কৰি দিলে। আৰু সেই কবিতা প্ৰচাৰৰ লগে লগেই ঘৰখনত সূত্ৰপাত হৈ গ'ল এক মহা অনৰ্থৰ। সেই কথাকে ক'ম।

সেইদিনা অৱশ্যে বাইদেউক জীৱনৰ পৰম শত্ৰু বুলিয়েই ভাবিছিলো, বাইদেৱেও শত্ৰুতা শলাৰ মহান অনুপ্ৰেৰণাৰ পৰাই কামটো কৰিছিল। কিন্তু এতিয়া বুজিছো, বাইদেৱে আচলতে মোৰ উপকাৰেই কৰিছিল। সেইদিনা সেই অকালপক্কতাৰ পৰিচয়কণক জনাজনি কৰি নিদিয়া হ'লে এই জীৱনত কোনোবাদিনা চক্ষুলজ্জা আঁতৰিলহেঁতেন

নে নাই কোনে ক'ব পাৰে? হয়তো নপৰিলহেঁতেন, হাবিৰ ফুল হাবিতেই ফুলি মৰহি গ'লহেঁতেন। পাঠকসকল কিমান যে অমূল্য সম্পদৰ পৰা বঞ্চিত হ'লহেঁতেন। সেয়া যাওক, কবিতাৰ কথা কওঁ। কবিতাটো যেই প্ৰচাৰ হৈ হ'ল, সকলোৰে ভাও-ভংগী দেখি ভাব হ'ল মোৰ প্ৰেমৰ কবিতাটো যেন বিৰাশী সিকি ওজনৰ এটা চৰ হৈ গোটেই সংসাৰখনৰ গালত পৰিছে। প্ৰথমেই চালে মায়ে। চাই ক'লে— ভিতৰি ভিতৰি ইমান পকিছ যে তই? নাজানিছিলোৱেই। ছিঃ ছিঃ মোৰ মুখত চুণপানী সানিলি তই। দেউতাই চায়েই গম্ভীৰভাৱে ক'লে, 'লৈ যোৱা মোৰ আগৰ পৰা। ফালি-চিৰি কাগজখিলা খালত পেলাই দিয়া।'

ককাইদেউহঁতৰ মাজৰ এজনে ক'লে, 'এদিন খাবলৈ নিদিয়াকৈ কোঠালিৰ দুৱাৰ বন্ধ কৰি ভৰাই থ'লে কবিত্ব পলাই ফাট মেলিব!' আইন এজনে ক'লে, 'আই ঐ দেহি! লগতে তাইৰ কবিতাৰ বহীখন আৰু অলপ কবিতাৰ কিতাপ-পত্ৰ কোঠালিটোত থৈ দিয়া। কিতাপ চাই চাই কবিতা লিখিব লাগিবতো। নিজেহে লিখিছে যেনিবা। হুঃ! বৰদেউতাই গালি নাপাৰিলে, কেৱল দালানত পাইচাৰি কৰি কৰি ক'বলৈ ধৰিলে— 'প্ৰতিকাৰ কৰিব লাগিব, ইয়াৰ প্ৰতিকাৰ কৰিব লাগিব। এনেকুৱা স্বেচ্ছাচাৰিতা নচলিব এইখন ঘৰত। বুজিছো এইখন ঘৰৰ অভিভাৱক নাই। কবিতা লিখিছে ছোৱালীয়ে। হেম ডাঙৰীয়াই এনেয়ে লিখা নাছিল— 'কলপাতত লিখিবলৈ অপাৰগ, গ্ৰন্থ ৰচিব খোজে।'

বৰমাই সুৰত সুৰ মিলাই ক'লে— 'সঁচাই দেই। সাহকণ মানিছো আৰু সাহেইবা নহ'ব কিয়? ওপৰৰ পৰা আসৈ পাইছে।'

গোটেই দিনটো ঘৰখনত আৰু একো কথাৰ আলোচনা নহ'ল। আলোচনাৰ ঘাই বিষয়বস্তু হৈ থাকিলো কেৱল মই। মই এই পবিত্ৰ ঘৰখনৰ ছোৱালী হৈ কবিতা লিখিছো। তাকো আকৌ ভক্তিমূলক নাইবা কৰুণ ৰসাত্মকো নহয়— প্ৰেমৰ পদ্য।

মনলৈ এটা কথাই বাৰে বাৰে আহি থাকি— 'হে' বসুমতী, ফাট মেলা তুমি।' এটা অত্যন্ত কুকৰ্ম কৰি পেলাইছো তাত আৰু সন্দেহ নাথাকিল। অথচ কি কৰিছো সেয়াও ঠিক ধৰিব পৰা নাই। বাইদেউৰ আনন্দকুটিল মুখৰফালে এবাৰলৈও চাব নোৱাৰিলো।

কিন্তু তেতিয়াও চৰম পৰীক্ষাটো বাকী আছিল। ঘৰখনৰ প্ৰধান শাসনকৰ্তা, বৰদেউতাৰ সোঁহাতস্বৰূপ কণখুৰা সেইদিনা ঘৰত নাছিল। ক'লৈ গৈছিল নাজানো। ঘৰ পালেহি পিছদিনা। কণখুৰা অহাৰ সময়লৈ শুকান হৈ পৰিছো। ডিঙিৰ পৰা মাত ওলোৱা নাই। হাতত সাৰে ভৰিত সাৰে ইফালে-সিফালে গৈছো, তেওঁৰ আগলৈতো ওলোৱাই নাই। মনে মনে পৰমেশ্বৰক প্ৰাৰ্থনা কৰিছো কথাটো যাতে ঘুণাক্ষৰেও তেওঁৰ কাণত নপৰে। সেই অভিশপ্ত কাগজখিলা হাতত পৰিলেই যে দেউতাৰ আদেশ শিৰোধাৰ্য কৰি ফালি-ছিৰি খালত পেলাই দিম তাত সন্দেহ নাছিল। ক'তো কাগজখিলাৰ ছাঁটোও দেখা নাপালো। কোনে দলিল হিচাপে থৈ দিছে বাৰু?

ভগৱানে কাণেৰে নুশুনে, সৰুৰে পৰাই এই কথাটো দেখি আহিছো। নহ'লে ইমানকৈ কাকূতি কৰি মৰিছো, নুশুনিবনে? আৰু শুনিও যদি নুশুনাৰ ভাও ধৰি থাকে, তেনেহ'লে তেওঁক অতিপাত হৃদয়হীন বুলিবই লাগিব। মোৰ সেই আকুল প্ৰাৰ্থনাৰ কোনো ফল নধৰিলে। যথাসময়ত সৰু খুৰাৰ দৰবাৰলৈ তলব পৰিল।

ঘৰৰ গোটেইবোৰ ল'ৰা-ছোৱালী মোৰ বধ্যভূমিলৈ গৈ হাজিৰ হ'ল। মোৰ দুচকুত দুলিবলৈ ধৰিলে বিশ্বব্ৰহ্মাণ্ড। দেখিলো কণখুৰাৰ হাতত সেই কাগজখিলা।

— এইফালে আহ।

মই অলৰ-অচৰ।

— এইফালে আহ।

মই অচল।

— এইফালে আহ বুলিছো।

মই মন্ত্ৰত বশীভূতৰ দৰে আগবাঢ়িলো।

— এইটো তোৰ লেখা?

সন্মতিসূচক মূৰ দুপিয়ালো।

— তই নিজে লিখিছ?

পুনৰ সন্মতিসূচক ভংগী কৰিলো। কৈছোঁতো, মন্ত্ৰত বশীভূত হোৱাৰ অৱস্থা।

— মোৰ আগত মিছাকথা? ... হুংকাৰ দি উঠিল কণখুৰা। মোৰ চকুত ধূলি দিবলৈ আহ তই? ক, ক'ৰ পৰা চুৰ কৰি লিখিছ?

— ক'ৰ পৰাও চুৰ কৰা নাই।

কেৱল শিশুবাহিনীয়েই নহয়। ইতিমধ্যে ঘৰে-ঘৰোৱাহে প্ৰায় সকলো আহি সেই ঠাইত হাজিৰ হৈছেহি।

কণখুৰাই চকু ঘূৰোৱা নাই, মোৰ সঁহাৰি নাই। তেওঁ বাৰে বাৰে ক'বলৈ ধৰিছে— আকৌ মিছা কথা? ডাঙৰ নবৌৰ এই ধুৰন্ধৰ ছোৱালীজনীয়ে ঘৰৰ আটাইবোৰ ল'ৰা-ছোৱালীক উচ্ছন্ন কৰিহে এৰিব! এইখন ঘৰৰ ল'ৰা-ছোৱালীয়ে কোনো কাহানিও মিছা কথা কোৱা নাই।

ইতিমধ্যে বাকশক্তি ঘূৰাই পালো। ৰঙা পৰা মুখেৰে ক'বলৈ ধৰিলো। কেতিয়াও মিছা কথা নহয়, নিজে লিখিছো মই।

— নিজে লিখিছ তই? পণ্ডিতক শাস্ত্ৰ পঢ়ুৱাব খুজিছনে? লিখিছ যদি ক, ইয়াৰ অৰ্থ ক। সেইফালে কি ভেবা লাগি চাই আছনো? ক, অৰ্থটো।

— 'হৃদয়ত তোমাৰ পৰশ যে পাওঁ দিনে-ৰাতি'

— এইফাঁকি কাক লৈ লিখিছ? এই 'তুমি'জন কোন? ক সোনকালে কুলক্ষণী ছোৱালী!

— নাজানো।

— নাজান? তোৰ হৃদয়ৰ বাতৰি তই নাজানিলে আমি জানিম নেকি? নাজান যদি লিখিছনো কি ভাবি?

— নাজানো।

— নাঃ, তোৰ কপালত আজি শাস্তি আছে। ডাঙৰ নবৌ, সোধাচোন তোমাৰ লখিমী আইদেউৰ এই 'তুমি'জন কোন?


মায়ে ক'লে, তুমিয়েই সোধা সোণটি, মোৰ আৰু মন নাই।

কণখুৰাই ক'লে— 'চা, ভাল কোৱাতো বিচাৰ যদি ক — চুৰ কৰি লিখিছো।'

— মিছা কথা কওঁ কেনেকৈ?

— এইটো তয়েই লিখিছ?

— অ।



— এনেকুৱা আৰু এটা লিখি দেখুৱাব পাৰিবি?

— কিয় নোৱাৰিম? আৰু এটা লিখি থোৱা আছেই দেখোন।

ঘৰত যেন বজ্ৰপাত পৰিল। কাৰো মুখত সাৰ-সুৰ নাই। মোৰ দুঃসাহসৰ বজ্ৰাঘাতত সকলো বাকৰুদ্ধ হৈ পৰিছে।

কণখুৰাই এচিকুট নস্য লৈ হঠাৎ হুংকাৰ দি উঠিল— লুকাই লুকাই নাটক-নভেল পঢ়া আৰম্ভ হৈছে তেনেহ'লে? ক সঁচা কথা?

মই নিৰুত্তৰ।

প্ৰতি মুহূৰ্ততে আশংকা কৰিছো ঘৰ বিভীষণ বাইদেৱে কৈ দিব নেকি বাৰু? কিন্তু বাইদেউ মনে মনেই থাকিল। বাইদেউক তেতিয়া আকৌ দেৱী বুলিয়েই ভাবিছিলো, মনে মনে কৃতজ্ঞতাকে জনাই দিলো তেওঁলৈ। পিছতহে বুজিলো, কৃতজ্ঞতাৰ অপ্ৰয়োজনীয় ব্যয়ৰ প্ৰয়োজন নাছিল। বাইদেউ মনে মনে আছিল কেঁচু খান্দোতে সাপ ওলোৱাৰ ভয়ত। দুয়োজনীয়েই যে একে দোষৰে দোষী।

কণখুৰাই সকলোৰে ফালে এবাৰ চাই মোৰ ওপৰত দৃষ্টি নিবদ্ধ কৰিলে— দুচকুৰে যেন অগনিহে বৰষিছে। ক'লে— চমৎকাৰ, ডাঙৰ বৌ ক'লৈ গ'লনো। ছোৱালীৰ বিদ্যাৰ ঢৌ চাই যোৱা। শুনাচোন—

'হৃদয়ত যে পৰশ পাওঁ তোমাৰ
দিন-ৰাত,
তথাপি পৰাণ উথলিব খোজে
কি যে বেদনাত।'

ভদ্ৰলোকৰ ঘৰৰ ঘাগৰা পিন্ধা ছোৱালীৰ 'পৰাণ উথলিব খোজে'— এনেকুৱা কথা ইয়াৰ আগতে কেতিয়াবা শুনিছানে? সেইবোৰ ঘাগৰা পিন্ধি পিন্ধিয়েই এইবোৰ হৈছে। কি ডাঙৰ নবৌ, আৰু ঘাগৰা পিন্ধাবানে ছোৱালীক!

মাৰ নিৰ্বাক নত নয়ন।

কণখুৰাই তিক্ত ব্যংগৰ সুৰেৰে তৃতীয় শাৰীটোৰ পৰা আৰম্ভ কৰিলে—

'গোটেই দিন বাটলৈ চাওঁ
কাৰ আশে
হাতাশাত পুনৰ নিবিড় আন্ধাৰ
ঘন হৈ আহে।'

— মূৰৰ পৰা ভৰিলৈকে পানী ঢলা। অ', মূৰৰ পৰা ভৰিলৈকে চোৰাতপাতেৰে কোবাই পানী ঢলাই হৈছে ইয়াৰ একমাত্ৰ দৰব।


— সোণটি, মাৰি-ধৰি যি কৰি হ'লেও শাস্তিতো দিবই লাগিব ছোৱালীক। মাই কন্দনামুৱা হৈ ক'লে।

কণখুৰা হাঁহি হাঁহি থিয় হ'ল। ক'লে— শাস্তি। এইজনী ছোৱালীক মই শাস্তি দিম? মোৰ দ্বাৰা নহ'ব। তথাপি— অঁ শাস্তিতো পাবই লাগিব। এইবুলি কৈ অলপ আগুৱাই আহিল।

ভাবিলো, নিৰ্ঘাত এটা চৰ আগুৱাই আহিছে গালৰ ফালে। কিন্তু নহয় দেখোন। কণখুৰাই চৰ নামাৰিলে। নমৰাকৈও যে আৰু অধিক কৰিব পাৰি তেনে ভাব দেখুৱালে। আগুৱাই আহি কবিতা লিখা কাগজখিলা মোৰফালে দলিয়াই দি অলপ ব্যংগ মিশ্ৰিত হাঁহি মাৰি মাৰফালে চাই ক'লে— ছোৱালীক অলপ সাৱধানে ৰাখা ডাঙৰ নবৌ। এযাৰতে কৈ দিছো, এইজনী ছোৱালীক সাৱধানে নাৰাখিলে ভৱিষ্যতে চুবুৰিৰ ল'ৰাবোৰৰ সৈতে 'ভাব' কৰিব। কণখুৰাৰ সেইদিনাৰ ভৱিষ্যৎবাণীষাৰ ফলিয়াইছিল নে নাই সেই উপাখ্যান আৰু এতিয়া লিখা নহ'ব। ডাঙৰ নাতিটোৱে আজিকালি আকৌ সকলো পঢ়িবলৈ শিকিছে। যি পায় তাকে হাতত লৈ পঢ়ে। এই কাহিনীৰ উপসংহাৰ অন্যধৰণৰ। এই সিদিনা কণখুৰাক দেখা কৰিবলৈ গৈছিলো, পৰম চেনেহেৰে কাষত বহুৱাই ক'লে, নহ'বিনে? লেখিকা নহবিনে? মোৰ ভৱিষ্যৎবাণী হ'ব পায় অথলে যাব? কোৱা নাছিলোনে সেইদিনা? যিদিনা ঘাগৰা পিন্ধা এধানিমান ছোৱালীজনীয়ে কবিতা লিখি গোটেই ঘৰখনৰ মানুহক হতবাক কৰি দিছিল, সেইদিনা কোৱা নাছিলোনে— এইজনী ছোৱালী ভৱিষ্যতে এজনী জিনিয়াছ হ'ব। ❐❐ *(ৰচনাকাল ১৯৬২)*

# অহৈতুকী প্ৰীতি

মণিৰূপা মিশ্ৰ



গল্প

ক্ষীণকায় কৃষ্ণবৰ্ণৰ আৰু উজ্জ্বল চকুযুৰিৰে সৈতে হাঁহিভৰা মুখৰ হৰিধন  কলিতা নামৰ ঘৰৰ ৰং কৰা মিস্ত্ৰীজনক চিনি নাপায় কোনে? গোটেই চুবুৰীটোৰ মানুহেই জানে হৰিধনক। কাৰণ হৰিধনৰ হাতত যাদু আছে। হৰিধনৰ হাতৰ যাদুকৰী দণ্ডদাল ঘূৰাই দিলে প্ৰতিটো ঘৰ বিজুলী চমকেৰে চমকি উঠে। প্ৰতিটো কোঠাৰ বেৰবোৰে প্ৰাণ পাই উঠে, ৰ'দ জিলমিল ৰঙৰ পয়োভৰেৰে হিৰণ্ময়ী হৈ উঠে। সেয়ে হৰিধন কলিতাক সকলোৱে চিনি পায়। চুবুৰীটোৰ প্ৰায় মানুহৰ ঘৰবোৰ, তাত থকা দোকানবোৰ, সৰু-সুৰা দুই এটি কাৰ্যালয়, ক্লাব ঘৰ, স্কুল ঘৰ সকলোতে কেবল হৰিধনৰ বিচক্ষণ হাতৰ পৰশ। গতিকে ৰং দিবলৈ হ'লে কেৱল হৰিধন।

এবা, হৰিধনক আমাৰো প্ৰয়োজন হৈছে। ছোৱালীজনী মানে মিতুৰ ব'হাগৰ ১২ তাৰিখে বিয়া। বিয়া উপলক্ষে বহু মানুহৰ পদধূলি পৰিব আমাৰ ঘৰটোত। সেয়ে চূণ-তেল সানি ধুনীয়া কৰাৰ প্ৰয়োজন আহি পৰিছে। শহুৰৰ দিনৰে ঘৰ বেৰৰ পৰা আৰম্ভ কৰি এছবেষ্টজ্ টিনকেইখনলৈকে মলিয়ন চামনি পৰি তেনেই পুৰণি হৈ পৰিছে। বহুদিন ধৰি গাপ লাগি ধৰা এই মলিয়ন বেষ্টনী গুচাই উজ্জ্বল কৰিব পৰাকৈ দক্ষ কেৱল হৰিধনহে। সেয়ে হৰিধনক মাতিলো। মোৰ পচন্দমতেই বজাৰৰ পৰা বিভিন্ন ৰং কিনি আনিলো, প্ৰতিটো ৰুমৰ উপযোগীকৈ প্ৰয়োগ কৰি দিয়া, তাৰ পাছত বেৰত লাগি থকা পুৰণি ফটো, কেলেণ্ডাৰ আদি গুচোৱা। ছোৱালীজনীয়ে বজাৰৰ পৰা আনি থৈছে ধুনীয়া কেইখনমান ৱাল পেইণ্টিং, ডাঙৰ ডাঙৰ কেইটামান ফ্লাৱাৰ ভেজ। মুঠতে যেনেকৈয়েই নহওক ঘৰটো সুন্দৰভাৱে সজাই তুলিব লাগে। মিতুৰ মতে ধূলি-মাকতি লাগি পুৰণি হৈ যোৱা বস্তুবোৰে সৌন্দৰ্য বিঘ্নিতহে কৰে। সেয়ে পুৰণিৰ ঠাইত নতুনৰ প্ৰয়োগ হ'ব লাগে।

এবা, বেৰত ওলমি থকা দৃশ্য, ফটো ফ্ৰেম সকলোৱেই দেখোন পুৰণি হৈ আহিছে। নতুনকৈ ৰং লগাই চিকমিকাই উঠা বেৰত এইবোৰ আপচুহে দেখাব। গতিকে এফালৰ পৰা সকলো এৰুৱাই আনিলো।

ফটো এখন আঁতৰাবলৈ গৈ থমকি ৰ'লো।

দুখিলা পাতেৰে সৈতে ডালত পৰি ৰোৱা ভাটৌ চৰাই দুটি। ওপৰত লিখা আছে 'সত্যম শিৱম সুন্দৰম্'। বিভিন্ন ৰঙীন সূতাৰ সমাহাৰেৰে শাহু আয়ে বেজীৰে কাপোৰত তুলিছিল ভাটৌসহ দৃশ্যটো। তাৰ পিছত ফ্ৰেম কৰি বন্ধাই থৈছিল।

কিমান বছৰ হ'ল বাৰু এই ফ্ৰেমটোৰ? শাহু আই ঢুকুৱাই দেখোন আজি বাৰ বছৰ হ'ল। তেওঁ হেনো বিয়াৰ আগতেই বেজী সূতাৰে তুলিছিল। ভাটৌ দুটাৰ গাৰ সেউজীয়া ৰঙৰ গাঢ়তা  ম্লান পৰি গৈছে। কাপোৰখনৰ ওলাই থকা বগা অংশবোৰেও ধূসৰ বৰণ লৈছে। খুব সাৱধানে ফ্ৰেমটো নমাই আনিলো। শতিকাজুৰি দখল কৰি থকা এই ফ্ৰেমটোৰ ঠাইখিনিয়ে বেৰখনৰ বাকী অংশতকৈ তুলনামূলকভাৱে বগা হৈ থাকি এটা স্পষ্ট সাঁচ বহুৱাই দিছিল।

বেৰখনৰ আন এটা চুকত ওলোমাই থোৱা আছে এযোৰ হৰিণাৰ শিং। শহুৰৰ দেউতাক হেনো ভাল চিকাৰী আছিল। পহু চিকাৰ কৰাটো তেওঁৰ চখ আছিল। তেওঁৰ তীক্ষ্ণ লক্ষ্যই এটা গুলীতেই ধৰাশায়ী কৰিব পাৰিছিল বহু যোজন দূৰত প্ৰতীয়মান পহুক। সেই কথা মই শাহু আইৰ মুখৰ পৰা শুনিবলৈ পাইছিলো। সেই সময়ত এনেধৰণে পহু চিকাৰ কৰাটো যেন এক অভিজাত চখহে আছিল। তেনেদৰে চিকাৰ কৰি অনা পহু এটাৰ প্ৰকাণ্ড শিং দুটা সাৱধানে নমাই দিলো। এনেদৰে বস্তুবোৰ নমাই খুব কম সময়ৰ ভিতৰতে ঘৰটো মুকলি কৰি দিয়া হ'ল।

এইবাৰ হৰিধনৰ বেৰত ৰং লগোৱা কাম আৰম্ভ হ'ল। পপকৰ্ণ ইয়েল্ল, চি গ্ৰীণ, লেভেণ্ডাৰ আদি বিভিন্ন ধৰণৰ ৰঙৰ মিশ্ৰণেৰে ঘৰটোৰ বেৰবোৰ ৰং কৰাত লাগিল। সঁচাকৈয়ে জিলিকি আহিবলৈ ধৰিছে অত দিনে মলিয়ন হৈ থকা ঘৰটোৰ বেৰবোৰ, চুক-কোণবোৰ,

চৌকাঠবোৰ, দৰ্জা-খিৰিকীবোৰ। 'বাইদেউ, পপকৰ্ণ ইয়েল্লৰ লগত স্কাই ব্লু। বাহ্ কি বঢ়িয়া কনট্ৰাচ। আপোনাৰ পচন্দ কিন্তু শলাগিবলগীয়া।' ৰং লগাই লগাই হৰিধনে ক'বলৈ ধৰিলে।

'নহয় হৰিধন, তোমাৰ হাতৰ নিমজ কামখিনিৰ বাবেহে ইমান সুন্দৰ দেখাইছে। তোমাৰ দক্ষতাহে শলাগিব লগীয়া।'

মোৰ কথা শুনি সি হো-হোৱাই হাঁহি দিলে। হাঁহোতে তাৰ তামোল খাই থকা মুখখনৰ পৰা তামোল ছিটিকি আহিল। তাৰ গাল দুখন ৰঙচুৱা হৈ উঠিল আৰু মই তাৰ সৰল মুখখনলৈ চাই ৰওঁ। উজ্জ্বল উজ্জ্বল ৰঙৰ পয়োভৰেৰে হৰিধনে গোটেই ঘৰটোতে ৰং কৰি পেলালে। আলোক উজ্জ্বল হৈ উঠিল চাৰিওফাল। সঁচাকৈয়ে হৰিধনৰ কাম শলাগিবলগীয়। কিমান নিখুতঁভাৱে কামবোৰ কৰি গৈছে।

'বাইদেউ, ৰঙৰ কাম শেষ হ'ল যেতিয়া কোঠাবোৰৰ বেৰৰ নিৰ্দিষ্ট ঠাইবোৰত ফটোবোৰ ময়েই লগাই দিওঁ দিয়ক।'

হৰিধনে প্ৰথমে চ'ৰাঘৰৰ মূল দৰ্জাখনৰ ওপৰত শাহু-শহুৰৰ ফটোখন ওলোমাই দিলে। ফটোখনলৈ মই ৰ লাগি চাই ৰ'লো। পপকৰ্ণ ইয়েল্লৰে উজ্বল হৈ অহা বেৰখনৰ মাজত আৰু যেন এক উজ্বলতম আলোক দ্যুতি হৈ ৰ'ল ফটোখন। আৰু তাৰ পৰা বিচ্ছুৰিত আলোকে যেন গোটেই ঘৰখন বৰ্ণিল কৰি তুলিছে। যেন চাৰিওফালে সিঁচি দিছে তেওঁলোকৰ সীমাহীন আশিস অঞ্জলি।

মোৰ সৈতে হৰিধনেও ফটোখনলৈ চাই হাতযোৰ কৰি প্ৰণাম কৰিলে। তাৰ দুচকু সেমেকি উঠিল। সি ক'বলৈ ধৰিলে ফটোখনে মোক দেউতালৈ মনত পেলাই দিছে বাইদেউ। দেউতালৈ মোৰ অশেষ ভক্তি। তেওঁ এজন খেতিয়ক আছিল। জনা হোৱাৰ পৰাই দেখি আহিছিলো দেউতাৰ নাঙলখন। দিনটোৰ পৰিশ্ৰমৰ অন্তত ঘৰলৈ উভতি দেউতাই নাঙলখন জুহালৰ বেৰত আওজাই থৈ দিছিল। কিমান যে ভাল পায় তেওঁ নাঙলখন। সেই নাঙলৰ মুঠিত ধৰিয়েই তেওঁ আমাক পোহপাল দিছিল। দেউতাৰ আন এটা প্ৰয়োজনীয় বস্তু আছিল মাৰি এডালৰ সৈতে শিকিয়াত বান্ধি লোৱা ডাঙৰ ডাঙৰ পাচি দুটা। তেওঁ সেই পাচি দুটাত খেতিৰ ফচল ভাৰ বান্ধি বজাৰলৈ বিক্ৰী কৰিবলৈ গৈছিল। দেউতা ঢুকুৱা আজি ত্ৰিশ বছৰ পাৰ হৈ গ'ল। আজিও মই দেউতাৰ নাঙলখন আৰু শিকিয়া দুডাল সযতনে ৰাখি থৈছো। দেউতাৰ পৰিশ্ৰমী হাতৰ পৰশ লাগি থকা এই বস্তু কেইপদে আজিও আমাৰ মাজত তেওঁ থকা যেন বোধ কৰায়।'

হৰিধনৰ কথা শুনি মই অবাক হৈ গ'লো। হৰিধনৰ দেউতাকৰ প্ৰতি থকা অগাধ ভক্তিয়ে মোকো আপ্লুত কৰিলে। কোনো মতে মেট্ৰিকৰ দেওনা পাৰ হোৱা হৰিধনক মোৰ এজন প্ৰকৃত জ্ঞানী মানুহ যেন ভাব হ'ল। আমাৰ মাজত এনে বহুত শিক্ষিত মানুহ আছে যাৰ বাবে এনেধৰণৰ কথাবোৰে যেন কোনো গুৰুত্বই নাপায়। হৰিধনৰ কথাযাৰে মোক মোৰ দেউতাৰ মৃত্যুৰ সেই কৰুণ দিনটোলৈ মনত পেলাই দিলে।

....চোতালত বগা কাপোৰেৰে ঢাকি দেউতাক শুৱাই থোৱা হৈছিল। সন্মুখত ধূপ-ধুনা, সুগন্ধি ফুলেৰে শুই থকা দেউতাক দেখি মই কান্দিবলৈ পাহৰি গৈছিলো। ভাব হৈছিল সমগ্ৰ দুখ বেদনাৰ ওৰ পেলাই দেউতা যেন মহা শান্তিৰ কোলাত শুই পৰিছে। দুবছৰ ধৰি সেই মাৰাত্মক ব্যাধিটোৰে জুৰুলা কৰি তোলা দেউতাৰ যন্ত্ৰণাকাতৰ মুখখন সেই মুহূৰ্তত একেবাৰে প্ৰশান্তিৰে ভৰি পৰা দেখিছিলো। যেন তাত কোনো কষ্ট নাই, নাই যন্ত্ৰণাকাতৰ নিদ্ৰাহীন ৰাতিৰ ভাগৰ। হাতযোৰ কৰি ভগৱানৰ ওচৰত মাত্ৰ প্ৰাৰ্থনা কৰিছিলো যাতে দেউতাই পৰমধামতো শান্তিৰে থাকে।

চোতালত গোট খোৱা মানুহবোৰে দেউতাৰ মৃতদেহ সৎকাৰৰ বাবে লৈ যোৱাৰ আগমুহূৰ্তত মোৰ খুৰা, দাদাহঁতে কৈ থকা শুনিছিলো দেউতাৰ বিচনা-পত্ৰ, পোচাক ইত্যাদি ব্যৱহাৰ্য সামগ্ৰীবোৰ শ্মশানলৈ নি পুৰি পেলোৱাৰ কথা।

মই কান্দি পেলাইছিলো। কেনেদৰে নিচিহ্ন কৰি পেলাম দেউতাক এক মুহূৰ্ততে। কাতৰ হৈ সকলোকে কৈছিলো দেউতাৰ সকলো স্মৃতি শেষ কৰি নিদিবলৈ। হয়তো পুৰি পেলাবলৈ ওলোৱা দেউতাৰ বস্তুকেইপদৰ গুৰুত্ব মই ভবাৰ দৰে তেওঁলোকে ভবা নাছিল। মই ৰৈ থাকিব পৰা নাছিলো। দৌৰি গৈ চোতালত উলিয়াই দিয়া বস্তুৰ দমৰ পৰা মই যি পাৰো থপিয়াবলৈ ধৰিছিলো।

...দেউতাৰ ঘড়ীটো, চছমাযোৰ, দেউতাৰ লাখুঁটিডাল, ধুনীয়া ছাৰ্ট এটা মই বস্তু দমৰ পৰা থপিয়াই লৈ ভিতৰলৈ দৌৰি আহিছিলো। মোৰ কাণ্ড-কাৰখানা দেখি চোতালত গোট খোৱা মানুহখিনিয়ে তবধ লাগি চাই ৰৈছিল। কান্দি কান্দি ব্যতিব্যস্ত হৈ পৰা অৱস্থাতো মায়ে কিন্তু বস্তু কেইপদ আলফুলে ট্ৰাঙ্কত ভৰাই থৈ দিছিল। এতিয়াও সেই ট্ৰাঙ্কটোত দেউতাৰ সেই বস্তুকেইপদ আছে। মই সযতনে ৰাখি থৈছো। জীয়াই ৰাখিছো দেউতাৰ স্মৃতিক।

মোৰ কথা শুনি হৰিধনে ক'বলৈ ধৰিলে—

'বাইদেউ আপোনাৰ লগত মোৰ বহুত মিল আছে।' তাৰ চিৰিয়াছ হৈ থকা মুখখন দেখি মোৰ তাক এটা শিশুৰ দৰেই লাগি গৈছিল। তাৰ কথাবোৰে মোক হাঁহি উঠাই দিলে, মই অলপ ৰগৰ কৰি ক'লো—

'কিহৰ মিল অ' নাকৰ মিল নে চকুৰ মিল।'

সি আৰু অলপ গহীন হৈ ক'লে— 'নাক আৰু চকুৰ নহয়, মনৰ মিল। আমাৰ ভাৱনাৰ মিল।'

তাৰ কথা শুনি মই জোৰেৰে হাঁহি দিলো।

কিমান সৰল এই হৰিধনটো।

তাৰ অন্তৰ ভৰি থকা মৰমবোৰ মই দেখা পাইছো। দেখা পাইছো অইনৰ দুখ-বেদনা, আনন্দ-বিষাদ ইত্যাদি অনুভব কৰিব পৰা এখন অনুভৱী হৃদয়।

সিয়েই কৈছিল— দেউতাকে তাক সৰু থাকোতে নিতৌ সন্ধিয়া পিৰালিত বহি বহি ভাগৱত ব্যাখ্যা কৰি শুনোৱা কথা। কোনোমতে প্ৰাইমাৰী স্কুলৰ শিক্ষা শেষ কৰি দেউতাকে প্ৰথমতে হেনো জোঁটাই জোঁটাই ভাগৱতখন পঢ়িছিল। লিখা-পঢ়া শিকিবলৈ আগ্ৰহ আছিল যদিও দৰিদ্ৰতাই নাঙলৰ মুঠি ধৰিবলৈ বাধ্য কৰি



দিছিল। তথাপি তেওঁ প্ৰতিটো সন্ধিয়া ভাগৱত পঢ়িবলৈ এৰা নাছিল। তেওঁৰ সূক্ষ্ম জ্ঞানেৰে ঢুকি পোৱা ধৰ্মতত্ত্বৰ শিক্ষাকেই হৰিধনক দিছিল। বিচাৰিছিল লিখাই পঢ়াই ল'ৰাটিক শিক্ষিত কৰিব।

কিন্তু দেউতাকৰ অকাল মৃত্যুৰ বাবেই হয়তো হৰিধনৰ জীৱনত সেয়া হৈ উঠা নাছিল। তথাপি দেউতাকে তাক শিকাইছিল জীৱনৰ শিক্ষা, সততাৰে জীয়াই থকাৰ শিক্ষা। সেয়ে হয়তো হৰিধনৰ পুথিগত বিদ্যা বহুত নাথাকিলেও আছে মানৱীয় জ্ঞান, একাগ্ৰতা, মনোযোগিতা, সহনশীলতা যাৰ বাবে সি আমাৰ সকলোৰে বাবে প্ৰশংসনীয়। ড্ৰয়িং ৰুমৰ বহল বেৰখনত শাহুৰে বেজী সূতাৰে তোলা ভাটৌ দুটিৰ ফ্ৰেমটো ওলোমাবলৈ গৈ থমকি ৰ'লো মিতুৰে চিঞৰি উঠিল 'মা, মই বেৰখনত লগাবলৈ এখন এম্বচিং আনি থৈছো। এই আউটডেটেড ফটোখন তাত মই লগাবলৈ নিদিওঁ। কেনেকুৱা দিছকালাৰ হৈ গৈছে চোৱাচোন।'

তাই তাৰ সলনি চাৰিফুট, পাঁচফুট বহল চাৰিটা ঘোঁৰা দৌৰি থকা এম্বচিং এখন কিনি আনিছে। সেইখনহে তাই হেনো তাত লগাব। তাইৰ মতে দৌৰি থকা ঘোঁৰাই কৰ্ম উদ্যমতাক বুজায়। বৰ্তমান সময়ৰ প্ৰতিযোগিতাৰ দৌৰেই হওক বা কৃতকাৰ্যতা অৰ্জনৰ দৌৰেই হওক বা চাৰিওদিশে প্ৰগতিৰ দৌৰেই হওক মুঠতে তেজস্বিতাৰে ধাৱমান হ'ব লাগে, ঠিক ধাৱিত ঘোঁৰাকেইটাৰ দৰে। মিতুৰে কৈছে পুৰণি হৈ যোৱা বস্তুবোৰৰ ঠাইত এতিয়া নতুন বস্তুৰ প্ৰয়োজন হৈছে। আধুনিকতাৰ বতাহজাক সিহঁতৰ ঘৰটোৰ চুক-কোণবোৰত সোমাই পৰক। তাত সেই বাপতিসাহোন হৰিণৰ শিঙৰ স্থান নাই, নতুবা আইতাকে বেজীৰে তোলা ভাটৌ চৰাই দুটিৰ। তাইৰ মতে এইবোৰ এতিয়া আউটডেটেড। এটা সময়ত আভিজাত্যৰ চিনাকি দিবলৈ গৈ বেৰত ওলোমাই থোৱা হৰিণাৰ শিং এযোৰ বৰ্তমান ডেকৰেচনৰ সামগ্ৰী নহয়, বৰং ই অপৰাধজনিত কাৰণো হ'ব পাৰে। বৰ্তমান বিলুপ্তিৰ পথলৈ যোৱা পশু-পক্ষীৰ সংৰক্ষণৰ তাৎপৰ্যক এই ধৰণৰ কথাবোৰে বিৰূপ প্ৰতিক্ৰিয়াহে কৰিব। এতিয়াৰ জেনেৰেচনে হাতেৰে ৰুমাল বা কাপোৰত ফুল তুলি সময় নষ্ট নকৰে। তেওঁলোকৰ শিকিবলৈ বা জানিবলৈ ইমানেই কথা আছে যে সেই অনুপাতে সময়ৰ অভাৱ। ইণ্টাৰনেটে জ্ঞান অৰ্জনৰ বিশাল ভাণ্ডাৰ মুকলি কৰি থৈছে, কেৱল যিমান পাৰি লোৱাহে কথা।

মিতুৰ কথাখিনিয়ে মোৰ মনত তোলপাৰ লগাই দিলে। এৰা, তেতিয়াৰ দিন আৰু এতিয়াৰ মাজত পাৰ্থক্য আছে। ৰুচিবোধৰো সলনি হৈছে। তেতিয়াৰ দিনবোৰত ঘৰৰ ডেকৰেচন বুলি ছোৱালীয়ে বেজীৰে কাপোৰত ফুল তুলি বন্ধাইছিল। বিয়াৰ প্ৰয়োজনীয় কপোৰবোৰ যেনে গামোচা, মেখেলা-চাদৰ ইত্যাদি ছোৱালীবিলাকে নিজেই বৈ উলিয়াইছিল। গাৰুৰ গিলিপ, টেবুল ক্লথ, ৰুমালত ফুল তুলি ব্যৱহাৰ কৰিছিল। ছোৱালীবিলাকৰ হাতৰ সেই কামবোৰ চাইয়েই সিহঁতৰ দক্ষতা নিৰূপিত হৈছিল।

কিন্তু এতিয়াৰ কথাবোৰ সলনি হ'ল। মোৰ ছোৱালীজনীয়ে কোৱা কথাবোৰো ভুল বুলি ক'ব নোখোজো। কিন্তু সেই বুলিতো পুৰণিক আমি সমূলি উলাই কৰি দিবও নোৱাৰো। পুৰণিৰ আধাৰতেই নতুনৰ সৃষ্টি। মোৰ শহুৰৰ দেউতাকে এসময়ত চিকাৰ কৰি অনা হৰিণাৰ শিং দুটা আজিও বেৰত জিলিকি থাকি আচলতে তেওঁৰ বীৰত্ব আৰু পাৰদৰ্শিতাই সোঁৱৰাই আছে। উত্তৰসুৰী প্ৰজন্ময়ো তেনে বীৰত্ব দুবাহুত ধাৰণ কৰি সততা আৰু পৰাক্ৰমেৰে জীয়াই থাকিবলৈ শিকক। আনহাতে সেই সময়ত বেজী সূতাৰে ফুল তুলি বন্ধাই থোৱাটো অকল যে সেই সময়ৰ নাৰীসকলৰ ৰুচিবোধ আৰু কৰ্মকুশলতাহে প্ৰকাশ পাইছে এনে নহয়, প্ৰকাশ পাইছে আজিৰ পৰা তিনিটা প্ৰজন্মৰো আগৰ সমাজ এখনৰ আংশিক চিত্ৰ। কথাবোৰ মই যিমান পাৰো তন্ন তন্নকৈ মিতুক বুজাই দিলো। ইয়াকো ক'লো যে আমাৰ পূৰ্বজক আমি সদায় সন্মান জনোৱা উচিত। তেওঁলোকৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰিয়েই আমি তেওঁলোকৰ স্মৃতি বিজড়িত সকলো বস্তু সম্পদ হিচাপে সংৰক্ষণ কৰি ৰখা উচিত।

মিতুৱে যেন কথাবোৰ বুজি উঠিল। তাই আলফুলকৈ এসময়ত আইতাকে বনাই তোলা ভাটৌ দুটিৰ সৈতে এই বিশেষ চিনাৰীখন বহল বেৰখনৰ আগৰ ঠাইত লগাই দিলে। ... মই প্ৰত্যক্ষ কৰি ৰ'লো হৰিধনে ৰং সানি উজ্জ্বল কৰি তোলা বেৰখনৰ মাজত জিলিকি উঠা তাইৰ উজ্জ্বল মুখখন। ❐❐

*—গিৰিজানন্দ চৌধুৰী ইনষ্টিটিউট অব মেনেজমেণ্ট এণ্ড টেকনল'জী, আজাৰা, গুৱাহাটী-১৭*
*দূৰভাষ ঃ ৮৬৩৮৬-৮৪৮৯১*

# আত্মনির্ভৰ




**পুলিন ডেকা**

চৌপাশে কোলাহল। অহৰহ বাজি আছে উচ্চ স্বৰত গান। যোৱা কিছুদিনৰ পৰা গাঁওখনৰ সকলোৰে এক পৰিচিত পৰিৱেশ। কিন্তু নিৰদাই এই পৰিৱেশক লৈ এইকেইদিন ভীষণ অস্বস্তিত পৰিছে। তাই তজু আৰু নিপক লৈ উদ্বিগ্ন হৈ পৰিছে। সিহঁতে যোৱা কিছুদিনৰ পৰা কেতবোৰ অবান্তৰ প্ৰশ্ন কৰি আহিছে, যিবোৰ কথাই তাইক হেজাৰ প্ৰশ্নৰ মুখামুখি হ'বলৈ বাধ্য কৰিছে। বেদনাগধুৰ এখন পৃথিৱীৰ মাজত যেন যাত্ৰা আৰম্ভ হৈ গৈছে।

গাঁওখনৰ পৰিৱেশক লৈ তাই যিমানেই উদ্বিগ্ন হৈ পৰিছে, সিমানেই সিহঁতে আমনি কৰিবলৈ আৰম্ভ কৰিছে। নিৰদাই জানে গাঁওখনৰ সেই আনন্দ-উল্লাসৰ পৰা সিহঁতক বিচ্ছিন্ন কৰাটো সম্ভৱ নহয়। এযোৰ নতুন কাপোৰ, হাতত পুতলা পিষ্টল লৈ সিহঁতে বিচৰা আনন্দৰ পৰা আঁতৰাই আনিবলৈ গৈ তাই সমস্যাত পৰিছে। জীৱনৰ পৰীক্ষা ইমান কঠোৰ, নিৰ্মম হ'ব পাৰে বুলি তাই কল্পনা কৰিব পৰা নাছিল। যন্ত্ৰণাক্লিষ্ট এই অৱস্থাটোৰ মাজত তাইৰ অসাৰতাৰ কথা উপলব্ধি কৰিও যুঁজখনত নিৰদাই হাৰ মানিব বিচৰা নাই।

ভৰিখন ভগা বাবে জীৱনে যোৱা ছয় মাহে ভালদৰে কাম কৰিব পৰা নাই। উদাস আৰু ক্লান্ত সেই মুখখন দেখিলে তাইৰ বুকুৰ কোনোবাখিনিত হাহাকাৰ কৰি উঠে। জীৱন চিন্তিত, তাই জানে। এই মুহূৰ্তত কোনো পৰামৰ্শই যে কাৰ্যকৰী ৰূপ ল'ব নোৱাৰে, সেই কথা উপলব্ধি কৰি মানুহজন সততে মৌন হৈ পৰে। দিনটোৰ সৰহভাগ সময় জীৱন বিচনাতে থাকে।

চোতালত থিয় হৈ একান্তমনে বাহিৰলৈ চাই ৰ'ল নিৰদা। নিৰবচ্ছিন্ন মানুহৰ সোঁত। চিঞৰ-বাখৰ, অট্টহাস্যৰ মাজত পুৱাৰ পৰা নিশালৈ পথটো ৰজনজনাই আছে।

নিৰদাই দেখে নিৰাজে পথৰ ওপৰতে বাইকখন থৈ সমীৰণৰ লগত একান্ত আলাপত ব্যস্ত। সকলোৰে দুৰন্ত গতিৰ মাজত

সিহঁত যেন কিছু ব্যতিক্ৰম।

তজু গৈ নিৰাজৰ ওচৰত। বাইকৰ আগচকাটো সি কেইবাবাৰো স্পৰ্শ কৰিছে। ফটা-ছিগা গেঞ্জি পৰিধান কৰি সি তেনেদৰে বাহিৰত ৰৈ থকা দেখি তাইৰ খং উঠিল। তাই চিঞৰি উঠে –‘ তজু’ ।

সি শুনিলেনে নাই তাই নাজানে। কিন্তু নিৰাজে তাইৰ ফালে এবাৰ চালে। নিৰদাই চকু দুটা মুদি দিলে। খন্তেক পিছত দেখে নিৰাজৰ কোলাত তজু। ধূলিৰে ধূসৰিত তজুৰ শৰীৰ।

তেনেদৰে নিৰাজৰ কোলাত তজুক দেখি তাই অবাক। নিৰাজে কোনো দ্বিধা-সংকোচ নকৰাকৈ নিৰদাৰ সন্মুখত থিয় হ’ল। তাই এবাৰ নিজৰ জৰাজীৰ্ণ ঘৰটোৰ ফালে চালে। প্লাষ্টিকৰ চালি। ঘৰটোৰ বেৰবোৰ উৰলি গৈছে।

প্লাষ্টিকৰ চকীখন আগুৱাই দি তাই সংক্ষিপ্তভাৱে ক’লে --‘বহক।’

তজুক কোলাৰ পৰা নমাই দি সি ক’লে –‘আপোনালোকে চৰকাৰী ঘৰৰ বাবে আৱেদন কৰা নাছিল নেকি?’

‘কেইবাবাৰো আৱেদন কৰিলো। এটা ঘৰ পোৱাটো সম্ভৱ হৈ নুঠিল। সেইবাবে আশা এৰিছো।’ -- লাহেকৈ কথাখিনি কৈ খুউব স্বাভাৱিকভাৱে ক’লে –‘চাহ একাপ।’

সি উৎসুক্যৰে ক’লে –‘ জীৱনৰ চিকিৎসা চলি আছে?’

বহুদিনৰ পিছত নিজৰ মানুহজনৰ খবৰ লোৱা ব্যক্তি এগৰাকীক তাই বিচাৰি পালে। ইমানদিনে যি উপলব্ধিৰে তাই এটা ধাৰণা লৈ আছিল, সেয়া যেন মুহূৰ্তৰ ভিতৰতে সলনি হৈ গ’ল।

ঘৰৰ ওচৰত থকা গছডালত কাউৰী দুজনীয়ে অবিৰাম গতিত ‘কা কা’ কৰি আছে। অমংগলীয়া বাৰ্তা। এনেবোধে আচ্ছন্ন কৰাৰ লগে লগে তাই কঁপি উঠে।

‘এয়া কিহৰ ইংগিত?’ মুখৰে অনুচ্চভাবে কৈ গছডাললৈ এবাৰ চালে। নাই কা,কা....মাতটো অবিৰাম বাজি আছে।

ইমান সময় তজু আৰু নিপে তাৰ শৰীৰত স্পৰ্শ কৰি আপোন বিভোৰ হৈ আছে। হয়তো বহুদিনৰ পিছত ঘৰলৈ অতিথি অহা বাবেই সিহঁতৰ সেই আপোন ভাব জাগি উঠিছে। দৰিদ্ৰতা ইমানেই অভিশাপ হৈ পৰিছে যে ওচৰ-চুবুৰীয়াৰ লগত একপ্ৰকাৰ সম্পৰ্ক বিচ্ছিন্ন হৈ পৰিছে।

খন্তেক সময় ভিন্নমুখী আলোচনা। হঠাৎ নিৰাজৰ মুখত অদ্ভুত প্ৰস্তাৱ শুনি নিৰদা স্তম্ভিত হৈ পৰে।

গাঁৱখনৰ সিমূৰে তাৰ ঘৰ। ঘৰুৱাভাৱে অহা-যোৱাৰ কথাতো বাদেই এদিনো নিৰাজৰ বাৰ্তালাপ হোৱাটো মনত নপৰে। এক আঢ্যৱন্ত পৰিয়ালৰ সন্তান। ব্যৱসায়েৰে নদন-বদন এটি পৰিয়াল।

তায়ো শুনিছে এই পৰিয়ালটোৰ মহানুভৱতাৰ কথা। কিন্তু আজি নিৰাজৰ মুখত শুনা কথাযাৰি তাইৰ বাবে অবান্তৰ যেন লাগিছে।

তজু আৰু নিপক এবাৰ সাবটি ধৰি নিৰাজ আঁতৰি যায়। নিৰদাই শ্লথ গতিৰে আহি পথটোত থিয় দিলে। বাহিৰত অনৰ্গল বাজি আছে মাইকৰ শব্দ। নিশাৰ নাট্যানুষ্ঠানক লৈ এই ঘোষণা। বহু বছৰে হ’ল তাই থিয়েটাৰ চোৱা হোৱা নাই। বিয়াৰ পিছৰে পৰা তাই যেন এক আৱৰ্তৰ ভিতৰত সোমাই পৰিছে। কেতিয়াবা তাইৰো মন যায় সীমা,বীণাহঁতৰ দৰে এখন ৰঙীন পৃথিৱীত পদাৰ্পণ কৰিবলৈ। সেয়া তাইৰ বাবে এক কল্পনা হ’ব পাৰে। বাস্তৱৰ খোজবোৰ বজ্ৰ কঠিন। এনে অনুভৱে স্পৰ্শ কৰিলে মনটো গধুৰ হৈ পৰে।

চোতালত বহি তাই একান্ত মনে ভাবিবলৈ ধৰে, অনাগত দিনৰ পৃথিৱীখনত খোজ দিলে সমাজখনে তাইক কিভাবে ল’ব। কাৰণ সমাজখন তায়ো দেখি আহিছে। দুখীয়া মানুহৰ বাবে সমাজখন কঠিন এক অগ্নিপৰীক্ষা।

হঠাৎ তাইৰ মনত পৰে, যোৱা বছৰ গৰিমাৰ ক্ষেত্ৰত সমাজখনে লোৱা সিদ্ধান্তৰ কথা। নিশা শিলৰ কোৱাৰীৰ পৰা কাম কৰি উভতি অহাৰ পিছত কেইজনমান দুৰ্বৃত্তই তাইক বলাৎকাৰ কৰিলে। তাইৰ অপৰাধ নিশালৈ কিয় কামত আছিল? সমাজখনৰ দৃষ্টিকোণক লৈ তাই অসুখী আছিল। কিন্তু প্ৰতিবাদ কৰিব পৰা নাছিল। কাৰণ দুখীয়া মানুহ নিঃসংগ, অসহায়। গৰিমাই তিনিদিন পিছত যেতিয়া আত্মহত্যা কৰিছিল, বহুদিন ধৰি তাই শুব পৰা নাছিল। তেতিয়াৰে পৰা তাই একপ্ৰকাৰ সমাজ বিচ্ছিন্ন জীৱন কটাই আহিছে।

নিজৰ মানুহজন আৰু ল’ৰা দুটাৰ বাবে তাই কাইলৈ ওলাই যাব। মুক্ত বিহংগ এখন পৃথিৱী নহ’লেও, অন্ততঃ জীয়াই থকাৰ বাবে প্ৰথমবাৰৰ বাবে এটা খোজ পেলাবলৈ সক্ষম হ’ব।

নিশা বিচনাৰ কাষত খুব সাধাৰণভাৱে তাই জীৱনক কথাযাৰ ক’লে। তাৰ চকুত সতৃষ্ণ চাৱনি। ল’ৰা দুটা দিনটো যে তলৌ-তলৌকৈ ঘূৰি ফুৰিব তাই জানে। মাটি বিক্ৰীৰ টকাৰে আৰু বেছিদিন চলাটো যে সম্ভৱ নহয় সেই কথা জীৱনেও জানে। নিৰদাৰ সিদ্ধান্তৰ বিৰোধিতা কৰাৰ কথা তাৰ মনত নপৰে। তাইৰ সঠিক, সুচিন্তিত কথাবোৰৰ মাজত থাকে তাৰ গভীৰ আত্মবিশ্বাস। নিৰদাই যোৱা ছমাহে প্ৰতিটো প্ৰত্যাহ্বান গ্ৰহণ কৰিছে। অথচ প্ৰতিটো বাধাই অকলে, নীৰৱে অতিক্ৰম কৰিবলৈ শিকিছে।

নিশা তাই ভালদৰে শুব নোৱাৰিলে। মাতৃস্নেহৰ যেন দুৰন্ত প্ৰকাশ। জ্বলি থকা লেম্পৰ পোহৰত বাৰম্বাৰ চাইছে তজু আৰু নিপৰ মুখ দুখনলৈ। কাইলৈৰ পৰা সিঁহত দুটা অকলে থাকিব। হয়তো কাৰোবাৰ বাৰীত, বাঁহৰ তলত নাইবা ওচৰৰ খেলপথাৰখনত দৌৰি থাকিব। বাধা দিবলৈ কোনো নাই। মানুহজনে বিচনাৰ পৰা চিঞৰি থাকিব তজু, নিপ....। নাই তাই আৰু ভাবিব নোৱাৰে। প্ৰতিটো চিন্তাই যেন কোনোবাখিনিত কেন্দ্ৰীভূত হৈ পৰে।

পুৱা সোনকালে উঠি কামখিনি ততাতৈয়াকৈ কৰি উঠিল। চোতালত থিয় হৈ তুলসীৰ তলত সেৱা যাচি তাই খৰখেদাকৈ আলিবাটত খোজ দিলে। ঘৰৰ পৰা দুই কিলোমিটাৰৰ আঁতৰত নিৰাজৰ চাহৰ দোকান। চ’কটোৰ সুবিধাজনক ঠাইত দোকানখন হোৱা বাবে গ্ৰাহকৰ ভিৰ বেছি।

*নিৰদাৰ আৰম্ভ হৈ যায় এক যন্ত্ৰৱৎ জীৱন। ঘৰখন পূৰ্বতকৈ কিছু সুস্থিৰ হৈ পৰিছে। এনে বিশ্বাস এটা প্ৰগাঢ় হৈ পৰিলে তাই পুলকিত হৈ উঠে। তজু আৰু নিপে বুজি উঠিছে। দিনত সিহঁতে কি কৰি থাকে, সেই কথা এতিয়া জনাৰ বাবেও উপায় নাই। বাট আগচি কোনেও অভিযোগ দিয়া নাই মানে সকলো ঠিকে চলি আছে এনে আত্মপ্ৰত্যয় ভাব এটি প্ৰগাঢ় হৈ পৰিছে।*

দোকানৰ বয়োজ্যেষ্ঠ কৰ্মচাৰী খগেন। নিৰাজে খগেনৰ লগত পৰিচয় কৰাই দি আঁতৰি যায়।

খগেনে বুজাই দিলে কি কাম কৰিব লাগিব। নিৰদাই বুজি পালে তাইৰ কাম হ'ল বাচন-বৰ্তন ধোৱা।

'পাঁচ বজাত যাব পাৰিব।' -- খগেনে কথাষাৰ কৈ নিৰাজৰ ওচৰলৈ যায়।

নিৰদাই বুজি পালে তাইৰ কৰ্তব্যৰ সময় ইতিমধ্যে ঠিৰাং হৈ গৈছে।

দোকানতে দুপৰীয়া ভাতত হাতখন দিয়াৰ লগে লগে তাইৰ সমগ্ৰ শৰীৰ হঠাৎ স্থবিৰ হৈ পৰে। জীৱন, তজু,নিপৰ মুখকেইখন দ্ৰুত মনত পৰিবলৈ ধৰিলে। জীৱনত প্ৰথমবাৰৰ বাবে সন্তানক এৰি তাই অকলশৰে......। নিৰদাৰ চকু দুটা সেমেকি উঠিল।

হঠাৎ তাই দেখে একেথৰে খগেনে তাইলৈ চাই আছে। দুখীয়াৰ সন্তান হিচাপে হয়তো তেওঁ অনুভৱ কৰিব পাৰিছে তাইৰ জীৱনৰ কঠিন পৰিক্ৰমা। তাৰো চকু দুটা চলচলীয়া হৈ উঠিছে।

সিও হয়তো কিছু আত্মগ্লানিত ভুগিছে। কাৰণ তাইৰ পৰিচয় বিচৰা নাছিল। প্ৰাত্যহিক ব্যস্ততাৰ মাজত সিও হেৰাই থাকিব বিচাৰিলেও কিবা এক শূন্যতাই তাকো খেদি ফুৰে। প্ৰথম চিনাকিতে তেনে অনুভৱে তাইক স্পৰ্শ কৰিছে।

' ল'ৰা দুটালৈ মনত পৰিছে। মই বুজিছো। উপায় নাই , দুখীয়াৰ জীৱন সংগ্ৰাম এনেকুৱাই।' -- অনুচ্চ কণ্ঠৰে কথাখিনি কৈ সি আঁতৰি যায়।

'জীৱনে হয়তো কথাখিনি ক'লে।' --তাই স্বগতোক্তি কৰি উঠে।

তাইৰ ভাত খাবলৈ মন নগ'ল। কোনেও নেদেখাকৈ ভাতৰ ওপৰত তাই হাতখন ধুই কঁকালত খুচি লোৱা তামোলখন খালে।

আবেলি ঘৰলৈ যাবলৈ ওলোৱাৰ সময়ত নিৰাজে তাইৰ হাতত দুশ টকা দিয়ে। জীৱনত প্ৰথম উপাৰ্জন। তাইৰ বাবে অপ্ৰত্যাশিত ঘটনা। তাই চ'কটোৰ এচুকত থকা মাছ বজাৰখনত সোমাল। মানুহজনে ভাল পোৱা গৰৈ মাছ অলপ ল'লে। ল'ৰা দুটালৈ কেইটামান চকলেট।

ঘৰলৈ আহি থকা অৱস্থাত অৱশ ভাব এটাই স্পৰ্শ কৰিছে। বহুদিন বিৰতিৰ পিছত কৰ্মব্যস্ত এটা দিন। ৰাস্তাটোৰে যিমানেই আগুৱাই গৈছে সকলোৰে এটাই প্ৰশ্ন --'ক'ৰ পৰা ?'

প্ৰশ্নটোৰ উত্তৰ দিবলৈ গৈ তাই অপ্ৰস্তুত হৈ পৰে। 'এনেয়ে এপাক আহিলো '-- সংক্ষিপ্ত উত্তৰ দি তাই ক্ষিপ্ৰগতিত আঁতৰি যায়।

ঘৰ পাই দেখে বাৰাণ্ডাত বস্তা এটা পাৰি শুই আছে তজু আৰু নিপ। তাই দৌৰি গৈ বাৰাণ্ডা পালে। দুয়োকে জগাই দি সাবটি ধৰিলে। বেগটোৰ পৰা চকলেটকেইটা উলিয়াই সিহঁতৰ হাতত দিলে।

জীৱন একেদৰে শুই আছে। নিৰদাৰ উপস্থিতিৰ উমান পাই 'আহিলা' বুলি মাত এষাৰ লগাই সি পুনৰ মৌন হৈ ৰ'ল।

নিৰদাৰ আৰম্ভ হৈ যায় এক যন্ত্ৰৱৎ জীৱন। ঘৰখন পূৰ্বতকৈ কিছু সুস্থিৰ হৈ পৰিছে। এনে বিশ্বাস এটা প্ৰগাঢ় হৈ পৰিলে তাই পুলকিত হৈ উঠে। তজু আৰু নিপে বুজি উঠিছে। দিনত সিহঁতে কি কৰি থাকে, সেই কথা এতিয়া জনাৰ বাবেও উপায় নাই। বাট আগচি কোনেও অভিযোগ দিয়া নাই মানে সকলো ঠিকে চলি আছে এনে আত্মপ্ৰত্যয় ভাব এটি প্ৰগাঢ় হৈ পৰিছে।

দোকানতে কথাষাৰ শুনাৰ লগে লগে নিৰদা স্তব্ধপ্ৰায় হৈ পৰে। লকডাউন। কাহানিও নুশুনা এক শব্দ। নিৰাজে বুজাই দিলে কাইলৈৰ পৰা সকলো দোকান-পোহাৰ বন্ধ হৈ যাব।

ভাৰত বন্ধ নেকি বুলি এবাৰ সুধিম বুলিও তাই কাৰোবাক সোধাৰ অৱকাশ বিচাৰি নেপালে। দোকানলৈ অহা মানুহৰ মুখত এটাই আলোচনা --- কৰ'না ভাইৰাছ। চীনৰ পৰা আহিছে। আমেৰিকা, ইটালীত বহু মানুহ আক্ৰান্ত, বহু মানুহ মৰিছে।

এজনে কৈছে -- 'আমাৰ ইণ্ডিয়াতো মানুহ মৰিবলৈ আৰম্ভ কৰিছে। চৰকাৰে ভালেই কৰিছে।'

থুলন্তৰ মানুহ এজনে গলগলীয়া কণ্ঠৰে ক'লে -- 'ঘৰৰ ভিতৰতে সোমাই থাকিব লাগিব। হাত ধুব লাগিব। ছেনিটাইজাৰ লগাব লাগিব। কাণ, মুখ আৰু আনক স্পৰ্শ কৰিব নোৱাৰিব।'

কথাবোৰ তাইৰ আচহুৱা যেন লাগিল। বাচন-বৰ্তন ধোৱা কামত তাই ভালদৰে আত্মনিয়োগ কৰিব নোৱাৰিলে।

ছেনিটাইজাৰ, লকডাউন — শব্দ দুটাৰ প্ৰতি তাইৰ উৎসুক্য বাঢ়ি আহে। খগেন এবাৰ ভিতৰলৈ আহোতে তাই সুধিয়ে

দিলে। সিও এইবোৰ শব্দ প্ৰথমবাৰৰ বাবে শুনিছে, তেনে ইংগিত দি আঁতৰি যায়।

শীৰ্ণকায়, ওখ মানুহ এজনে পানী এগিলাচ খাই থিয়ৈ থিয়ৈ মন্তব্য কৰিলে --' ঘৰৰ ভিতৰত থাকিম। টিভি চাম। এফ এম ৰেডিঅ' শুনিম। অন্ততঃ কিছুদিনলৈ জিৰণিৰ সুযোগ পাইছো।'

ৰেডিঅ' শব্দটো শুনাৰ লগে লগে তাইৰ মনটো ভাল লাগিল। বেটাৰীকেইটা বেয়া হোৱাৰ পিছৰে পৰা তাই ৰেডিঅ'টো বাকচৰ ভিতৰতে সুমুৱাই ৰাখিছে। যোৱা দুবছৰে তেনেদৰে বাকচৰ ভিতৰত আৱদ্ধ হৈ আছে।

হঠাৎ চকটোত মানুহবোৰে বস্তু কিনিবলৈ হেতা-ওপৰা লগাইছে। তাই একো উৱাদিহ নাপাই নিৰাজকে সুধিলে। 'একৈশ দিন বন্ধ হৈ যাব বাবেই মানুহবোৰে এই দিনকেইটাৰ বাবে খোৱা সামগ্ৰী কিনিছে' বুলি কৈ পুনৰ ক'লে --' মই টকা দিম। আপুনিও কিনি লৈ যাব।' নিৰাজে দুই হাজাৰ টকাৰ নোট এখন তাইৰ হাতত দিলে।

খগেনৰ লগত তাই বজাৰলৈ গ'ল। গেলামালৰ দোকানৰ ভিতৰত বিৰ দি বাট নোপোৱা অৱস্থা। তাই দুই হাতত টোপোলা দুটা লৈ অগ্ৰসৰ হোৱাৰ সময়ত মনত পৰিল -- বেটাৰীৰ কথা।

ৰেডিঅ' শুনিব ...।

দুটা বেগত টোপোলা দেখি তজু আৰু নিপ জঁপিয়াই উঠিল। মাকৰ হাতত পৰা বেগ দুটা কাঢ়ি নিবলৈ হেতা-ওপৰা লগালে। নিৰদাই চকলেটকেইটা দিয়াৰ লগে লগে সিহঁত আঁতৰি যায়।

জীৱনক কথাখিনি বুজাই ক'লেও সিও প্ৰথমবাৰৰ বাবে শুনিছে কৰ'না ভাইৰাছৰ কথা। দোকানত শুনা কথাখিনিৰ ওপৰত ভিত্তি কৰি তাক বুজাবলৈ চেষ্টা কৰিলেও সি বিশেষ সঁহাৰি জনাব নিবিচাৰে।

নিৰদাই তলাটো খুলি ৰেডিঅ'টো উলিয়ালে। বহু সময় ধৰি তাই একেথৰে চাই ৰ'ল। বেটাৰীকেইটা লগাই দি চুইচ অন কৰি দিলে। হঠাৎ ৰজনজনাই উঠে ঘৰখন। ৰেডিঅ'ৰ মাত শুনি তজু আৰু নিপ দৌৰি আহিল। জীৱনত প্ৰথমবাৰৰ বাবে ৰেডিঅ' দেখিছে। তজুৱে কাণখন ৰেডিঅ'টোৰ ওচৰলৈ নিয়াৰ লগে লগে নিৰদাই চিঞৰি উঠে। উচপ খাই সি আঁতৰি আছে।

তজু আৰু নিপে লগ নোপোৱাকৈ তাই বেৰখনত ৰেডিঅ'টো ওলোমাই থ'লে। অবিৰাম গতিত বাজি থাকে ৰেডিঅ'টো। সন্ধিয়া সাত বজাৰ বাতৰিটো অহাৰ লগে লগে তাই ভলিঅ'মটো বঢ়াই দিলে। জীৱনে কাষত একান্ত মনে বহি শুনি ৰ'ল।

এক ভয়ংকৰ ভাইৰাছে মানুহক খেদি ফুৰিছে। বিশ্বজুৰি মৃত্যুৰ বিভীষিকা। মানুহ অসহায়, বিপন্ন হৈ পৰিছে। লকডাউনৰ বিকল্প নাই...। লকডাউন সম্পৰ্কত ঘোষিকাৰ কথাকেইষাৰ শুনাৰ পিছত তাই কঁপি উঠে।

তাই ৰেডিঅ'টো বন্ধ কৰাৰ প্ৰয়োজনবোধ নকৰে। নিশা ন বজাৰ বাতৰিত তাই শুনিবলৈ পালে অসমলৈ সম্প্ৰসাৰিত হৈছে এই ভাইৰাছ। ৰাজ্যৰ বাহিৰৰ পৰা অহা মানুহকেইজনৰ গাত কৰ'না ভাইৰাছৰ লক্ষণ পাইছে। তাই ৰেডিঅ'টো অফ কৰি দিয়ে।

তজু আৰু নিপ ঘোৰ টোপনিত। তাই লাহে লাহে জীৱনৰ ওচৰ চাপি আহে।

পুৱা শুই উঠি তাই দেখে বাটপথ জনশূন্য। পুৱাৰে পৰা বাইকৰ শব্দই ৰজনজনাই থকা গাঁওখন নিতাল নিস্তব্ধ। কণৰ দোকানখনো বন্ধ।

তজু আৰু নিপক ঘৰৰ ভিতৰত আৱদ্ধ কৰি ৰাখিবলগীয়া হৈছে। হঠাৎ আহি পৰা এক নতুন জীৱন সংগ্ৰামক লৈ কষ্ট কৰিবলগীয়া হৈছে। প্ৰতিদিনে ভাইৰাছৰ দু-সংবাদ শুনি তাই আতংকিত। মাজে সময়ে সন্ধিয়াৰ সুযোগ লৈ গীতা আৰু মিতা আহে। কাপোৰৰ কথা পাতি ভাল পোৱা মিতাই এতিয়া সুযোগ পালেই অসম, ভাৰত, বিশ্বৰ খবৰ দিব বিচাৰে। টিভিৰ সেই শোকাৰ্ত দৃশ্যবোৰ দেখি তায়ো এতিয়া ভয়াৰ্ত। আশী বছৰীয়া শহুৰেকক লৈ তাইৰ দুঃশ্চিন্তা বাঢ়িছে।

তজুৱে ৰাস্তালৈ যাম বুলি কৈ প্ৰতিবাদ কৰিলে তাইৰ খং উঠে। ক'ব নোৱৰাকৈ এই পৰিস্থিতিক লৈ তাই অস্বস্তি পাইছে। উপায় নাই। পৰিৱেশে সকলোকে বাধ্য কৰিছে।

পুনৰ লকডাউন বৃদ্ধিৰ কথা শুনি তাই আতংকিত হৈ উঠে। সাঁচতীয়া টকাকেইটাৰে কণৰ দোকানৰ পৰা বস্তু আনি জমা কৰি ৰাখিলে। দিন যোৱাৰ লগে লগে তজু আৰু নিপ যেন পৰিৱেশৰ লগত অভ্যস্ত হৈ পৰিছে। এতিয়া সিহঁতক লৈ চিন্তা নাই। চাহ দোকানখন যে সহজে খোল খাব তাই আশা কৰা নাই। কিন্তু উপাৰ্জনৰ বিকল্প এটাই এইকেইদিন তাইক জুমুৰি ধৰিছে।

বহু কল্পনাই দোলা দি যায়। এই সকলো একো একোটা ঢৌৰ দৰে লাগে। এবাৰ উঠি আকৌ বিলীন হৈ যায়।

আনলক ৱান। তাই একো বুজি নাপালে। তাই নিৰাজক কথাটো সুধিম বুলি ভাবিও সাহস গোটাব নোৱাৰিলে। মহীধৰ মাষ্টৰে কথাটো পৰিষ্কাৰকৈ বুজাই দিয়াৰ পিছত তাই সিদ্ধান্ত ল'লে কিবা এটা নতুন ব্যৱসায়েৰে এই সংকট সমাধান কৰিব।

বহুদিন ধৰি ঘৰৰ ভিতৰতে সুমুৱাই থোৱা চাইকেলখন উলিয়াই আনিলে। দুবাৰমান এনেয়ে চোতালত ঘূৰাই চালে। প্ৰতিটো পেডেলতে তাইৰ আত্মবিশ্বাস দুৰন্ত হৈ উঠে।

বিস্কুটৰ ফেক্টৰী বন্ধ। পিঠা,লাডুক নিশ্চয় মানুহে আদৰি ল'ব। গোটেই নিশা তাই পিঠা আৰু লাডু বনালে। শেষনিশা শুবলৈ বুলি বিচনালৈ গ'ল যদিও তাইৰ টোপনি নাহিল।

পুৱাই উঠি চাইকেলখনত বেগ দুটা ওলোমাই ল'লে। ৰাস্তাত ক্ষন্তেক থিয় হৈ ইফালে-সিফালে এবাৰ চাই চাইকেলৰ পেডেল মাৰিবলৈ আৰম্ভ কৰে। বেলটো বজাই দি তাই চিঞৰি উঠে-- পিঠা, লাডু...। ❐❐ *লেখকৰ ফোন ঃ ৭০০২৫১৬৯৮৩*

# শৰতৰ অনুভৱ

● *ডাঃ মনোৰঞ্জন শৰ্মা পাঠক*

শৰৎ নিজেই যেন এক মায়াময় মহাকাব্য
শব্দ আৰু স্তৱকবোৰে য'ত পৃথিৱীৰ সৈতে কথা পাতে
কথা কয় নৈসৰ্গিক শোভা
দৃষ্টিনন্দন অপৰূপ ৰূপছবিৰ
মায়াজাল সনা প্ৰকৃতিৰ
শুকুলা কঁহুৱাৰ কোমল গালিচা
জোনাকৰ শুভ্ৰশীতলতা, নিশাৰ নিয়ৰে
ধুৱাই দিয়া পৃথিৱী, নিয়ৰ মুকুতাৰ সৈতে
তলসৰা শেৱালিৰ কোমল ৰ'দালিৰ ধেমালিয়ে
পৃথিৱীখন অপৰূপা কৰি তোলে
কবিতাৰ স্তৱকবোৰে এনে সুমধুৰ ক্ষণতে
মা-মহামায়াৰ ধৰালৈ আগমনীক
মংগল-উৰুলিৰে আদৰণি জনায়।
শৰতে বতাহৰ কাণে কাণে
গোপন মন্ত্ৰণা দিয়ে
বিৰাজ কৰে নাতিশীতোষ্ণ পৰিৱেশ বৰ সংগোপনে।
শৰতৰ বুকুতে থাকে সৃষ্টিৰ বীজ
আহিনৰ সেউজ ধাননিডৰাৰ
বুকুৰেদি বৈ থকা গাখীৰতী নৈখনত
ডুব মাৰি শৰতে সৃষ্টিৰ অমোঘ মন্ত্ৰ দিয়ে
শস্যসম্ভৱা হোৱাৰ কৃষকৰ এবুকু সপোন ঠন ধৰি উঠাৰ
আকাশৰ কঁহুৱাবুলীয়া মেঘবোৰে বাৰু
কাৰ মংগল বাতৰি কঢ়িয়াই আনে এই শৰতত?
শৰৎ আহিলেই শেৱালিৰ আলসুৱা পাহিত
তোমাৰ কপালৰ জোনবাইৰ দৰে ফোঁট লোৱা
মুখনি জিলিকি উঠে
শৰৎ যেন এক মায়াময় মহাকাব্য
শৰতে সজাই তোলে মায়াজাল সনা পৃথিৱী। □□

# আহিনৰ ৰূপছবি

● *ৰাণুবালা দেৱী*

বাংময় আহিনৰ জোনাকৰ দিঙৰাত উঠি
বাটকুৰি বাই মই ঢাপলি মেলিছো....
কঁহুৱাৰ শুভ্ৰ কোমল গালিচাত বহি
এখন্তেক জিৰালো
কঁহুৱাই আলফুলে সাবটি ল'লে
সুধিলো— তোমাৰ প্ৰিয় প্ৰেমিক কোন
কঁহুৱাই বোলে— আহিন মোৰ বুকুৰ কুটুম
ভাবিলো কোন দিশে যাওঁ
তোমাক বা কোন দিশে পাওঁ
গেঁৰ ধৰা সেউজ ধাননিৰ বুকুৰেদি
ডিঙৰা মেলিলো
পাৰ হৈ পালো
ধাননিডৰাৰ নিৰ্মল সুগন্ধি সুৱাস
শৰালিজাকৰ পিছ লৈ
শুকুলা ডাৱৰৰ বুকুত বহি যাওঁতেই দেখিলো
দূৰৈত যেন সেয়া নৃত্যৰতা কোনোবা সৰগৰ
দীপলিপ অপেশ্বৰী
বেলিবাতি হৈ জিলিকি থকা
সেয়াই নেকি তুমি?
সাউৎকৰে ডিঙৰা লৈ ওচৰ চাপিলো
নিশাৰ জোনাক আৰু নিয়ৰত
জুৰুলি-জুপুৰি সেয়াচোন এজোপা শেৱালি
ৰিব্‌ৰিব্ বতাহত আছে হালি-জালি। □□

# শাৰদ প্ৰত্যাশা

● *টুনমণি মহন্ত*

এতিয়া তোমাৰ দুচকুত
বাৰিষাৰ বৰষুণ
প্ৰজ্ঞাদীপ্ত মনীষীৰ দৰে
প্ৰোজ্জ্বল হৈ উঠিছে
তোমাৰ শেঁতাপৰা মুখ।
হেৰোৱা দিনবোৰ এতিয়া
উৰলি যোৱা সপোন।
প্ৰাপ্তিৰ আনন্দৰ হিচাপ-নিকাচত
পাৰ হয় আহিনৰ আবেলি
বানে ধুই নিয়া
কজলাবৰণৰ পথাৰত
এতিয়া কাঁচিয়লি ৰ'দৰ পোহৰ।
বালিচৰত কঁহুৱাৰে
বালিমাহীৰ ৰং
আহাঁ শৰৎ
আমাক পূৰ্ণতাৰে
ওপচাই তোলা... ❑❑

# জীৱন স্বপ্ন

● *কনক ডেকা*

জীৱন মৰুভূমিৰ
প্ৰাণে প্ৰাণে
আলোকিত
কবিতাৰ ছন্দ।
তোমাৰ উশাহ-নিশাহ,
পল-অনুপলবোৰ
নিশাৰ বিষণ্ণতাই ঢাকি দিয়ে
মৰম সৌৰভ
জীৱন স্বপ্ন।
তোমাৰ লাহি হাতৰ পৰশত
মৰমৰ সৌৰভেৰে
কঁপালা তুমি হৃদয় মোৰ।
গোটেই জীৱনৰ প্ৰজ্ঞাৰে
তোমাৰ প্ৰেমৰ বাণীৰে
খোজে প্ৰতি সংগী কৰিব বিচাৰো
তোমাক
ইতিহাস ৰচাৰ সময়ত।
এই ইতিহাসত—
বাৰে বাৰে প্ৰেমৰ লিখনীৰ দ্বাৰাই
সাজিব লাগিব জীৱন সত্তা
প্ৰেম-শান্তিৰ পঁজা। ❑❑



# মা প্ৰণামো তোমাক...

● *বৰষা কাকতি*

আকৌ আহিব পূজা
যেতিয়া আকাশত শুকুলা ডাৱৰে খেলিব,
যেতিয়া শেৱালিয়ে চৌপাশ আমোল মোলাব,
যেতিয়া কঁহুৱাই জোনাকত নাচিব,
যেতিয়া দুবৰিয়ে নিয়ৰৰ মুকুতা পিন্ধিব,
তেতিয়াই আহিব পূজা।

স্নিগ্ধ শৰৎ, কপাহ-কোমল জোনাক,
আৰু আছে,
শেৱালিৰ আমোল-মোলোৱা গোন্ধ।
শৰৎ মানেই শেৱালি, শৰৎ মানেই দুৰ্গাপূজা
স্নিগ্ধতা, শীতলতা আৰু শুভ্ৰ মানেই শৰৎ।
হে' শক্তিৰ অধিষ্ঠাত্ৰী দেৱী, প্ৰণামো তোমাক।
হে' মহীয়সী দুৰ্গা মা, তোমাৰ আগমনৰ সময় এয়া।
তোমাৰ আগমনত চৰণ স্পৰ্শিত ধৰিত্ৰীয়ে পাহৰি পেলায়
দুৰ্গতি।
হে' দুৰ্গতিনাশিনী, চাৰিওফালে তোমাৰ একো একোখন বেদী।
নীলা, ৰঙা, হালধীয়া পোহৰেৰে প্ৰতিখন বেদী মুখৰিত হৈ
উঠিব।
হে' মা, এয়া যে মহিষাসুৰক বধ কৰাৰ সময়।
এয়া যে দুৰ্গতি নাশ কৰাৰ সময়।
এয়া যে হিংসা নাশ কৰাৰ সময়।
এয়া কৰ'নাক ৰোধাৰ সময়।
সকলোৰে মন পৱিত্ৰ কৰাৰ সময় এয়া।
হে' মা, প্ৰণামো তোমাক। ❑❑



# সুগমা

গল্প

**বীজেন্দ্ৰ গগৈ**

সুগমাই যেতিয়া চকু মেলে তেতিয়া চাৰিওফালে সাতোৰঙী পোহৰৰ মেলা। ৰং-বিৰঙী বেলুন, থপ্‌থপকৈ ছন্দোবদ্ধ ধ্বনিৰে বন্দুক ফুটোৱাৰ শব্দ। অগা-দেৱাকৈ এখন মাৰুতি কাৰ আৰু দুখন মটৰ চাইকেলে চক্ৰাকাৰ বেৰত উচ্চ প্ৰাবল্যৰ ঘৰ ঘৰ শব্দৰে কোলাহলময় পৰিৱেশৰ সৃষ্টি কৰিছে। বিস্ময়াভিভূত আৰু সন্ত্ৰস্ত নয়নেৰে ওপৰৰ পৰা এসোপা মানুহে জুম বান্ধি এই ৰোমাঞ্চকৰ খেলা চাইছে। জীৱন-মৰণৰ খেলা চলা 'মৌত কা কুঁৱা' এয়া। একে সময়তে এহাল ডেকা-গাভৰুৰ বিকৎ চিঞৰৰ মাজেৰে ওপৰৰ পৰা হুৰ হুৰ শব্দৰে তললৈ সুবিশাল চকৰীটো নামি আহিছে। বলিউডৰ নায়ক-নায়িকাৰ ভংগীত স্বল্পবসনা যুৱতীৰ সৈতে উদং বক্ষৰ যুৱকৰ ফটোসম্বলিত বিশাল পোষ্টাৰ আঁৰি থোৱা কোঠাটোৰ পৰা লাউড্‌স্পীকাৰত 'মুন্নী বদনাম হুই জানম তেৰে লিয়ে' গীতটো ফুল ভলিউমত ভাহি আহিছে। গীতৰ তাল যিমানে উদ্দাম হৈছে কোঠাটোত চলি থকা নৃত্যানুষ্ঠান চাবলৈ টিকট কাউণ্টাৰতো হেতা-ওপৰা লাগিছে। সকলো দিশৰ পৰা উফৰি অহা ভিন্ন মাতৰ সমাহাৰে পৰিৱেশটো উত্তেজনাময় কৰি তুলিছে। চকু ছাটমৰা আলোকসজ্জা আৰু শব্দৰ উছাহত 'ৰংগীলা আনন্দ মেলা'ৰ পৰিৱেশ জমি উঠিছে।

সন্মুখৰ পৰিৱেশটোৱে সুগমাক তিলমানো আকৰ্ষণ কৰা নাই। চকু মেলিয়েই তাইৰ দৃষ্টি নিবিষ্ট হৈছে পিংকিয়ে খেলা ঝুলনাখনত। মেলাখনলৈ অহাৰে পৰা যোৱা তিনিদিনে ঝুলনাখনকে লৈ ব্যস্ত পিংকী। সুগমাৰ হাজাৰ বাধা আওকাণ কৰি ঝুলনাখন বতাহত ওপৰলৈ উৰুৱাই নি তাই খিলখিলাই হাঁহি উঠে। সুগমাৰ বাধা যিমানে বাঢ়ে তাইৰ ঝুলনা খেলাৰ কোব সিমানে চৰে।

এসোপামান পুতলা আৰু খেল্‌না বস্তু লৈ সুগমাই মেলাখনত পোহাৰ মেলিছে। অৱশ্যে বিক্ৰী বুলিবলৈ প্ৰায় নায়েই। আনকি নাতিদূৰতে থকা ভাৰাঘৰটোলৈ অহা-যোৱা কৰিবলৈ খৰচটোকে যোগাৰ কৰিবলৈ অসুবিধা হৈছে। যোৱা বছৰ তাইৰ গিৰিহঁত মৰাৰ পিছৰে পৰা এনেদৰে বিভিন্ন মেলা আৰু পদপথত পোহাৰ মেলিয়েই তাই ছোৱালীজনীক লৈ কোনোৰকমে চলি আছে। নিজৰ বুলিবলৈ মাটি এডৰা নথকা নহয়। কিন্তু মানুহটোৰ বেমাৰত

চিকিৎসাৰ খৰচ যোগাৰ কৰিবলৈ সেইডৰা বন্ধকত থোৱাৰ পিছত এতিয়ালৈ ধাৰ সুজিব পৰা নাই। তদুপৰি বিভিন্ন চিনাকি মানুহৰ পৰা লোৱা অতসোপা ধাৰৰ বোজা আছেই। মানুহটো জীয়াই থকা হ'লে কথাবোৰ সুকীয়া হ'লহেঁতেন। কিবা এটা কৰি হ'লেও ধাৰৰ বোজা মাৰি মাটিডোখৰ মোকলাব পৰা গ'লহেঁতেন। আশাৰ সেই জুইকুৰা এতিয়া ক্ৰমান্বয়ে নুমাবলৈ ধৰিছে। অকলশৰীয়া আৰু অসহায় হৈ পৰিছে তাই। মানুহটো মৰিল বুলি ধাৰ দিয়া মানুহবোৰৰ তাগিদা অলপ হ'লেও যদি কম হ'লহেঁতেন! আজিকালি তাইৰ প্ৰায়ে ভাব হয় মানৱতা বোলা বস্তুবোৰ যেন ক'ৰবাত হেৰাই গৈছে। দুৰ্বল, অসহায় মানুহজনীৰ ওপৰত ঋণ দিয়া মানুহৰ তাগিদা কমক চাৰি এতিয়া বাঢ়িছেহে। দুটামান লম্পটৰ চকু আকৌ কেৱল তাইৰ ওপৰতে। বিশেষকৈ ভাৰাঘৰৰ মালিক ৰতনলাল চাহুৱে টকা বিচাৰি আহি যি লোলুপ চাৱনি দিয়ে, কটাৰীৰে ঘুকুটি তাৰ চকুকেইটা উলিয়াই পেলাবলৈ মন যায় তাইৰ ।

দুখীয়া হৈ পোক-পৰুৱাৰ দৰে জীয়াই থাকিবলৈ আচলতে জন্মই হ'ব নালাগে। জন্ম হ'লেও অন্ততঃ বেমাৰত পৰিব নালাগে আৰু বেমাৰ যদি আপদীয়া হয় তেন্তে জেহেৰ খাই মৰি থাকিব লাগে। ভাঁৰৰ সিঙেও দুবাৰ জেহেৰ খাই মৰিবলৈ চেষ্টা কৰিছিল। কিন্তু বেচেৰা নমৰি যমৰ যাতনা ভুগি প্ৰতি দিনে তিল তিলকৈ মৰি প্ৰায় এবছৰে জীয়াই থাকিল। যেতিয়া সি মৰিল তেতিয়া সুগমাৰ ওপৰত ধাৰৰ এসোপা বোজা। আনকি এতিয়া যে তাই খেলা বস্তুৰ পোহাৰ মেলিছে সেইবোৰো ধাৰৰ টকাৰে কিনা। মেলাখন ওচৰতে বহা বাবে সেই ছেগতে দুটামান টকা ঘটি লোৱাৰ আশাত ধাৰ কৰি তাই ইমানসোপা পুতলা আৰু খেলা বস্তু কিনি আনিছে। কিন্তু এতিয়া সেইবোৰৰো বিক্ৰী নাই। আজি মেলালৈ বুলি ঘৰৰ পৰা ওলাই আহোঁতে ছোৱালীজনীক ৰুটী এখনো খাই আহিবলৈ তাই দিব নোৱাৰিলে।

উদভ্ৰান্তৰ দৰে সুগমাই তীক্ষ্ণ নয়নেৰে ইফালে-সিফালে চাইছে। ক'ত তাইৰ ছোৱালীজনী? ঝুলনাখনো আগৰ ঠাইত নাই দেখোন! সেই ঠাইত এতিয়া আদবয়সীয়া মানুহ এটাই পুচ্‌কা বিক্ৰী কৰি আছে। কিন্তু কি আচৰিত! মানুহজন এঢলীয়াকৈ ঠিয় হৈ আছে যে! কি অদ্ভুত ক্ৰীড়া এয়া?

'সুগমা, ঐ সুগমা।' - তাইৰ ফালে মুখ কৰি ওপৰৰ পৰা চাই আছে ভাৰতীয়ে। দৰিদ্ৰতাই পিষ্ট কৰা এজনী ক্ষীণাংগী নাৰী। বিবৰ্ণ মুখাৱয়ব। বলিৰেখাৰ চিন স্পষ্ট। আলুলায়িত তাইৰ আধা কেঁচা -আধা পকা চুলি। চকুকেইটা ঢুলঢুলীয়া। মলিয়ন গাৰ পৰা ঘৰ্মাক্ত শৰীৰৰ চিনাকি গোন্ধ এটা সুগমাৰ নাকত লাগিছে।

'উঠ সুগমা। উঠ।' -

তাৰমানে তাই টোপনি গৈছিল! অপলক আৰু বিস্মিত নয়নেৰে সুগমাই ভাৰতীৰ ফালে চাই আছে। কিন্তু মেলাখনত ইমানসোপা খেলা বস্তুৰ পোহাৰ মেলি তাই টোপনি যাব কেনেকৈ? সুগমাৰ চাৱনিত বিভ্ৰান্তিৰ চাপ স্পষ্ট। ভাৰতীৰ দুচকুত বিৰাজ কৰিছে বিৰাট নৈঃশব্দ। তাইৰ গহ্বন মন ভেদি বৈ গৈছে অন্তঃশলিলা আবেগৰ ধল।

সুগমাই উঠি বহিছে। মূৰটো আচন্দ্ৰাই কৰা যেন অনুভৱ হোৱাত কিছু সময়ৰ বাবে তাই চকুকেইটা জপাই দিছে। কিয় হৈছে তাইৰ এনেকুৱা? মনত থকাৰে পৰা আজিলৈকে দিনৰ ভাগত এনেদৰে কোনোদিনে তাই টোপনি যোৱা নাই। আজি পিছে এই ব্যতিক্ৰম কিয়? কথাষাৰ ভাবোতেই হঠাতে এক শীতল শিহৰণ সুগমাৰ শৰীৰত বিয়পি গৈছে। জপাই থোৱা চকুকেইটা ট ট কৰে মেলি তাই চিঞৰি উঠিছে - 'পিংকী ক'ত? ভাৰতী, পিংকী ক'ত?'

'ঐ ভাৰতী, পিংকী ক'ত? তই নকৱ কিয়?' - অৱসন্ন শৰীৰেৰে সুগমাই ভাৰতীৰ দুবাহু জোকাৰি দিছে। বাকচত বৰফ দি থোৱা মাছৰ দৰে হিমচেঁচা ভাৰতী নিৰুত্তৰ। তাই সুগমাক বুকুৰ মাজলৈ আঁজুৰি আনিবলৈ হাত দুখন মেলি দিওঁতেই উচাৎ মাৰি আঁতৰি গৈছে সুগমা। তেতিয়াহে তাই লক্ষ্য কৰিছে যে মেলালৈ বিক্ৰীৰ বাবে অনা তাইৰ খেলা বস্তুবোৰ পলিথিন এখনেৰে মেৰিয়াই থোৱা আছে। সুষমা, সুজাতা আৰু আৰতীও তাইৰ কাষলৈ আগুৱাই আহিছে। এই ৰহস্যঘন পৰিস্থিতি সুগমাৰ বাবে অসহ্যকৰ হৈ উঠিছে।

নাহৰফুটুকীৰ দৰে চকুৰ পচাৰতে ঠিয় হৈ তাই পুচ্‌কা বিক্ৰী কৰি থকা মানুহটোৰ ফালে দৌৰ দিছে। হয়, ঠিক সেইখিনি

দুখীয়া হৈ পোক-পৰুৱাৰ দৰে জীয়াই থাকিবলৈ আচলতে জন্মই হ'ব নালাগে। জন্ম হ'লেও অন্ততঃ বেমাৰত পৰিব নালাগে আৰু বেমাৰ যদি আপদীয়া হয় তেন্তে জেহেৰ খাই মৰি থাকিব লাগে। ভাঁৰৰ সিঙেও দুবাৰ জেহেৰ খাই মৰিবলৈ চেষ্টা কৰিছিল। কিন্তু বেচেৰা নমৰি যমৰ যাতনা ভুগি প্ৰতি দিনে তিল তিলকৈ মৰি প্ৰায় এবছৰে জীয়াই থাকিল। যেতিয়া সি মৰিল তেতিয়া সুগমাৰ ওপৰত ধাৰৰ এসোপা বোজা। আনকি এতিয়া যে তাই খেলা বস্তুৰ পোহাৰ মেলিছে সেইবোৰো ধাৰৰ টকাৰে কিনা। মেলাখন ওচৰতে বহা বাবে সেই ছেগতে দুটামান টকা ঘটি লোৱাৰ আশাত ধাৰ কৰি তাই ইমানসোপা পুতলা আৰু খেলা বস্তু কিনি আনিছে। কিন্তু এতিয়া সেইবোৰৰো বিক্ৰী নাই। আজি মেলালৈ বুলি ঘৰৰ পৰা ওলাই আহোঁতে ছোৱালীজনীক ৰুটী এখনো খাই আহিবলৈ তাই দিব নোৱাৰিলে।

ঠাইতে ঝুলনাখন আছিল। তাই কেইজনমান গ্ৰাহকৰ সৈতে তেতিয়া ব্যস্ত। পিংকী ঝুলনাৰ ওপৰত। বাৰে বাৰে তাইৰ বাধা উপেক্ষা কৰি পিংকীয়ে বতাহৰ গতিত ঝুলনাখন ওপৰলৈ উৰুৱাই নিছে। গ্ৰাহকৰ সৈতে দৰ-দামত লাগি থকাৰ পৰাই পিংকীক ঝুলনাখন লাহেকৈ খেলিবলৈ তাই ইংগিত দিছিল। তাইৰ স্পষ্ট মনত আছে। গলধন ধৰা থুলন্তৰ এক দম্পতী। এটা কণমানি শিশু। সম্ভৱত তেঁওলোকৰ একমাত্ৰ সন্তান। পৰিয়ালটোৰ আৰ্থিক স্বচ্ছলতা তেঁওলোকৰ সাজ-পোছাকতে ধৰিব পাৰি। তথাপি দহ টকাৰ বাবে সুগমাৰ সৈতে তেওঁলোকে যুঁজি আছে। তেনেকুৱাতে হঠাতে কি হ'ল জানো! চিৰিং কৰি গ'ল সুগমাৰ বুকুখন। তাইৰ চকুৰ পচাৰতে হঠাতে...

প্ৰকাণ্ড শিলটোত উজুতি খাই হামখুৰি খাই পৰিছে সুগমা। শিলটোৰ চাৰিওফালে গোট মৰা তেজৰ চেকুৰা। হয়, তাইৰ ঠিকেই মনত পৰিছে। গলধন ধৰা দম্পতীটো শগুনৰ এজাত। মাত্ৰ দহ টকাৰ কাৰণে তাইৰ লগত দৰ-দাম কৰি আছিল। তাই বাৰম্বাৰ কৈছে বজাৰৰ কিনা দামতকৈ কেনেদৰে কম দামত পুতলাটো বিক্ৰী কৰিব! সিঁহতে কিন্তু নুশুনে। ঠিক সেই সময়তে ঘটনাটো ঘটি গ'ল। ঝুলনাখনৰ ৰছীডাল ছিগি কেইবা ফুট উচ্চতাৰে উচাল খাই এই শিলটোতে মূৰটো দি ঠেকেচা খাই পৰিছিল পিংকী। সৰসৰকৈ তাইৰ মূৰ আৰু মুখেৰে তেজৰ নৈ বৈ আহিছিল। চকুৰ সন্মুখতে অতৰ্কিতে ঘটি যোৱা ঘটনাটোত হতচকিত সুগমাই দৌৰি আহি পিংকীক কোলাত তুলি লৈছিল। জুম বান্ধিছিল এজাক মানুহ। পিংকী, পিংকী বুলি চিঞৰি চিঞৰি তাই হঠাতে অচেতন হৈ পৰিছিল।

সুগমাই গাৰ শাৰীখন চুই চাইছে। তেজৰ কঁৰাল বান্ধিছে।

ভাৰতী, সুষমা, সুজাতা আৰু আৰতীয়ে ইতিমধ্যে তাইক আগুৰি ধৰিছে।

'পিংকী ক'ত ভাৰতী?' - ভাববিহ্বল শৰীৰৰ পৰা অস্ফুট স্বৰৰে সুগমাৰ মাতষাৰ ওলাই আহিছে।

শীৰ্ণ আঙুলিকেইটা ভাৰতীয়ে সুগমাৰ চুলিৰ ওপৰেদি বোৱাই দিছে। তাই যেন বিভ্ৰান্ত। কি ক'ব সুগমাক? কেনেকৈ ক'ব কথাবোৰ?

'নকৰ কিয়, ক'ত পিংকী?' - এইবাৰ সিংহিনীৰ দৰে গৰজি উঠিল সুগমা।

'তাই মূৰত বৰ জোৰেৰে আঘাত পাইছিল। মেলা কমিটীৰ ল'ৰাবোৰে ওচৰৰ হাস্পতাললৈ তাইক লৈ গৈছিল।' - কথাষাৰ কৈ ভাৰতী কিছুপৰ ৰৈছে। সম্বলহীন হৈও বখলা বখলে খহিবলৈ ধৰা প্ৰাগৈতিহাসিক কালৰ ঘৰ এটাৰ মেৰামতিৰ গধুৰ বোজাই যেন তাইক হেঁচি ধৰিছে।

'ডাক্তৰৰ ওচৰ গৈ পোৱালৈ বহুত তেজ বৈ গৈছিল। ডাক্তৰৰ বোলে কৰিব পৰা একো নাছিল। বহু দেৰি হৈ গৈছিল। হাস্পতাল গৈ পোৱাৰ আগেয়ে ...' - ভাৰতী থমকি ৰৈছে। ওহোঁ, নোৱাৰে। তাই নোৱাৰে। কথাষাৰ তাই কোনোপধ্যে ক'ব নোৱাৰে।

কৃষ্ণাংগ আকাশখন যেন মুহূৰ্ততে মেঘে ওন্দোলাই আনিছে। নিৰ্বিকাৰ, ভাবলেশহীন সুগমাৰ দুচকুত বালিয়ে পুতি পেলোৱা সেউজ পথাৰৰ অনুৰ্বতাৰ উকা ছবি জিলিকি উঠিছে। সু-উচ্চ পাহাৰৰ পৰা হো-হোৱাই নামি অহা জলধাৰাৰ গতি বালিময় পাহাৰে যেন নিস্তৰংগ কৰি তুলিছে।

নিজৰ বাবেই অপৰিচিত যেন বোধ হোৱা এটা মাত সুগমাৰ মুখৰ পৰা ওলাই আহিছে।

'পিংকী ক'ত?' - উদং পাহাৰত ঠেকা খাই প্ৰতিধ্বনিত হোৱা একেটা প্ৰশ্ন।

'কমিটীৰ ঘৰটোতে আছে। তই বেহুঁচ হৈ থকা বাবে তাতে থৈ দিছে।' - তাচপাতৰ দৰে খহি পৰা ঘৰখনৰ মাত ভাৰতীহঁতে ঠিকেই শুনিছে।

সুগমা ঠিয় হৈছে। তাইৰ স্তূপীকৃত আৱেগৰ নৈ শুকাই কৰ্কশ হৈ পৰিছে। এখোজ দুখোজকৈ মেলা কমিটীৰ ঘৰটোৰ ফালে তাই গতি লৈছে। মনত অলেখ-অযুত প্ৰশ্ন। তাইৰ সৈতে এয়া কিয়? আলোকৰ তীব্ৰ পোহৰ আৰু উদ্দাম সংগীতৰ কোলাহলৰ মাজতো এই প্ৰশ্নটোৱে তাইৰ হৃদয়ত শেলে বিন্ধাদি বিন্ধিছে।

হঠাতে সুগমাৰ গতি স্তব্ধ হৈছে। তাই খেলা বস্তুৰ পোহাৰখনৰ ফালে খোজ লৈছে। তাইৰ খোজ দৌৰলৈ সলনি হৈছে। মুহূৰ্ততে পলিথিনখন আঁতৰাই তাই খেলা বস্তুবোৰ বাতুলতাৰে চুবলৈ ধৰিছে।

'তই কি কৰিছ সুগমা? এইবোৰ কিয় মেলি লৈছ?' - আশ্চৰ্যৰে ভাৰতীৰ প্ৰশ্নটো ছিটিকি আহিছে।

'মই... মই... এইবোৰ বেছিব লাগিব বুজিছ। এইবোৰ সব মই বেছিব লাগিব। আজি পুৰা ছোৱালীজনীক মই ৰুটী এখনো খাবলৈ দিব নোৱাৰিলো। কিন্তু শুদা হাতেৰে মই তাইক বিদায় নিদিওঁ। মই সব বস্তু বিক্ৰী কৰিম। সব বিক্ৰী কৰিম।' - আউলি বাউলি চুলিৰে গাৰ পৰা খহি পৰিবলৈ ধৰা চাদৰখনৰে ক্ষয়িষ্ণু সময়ৰ অবিবেচকী চিকাৰৰূপী সুগমাই চিঞৰি উঠিছে।

'বাপেকটোৱে একো নকৰাকৈ গ'লগৈ। কিন্তু মইতো তাইৰ মাক। মোৰ দায়িত্ব মই উলাই কৰিব নোৱাৰো। তাইক মই ভালদৰে বিদায় দিম। মোক এতিয়া টকা লাগে ভাৰতী। মোক টকা লাগে।'

কথাষাৰ কৈয়ে সুগমাই দুহাতত পুতলা আৰু খেলা বস্তু কিছুমান তুলি চিঞৰি উঠিছে।

'আপোনাৰ ল'ৰা-ছোৱালীয়ে ভাল পোৱা এয়া পুতলা আৰু খেলা বস্তু। বিশ টকাৰ পুতলা দহ টকাত। চল্লিশ টকাৰ খেলনা বিশ টকাত। লৈ যাওক, এইবোৰ লৈ যাওক। আপোনাৰ সন্তানৰ আনন্দৰ বাবে লৈ যাওক' - আবেগ বিহ্বল মাতেৰে সন্মুখেৰে পাৰ হৈ যোৱা প্ৰতিগৰাকী ব্যক্তিৰ সন্মুখত আব্দাৰ কৰি সুগমাই চিঞৰি উঠিছে। উদ্ভ্ৰান্ত হৈ এফালৰ পৰা আনফাললৈ ঘূৰি ফুৰা সুগমাৰ মাত ৰংগীলা আনন্দ মেলাৰ অন্তৰ্হৃদয় ভেদি চাৰিওফালে আৰ্তনাদ হৈ বিয়পি গৈছে। ❑❑ *মোবাইল নং ঃ ৭০০২৬৭০৯৫৮*

# ৰাজ্যৰ কেইবাগৰাকীৰ বিশিষ্ট ব্যক্তিৰ মৃত্যুত মুখ্যমন্ত্ৰী সোণোৱালৰ শোক প্ৰকাশ

বিগত কিছুদিনত ৰাজ্যখনৰ কেইবাগৰাকীও বিশিষ্ট ব্যক্তিৰ দেহাৱসান ঘটে। বিভিন্ন ক্ষেত্ৰলৈ তেওঁলোকৰ অৱদানৰ কথা সুঁৱৰি শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে। বিশিষ্ট শিশু সাহিত্যিক, সাহিত্যিক পেঞ্চনাৰ, সাহিত্য অকাদেমিৰ শিশু সাহিত্য বঁটাপ্ৰাপক প্ৰথমগৰাকী অসমীয়া সাহিত্যিক গগন চন্দ্ৰ অধিকাৰীৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে। এক শোকবাৰ্তাত মুখ্যমন্ত্ৰী সোণোৱালে কয় যে প্ৰয়াত গগন চন্দ্ৰ অধিকাৰীয়ে বিভিন্ন শিশু সাহিত্যৰ জৰিয়তে শিশুসকলৰ মানসিক, বৌদ্ধিক বিকাশৰ দিশত যি অনবদ্য অৰিহণা আগবঢ়াই গ'ল তাক ৰাজ্যখনৰ জনসাধাৰণে শ্ৰদ্ধাৰে স্মৰণ কৰিব। প্ৰয়াত অধিকাৰীয়ে শিশু উপযোগী খুহুতীয়া পদ্য, শিশুৰ মনোগ্ৰাহী কাহিনীকে ধৰি কেইবাখনো শিশুগ্ৰন্থ ৰচনা কৰি শিশুসকলৰ মনস্তাত্ত্বিক উত্তৰণৰ দিশত বিশিষ্ট বৰঙনি আগবঢ়াই গৈছে। সাহিত্য অকাদেমিৰ শিশু সাহিত্য বঁটাপ্ৰাপক প্ৰথমগৰাকী অসমীয়া সাহিত্যিক হিচাপে প্ৰয়াত অধিকাৰীয়ে শিশু সম্পৰ্কীয় বিভিন্ন ৰচনাৰাজিৰ জৰিয়তে আমাৰ শিশু সাহিত্যৰ ভঁৰাল সমৃদ্ধশালী কৰি থৈ গৈছে। অসম শিশু সাহিত্য ন্যাসৰ সৈতে জন্মলগ্নৰে পৰা এগৰাকী সদস্য হিচাপে জড়িত থাকি অনুষ্ঠানটোৰ উত্তৰণৰ দিশত যথেষ্ট বৰঙনি আগবঢ়াই গৈছে। তেওঁৰ বিয়োগ আমাৰ শিশু সাহিত্য জগত তথা সমাজ জীৱনৰ বাবে অপূৰণীয় ক্ষতি বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে প্ৰয়াত গগন চন্দ্ৰ অধিকাৰীৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ উপৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

আনহাতে বিশিষ্ট শিশু সাহিত্যিক গগন চন্দ্ৰ অধিকাৰীৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা তথা অসম শিশু সাহিত্য ন্যাসৰ সচিব হৃষীকেশ গোস্বামীয়ে। এক শোকবাৰ্তাত মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টাগৰাকীয়ে গগন চন্দ্ৰ অধিকাৰীৰ বিয়োগত অসমে শিশু সাহিত্য জগতৰ এগৰাকী বিশিষ্ট ব্যক্তিক হেৰুৱালে বুলিও কয়। মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টাগৰাকীয়ে প্ৰয়াত গগন চন্দ্ৰ অধিকাৰীৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ উপৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

আনহাতে বিশিষ্ট সাংবাদিক, সাহিত্যিক অমল কুমাৰ হৰ'ৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী সোণোৱালে। এক শোকবাৰ্তাৰ জৰিয়তে মুখ্যমন্ত্ৰী সোণোৱালে কয় যে প্ৰয়াত অমল কুমাৰ হৰ'ই সংবাদ জগতলৈ যি সেৱা আগবঢ়াই গ'ল সেয়া জনসাধাৰণে শ্ৰদ্ধাৰে স্মৰণ কৰিব। প্ৰয়াত অমল কুমাৰ হৰ'ই দুলীয়াজানৰ সন্মিলিত সাংবাদিক মঞ্চৰ সভাপতি হিচাপেও সাংবাদিকসকলৰ বিভিন্ন অভাৱ-অভিযোগ নিৰাময়ৰ দিশত গুৰুত্বপূৰ্ণ ভূমিকা লৈ গৈছে। তদুপৰি, এগৰাকী ঔপন্যাসিক আৰু গল্পকাৰ হিচাপেও তেওঁ আমাৰ সাহিত্য জগতলৈ বৰঙনি আগবঢ়াই গৈছে। আদিবাসী ছাত্ৰ সন্থাৰ ডিব্ৰুগড় জিলাৰ উপদেষ্টা হিচাপেও তেখেতে সংগঠনটোৰ সাংগঠনিক দিশ শক্তিশালী কৰাৰ দিশত বৰঙনি আগবঢ়াই গৈছে। এইগৰাকী জ্যেষ্ঠ সাংবাদিকৰ বিয়োগ আমাৰ সমাজ জীৱনৰ বাবে অপূৰণীয় ক্ষতি বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে প্ৰয়াত অমল কুমাৰ হৰ'ৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ উপৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

অসম অসামৰিক সেৱাৰ বিষয়া বিষ্ণু দত্ত শৰ্মাৰ বিয়োগতো গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী সোণোৱালে। এক শোক বাৰ্তাৰ জৰিয়তে মুখ্যমন্ত্ৰী সোণোৱালে কয় যে প্ৰয়াত বিষ্ণু দত্ত শৰ্মাই অসম অসামৰিক সেৱাৰ এগৰাকী বিষয়া হিচাপে অতি নিষ্ঠা আৰু দক্ষতাৰে যি সেৱা আগবঢ়াই গ'ল সেয়া জনসাধাৰণে শ্ৰদ্ধাৰে স্মৰণ কৰিব। তদুপৰি, এসময়ত এগৰাকী সাংবাদিক হিচাপেও সংবাদ পত্ৰলৈ তেওঁ অৰিহণা আগবঢ়াই গৈছে। প্ৰকৃতিপ্ৰেমী প্ৰয়াত দত্তই বিভিন্ন কাকত-আলোচনীত প্ৰকৃতি সংৰক্ষণ তথা বিভিন্ন বিষয়ক মননশীল নিবন্ধ লিখি এই দিশত উল্লেখযোগ্য অৰিহণা আগবঢ়াই গৈছে। এইগৰাকী দক্ষ বিষয়াৰ বিয়োগ আমাৰ সমাজ জীৱনৰ বাবে অপূৰণীয় ক্ষতি বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে প্ৰয়াত বিষ্ণু দত্ত শৰ্মাৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ উপৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে। ❑❑

# নিয়োগ বাতৰি

# কটন বিশ্ববিদ্যালয়ত অধ্যাপকৰ ৪৭টা পদ



ৰাজ্যখনৰ এখন আগশাৰীৰ উচ্চ শিক্ষানুষ্ঠান কটন বিশ্ববিদ্যালয়ত খালী হোৱা বিভিন্ন বিভাগৰ অধ্যাপকৰ ৪৭ টা পদ পূৰণৰ বাবে বিশ্ববিদ্যালয়খনৰ পঞ্জীয়কে এক নিয়োগ বিজ্ঞাপনযোগে অৰ্হতাসম্পন্ন প্ৰাৰ্থীৰ পৰা আৱেদন আহ্বান কৰিছে। প্ৰকাশিত বিজ্ঞাপনৰ তথ্য অনুসৰি অধ্যাপকৰ ১৫ টা, সহযোগী অধ্যাপকৰ ২৬টা আৰু সহকাৰী অধ্যাপকৰ ৬টা পদ আছে। অধ্যাপকৰ পদসমূহ পূৰণ কৰা হ'ব নৃতত্ত্ব, অসমীয়া, চি এছ এণ্ড আই টি, অৰ্থনীতি, শিক্ষা, হিন্দী, আইন, গণ সংযোগ, গণিত, দৰ্শন, মনোবিজ্ঞান, সংস্কৃত, সমাজ বিজ্ঞান, বুৰঞ্জী আৰু ভূগোল বিভাগত। তেনেদৰে সহযোগী অধ্যাপকৰ পদসমূহ নৃতত্ত্ব, পুৰাতত্ত্ব, বড়ো, চি এছ এণ্ড আই টি, অৰ্থনীতি, শিক্ষা, হিন্দী, আইন, পুথিভঁৰাল তথা তথ্য বিজ্ঞান, গণ সংযোগ, গণিত, পদাৰ্থ বিজ্ঞান, মনোবিজ্ঞান, সংস্কৃত, সমাজ বিজ্ঞান, বুৰঞ্জী, চেণ্টাৰ ফৰ অ'মেন ষ্টাডিজ আৰু চেণ্টাৰ ফৰ ক্লাউডছ এণ্ড ক্লাইমেট ৰিছাৰ্চ বিভাগত পূৰণ কৰা হ'ব। আনহাতে, সহকাৰী অধ্যাপকৰ পদসমূহ চি এছ এণ্ড আই টি, গণিত, মনোবিজ্ঞান, বুৰঞ্জী আৰু ভূগোল বিভাগত পূৰণ কৰা হ'ব। আগ্ৰহী প্ৰাৰ্থীসকলে যাৱতীয় নথি-পত্ৰৰ প্ৰত্যায়িত প্ৰতিলিপিসহ নিৰ্ধাৰিত প্ৰ-পত্ৰ পূৰণ কৰি প্ৰস্তুত কৰা আৱেদন ১০ নৱেম্বৰ, ২০২০ তাৰিখৰ ভিতৰত পোৱাকৈ পঞ্জীয়ক, কটন বিশ্ববিদ্যালয়, পাণবজাৰ, গুৱাহাটী-৭৮১০০১ ঠিকনালৈ প্ৰেৰণ কৰিব লাগিব। ছফ্ট কপি ই মেইল recruit2020@cottonuniversity.ac.in যোগে ৪ নৱেম্বৰ, ২০২০ তাৰিখৰ ভিতৰত প্ৰেৰণ কৰিব লাগিব। ❑❑

# স্বাস্থ্য সেৱা-পৰিয়াল কল্যাণ সঞ্চালকালয়ত ৫৯৪ টা পদ

অসম চৰকাৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ অধীনৰ স্বাস্থ্য সেৱা (পৰিয়াল কল্যাণ) সঞ্চালকালয়ৰ কাৰিকৰী আৰু অ-কাৰিকৰী বিভাগৰ খালী হোৱা ৫৯৪ টা ভিন্ন বৰ্গৰ পদ পূৰণৰ বাবে অৰ্হতাসম্পন্ন প্ৰাৰ্থীৰ পৰা আৱেদন বিচৰা হৈছে। প্ৰকাশিত বিজ্ঞাপন অনুসৰি খালী পদসমূহৰ ভিতৰত আছে ৰেফ্ৰিজাৰেটৰ মেকানিক ১টা, এ এন এম-অক্সিলিয়াৰী নাৰ্ছ এণ্ড মিড ৱাইভছ ৫৪৫ টা, কম্পিউটৰ ১৬টা, কনিষ্ঠ সহায়ক ৮ টা, ক্ষেত্ৰকৰ্মী/সামাজিক কৰ্মী ১১টা, ক্ষেত্ৰ তথা মূল্যায়ন কৰ্মী ৩টা, ষ্টেন'টাইপিষ্ট ৭ টা আৰু লেবৰেটৰী টেকনিচিয়ান ৩ টা। এই পদসমূহৰ বাবে চলিত বৰ্ষৰ পহিলা জানুৱাৰীত প্ৰাৰ্থীৰ বয়স হ'ব লাগিব ১৮-৪০ বছৰৰ ভিতৰত। বয়সৰ ঊৰ্ধ্বসীমাৰ ক্ষেত্ৰত সংৰক্ষিত শ্ৰেণীৰ প্ৰাৰ্থীয়ে বিধিগত ৰেহাই লাভ কৰিব। আগ্ৰহী প্ৰাৰ্থীসকলে শিক্ষাগত অৰ্হতা, অভিজ্ঞতা আদিকে ধৰি প্ৰাৰ্থিত্বৰ সবিশেষ জনাৰ লগতে অনলাইনযোগে আৱেদন দাখিল কৰিবলৈ ৱেবছাইট www.dhsfw.assam.gov.in চাব পাৰে। অনলাইনযোগে আৱেদন দাখিলৰ অন্তিম দিন ২১ অক্টোবৰ, ২০২০ । ❑❑

# ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণত বিভিন্ন বৰ্গৰ ১০৯টা পদ

ভাৰত চৰকাৰৰ যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়ৰ অধীনৰ স্বতন্ত্ৰ সংস্থা ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণত খালী হোৱা বিভিন্ন বৰ্গৰ মুঠ ১০৯টা পদত নিযুক্তিৰ বাবে অৰ্হতাসম্পন্ন প্ৰাৰ্থীৰ পৰা আৱেদন বিচৰা হৈছে। প্ৰকাশিত বিজ্ঞাপনৰ তথ্য অনুসৰি এই পদসমূহৰ ভিতৰত আছে Strength & Conditioning expart ৰ ৬২ টা আৰু Physio Therapist ৰ ৪৭ টা পদ। প্ৰথম পদটোৰ বাবে প্ৰাৰ্থী Sports & Excercise Science/Science in Sports Science/Sports Coaching & Excercise Science বিষয়ত স্নাতক ডিগ্ৰীধাৰী হোৱাটো বাঞ্ছনীয়। আনহাতে, Physio Therapist পদৰ প্ৰাৰ্থী সংশ্লিষ্ট বিষয়ত স্নাতকোত্তৰ ডিগ্ৰীধাৰী হোৱাৰ লগতে Physio Therapist হিচাপে অতি কমেও ৩ বছৰীয়া কৰ্ম অভিজ্ঞতা থকা হ'ব লাগিব। আগ্ৰহী প্ৰাৰ্থীসকলে প্ৰাৰ্থিত্বৰ সবিশেষ জানিবলৈ আৰু অনলাইনযোগে আৱেদন দাখিল কৰিবলৈ প্ৰাধিকৰণৰ ৱেবছাইট https://sportsauthorityofindia.nic.in/saijobs চাব পাৰে। অনলাইনযোগে আৱেদন দাখিলৰ অন্তিম দিন ২১ অক্টোবৰ, ২০২০। ❑❑

# বোকাজান চিমেণ্ট কাৰখানাত ২০টা পদ




বোকাজান চিমেণ্ট কাৰখানাত খালী হোৱা আৰ্টিছান ট্ৰেইনীৰ ২০টা পদ পূৰণৰ বাবে অৰ্হতাসম্পন্ন প্ৰাৰ্থীৰ পৰা আৱেদন বিচাৰি চিমেণ্ট কৰ্পʼৰেচন অব ইণ্ডিয়াই নিয়োগ বিজ্ঞাপন প্ৰকাশ কৰিছে। প্ৰকাশিত বিজ্ঞাপনৰ তথ্য অনুসৰি এই পদসমূহ পূৰণ হʼবলগীয়া বিভাগসমূহ হৈছে ইলেক্ট্ৰিচিয়ান ৫টা, ৱেল্ডাৰ ৩ টা, ফিটাৰ ৪ টা, মাইনিং ২টা আৰু প্ৰডাকচন ৬ টা। ইলেক্ট্ৰিচিয়ান পদৰ প্ৰাৰ্থী দশৰ শ্ৰেণী উত্তীৰ্ণ হোৱাৰ লগতে ইলেক্ট্ৰিচিয়ান ট্ৰেডত আই টি আইৰ দুবছৰীয়া প্ৰমাণপত্ৰধাৰী হʼব লাগিব। ৱেল্ডাৰ পদৰ প্ৰাৰ্থী দশম শ্ৰেণী উত্তীৰ্ণ হোৱাৰ লগতে ৱেল্ডাৰ ট্ৰেডত আই টি আইৰ দুবছৰীয়া প্ৰমাণপত্ৰধাৰী অথবা একেটা ট্ৰেডত আই টি আইৰ এবছৰীয়া প্ৰমাণপত্ৰধাৰী আৰু শিক্ষা নবিচ হিচাপে এবছৰীয়া কৰ্ম অভিজ্ঞতা থকা হʼব লাগিব। ফিটাৰ পদৰ প্ৰাৰ্থী দশম শ্ৰেণী উত্তীৰ্ণ হোৱাৰ লগতে ফিটাৰ ট্ৰেড বিষয়ত আই টি আইৰ দুবছৰীয়া প্ৰমাণপত্ৰধাৰী হʼব লাগিব। মাইনিং পদৰ প্ৰাৰ্থী দশম শ্ৰেণী উত্তীৰ্ণ হোৱাৰ লগতে আই টি আইৰ প্ৰমাণপত্ৰধাৰী হʼব লাগিব। শেষত প্ৰডাকচন পদৰ প্ৰাৰ্থী ৰসায়ন বিজ্ঞান বিষয়ত স্নাতক ডিগ্ৰীধাৰী হোৱাটো বাঞ্ছনীয়। ৩০ ছেপ্টেম্বৰ, ২০২০ত প্ৰাৰ্থীৰ বয়স হʼব লাগিব সৰ্বাধিক ২৭ বছৰ। আগ্ৰহী প্ৰাৰ্থীসকলে প্ৰাৰ্থিত্বৰ সবিশেষ জানিবলৈ আৰু অনলাইনযোগে আৱেদন দাখিল কৰিবলৈ ৱেবছাইট www.cciltd.in চাব পাৰে। অনলাইনযোগে আৱেদন দাখিলৰ অন্তিম দিন ২৫ অক্টোবৰ, ২০২০। ❑❑

অসম চৰকাৰ

# অসম চৰকাৰে ৰাজ্যখনৰ সাংবাদিকসকলৰ বাবে এককালীন অনুদান ঘোষণা কৰিছে আৰু তেওঁলোকৰ পৰা আবেদন আহ্বান কৰিছে।



সৰ্বানন্দ সোণোৱাল
মুখ্যমন্ত্ৰী, অসম

**উদ্দেশ্য**

সাংবাদিকসকলক উল্লেখযোগ্য সফলতা অৰ্জনৰ পথত আৰু প্ৰয়োজনৰ সময়ত সহায় আগবঢ়োৱাই এই অনুদানৰ লক্ষ্য

**অনুদানৰ পৰিমাণ ঃ২০ গৰাকী সাংবাদিকৰ প্ৰতিজনলৈ ৫০,০০০ টকাকৈ**

## কেনেকৈ আবেদন কৰিব

সম্পূৰ্ণকৈ পূৰণ কৰা এখন আবেদন প্ৰ-পত্ৰ (অনুসূচী-১) ৰ লগতে অন্যান্য প্ৰাসঙ্গিক তথ্য-পাতি তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসম, লাষ্ট গেট, দিশপুৰ, গুৱাহাটী-৭৮১০০৬ৰ ঠিকনাত জমা দিব।

## কোনে আবেদন কৰিব পাৰিব

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ এক্ৰিডিটেড্/ স্বীকৃতিপ্ৰাপ্ত পৰিচয় পত্ৰ থকা সাংবাদিক। সাংবাদিকতাৰ ক্ষেত্ৰত আবেদনকাৰী গৰাকীৰ কমেও ১৫ বছৰৰ অভিজ্ঞতা থাকিব লাগিব। আবেদনকাৰীৰ বয়স কমেও ৪০ বছৰ আৰু বাৰ্ষিক আয় ৫ লাখ টকাতকৈ কম হ'ব লাগিব।

আবেদন জমা দিয়াৰ অন্তিম তাৰিখ

**২৭ অক্টোবৰ, ২০২০**

নিৰ্দেশনাৱলী আৰু আবেদনৰ প্ৰ-পত্ৰৰ আৰ্হি ডাউনলোড কৰিব পাৰিব

**https://bit.ly/2RWZgx5**

অসম চৰকাৰ

GOVERNMENT OF ASSAM

# কৰ'না ভাইৰাছ

National Health Mission, Assam

কৰ'ণা ভাইৰাছ, বা (2019-Cov) এক নতুন ভাইৰাছ (বীজাণু) যাক চীনৰ হুবেই প্ৰান্তৰ ৱুহান চহৰত প্ৰথমে চিনাক্ত কৰা হৈছিল। কৰ'ণা হৈছে বৃহৎ গোষ্ঠীৰ ভাইৰাছ, যিয়ে জ্বৰ আৰু ছৰ্দি সম্বন্ধীয় ৰোগসহ মানুহ আৰু জীব-জন্তু উভয়কে সংক্ৰমিত কৰিব পাৰে। এই ভাইৰাছ আগতে কোনোদিন চিনাক্ত কৰা হোৱা নাছিল বাবে ইয়াক নভেল বা নতুন বুলি কোৱা হৈছে। এই ভাইৰাছবিধ অতি সোনকালে এজন ব্যক্তিৰ পৰা আনজন ব্যক্তিলৈ সংক্ৰমিত হয়।

## কৰ'না ভাইৰাছৰ লক্ষণ সমূহ কি ?

কাহ | জ্বৰ | উশাহ লোৱাত কষ্ট | নিউমোনিয়া | বমি | ডায়েৰিয়া

## কৰ'না ভাইৰাছ কিদৰে বিয়পে ?

এই ৰোগত আক্ৰান্ত হোৱা কোনো ব্যক্তিৰ সংস্পৰ্শলৈ আহিলে এই ভাইৰাছ বিয়পিব পাৰে। আক্ৰান্ত ব্যক্তিজনৰ কাঁহ আৰু হাচি মাৰোতে ওলোৱা ড্ৰপলেটৰমাধ্যমেৰে আৰু আক্ৰান্ত ব্যক্তিজনৰ ব্যৱহৃত সামগ্ৰী স্পৰ্শ কৰাৰ ফলতো এই ভাইৰাছ বিয়পিব পাৰে।

## উল্লেখিত কৰিবলগীয়া আৰু নকৰিবলগীয়া নিয়মসমূহ পালন কৰক

### কৰিবলগীয়া ✓

- পাৰ্যমানে লোকসমাবেশ বৰ্জন কৰক
- ব্যৱহৃত টিচ্যু তৎক্ষণাৎ ডাষ্টবিনত পেলাব
- যদি কোনো লোকে কৰণা ভাইৰাছ আক্ৰান্ত দেশ ভ্ৰমণ কৰি আহিছে ১৪ দিনৰ বাবে নিজকে ঘৰত আবদ্ধ কৰি ৰাখক লগতে পৰিয়ালৰ সদস্য তথা ওচৰচুবুৰীয়াৰ পৰা দূৰত্ব বজাই ৰাখিবলৈ অনুৰোধ জনোৱা হ'ল।
- পানী লগা, কাঁহ বা জ্বৰ হৈ থকা ব্যক্তিৰ পৰা অতি কমেও ১ মিটাৰ দূৰত্ব বজাই ৰাখক
- সঘনাই হাত ধোৱাৰ অভ্যাস কৰক। হাত ধুবৰ বাবে চাবোন আৰু পানীৰে পৰিষ্কাৰকৈ ধোৱাৰ লগতে এলক'হলযুক্ত ছেনিটাইজাৰ ব্যৱহাৰ কৰক
- যদি আপুনি অসুস্থ বোধ অনুভৱ কৰিছে (জ্বৰ, উশাহ লোৱাত কষ্ট আৰু কফ) তেন্তে চিকিৎসকৰ পৰামৰ্শ লওক।
- কাঁহ মাৰোতে আৰু হাচি মাৰোতে ৰুমাল/টিচ্যু ব্যৱহাৰ কৰি আপোনাৰ নাক আৰু মুখখন ভালকৈ ঢাকি ল'ব
- যদি কোনো লোকে কৰণা ভাইৰাছ আক্ৰান্ত দেশ ভ্ৰমণ কৰি আহিছে তেওঁ নিজেই ওচৰৰ স্বাস্থ্য কেন্দ্ৰলৈ গৈ বা IDSP কোষৰ অথবা সহায়ক নম্বৰৰ সৈতে যোগাযোগ কৰিবলৈ অনুৰোধ জনোৱা হৈছে।
- চিকিৎসালয়লৈ যোৱাৰ সময়ত ১০৮ এম্বুলেন্স ব্যৱহাৰ কৰক আৰু আগতীয়াকৈ চিকিৎসালয়ত খবৰ দিয়ক।

আপোনাৰ পৰিয়ালৰ বা ওচৰচুবুৰীয়াৰ কোনো লোকৰ এই ৰোগৰ লক্ষণসমূহ দেখা দিলে স্বাস্থ্য বিভাগৰ কৰ্তৃপক্ষক অৱগত কৰাওক আৰু ১০৪ ডায়েল কৰক

### নকৰিবলগীয়া ⊗

- যদি আপুনি জ্বৰ আৰু কফ ৰোগত ভুগি আছে, অন্য লোকৰ সৈতে ঘনিষ্ঠ সংস্পৰ্শ
- অপৰিষ্কাৰ হাতেৰে চকু, নাক আৰু মুখখন স্পৰ্শ
- ৰাজহুৱা স্থানত থু-খেকাৰ পেলোৱা
- যিকোনো ঠাইলৈ অপ্ৰয়োজনীয় যাত্ৰা পৰিহাৰ কৰক
- ধূমপান নকৰিব
- কাকো সাৱটি নধৰিব

**একত্ৰিত হৈ আমি কৰ'না ভাইৰাছৰ সৈতে যুঁজ দিও আঁহক**

সবিশেষ জানিবৰ বাবে **6913347770/1/2/3** আৰু **104** নম্বৰত যোগাযোগ কৰক

অসম চৰকাৰৰ দ্বাৰা ৰাইজৰ স্বাৰ্থাৰ্থে প্ৰচাৰিত